891.4117
T 326 Sa

মহাপুৰুষ

# শ্ৰীশ্ৰীশঙ্কৰদেৱ-মাধৱদেৱ চৰিত

৺ দৈত্যাৰি ঠাকুৰ বিৰচিত
( ১৫৪২ শকাব্দা )

শ্ৰীৰাজমোহন নাথ, বি-ই, তত্বভূষণ সম্পাদিত
( ১৮৬৯ শকাব্দা )

প্ৰথম সংস্কৰণ

সৰ্ব্ব-স্বত্ব সংৰ

ৰেচ—তিন টকা

প্ৰকাশক—শ্ৰীঅৰুণকুমাৰ নাথ

প্ৰথম সংস্কৰণ
১৮৬৯ শকাব্দ

SKB Library
36768

শ্ৰীহট্ট আটান্দ প্ৰেছৰ পৰা
শ্ৰীসাৰদাচৰণ দাসৰ দ্বাৰা
ছপা কৰা হ'ল।

# মুখবন্ধ

প্ৰায় দুকুৰি মান বছৰ আগতে তেজপুৰৰ ভক্তপ্ৰাণ ৺হৰিবিলাস গুপ্তই ৺দৈত্যাৰি ঠাকুৰ ৰচিত মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱৰ চৰিত্ৰ পুথি ছপাই প্ৰকাশ কৰিছিল। বৰ্ত্তমানে সেই পুথি কিনিবলৈ পোৱা না যায়, কোনো ঠাইত কাৰোবাৰ হাতত যি দু এখন আছে সিও প্ৰায়েই অসম্পূৰ্ণ।— অথচ বৰ্ত্তমানে মহাপুৰুষ দুজনাৰ ধৰ্ম্ম, ধৰ্ম্মগ্ৰন্থ আৰু সাহিত্য আলোচনাৰ লগে লগে তেঁৰা সকলৰ পৱিত্ৰ জীৱন চৰিত আলোচনা কৰাৰ প্ৰয়োজন সকলোৰেই বোধ কৰিছে।

এই অভাৱ দূৰ কৰাৰ ইচ্ছা মনত লৈ আমি মহাপুৰুষ দুজনাৰ চৰিত্ৰ পুথি কেইখনমান সম্পাদন কৰিবলৈ আগ বাঢ়িছোঁ।

৺হৰিবিলাস গুপ্তই প্ৰকাশ কৰা কিতাপৰ মূল পাঠ আমাৰ প্ৰধান সম্বল। পুনীয়াৰ সত্ৰৰ ডেকা অধিকাৰ শ্ৰীযুত দত্তদেৱ গোস্বামী প্ৰভুৰ অনুগ্ৰহত যোৰহাট কাকজান ঢেকিয়াখোৱা গাৱঁৰ বৰ নাম ঘৰৰ থাপনাৰ পৰা অনা সাঁচিপতীয়া চৰিত্ৰপুথি খন আমাৰ দ্বিতীয় সম্বল। এই পুথিৰ পাঠৰ লগত গুপ্ত ডাঙৰীয়াৰ কিতাপৰ পাঠ পুঙ্খানুপুঙ্খ ভাৱেৰে মিলাই পাৰ্য্যমানে পাঠ শুদ্ধ কৰা হৈছে। তেজপুৰৰ শউলমাৰি গাৱঁৰ নামঘৰৰ থাপনাৰ পুথি আৰু যোৰহাটৰ আমাৰ এজন উকীল বন্ধুৰ কোনো মকৰ্দ্দমাৰ কাৰণে মাজুলীৰ কোনো এখন অতি প্ৰাচীন সত্ৰৰ পৰা অনা পুথিখনো কোনো কোনো বিষয়ত সন্দেহ স্থলত তুলনা মূলক ভাৱেৰে চোৱা হৈছে।

মূল সাঁচিপতীয়া পুথিত অধ্যায় বিভাগ নাই। স্বৰ্গীয় গুপ্ত ডাঙৰীয়াই ছপা কৰা পুথিত পাঠকৰ সুবিধাৰ কাৰণে অধ্যায় ভাগ কৰা হৈছিল।— আমিয়ো সেই আৰ্হি লৈ আমাৰ কিতাপত অধ্যায় বিভাগ কৰিছোঁ, কিন্তু আমি বিষয় অনুসৰি ৺গুপ্ত ডাঙৰীয়াতকৈ বেলেগ ভাৱেৰে অধ্যায় বিভাগ কৰিছোঁ। পাঠৰ সুবিধাৰ কাৰণে প্ৰতি অধ্যায়ৰ ঘটনা বা বিষয় বস্তু অনুসৰি অনুচ্ছেদৰ নামকৰণো কৰিছোঁ।

প্ৰাচীন পুথিত পদৰ সংখ্যা আদিৰ পৰা অন্তলৈকে ধাৰাবাহিক ভাৱেৰে দিয়া আছে। কিন্তু প্ৰাচীন সংস্কৃত পুৰাণ, ভাগৱত, মহাভাৰত আদি গ্ৰন্থ সম্পাদন কৰোতে আধুনিক পণ্ডিত সকলে প্ৰতি অধ্যায়ত বেলেগ ভাৱেৰে পদ সংখ্যা দিয়ে। এই পদ্ধতিৰ এটা সুবিধা এই যে কোনো বিষয়ৰ উল্লেখ কৰিবলৈ হলে বিশেষ অধ্যায় আৰু সেই অধ্যায়ৰ পদ সংখ্যাৰ উল্লেখ কৰা সহজ আৰু সুবিধা জনক। আমি এই আহি লৈ মহাপুৰুষ ভূজনাৰ চৰিত পুথিক পবিত্ৰ গ্ৰন্থ ভাবি প্ৰতি অধ্যায়ত নতুনকৈ বেলেগ পদ সংখ্যা দিছোঁ।

পাদটীকাত দিয়া তুলনামূলক পাঠৰ কাৰণে আমি তলত লিখা পুথিৰ সহায় লৈছোঁ :—

(১) শঙ্কৰ চৰিত—৺ৰামচৰণ ঠাকুৰ ৰচিত—শ্ৰীযুত হলিৰাম মহন্তই সম্পাদন কৰা, ঢেকিয়া খোৱা নাম ঘৰৰ সাঁচিপতীয়া পুথি, কাকজানৰ শ্ৰীযুত পুণ্যেশ্বৰ ভূঞাৰ ঘৰত থকা সাঁচিপতীয়া পুথি।

(২) শঙ্কৰদেৱ—৺ভূষণ দ্বিজ ৰচিত—৺দুৰ্গাধৰ বৰকটকী সম্পাদিত

(৩) গুৰুচৰিত্ৰ—৺দ্বিজৰামানন্দ ৰচিত—৺হৰিবিলাস গুপ্ত সম্পাদিত। গণকপুখুৰীৰ শ্ৰীযুত যজ্ঞেশ্বৰ গোস্বামীৰ নাম ঘৰৰ সাঁচিপতীয়া পুথি।

(৪) শ্ৰীশ্ৰীবংশীগোপাল চৰিত—৺দ্বিজ ৰমানন্দ ৰচিত—আউনী আটি আৰু গড়মূৰ সত্ৰৰ পুথি।

(৫) শ্ৰীশ্ৰীদেৱ দামোদৰ চৰিত্ৰ—৺নীলকণ্ঠ দাস ৰচিত—৺শৰচ্চন্দ্ৰ গোস্বামী সম্পাদিত; ৺কৃষ্ণমিশ্ৰ ৰচিত—দক্ষিণপাট সত্ৰৰ পুথি।

(৬) শ্ৰীশঙ্কৰদেৱ-শ্ৰীমাধৱদেৱ,—৺লক্ষ্মীনাথ বেজবৰুৱা প্ৰণীত।

পুথি সম্পাদন কৰা আৰু টীকা লিখাত যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰ শিক্ষক শ্ৰীমান্ বিশ্বনাৰায়ণ কাব্য-ব্যাকৰণ-মীমাংসা-শাস্ত্ৰী, কাব্যতীৰ্থ দেৱে দক্ষিণ হস্ত স্বৰূপ হৈ আমাক সদাই সহায় কৰিছে। তেওঁৰ সহায় ন হলে চৰকাৰী কামত ইমান ব্যস্ত থাকোতে কিতাপ সম্পাদন কৰা আমাৰ পক্ষে ইমান সোনকালে সম্ভৱপৰ ন হল হেঁতেন।

কিতাপ নকল কৰাত আৰু প্ৰেছৰ কাৰণে পাণ্ডুলিপি লিখাত যোৰহাটৰ শ্ৰীমান্ নিবাৰণ চন্দ্ৰ শৰ্ম্মা আৰু কাকজানৰ শ্ৰীমান্ চেনিৰাম ভূঞাই আমাক বৰ সহায় কৰিছে।

অসম উপত্যকাত থকা সমস্ত কিতাপ যুগুত হোৱা সত্ত্বেও অহোপুৰুষাৰ্থ কৰিও কোনো প্ৰেছৰ হতুৱাই কিতাপখন ছপাব পৰা নাই। কলিকতাত চেষ্টা কৰিও নিৰাশ হলো। ছিলটলৈ বদলী হোৱাৰ পিচত ইয়াৰ আনন্দ-প্ৰেছৰ স্বত্বাধিকাৰী বন্ধুবৰ শ্ৰীযুত আশুতোষ দাম মহাশয়ে মহাপুৰুষৰ জীৱনচৰিতৰ কথা শুনিয়েই অইন সকলো কাম এৰি তৎক্ষণাৎ কিতাপ খন ছপাই দিবলৈ গাত লয়। প্ৰেছৰ মেনেজৰ শ্ৰীযুত সাৰদাচৰণ দাস আৰু প্ৰিণ্টাৰ শ্ৰীযুত জলেশ চন্দ্ৰ শৰ্ম্মাই যিমান আগ্ৰহ আৰু উৎসাহেৰে ছপাৰ কাম সমাধা কৰিছে—ই ভাবিলে আচৰিত হব লগীয়া হয়। আমি তেওঁলোকৰ সকলোৰে ওচৰত বৰ কৃতজ্ঞ।

আমাৰ ইচ্ছা আছিল—অসমীয়াৰ ঘৰে ঘৰে ঠাই পোৱাৰ কাৰণে এই কিতাপখনৰ দাম অতি কমকৈ নিৰ্দ্ধাৰণ কৰা। প্ৰেছৰ গৰাকীয়ে ছপাৰ দাম আজিকালিৰ দৰতকৈ অলপ কমকৈ ধৰা স্বত্ত্বেও কাগজৰ দামৰ কাৰণে খৰচ বেচি পৰিল। সেই কাৰণে অনিচ্ছা স্বত্ত্বেও দাম অলপ বেচি হৈ পৰিল। সহৃদয় সকলে আমাৰ এই অনিচ্ছাকৃত ত্ৰুটি মাপ কৰে যেন।

১৮৬৯ শকাব্দা
বহাগ
ছিলট, মনাৰায় টিলা

শ্ৰীৰাজমোহন নাথ

# পাতনি

**গ্ৰন্থকৰ্ত্তা**—নাৰায়ণপুৰৰ হোকৰাকুষ্টি গাৱঁৰ গৱপানী ভূঞাই শঙ্কৰদেৱ মহাপুৰুষ ধুৱাহাটাত থাকোতে তেঁৱাৰ ওচৰত শৰণ লয়, আৰু পিচত ৰামদাস নামেৰে জনাজাত হয়। তেওঁ মাধৱদেৱ পুৰুষৰ ভনীয়েক উৰ্ব্বশীক বিয়া কৰাইছিল। ৰামদাস-উৰ্ব্বশীৰ পুত্ৰ ৰামচৰণ ঠাকুৰ মাধৱদেৱৰ প্ৰিয় আৰু প্ৰধান শিষ্য। মাধৱদেৱ পুৰুষ বেহাৰলৈ যাওতে ৰামচৰণ ঠাকুৰক সুন্দৰীদিয়া সত্ৰৰ অধিকাৰ পাতে। ৰামচৰণ ঠাকুৰৰ পুত্ৰ দৈত্যাৰি ঠাকুৰ ৰামচৰণৰ পিচত সুন্দৰী দিয়া সত্ৰৰ অধিকাৰ হয়। তেওঁৱেই এই চৰিত পুথিৰ ৰচয়িতা।

দৈত্যাৰি ঠাকুৰে ৰচনা কৰা কেইটাগান বৰগীতো পোৱা যায়। 'নৃসিংহ যাত্ৰা' নামৰ এখন অঙ্কীয়ানাট দৈত্যাৰি ঠাকুৰে ৰচনা কৰা বুলি প্ৰবাদ আছে। দ্বিজ ৰামানন্দৰ চৰিত পুথি মতে মাধৱদেৱে মালক গাৱঁৰ লক্ষ্মণ চাড়ন্দাৰৰ ঘৰত নৃসিংহ যাত্ৰা ভাৱনা কৰিছিল আৰু নিজে ছো পিন্ধি নৃসিংহৰ ভাও লৈছিল। এই নাটখন আমি দেখা নাই।

**গ্ৰন্থ ৰচনাৰ তাৰিখ**—দৈত্যাৰি ঠাকুৰে নিজৰ গ্ৰন্থত ৰচনাকাল সম্পৰ্কে কোনো উল্লেখ কৰা নাই; কিন্তু গ্ৰন্থৰ শেষত চতুৰ্ভুজ ঠাকুৰ বিষ্ণুপুৰ সত্ৰত বৰ্ত্তমান আছে বুলি লিখা আছে। শ্ৰীযুত ৰমাকান্ত মুক্তিয়াৰ কৰ্ত্তৃক সম্পাদিত "আট কনকলতা চৰিত্ৰ" মতে ১৫৪১ শকৰ পুহ মাহ কৃষ্ণা চতুৰ্দ্দশীত পুৰুষোত্তম ঠাকুৰ স্বৰ্গী হোৱাত চতুৰ্ভুজ ঠাকুৰ ধৰ্ম্মৰ অধিকাৰী হয়, আৰু ১৫৪২ শকৰ পুহ মাহ, শুক্লাচতুৰ্থী, দিনৰ তৃতীয় প্ৰহৰত স্বৰ্গী হয়। গতিকে দৈত্যাৰি ঠাকুৰে ১৫৪২ শকৰ পুহ মাহৰ আগতেই চৰিত পুথি ৰচনা শেষ কৰিছে।

**গ্ৰন্থৰ উপাদান**—দৈত্যাৰি ঠাকুৰে স্পষ্টকৈ লিখিছে যে, তেখেতে চৰিত পুথি লিখোতে কোনো আৰ্হি পোৱা নাই। প্ৰাচীন ভকত আৰু বিশেষকৈ বুঢ়ীৰ-পো গোবিন্দ আতৈৰ পৰা মহাপুৰুষ দুজনাৰ চৰিত্ৰ সম্পৰ্কীয়

তথ্য সংগ্ৰহ কৰি চৰিত পুথি ৰচনা কৰিছে। বুঢ়ীৰ-পো গোবিন্দ আতৈ মাধৱদেৱ পুৰুষ স্বৰ্গীয় হোৱাৰ পিচত বেহাৰৰ মধুপুৰ সত্ৰৰ অধিকাৰ হৈছিল।

ৰামচৰণ ঠাকুৰে ৰচনা কৰা এখন চৰিত পুথি পোৱা যায়। শ্ৰীযুত হলিৰাম মহন্তই 'শঙ্কৰ চৰিত' নাম দি এই পুথিখন প্ৰকাশ কৰিছে। কিন্তু ৰামচৰণ ঠাকুৰে উল্লেখ কৰা ঘটনাৰ লগত দৈত্যাৰি ঠাকুৰৰ পুথিৰ অনেক ঘটনাৰ মুঠেই মিল নাই। পিতাই লিখা পুথিখন পুত্ৰই নো পোৱা, আৰু সেই পুথি সম্পৰ্কে একো উল্লেখ ন কৰা বৰ আচৰিত কথা।

চতুৰ্ভুজ ঠাকুৰ বিষ্ণুপুৰ সত্ৰত থাকোতে জনিগ্ৰাৰ নাৰায়ণ ঠাকুৰৰ ভায়েক ৰামানন্দৰ আদেশত তেওঁলোকৰ পুৰোহিত ভূষণ দ্বিজই আন এখন চৰিত পুথি ৰচনা কৰে। এই পুথিৰ ঘটনাৰ লগতো দৈত্যাৰি ঠাকুৰৰ পুথিৰ অনেক অমিল। মহপুৰুষ ভুজনাৰ লগত নাৰায়ণ ঠাকুৰৰ ঘনিষ্ঠ সম্পৰ্ক আছিল; আৰু তেখেতৰ ভায়েক আৰু পুৰোহিতে তেখেতৰ পৰা অনেক কাহিনী জনা সম্ভৱপৰ আছিল. কিন্তু দৈত্যাৰি ঠাকুৰে তেখেত সকলৰ পৰা কোনো তথ্য সংগ্ৰহ কৰিছিল বুলি অনুমান ন হয়।

দৈত্যাৰি ঠাকুৰে শঙ্কৰদেৱ মহাপুৰুষৰ জীৱনী সম্পৰ্কে অতি চমুকৈ আৰু মাধৱদেৱ পুৰুষৰ জীৱনী সম্পৰ্কে বহলকৈ আলোচনা কৰিছে। কিন্তু মাধৱদেৱ পুৰুষৰ বৈমাত্ৰেয় ককায়েকৰ নাম তেখেতে সংগ্ৰহ কৰিব পৰা নাই।

দ্বিজ ৰামানন্দই শঙ্কৰদেৱ-মাধৱদেৱৰ এখন চৰিত পুথি ৰচনা কৰে। দ্বিজ ৰামানন্দ ভৱানীপুৰীয়া গোপাল আতাৰ শিষ্য ব্ৰাহ্মণকুলীয়া শ্ৰীৰাম আতাৰ পুত্ৰ আৰু আহতগুৰি সত্ৰৰ অধিকাৰ আছিল। এই চৰিত পুথিখন দৈত্যাৰিঠাকুৰে চৰিত পুথি ৰচনা কৰাৰ অলপ পিচতে আনুমানিক ১৫৫০।৬০ শক মানত ৰচনা কৰা হৈছিল বুলি অনুমান হয়। এই চৰিত পুথিত ৰচয়িতাৰ সূক্ষ্ম তথ্যানুসন্ধিৎসাৰ অনেক প্ৰমাণ পোৱা যায়।

**শঙ্কৰদেৱৰ পূৰ্ব্বপুৰুষ**—দৈত্যাৰি ঠাকুৰে এই সম্পৰ্কে একো উল্লেখ কৰা নাই ; ৰামচৰণ ঠাকুৰে এই সম্পৰ্কে বহলকৈ আলোচনা কৰিছে, দ্বিজ ৰামানন্দই বুৰঞ্জীমূলক আলোচনা কৰিছে। দ্বিজ ৰামানন্দৰ আলোচনাৰ পৰা বুজা যায় আনুমানিক ১১৯৭ খৃষ্টাব্দত শঙ্কৰদেৱৰ পূৰ্ব্বপুৰুষ গুজৰাট অঞ্চলৰ পৰা কণৌজলৈ আহে, ১৩২৬ খৃষ্টাব্দত কণৌজ এৰি ১৩৩০ খৃষ্টাব্দত বঙ্গদেশ পায়হি, আৰু ১৩৫৫ খৃষ্টাব্দত (১২৭২ শক) কামৰূপলৈ আহে।

**শঙ্কৰদেৱৰ জন্ম তাৰিখ**—দৈত্যাৰি ঠাকুৰে জন্ম মাহ, তাৰিখ উল্লেখ কৰা নাই, ৰামচৰণ ঠাকুৰে পাঁচ আহিন, শুক্লাদশমী, শুকুৰ বাৰ, ৰাতি চাৰিদণ্ড বুলি লিখিছে। দ্বিজ ৰামানন্দই ফাগুণ মাহ, শুক্লা দ্বিতীয়া, অৰ্দ্ধৰাত্রি বুলি লিখিছে।

দৈত্যাৰি ঠাকুৰে প্ৰয়াণৰ তাৰিখ ১৪৯০ শক, ভাদ, শুক্লা দ্বিতীয়া গধূলি লিখিছে ; দ্বিজ ৰামানন্দই লিখিছে সাত ভাদ, শুক্লা দ্বিতীয়া, বৃহস্পতিবাৰ, বেলা এক প্ৰহৰ।

ৰামচৰণ ঠাকুৰে লিখিছে শঙ্কৰদেৱৰ বয়স হৈছিল, ১১৮ বছৰ ছ'মাহ। এই হিচাব মতে জন্ম তাৰিখ হয়—১৩৭১ শক ৫।৬ ফাল্গুন। জ্যোতিষৰ গণনামতে ১৩৭১ শকৰ পাঁচ আহিন কোনো হিচাবেই শুক্লাদশমী আছিল বুলি প্ৰমাণ পোৱা না যায়।

**মাধৱদেৱৰ জন্ম আৰু প্ৰয়াণৰ তাৰিখ**:—দৈত্যাৰি ঠাকুৰে মাধৱদেৱৰ জন্মৰ মাহ, তিথি, তাৰিখ উল্লেখ কৰা নাই। দ্বিজ ৰামানন্দই লিখিছে—বহাগ মাহ, শুক্লা নৱমী, দিবা দ্বিপ্ৰহৰত মাধৱদেৱৰ জন্ম হয়।

দৈত্যাৰি ঠাকুৰৰ মতে শঙ্কৰদেৱৰ ২৮ বছৰ পিচত অৰ্থাৎ ১৫১৮ শক, ভাদ, কৃষ্ণা পঞ্চমীত মাধৱদেৱ স্বৰ্গী হয়। দ্বিজ ৰামানন্দই লিখিছে সেই দিনা ৰবিবাৰ আছিল।

দৈত্যাৰি ঠাকুৰে লিখিছে মাধৱদেৱ বেহাৰলৈ যাওতে কুমাৰ গাছিত ৰজাই দুৱাৰ মানা কৰি আছিল বুলি ৰাজাৰ সীমানা পাৰ হবলৈ অসুবিধা ভোগ কৰিছিল (৭০।১৮) ; দ্বিজ ৰামানন্দই এই কাৰণ সম্পৰ্কে লিখিছে—"ৰঘু নৃপতিৰ পুত্ৰ পলায়া আছয়। ৰজাৰ নিষেধ বৰ চকিত হৈছয়।" দ্বিজ ৰামানন্দই আৰো লিখিছে বুৰঞ্জীমতে ই ১৫১০।১১ শকৰ ঘটনা।

যে—মাধৱদেৱ কোচ বেহাৰৰ লক্ষ্মীনাৰায়ণ ৰজাৰ সভালৈ গৈ নিজৰ পৰিচয় দিওতে কৈছে—

"শুনিয়া মাধৱে বুলিলন্ত নৃপতিক। সত্তৰি বছৰ মোৰ পঞ্চম অধিক ॥
কায়স্থ কুলত মোৰ জনম আছয়। শঙ্কৰ মোহৰ গুৰু জানিবা নিশ্চয় ॥"

মাধৱদেৱ ৭ বছৰ মান বেহাৰত আছিল। এই হিচাব মতে প্ৰয়াণৰ সময় মাধৱদেৱৰ বয়স ৮১।৮২ বছৰ মান হৈছিল। কিন্তু ৺লক্ষ্মীনাথ বেজবৰুৱাৰ মতে মাধৱদেৱ পুৰুষৰ বয়স ১০৭ বছৰ হৈছিল।

**ৰূপ সনাতন**—ৰামচৰণ ঠাকুৰৰ শঙ্কৰ চৰিত মতে (৩য় খণ্ড ১৯১৯—১৯২৮ পদ) প্ৰথম বাৰ তীৰ্থ যাত্ৰাৰ সময়ত বৃন্দাবনৰ বাটত শঙ্কৰদেৱে ৰূপ-সনাতনক লগ পায়। ৰূপ সনাতন তেতিয়া সন্ন্যাসী, শঙ্কৰদেৱৰ পৰামৰ্শমতে শ্ৰীৰূপে তেওঁৰ পত্নীক লগত লৈ যায়। দৈত্যাৰিৰ মতে দ্বিতীয়বাৰ তীৰ্থ যাত্ৰাৰ সময়ত এক নগৰত ৰূপ সনাতনৰ ভাগিনৰ লগত শঙ্কৰদেৱৰ সাক্ষাৎ হয়।

ভূষণ দ্বিজৰ মতে (১৪০ পিঠি) দ্বিতীয় বাৰ তীৰ্থ যাত্ৰাৰ সময়ত আলি নগৰত শঙ্কৰদেৱে বৃন্দাবনবাসী ৰূপ সনাতনৰ শিষ্য এজনৰ লগ পায়। দ্বিজ ৰামানন্দৰ গুৰু চৰিত্ৰমতে দ্বিতীয়বাৰ তীৰ্থ যাত্ৰাৰ সময়ত শঙ্কৰদেৱে বালিনগৰত শ্ৰীৰূপৰ শিষ্য এজনক লগ পায়, আৰু তেওঁৰ পৰা ৰূপ সনাতনৰ চৰিত কথা শুনে। সেই সময়ত শ্ৰীৰূপ বৈকুণ্ঠগামী।

ললিত মাধৱ নাটৰ (শ্ৰীৰূপ গোস্বামী প্ৰণীত) পাতনিত শ্ৰীসত্যেন্দ্ৰ নাথ বসুৰ মতে ১৪৩৬ শকত শ্ৰীৰূপ সন্ন্যাসী হয়, আৰু ১৪৭০ শকৰ শ্ৰাৱণী শুক্লা দ্বাদশীত বৈকুণ্ঠগামী হয়। সনাতন ১৪৩৭ শকত সন্ন্যাসী হয়, আৰু ১৪৭৬ শকৰ আষাঢ় পূৰ্ণিমাত স্বৰ্গী হয়। আই কনকলতা চৰিত্ৰ মতে ৰূপ সনাতন ১৪৪০ শকত সন্ন্যাসী হয়।

শক বিবেচনাত ৰামচৰণ ঠাকুৰৰ কথা বিশ্বাসযোগ্য ন হয়। প্ৰেম বিলাস গ্ৰন্থত শ্ৰীৰূপৰ স্ত্ৰী থকাৰ উল্লেখ আছে, আৰু শ্ৰীৰূপে তেওঁক এৰি সন্ন্যাসী হোৱাৰ কথাও আছে। শ্ৰীশ্ৰীভক্তমাল গ্ৰন্থত (১০ পিঠি) সনাতনৰ এজন বৰিনাইৰ উল্লেখ আছে। গতিকে দ্বিতীয় বাৰ তীৰ্থযাত্ৰাৰ সময়ত (১৪৮৪ শকত) ৰূপ সনাতন দুয়োজন বৈকুণ্ঠগামী হোৱাৰ পিচত তেওঁলোকৰ ভাগিনৰ লগত শঙ্কৰদেৱৰ সাক্ষাৎ হোৱা কথাটো বেচি যুক্তিযুক্ত।

891.451187
DAI

# বিষয়—সূচী


| | পদসংখ্যা | পিঠি |
|---|---|---|
| **প্ৰথম অধ্যায়** | | |
| প্ৰাৰ্থনা—শঙ্কৰ-মাধৱ অৱতাৰ পুৰুষ—গ্ৰন্থ ৰচনাৰ উদ্দেশ্য | ১১ | ১—৩ |
| **দ্বিতীয় অধ্যায়** | | |
| শ্ৰীশ্ৰীশঙ্কৰদেৱৰ পূৰ্ব্বপুৰুষ সকল—দেৱীদাসৰ লগত পণ্ডিতৰ তৰ্ক—অদ্বৈতবাদীৰ প্ৰতি ব্যৱহাৰ | ১১ | ৩—৫ |
| **তৃতীয় অধ্যায়** | | |
| শ্ৰীশ্ৰীশঙ্কৰদেৱৰ জন্ম ... | ১৪ | ৬—১১ |
| **চতুৰ্থ অধ্যায়** | | |
| শ্ৰীশ্ৰীশঙ্কৰদেৱৰ বাল্যলীলা—ক্ৰীড়া কৌতুক—পাঠাৰম্ভ—পাঠত অৱহেলা—পাঠত মনোযোগ | ১৮ | ১১—১৪ |
| **পঞ্চম অধ্যায়** | | |
| যোগ অভ্যাস | ১০ | ১৫—১৬ |
| **ষষ্ঠ অধ্যায়** | | |
| বিবাহ | ৮ | ১৭—১৮ |
| **সপ্তম অধ্যায়** | | |
| যৌৱন লীলা—লোহিত সন্তৰণ—জগন্নাথ ভ্ৰমণ—বাণ্ডমৰ্দ্দন—ভাগৱত শাস্ত্ৰপ্ৰাপ্তি—ভাগৱত প্ৰচাৰ—কীৰ্ত্তন ৰচনা | ৩৪ | ১৯—২৫ |
| **অষ্টম অধ্যায়** | | |
| আসামৰ দৌৱাত্ম্য আৰু গীতা-লাভ | ১১ | ২৬—২৮ |

| | পদসংখ্যা | পিঠি |
|---|---|---|
| **নৱম অধ্যায়** | | |
| শ্ৰীশ্ৰীমাধৱদেৱৰ পূৰ্ব্বপুৰুষ—গোবিন্দগিৰিৰ অসমলৈ আগমন—টেম্বুৱানিত বিবাহ—আসামৰ আক্ৰমণ | ১২ | ২৯—৩১ |
| **দশম অধ্যায়** | | |
| হৰসিং বৰাৰ সঙ্গলাভ | ৮ | ৩২—৩৩ |
| **একাদশ অধ্যায়** | | |
| শ্ৰীশ্ৰীমাধৱদেৱৰ জন্ম—নামকৰণ—হৰসিং বৰাৰ জগৰ | ১২ | ৩৩—৩৬ |
| **দ্বাদশ অধ্যায়** | | |
| পুখুৰীপাৰত বাস—ৰুগ্নপিতা | ১০ | ৩৬—৩৮ |
| **ত্ৰয়োদশ অধ্যায়** | | |
| লেটেকুপুখুৰী ত্যাগ—বন্ধুৰ ঘৰত অনাদৰ—কেঁচা লাও ভক্ষণ—ধান দোৱাত মাধৱ—বন্ধুৰ ঘৰত অপমান | ৩১ | ৩৮—৪৪ |
| **চতুৰ্দ্দশ অধ্যায়** | | |
| ঘাঘৰি মাজিৰ ঘৰত—পৰম আদৰ—কন্যাজন্ম—কৃষিত মাধৱ—ঘাঘৰি মাজিৰ গৃহত্যাগ—টেম্বুৱানিলৈ পুনৰাগমন—কন্যাৰ বিবাহ—বাণ্ডুকালৈ গমন | ৪৯ | ৪৪—৫৩ |
| **পঞ্চদশ অধ্যায়** | | |
| পিতৃসহ বাণ্ডুকা যাত্ৰা—বাণ্ডুকাত পিতাপুত্ৰ মিলন—মাধৱদেৱৰ শিক্ষা—পিতৃৰ মৃত্যু—অন্ত্যেষ্টিক্ৰিয়া | ১৫ | ৫৩—৫৬ |
| **ষোড়শ অধ্যায়** | | |
| পুনৰ কামৰূপলৈ আগমন—মাতৃমিলন—মাধৱদেৱৰ বিবাহৰ আয়োজন—গয়পানিৰ তীৰ্থভ্ৰমণ—টেম্বুৱানি ত্যাগ—গয়পাণি-শঙ্কৰ মিলন—শাস্ত্ৰালোচনা | ২৯ | ৫৭—৬২ |

| | পদসংখ্যা | পিঠি |
|---|---|---|
| **সপ্তদশ অধ্যায়** | | |
| পাঠাবলিত আপত্তি—গয়পাণি-ৰামদাস—পুনৰ বাণ্ডুকাত মাধৱ—পিতৃ সম্পত্তি ত্যাগ—টেম্বুৱানিৰ বাটত—ৰক্তামাশয়ত মৃত প্ৰায় মাধৱ—ভ্ৰাতৃগৃহত শুশ্ৰূষা—দেশলৈ—পাঠা কিনাত আপত্তি ... | ২০ | ৬৩—৬৮ |
| **অষ্টাদশ অধ্যায়** | | |
| শঙ্কৰ-মাধৱ সন্মিলন—শাস্ত্ৰ বিষয়ক তৰ্ক—ভাগৱতৰ শ্লোক—শিষ্যত্ব স্বীকাৰ—পূজাত নৈৰন্ত্য—শঙ্কৰ দেৱৰ পাৰিবাৰিক অশান্তি | ২৭ | ৬৮—৭৩ |
| **উনবিংশ অধ্যায়** | | |
| কীৰ্ত্তনলীলা—কংস বধ—প্ৰহ্লাদ চৰিত্ৰ—প্ৰেমোন্মাদ—ব্যাস কলাইৰ গীতা ব্যাখ্যা | ২৬ | ৭৩—৭৮ |
| **বিংশ অধ্যায়** | | |
| ব্ৰাহ্মণৰ বিবাদ মীমাংসা—ভকতক অত্যাচাৰ—শ্ৰাদ্ধত কীৰ্ত্তন—ব্ৰহ্মানন্দ আচাৰ্য্যৰ সমিধান—পাতকীতাৰক হৰিনাম—নাম-নিন্দক চণ্ডাল—পাতকীৰ দান-অগ্ৰাহ্য ব্ৰাহ্মণৰ পৰাভৱ—দৈৱশক্তিৰ পৰিচয় | ৩৪ | ৭৮—৮৪ |
| **একবিংশ অধ্যায়** | | |
| জগন্নাথ মূৰ্ত্তি নিৰ্ম্মাণ—খনিকৰ কোৰলা বাঢৈ—ব্ৰাহ্মণৰ নিন্দা—প্ৰতিষ্ঠা কাৰ্য্যত ব্ৰাহ্মণৰ দান—মূৰ্ত্তিত প্ৰাণ প্ৰতিষ্ঠা—মূৰ্ত্তিত দেৱতা বিশ্বাস | ২১ | ৮৫—৮৯ |
| **দ্বাবিংশ অধ্যায়** | | |
| কীৰ্ত্তনৰ প্ৰসাদ—গুপুত মিঠাই—জগন্নাথৰ কৃপা—প্ৰসাদ বিলোৱাত-জগৰ | ৩৩ | ৮৯—৯৫ |

| | পদসংখ্যা | পিঠি |
|---|---|---|
| **ত্ৰয়োবিংশ অধ্যায়** | | |
| মাধৱদেৱৰ জোৱোণৰ কন্যা | ১১ | ৯৫—৯৭ |
| **চতুৰ্বিংশ অধ্যায়** | | |
| পুণ্ডৰীৰ তিনি ভাইৰ বৃত্তান্ত—প্ৰসাদ পিচত পোৱাত খণ্ড—ৰাম ৰাম গুৰুক অপমান—ৰাম ৰাম গুৰুৰ সভা ত্যাগ—মাধৱদেৱৰ অনুনয়—বান্ধৱ-মাধৱ | ২৩ | ৯৮—১০২ |
| **পঞ্চবিংশ অধ্যায়** | | |
| মাধৱদেৱ আৰু ৰামদাসৰ শিলাবৃষ্টিত কষ্ট | ১৫ | ১০২—১০৫ |
| **ষড়্‌বিংশ অধ্যায়** | | |
| আসামৰ দৌৰাত্ম্য—মাধৱদেৱ-হৰিজোঁৱাই বন্দী—মাধৱদেৱৰ মুক্তি—হৰিজোঁৱাইৰ প্ৰাণদণ্ড | ১৪ | ১০৫—১০৯ |
| **সপ্তবিংশ অধ্যায়** | | |
| শ্ৰাদ্ধ নিষেধৰ গোচৰ—ৰাজসভাত বিচাৰ—শ্ৰাদ্ধ কাক বোলে—ব্ৰাহ্মণ পৰাজয় | ১০ | ১০৯—১১১ |
| **অষ্টাবিংশ অধ্যায়** | | |
| ধুৱাহাটাৰ পৰা বৰপেটালৈ যাত্ৰা—নৰনাৰায়ণৰ আসাম আক্ৰমণ—শঙ্কৰদেৱৰ ধুৱাহাটা ত্যাগ—মাধৱদেৱৰ ভক্তপ্ৰীতি—মাধৱদেৱৰ গুৰুভক্তি—বৰপেটাত বসবাস—মাধৱদেৱৰ মাতৃবিয়োগ—মাধৱদেৱৰ একাদশীদোষ—চণ্ডালৰ মুখত হৰিনাম—গৰখীয়াৰ মুখত কৃষ্ণনাম—বেহাৰ গমন | ৪০ | ১১১—১২০ |
| **উনত্ৰিংশ অধ্যায়** | | |
| মাধৱদেৱৰ মনোবল—শঙ্কৰদেৱক ভক্তি কৰাৰ পন্থা | ১৭ | ১২১—১২৫ |

| | পদসংখ্যা | পিঠি |
|---|---|---|
| **ত্ৰিংশ অধ্যায়** | | |
| মাধৱদেৱক অপমান কৰাবৰ চেষ্টা | ২৭ | ১২৪—১২৭ |
| **একত্ৰিংশ অধ্যায়** | | |
| মাধৱদেৱৰ একান্ত বিশ্বাস—শঙ্কৰদেৱৰ যুক্তিবাণী—সীতাস্বয়ম্বৰ নাট—পচা মাছ ভক্ষণ—মিথ্যাবাদীক ভৎ´সনা—শাস্ত্ৰবিকৃত ব্যাখ্যা | ২৪ | ১২৭—১৩২ |
| **দ্বাত্ৰিংশ অধ্যায়** | | |
| দ্বিতীয় বাৰ তীৰ্থ যাত্ৰাৰ সঙ্কল্প—আই গোসানীৰ আপত্তি—মাধৱদেৱৰ প্ৰতিশ্ৰুতি | ৮ | ১৩২—১৩৩ |
| **ত্ৰয়স্ত্ৰিংশ অধ্যায়** | | |
| তীৰ্থৰ বাটত—মিথ্যাবাদীৰ শাস্তি—গুৰুশিষ্যে অভেদাত্মা | ২৮ | ১৩৪—১৩৯ |
| **চতুস্ত্ৰিংশ অধ্যায়** | | |
| মাধৱদেৱৰ শুশ্ৰূষা—চৈতন্যৰ ওচৰত—ৰামকৃষ্ণঅভেৰ—মেঘৰ উপদ্ৰৱ—ক্ষত্ৰিয় পত্নীৰ ভক্তি … | ৩৮ | ১৩৯—১৪৭ |
| **পঞ্চত্ৰিংশ অধ্যায়** | | |
| তীৰ্থ দৰ্শন—কবীৰৰ ঠাইত—কবীৰৰ নাতিনীয়েকক অনুগ্ৰহ—গয়াতীৰ্থত—বৃন্দাবন যাত্ৰাত মাধৱৰ আপত্তি—বৃন্দাবন গমন স্থগিত—ৰূপসনাতনৰ ভাগিন পোহাৰী বুঢ়ীৰ আটআনা—দানত প্ৰতিযোগিতা—শ্ৰেষ্ঠদান | ৫৬ | ১৪৭—১৫৯ |
| **ষটত্ৰিংশ অধ্যায়** | | |
| পুত্ৰ শোকাতুৰাৰ সন্তাপ নিবাৰণ | ১৯ | ১৫৯—১৬২ |

| | পদসংখ্যা | পিঠি |
|---|---|---|
| **সপ্তত্রিংশ অধ্যায়** | | |
| তীর্থৰ পৰা প্ৰত্যাগমন—খোৱা বস্তু সংগ্ৰহত চতুৰালি—বৰপেটালৈ পুনৰাগমন | ১১ | ১৬২—১৬৪ |
| **অষ্টত্রিংশ অধ্যায়** | | |
| ব্যাস কলাই বিপ্ৰৰ দুৰৱস্থা—পুত্ৰশোক—শিৱপূজা——ব্যাসকলাইক ত্যাগ—ৰামৰায়ৰ প্ৰতি ক্ৰোধ—ৰামৰায়ক ক্ষমা—ব্যাস-কলাইৰ জগন্নাথ যাত্ৰা—কষ্ট জগন্নাথ—ব্যাসকলাইৰ মৃত্যু—পৰিণতি | ২৮ | ১৬৫—১৭০ |
| **উনচত্বাৰিংশ অধ্যায়** | | |
| ৰত্নাৱলী গ্ৰন্থপ্ৰাপ্তি | ১৪ | ১৭১—১৭৫ |
| **চত্বাৰিংশ অধ্যায়** | | |
| ব্ৰাহ্মণৰ বিদ্বেষ—ব্ৰাহ্মণৰ নিন্দাসূচক কবিতা—শঙ্কৰদেৱৰ প্ৰত্যুত্তৰ—মাধৱদেৱৰ স্থিৰ বুদ্ধি—পাষণ্ড মৰ্দ্দন ঘোষা—গ্ৰন্থকাৰৰ-নিবেদন | ১৭ | ১৭২—১৭৮ |
| **একচত্বাৰিংশ অধ্যায়** | | |
| ৰাজৰোষ—শঙ্কৰদেৱক বন্দী কৰাৰ আদেশ—গোকুলচান্দ নাৰায়ণ ঠাকুৰ বন্দী—নিৰ্য্যাতন—কৃষ্ণত আত্মসমৰ্পণ—ভোটলৈ বিক্ৰী—মুক্তি | ২৮ | ১৭৮—১৮৩ |
| **দ্বি-চত্বাৰিংশ অধ্যায়** | | |
| ৰাজ অনুগ্ৰহ—তান্তি কুঁচিৰ গোমস্তা—চৈতন্যপন্থী মথুৰাদাস | ১২ | ১৮৪—১৮৬ |
| **ত্ৰিচত্বাৰিংশ অধ্যায়** | | |
| নৰনাৰায়ণৰ নিগ্ৰহ—ব্ৰাহ্মণৰ গোচৰ—ৰজাৰ আদেশ—চিলাৰায়ৰ সতৰ্কতা—শঙ্কৰদেৱ বন্দী—চিলাৰায়ৰ ঘৰত | | |

| | পদসংখ্যা | পিঠি |
|---|---|---|
| —বিফল-মনোৰথ নৰনাৰায়ণ—নৰনাৰায়ণৰ শঙ্কৰ প্ৰীতি | ২৭ | ১৮৬—১৯১ |

## চতুশ্চত্বাৰিংশ অধ্যায়

| | | |
|---|---|---|
| ৰাজানুগ্ৰহ—ৰাজভটিমা—ৰাজসভাত সমাদৰ—ব্ৰাহ্মণৰ পৰাজয়—ব্ৰাহ্মণৰ ক্ষমা ভিক্ষা—পণ্ডিতৰ লগত তৰ্ক —পণ্ডিতৰ পলায়ন | ৬৬ | ১৯১—২০৩ |

## পঞ্চচত্বাৰিংশ অধ্যায়

| | | |
|---|---|---|
| বৰপেটা গমন—ভৱানী পুৰীয়া গোপাল আতা—পুত্ৰকমল লোচনৰ দেহকান্তি—ৰাম নাম মাহাত্ম্য—ৰামনাম বিমুখ বনুৱা ... | ৩৬ | ২০৪—২১১ |

## ষট্ চত্বাৰিংশ অধ্যায়

| | | |
|---|---|---|
| চিলাৰায়ৰ শাস্ত্ৰপ্ৰীতি—কমল লোচনৰ চেহাৰা—জন্ম-ৰহস্য ৰচনা ... ... | ১৫ | ২১১...২১৪ |

## সপ্ত চত্বাৰিংশ অধ্যায়

| | | |
|---|---|---|
| দেৱ-দামোদৰৰ বৃত্তান্ত—ৰামদাসৰ লগত—শঙ্কৰদেৱৰ আগত—শৰণ—কৃষিকৰ্ম্ম—কৃষিকৰ্ম্ম ত্যাগ | ৩০ | ২১৪—২২১ |

## অষ্টচত্বাৰিংশ অধ্যায়

| | | |
|---|---|---|
| শঙ্কৰদেৱৰ বেহাৰ গমন—মাধৱে বন্ধা অন্ন ভোজন—শঙ্কৰ-মাধৱ একাত্মা | ২৪ | ২২১—২২৫ |

## উনপঞ্চাশৎ অধ্যায়

| | | |
|---|---|---|
| শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণ—ফোঁহাৰ জ্বৰ—ৰামানন্দৰ প্ৰাৰ্থনা—পুত্ৰক উপদেশ দান—মাধৱ ভক্তিপন্থৰ অধিকাৰী—প্ৰয়াণ—অন্ত্যেষ্টি ক্ৰিয়া—দশাকাৰ্য্য—শ্ৰাদ্ধ | ২৬ | ২২৬—২৩১ |

| | পদসংখ্যা | পদ |
|---|---|---|
| **পঞ্চাশৎ অধ্যায়** | | |
| মাধৱৰ ধৰ্ম্ম প্ৰচাৰ—ৰামানন্দৰ মৃত্যু—ৰামচৰণ ঠাকুৰৰ বিদ্যাভ্যাস—স্থানত্যাগ—হৰিচৰণ ঠাকুৰৰ বায়ুৰোগ—ৰামদাসৰ জোঁৱাই হৰিচৰণ—গৃহস্থ ৰামচৰণ—সুন্দৰী দিয়াত ৰামচৰণ—আধলীয়া যদুমণি দেৱ—পাঠক ৰামচৰণ-বলিছলন পুথি—মথুৰাদাসৰ শৰণ | ৫৫ | ২৩১—২৪২ |
| **একপঞ্চাশৎ অধ্যায়** | | |
| শ্ৰীৰাম আতৈৰ বৃত্তান্ত—লোটা বিধিনি | ১২ | ২৪২—২৪৪ |
| **দ্বিপঞ্চাশৎ অধ্যায়** | | |
| ভোৰৰা দামোদৰ আদিৰ বৃত্তান্ত—একান্ত বিশ্বাস—বৃদ্ধব্ৰাহ্মণৰ মিথ্যাচৰণ—কমল লোচনৰ মিথ্যাচৰণ | ২২ | ২৪৪—২৪৮ |
| **ত্ৰিপঞ্চাশৎ অধ্যায়** | | |
| দৈৱ আবিৰ্ভাৱ—যক্ষৰ সভা—যক্ষৰ কীৰ্ত্তন-ভীতি—বিষ্ণুৰ আবিৰ্ভাৱ ... ... ... | ১৯ | ২৪৯—২৫২ |
| **চতুঃপঞ্চাশৎ অধ্যায়** | | |
| কলিৰ বুঢ়া আদিৰ বৃত্তান্ত—যমদূতৰ ভয়—গয়া ঠাকুৰৰ শৰণ—টকৰাৰ সজ আচৰণ ... | ২৬ | ২৫২—২৫৭ |
| **পঞ্চ-পঞ্চাশৎ অধ্যায়** | | |
| ভকত ৰাম আলধাৰা—মানস মূৰ্ত্তি পূজা—মূৰ্ত্তিৰ অভিমান—দেৱতাতকৈ ভক্তশ্ৰেষ্ঠ—পূজাত বিধিনি—মূৰ্ত্তিক থৰম দান ... | ২৮ | ২৫৭—২৬৩ |
| **ষট্ পঞ্চাশৎ অধ্যায়** | | |
| গোবৰ্দ্ধন যাত্ৰা—বিপ্ৰৰ বিলাই—হৰিণাৰ মঙহ—কাতল মাছ—মাছভাগ | ২৯ | ২৬৩—২৬৮ |

| | পদসংখ্যা | পিঠি |
|---|---|---|

## সপ্তপঞ্চাশৎ অধ্যায়


| | | |
|---|---|---|
| মাধৱদেৱৰ হাজো গমন—হয়গ্ৰীৱ সেৱা—ৰবদলৈ কণ্ঠভূষণৰ আদৰ | ২১ | ২৬৯—২৭২ |


## অষ্ট পঞ্চাশৎ অধ্যায়


| | | |
|---|---|---|
| সুন্দৰীদিয়ালৈ প্ৰত্যাগমন—শূদ্ৰৰ সিদ্ধান্ত—ভক্ত-গুৰুৰ প্ৰভেদ ... | ৩২ | ২৭৩—২৭৮ |


## উনষষ্টি অধ্যায়


| | | |
|---|---|---|
| ধৰ্ম্মপ্ৰচাৰ—ক্ষেত্ৰি বিলাইত—জাবেৰা কুঁচিত—অশুদ্ধ পুথি—ভৱানীপুৰ কালজাৰত—সুন্দৰী দিয়ালৈ—সোণৰ কড়িয়া—সোণ হেৰোৱাৰ প্ৰায়শ্চিত্ত | ৩১ | ২৭৯—২৮৫ |


## ষষ্টি অধ্যায়


| | | |
|---|---|---|
| উদাসীন আৰু গৃহী ভকত—ভাত বন্ধাত কষ্ট—উদাসীন হোৱাত ৰামচৰণৰ আপত্তি—গৃহী বান্ধনিত আপত্তি—মত পৰিবৰ্ত্তন—উদাসীন আৰু গৃহীৰ প্ৰভেদ—অবিৰক্ত উদাসীন শূকৰ প্ৰায়—ভূলিঙ্গ পক্ষীৰ দৃষ্টান্ত—গৃহাশ্ৰম এৰিবলৈ বাধা—গড়ৰ যুজাৰু | ২৮ | ২৮৫—২৯০ |


## একষষ্টি অধ্যায়


| | | |
|---|---|---|
| শিষ্য পৰীক্ষা—শিষ্য এজন মাথোন—অন্যায়কাৰী শিষ্য—শিষ্যৰ পাপে গুৰুক ছোৱে ... | ১৪ | ২৯০—২৯৩ |


## দ্বিষষ্টি অধ্যায়


| | | |
|---|---|---|
| অমুবাৰি ভট্টাচাৰ্য্যৰ বৃত্তান্ত—মাধৱদেৱৰ লগত শাস্ত্ৰালাপ—ব্ৰহ্ম-পৰমব্ৰহ্ম ভেদবাদ—মুগ্ধ ভট্টাচাৰ্য্য | ১৮ | ২৯৩—২৯৬ |


## ত্ৰিষষ্টি অধ্যায়


কামাখ্যা আৰু হাজোত—নীলাচল যাত্ৰা—তুলসী-মালাৰ মাহাত্ম্য—দেৱী দৰ্শনত আপত্তি—বৰদেউৰী

| | পদসংখ্যা | পিঠি |
|---|---|---|
| কৰ্ত্তৃক প্ৰশংসা—পূজাৰীক দান—হাজোলৈ গমন—ৰামচৰণ, মথুৰাদাস—সুন্দৰী দিয়াত—দেৱ উচ্ছিষ্ট দুধ—মিতা মাধৱ—খেতিয়কৰ অধৰ্ম্মাচৰণ—তাঁতিৰ অধৰ্ম্মাচৰণ ... | ৬০ | ২৯৭—৩০৭ |

**চতুঃষষ্টি অধ্যায়**

| | | |
|---|---|---|
| সৰ্ব্বদৰ্শী মাধৱ—কলচোৰ—ভোজনৰ ব্যঞ্জন ক্ষুধা—কণ্ঠ ভূষণৰ ঘৰত আলহী | ২৬ | ৩০৮—৩১২ |

**পঞ্চষষ্টি অধ্যায়**

| | | |
|---|---|---|
| বৰপেটাত যাত্ৰা উৎসৱ—ৰাজভয়ত অজ্ঞাত বাস—ব্ৰাহ্মণ ভকতক অত্যাচাৰ—পুনৰ বৰপেটাত—ৰঙ্গিলী ঘৰ নিৰ্ম্মাণ—ভীম ষড়মণি—ৰামবিজয় যাত্ৰা—ৰাম সীতাৰ প্ৰতিমা—সক গুৰুৰ অহঙ্কাৰ—শঙ্কৰ দেৱৰ শ্ৰাদ্ধত দামোদৰৰ অনুপস্থিতি | ৪৮ | ৩১৩—৩২২ |

**ষট্‌ষষ্টি অধ্যায়**

| | | |
|---|---|---|
| বিতাড়িত ভক্তক আশ্ৰয়দান—দামোদৰ দেৱৰ লগত বিবাদ—শঙ্কৰদেৱক অমান্য—শ্ৰীধৰ স্বামীক অমান্য—ৰত্নাকৰ গ্ৰন্থ অমান্য—চিৰবিচ্ছেদ—ৰামচৰণৰ লগত তৰ্ক—ৰামচৰণক আশ্বাস | ৪৬ | ৩২৩—৩৩১ |

**সপ্তষষ্টি অধ্যায়**

| | | |
|---|---|---|
| শিষ্যক উপদেশ দান—হঠযোগীক নিন্দা—মুক্তিৰ উপায়—মনৰ অৱস্থা—স্থান এৰিলে দুঃখ নেৰে—নিৰ্ব্বিকল্প দামোদৰ—মৰণৰ আগ জাননী—হৰিচৰণৰ খড়িমাটি—গুৰুপুত্ৰৰ প্ৰতি ভক্তি ... | ৪৭ | ৩৩২—৩৪০ |

**অষ্টষষ্টি অধ্যায়**

| | | |
|---|---|---|
| সৰ্ব্বজ্ঞ মাধৱদেৱ—পকা কল—চেনিৰ শূণ্য ভাণ্ড—চেনি পাগত বিঘিনি ... ... | ৩১ | ৩৪১—৩৪৭ |

পদসংখ্যা পিঠি

### উন সপ্ততি অধ্যায়

ৰঘুদেৱ ৰাজাৰ নিগ্ৰহ—ব্ৰাহ্মণৰ গোচৰ—ভকতৰ ঘৰ লুঠ—ভকত বন্দী—বন্দী মাধৱদেৱ—ৰজাৰ আগত—কাৰাগাৰত পাশা খেল—বাগীশ ভট্টাচাৰ্য্যৰ সতৰ্ক বাণী—মুক্ত মাধৱদেৱ—বৰপেটালৈ আগমন—সুন্দৰী দিয়ালৈ গমন—সুন্দৰী দিয়া ত্যাগ—ৰজাৰ নিমন্ত্ৰণত হাজো যাত্ৰা। ৬১ ৩৪৭—৩৫৯

### সপ্ততিতম অধ্যায়

মাধৱদেৱৰ বেহাৰ গমন—ৰামচৰণক বিদায়—মনপুৰক বিদায়—গাৰ পৰী কাপোৰ দান—ভৃগু গুৰুৰ সদাশয়তা—ভেলা ডুবাৰত ২৯ ৩৫৯—৩৬৫

### এক সপ্ততিতম অধ্যায়

বেহাৰত অৱস্থান—মাধৱদেৱৰ ৰূপ—ৰাজপুৰুষ আৰু বিষয়া সকলৰ শৰণ গ্ৰহণ ২০ ৩৬৫—৩৬৮

### দ্বিসপ্ততিতম অধ্যায়

নাম মালিকাৰ পদ ৰচনা—ঘোষাৰ পটল বিভাগ—শ্ৰীৰাম আতাৰ কামৰূপ ভ্ৰমণ—কথা—সাগৰ গোপালদেৱ ... ১৮ ৩৬৯—৩৭২

### ত্ৰিসপ্ততিতম অধ্যায়

মাধৱদেৱৰ উত্তৰাধিকাৰী—মথুৰাদাসক উপদেশ—শঙ্কৰ-মাধৱৰ প্ৰতিনিধি—মনপুৰৰ প্ৰতি চেনেহ—ৰাজমাতাৰ কাপোৰ দানত বৈষম্য—ভকতক গাৰ কাপোৰ দান—এক-প্ৰীতি হবলৈ উপদেশ—জীৱন্মুক্ত কোন্?—উত্তৰাধিকাৰী কোন—উপযুক্ত উত্তৰাধিকাৰী নাই—ঘোৰাত মই আছোঁ—শিষ্যৰ লক্ষণ ... ৫৭ ৩৭২—৩৮৩

| | পদসংখ্যা | পিঠি |
|---|---|---|
| **চতুঃসপ্ততিতম অধ্যায়** | | |
| কীর্ত্তন পুথি সঙ্কলন—সঙ্কলয়িতা ৰামচৰণ—মাধৱদেৱৰ আগত সঙ্কলিত পুথি—সঙ্কলন অনুমোদন | ৩৪ | ৩৫৩—৩৮৯ |
| **পঞ্চসপ্ততিতম অধ্যায়** | | |
| বীৰকাৰ্যীৰ ক্ৰোধ—পিতৃশ্ৰাদ্ধত অপমান—বঙ্গদেশী মাধৱ—মালাত মেৰু নাই কিয়—মন্ত্ৰৰ বীজ নাম—জড় মহেশ—বিষ্ণু মোক্ষদাতা—মাধৱদেৱৰ খণ্ড—ৰজাৰ আগত গোচৰ—ৰাজ সভাত বিচাৰ—ফলকামীৰ কালী আদি পূজা প্ৰশস্ত—ৰাজধৰ্ম্ম-বৈষ্ণৱধৰ্ম্ম—ৰাজ সম্মান—ৰাজসম্মানত অনাসক্তি | ৭৯ | ৩৯০—৪০৫ |
| **ষট্‌সপ্ততিতম অধ্যায়** | | |
| মাধৱদেৱৰ বৈকুণ্ঠ প্ৰয়াণ—হস্তমুখ প্ৰক্ষালন—দেহা অৱশ—কুত্ৰশৌচ বন্ধ—শেষ প্ৰয়াণ—অন্ত্যেষ্টিক্ৰিয়া—শ্ৰাদ্ধ ... | ২২ | ৪০৬—৪০৯ |
| **সপ্ত-সপ্ততিতম অধ্যায়** | | |
| শঙ্কৰ-মাধৱ-অৱতাৰ | ৯ | ৪০৯—৪১১ |
| **অষ্টসপ্ততিতম অধ্যায়** | | |
| শঙ্কৰদেৱৰ বংশধৰ | ৭ | ৪১১—৪১৩ |
| **নৱসপ্ততিতম অধ্যায়** | | |
| গ্ৰন্থৰ উপাদান ... | ১৩ | ৪১৪—৪১৬ |
| **অশীতিতম অধ্যায়** | | |
| গ্ৰন্থকাৰৰ পৰিচয়—নিবেদন—গুৰুজনাৰ তিৰোধান শক ... | ১৮ | ৪১৬—৪২০ |

# তত্ত্ব-সূচী


| | অধ্যায় | পদ |
|---|---|---|
| অচ্যুত নাৰায়ণৰ পূজা ভাগৱতৰ মূল তত্ত্ব | ১৮ | ৮-১৩ |
| অদ্বৈতবাদ—ব্ৰহ্ম জ্ঞানৰ অসাৰতা | ২ | ৯-১১ |
| অপমৃত্যু আৰু—দৈৱ মৃত্যুৰ পাৰ্থক্য | ৩১ | ২-৪ |
| অবিৰক্ত উদাসীনতকৈ গৃহাশ্ৰমী ভক্ত শ্ৰেষ্ঠ | ৬০ | ২০-২৬ |
| অভুক্ত বৈৰাগ্য—প্ৰমত্ত সিংহৰ নিচিনা | ২৯ | ১১ |
| অভেদ—গুৰু ভক্তে | ৫৮ | ৩০ |
| শঙ্কৰ-মাধৱে | ৩৩ | ২৩ ; ৪৬।১৩ |
| | ৪৮ | ২০ : ৪৯।১৬ |
| শ্ৰীনাথে-জানকী নাথে | ৩৪ | ১০-১৫ |
| অৱতাৰ—শঙ্কৰদেৱ | ২০ | ৩৩ |
| শঙ্কৰ-মাধৱ | ৭৯ | ২-৩ |
| মাধৱ ঈশ্বৰৰ অংশ | ৬৩ | ১৫ |
| একাদশী তত্ত্ব | ১৮ | ২৬-৩১ |
| | ৩১ | ২১-২৪ |
| কৰ্ম্ম কাণ্ড—পাতকীৰ অধিকাৰ | ২০ | ১০-১২ |
| কামাখ্যাৰ দেবী মূৰ্ত্তি দৰ্শনত দোষ | ৬৩ | ১২-১৩ |
| কীৰ্ত্তন—বিভোৰ আৰু বাহ্যজ্ঞানহীন গোৰা | ১৯ | ৫-৯, ১২-১৬ |
| ,, —প্ৰসঙ্গ—সৰ্ব্ব তীৰ্থতকৈ শ্ৰেষ্ঠ | ১৬ | ২২-২৬ |
| গুৰু—শাস্ত্ৰ—মন | ৬৭ | ১৩-১৫ |
| জড়—মোহভ্ৰমযুক্ত | ৭৫ | ২১ |
| জীৱন্মুক্ত | ৭৩ | ৩৯ |
| তুলসী মালাৰ মাহাত্ম্য | ৬৩ | ৯-১০ |
| দান—পাতকীৰ অগ্ৰাহ্য | ২০ | ২০-২১ |

| | অধ্যায় | পদ |
|---|---|---|
| দেৱ মূৰ্ত্তিত বিশ্বাস | ২১ | ২০ |
| দেৱ মূৰ্ত্তি—সিদ্ধি লাভ | ২১ | ১৯-২১ |
| —ফলকামীৰ মূৰ্ত্তিপূজা বিধেয় | ৭৫ | ৫৩ |
| —মানস মূৰ্ত্তি পূজা বিধেয় | ৫৫ | |
| —অহৈন দেৱপূজা অবিধেয় | ৩৮ | ১১ |
| —দেৱতাৰ ৰূপ চিন্তাৰ সময় | ২৫ | ৬ |
| —দেৱতা তীৰ্থতকৈ হৰিভক্ত শ্ৰেষ্ঠ | ২১ | ১৭-১৮ |
| নাম—ধৰ্ম্ম | ৭ | ৩০ |
| —প্ৰসঙ্গ | ১৬ | ২২-২৬ |
| —পাতকী তাৰক | ২০ | ১৩-১৫ |
| —কীৰ্ত্তন | ২৫ | ৬ |
| —নিন্দুক | ২০ | ১৬ |
| —স্মৰণ—দ্বেষ্যভাৱে | ২৯ | ১৬ |
| —মন্ত্ৰ | ৭৫ | ১৪-১৫ |
| —মন্ত্ৰৰ বীজ | ৭৫ | ১৬ |
| নৈৱেদ্য—মনৰ ভাৱ অনুসৰি | ১৮ | ২৬ |
| প্ৰকৃতি—গুণ—সৃষ্টিৰ কাৰণ—তিনি গুণ | ৭৫ | ২০ |
| প্ৰবৃত্তি—নিবৃত্তি মাৰ্গ | ১৮ | ৬ |
| প্ৰায়শ্চিত্ত—তিল কাঞ্চন | ২০ | ১১ |
| বলিৰ অযৌক্তিকতা | ১৭ | ২০-২২ |
| ব্ৰহ্ম-পূৰ্ণ-পৰম-নিৰাকাৰ | ৬২ | ৯-১০ |
| ভক্তৰ শ্ৰেষ্ঠতা | ৬০ | ২০-২৫ |
| মালাত মেৰু | ৭৮ | ৯-১০, ৪০ |
| শূদ্ৰৰ সিদ্ধান্ন দেৱতালৈ নিবেদন | ৭৫ | ২৭-২৮ |
| হৰি-হৰ ভেদ | ৬২ | ৭-৮ |

# গ্ৰন্থ-সূচী


| | অধ্যায় | পদ |
|---|---|---|
| কীৰ্ত্তন-ঘোষা | ৭।৩৩ (ৰচনা); ১৯।৫ (কংসবধ); ১৯।১১ (প্ৰহ্লাদ চৰিত); ৪০।১১ ( পাষণ্ড মৰ্দ্দন ) ; ৭৪।৩, ৫, ১২ ( সঙ্কলন ) | |
| গীতা | ... ৮।৮ ; ১৯।২১-২৬ . ২০।২৭ ; ৬২।২ ; ৭৫।১০ | |
| গোবৰ্দ্ধন যাত্ৰা | ৫৬ | ১ |
| জন্ম ৰহস্য | ৪৬ | ৯-১১ |
| দধি মথন | ৬৫ | ২৩ |
| নাম-ঘোষা | ৭২ | ৮ (পটল বিভাগ) ; |
| | ৭৩ | ৪৯-৫০ (গুৰুৰ অৱস্থান ) |
| নাম-মালিকা | ৭২ | ১,৬ |
| পদ্ম পুৰাণ | ৭৫ | ১৭ |
| বলি ছলন | ৫০ | ৪৪ |
| ভাগৱত | ৭ | ২০-২৩, ২৫,২৯-৩২; |
| | ১৮ | ৭; ২০।২৭; ৪৬।১৪, ৫৯।৪, ৬২।২ ; ৬৬।৯; ৭৩।১৪ ; ৭৫।১ |
| —একাদশ | ৩১ | ২৩; ৪৭।৩ ; ৫২।৪ |
| —দশম | ৫২ | ৪-৫ |
| —দ্বাদশ | ৫২ | ৪ |
| ৰত্নাকৰ | ৫০ | ১৫, ২৬, ৪২ ; |
| | ৬৬ | ১০-১১ |

| | অধ্যায় | পদ |
|---|---|---|
| ৰত্নাবলী | ৩৯ | ৬, ১৩; ৫৮\|১৫, ২৬,৪২ ; ৫৯\|১০, ১৫ |
| ৰাম বিজয় নাট | ৬৫ | ২৭ |
| ৰামায়ণ | ৫২ | ৪ |
| ৰাস-ঝুমুৰা | ৬৫ | ১৩ |
| সহস্র নাম ( পাদ্মীয় ) | ২০ | ২৭ ; ৬২\|২; ৭৫\|১০ |
| সীতা স্বয়ম্বৰ নাট … | ৩১ | ৬ |

# প্ৰথম অধ্যায়

## প্ৰাৰ্থনা

জয় জয় দৈবকী নন্দন দামোদৰ।
ব্ৰহ্মা মহেশ্বৰো যাৰ চৰণ-কিঙ্কৰ॥
পৰম পতিত তৰে যাৰ সুমৰণে।
সদায়ে প্ৰণামো তাৰ অৰুণ চৰণে॥ ১॥
নমো নমো নাৰায়ণ জগত-কাৰণ।
ভকত অভয়-দাতা সত্য সনাতন॥
কৃপা কৰা কৃপাময় অধমক মোক।
তোমাৰ ভক্তৰ সঙ্গ সদা মোৰ হোক॥ ২॥
শঙ্কৰ মাধৱ দুইৰো চৰিত্ৰ বৰ্ণন।
কৰো তব পদ-প্ৰসাদত নাৰায়ণ।
তোমাৰ চৰণ-কৃপা লেশ প্ৰসাদত।
প্ৰচাৰোক পদ মহাজনৰ সাক্ষাত॥ ৩॥

**—শঙ্কৰ-মাধৱ-অবতাৰ-পুৰুষ—**

জয়তি পৰম গুৰু শ্ৰীমন্ত শঙ্কৰ।
লোকৰ হিতাৰ্থে জন্ম অংশ কেশৱৰ॥
মাধৱ স্বৰূপে কৃষ্ণ-অংশে অৱতৰি।
গুৰুসেৱা ধৰ্ম্ম দেখাইলন্ত কৃপা কৰি॥ ৪॥
তাৰা দুইহস্তক নমস্কাৰ কৰি মনে।
বৰ্ণাইবো তেৰাৰ কথা পৰম যতনে॥

তোৰা দুই ভকতৰ যেন নৱনিধি।
তাসম্বাৰ স্মৰণে তাৰন্ত হৌক সিদ্ধি ॥ ৫॥

—গ্ৰন্থ ৰচনাৰ উদ্দেশ্য—

মিনতি বচনে বোলো শুনা সৰ্ব্বজন।
কতো মহাজনে মোক বুলিলা বচন ॥
দুয়ো মহা পুৰুষৰ কথা যত যত।
পদবন্ধে একস্থান কৰিয়ো সমস্ত ॥ ৬॥
তাসম্বাৰ বাক্য পালি কৰো একস্থান।
ক্ষমিবা দোষণ বঢ়া টুটা যতমান ॥
কতো পাই কতো নপাই জানিবা নিশ্চয়।
আৰো আগ পাছ কথা গাত কিছু হয় ॥ ৭॥
কহয় দৈত্যাৰি শিশুমতি অাতিশয়।
জানি ইটো দোষ মৰষিয়ো সাধুচয় ॥
ইদেশত পূৰ্ব্বকালে নাছিল ভকতি।
নানা ধৰ্ম্ম কৰ্ম্ম লোকে কৰিল সম্প্ৰতি ॥ ৮॥
নানাদেৱ পূজয় কৰয় বলিদান।
হংস ছাগ পাৰ কাটে সহস্ৰ (১) প্ৰমাণ ॥ *
তপ জপ যজ্ঞদান তীৰ্থস্নান কৰে।
ঘোৰ নৰকত পৰি পৰি সবে মৰে ॥ ৯॥
উপজয় মৰয় সংসাৰে বাৰম্বাৰ।

(*) পাঠান্তৰ-অসংখ্য

নাহি সুখ নেৱাৱয় সংসাৰ নিকাৰ ॥
তল গৈল লোক কলি পাপ-সাগৰত।
কৃপাময় কৃষ্ণে জানি গুণিলা মনত ॥ ১০॥
সিটো লোক সমস্তক কৰিবে উদ্ধাৰ।
শঙ্কৰ মাধৱ ৰূপে ভৈলা অৱতাৰ ॥
প্ৰথমতে শঙ্কৰ দেৱৰ কহো কথা।
মাধৱ দেৱৰ পাছে কহিবো ব্যৱস্থা ॥ ১১॥

---

# দ্বিতীয় অধ্যায়

## শ্ৰীশ্ৰীশঙ্কৰদেৱৰ পূৰ্ব্বপুৰুষ-সকল

লণ্ডাদেৱ নামে একজন অছিলন্ত। (১)
চণ্ডীবৰ নামে তান তনয় ভৈলন্ত ॥
চণ্ডীবৰে ৰাজসেৱা বিস্তৰ কৰিলা।
দুৰ্ল্লভ-নাৰায়ণে দেবীদাস নাম দিলা ॥১॥
দেৱীদাসে বসাইলন্ত টেম্বুৱানী বন্ধে।

(১) দৈত্যাৰি ঠাকুৰে লণ্ডাদেৱৰ আঁতিগুৰিৰ বিষয়ে একো উল্লেখ কৰা নাই। লণ্ডাদেৱৰ পৰা অধস্তন চতুৰ্থ পুৰুষ কুসুম্বৰ। আৰু তেওঁৰ পুত্ৰ শঙ্কৰদেৱ। আন চৰিত্ৰ পুথি মতে, প্ৰেম পূৰ্ণানন্দ গিৰি নামে এজনকহে শঙ্কৰদেৱৰ আদিপুৰুষ বুলি ধৰা হৈছে। প্ৰেম পূৰ্ণানন্দ গিৰিৰ পৰা অধস্তন সপ্তম পুৰুষ হেমগিৰি অপুত্ৰক আছিল। তেওঁৰ কন্যা কৃষ্ণকান্তি স্বপ্নত সদাশিৱৰ ঔৰসত গৰ্ভৱতী হয়। এই সন্তানেই লণ্ডাবৰ, শেষত লণ্ডাদেৱ নামে খ্যাত হয়। শঙ্কৰ দেৱৰ বংশাৱলী সম্পৰ্কে পাতনিত বহলাই আলোচনা কৰা হৈছে ॥

বৰদোৱা নামে গ্ৰামে পৰম আনন্দে ॥
কৰা সেৱা দুৰ্লভ-নাৰায়ণ নৃপতিৰ।
দাতা ভোক্তা জ্ঞাতা ধীৰ গহীন গম্ভীৰ ॥ ২॥
পৰম পণ্ডিত যত শাস্ত্ৰত নিপুণ।
দৰশিত সুন্দৰ কহিবো কত গুণ ॥
ৰাজসভা আসিলা পণ্ডিত একজন।
পশ্চিমৰ পৰা বাদ কৰিবাক মন ॥ ৩॥
লাগি গৈল কথা মাত দেৱীদাস সমে।
দেৱীদাসে জন্মস্থান পুছিলা প্ৰথমে ॥
পোতনীয়া গ্ৰাম বুলি পণ্ডিতে কহিলা
তযু জন্মস্থান কৈয়ো পণ্ডিতে পুছিলা ॥ ৪॥
গো-গৰীয়া গ্ৰাম দেৱীদাসে কহিলন্ত।
শুনিয়া পণ্ডিতে উপহাস্য কৰিলন্ত ॥
একে গৰু তাতে আৰু গৰীয়া অধম।
এহিবুলি হাসে তেহোঁ আনন্দ পৰম ॥৫॥
দেৱী দাসে বোলে যৈত পৰয় পোতনি।
তাকে শুদ্ধ কৰে গৰীয়াৰ লাদ আনি ॥
এহিবুলি দেৱীদাসে হৰিষে হাসন্ত।
উত্তৰ নাপায়া লাজ পণ্ডিত ভৈলন্ত ॥৬॥
কূটবুদ্ধি কথা দেৱীদাসে কহিলন্ত।
আছো শাস্ত্ৰবাদে এতেকতে জিনিলন্ত ॥
হেনয় পণ্ডিত দেৱীদাস আছিলন্ত।
ৰাজধৰ নামে তান তনয় ভৈলন্ত ॥৭॥
দানী মানী গুণৱন্ত শান্ত শোভনয়।
ভৈল তিনিজন জানা তাহান তনয় ॥

সূৰ্য্যবৰ জয়ন্ত মাধৱ দলৈ নাম।
তিনিয়ো পণ্ডিত গুণৱন্ত অনুপাম ॥৮॥

—অদ্বৈতবাদীৰ প্ৰতি ব্যৱহাৰ—

মাধৱ দলৈৰ নাতি নামে ৰতিকান্ত।
জানিবাহা তেন্তে ব্ৰহ্মজ্ঞানী আছিলন্ত ॥
ব্ৰহ্মজ্ঞান এৰুৱাইব অনেক প্ৰকাৰে।
না পাৰিয়া ভিন্ন তান্ক মানিলা শঙ্কৰে ॥৯॥
বোলন্ত আঙ্গুলি তোৰ ছাতিৰ নালত।
পশিল, নোলাই আৰু ন কাটে যাৱত ॥
হৰি-হৰি-দুৰ্ল্লভ ভাৰতবৰিষত।
জন্ম লভি হৰি ভক্তি তেজে বুদ্ধিহত ॥১০॥
ব্ৰহ্মজ্ঞান নাল মহা গৰ্ত্তত পৰিল।
এহি বুলি খেদ দেৱ শঙ্কৰে কৰিল ॥ (১)
জয়ন্তৰ পুত্ৰ শতানন্দ নাম ভৈল।
তাহান পুত্ৰৰ ৰামৰায় (২) নাম থৈল ॥১১॥

---

(১) অদ্বৈতবাদীৰ মতে ব্ৰহ্ম সত্য, জীৱ আৰু জগৎ মিথ্যা আৰু মায়াৰ দ্বাৰা আবৃত। জ্ঞানৰ পোহৰত মায়া আতৰ হলে জীৱে নিজক ব্ৰহ্মৰ স্বৰূপ বুলি বুজিব পাৰে, আৰু তেতিয়া নিজকেই ব্ৰহ্মবুলি চিনি সোঽহংভাৱাপন্ন হয়। অদ্বৈতবাদী জ্ঞানমাৰ্গী, ইয়াত ভক্তিৰ ঠাই নাই। বৈষ্ণৱে ভাবে জীৱ ব্ৰহ্মৰ দ্বাৰা সৃষ্ট বা ব্ৰহ্মৰ অংশ বা ব্ৰহ্মময় হলেও জীৱ ব্ৰহ্মতকৈ বেলেগ ভাৱেৰে নিজৰ বৈশিষ্ট লৈ অৱস্থিত, আৰু সনাতন ব্ৰহ্মক ৰূপবিশিষ্ট কল্পনা কৰি নিজক তেওঁৰ দাস ভাবি তেওঁক ভক্তি ভাৱেৰে সেৱা কৰা উচিত। বৈষ্ণৱ ধৰ্ম্ম ভক্তিমাৰ্গী আৰু অদ্বৈতবাদ ভক্তি বিৰোধী।

(২) ৰামৰায় :—জয়ন্তৰ পুত্ৰ সতানন্দ শোভানয়।
ভৈলন্ত জগতানন্দ তাহান তনয় ॥
অসমৰ ৰাজা ৰামৰায় নাম দিলা।
আমাৰ লগত ইটোৱাজাক আসিলা ॥ 'শঙ্কৰচৰিত' ॥
—ভূষণ-দ্বিজ ॥

# তৃতীয় অধ্যায়

## শ্ৰীশ্ৰীশঙ্কৰদেৱৰ জন্ম

আছিলন্ত ৰামৰায় পৰম ভকত ৷
কৰিলা ভকতি ধৰি শঙ্কৰৰ মত ॥
ৰামৰায়ৰ কথা যত কহিবো পাছত ।
সূৰ্য্যবৰ পুত্ৰ ভৈলা কুসুম নামত ॥১॥
সন্তজন-ৰঞ্জন ভঞ্জন-দুষ্টজন ।
গৌৰবৰ্ণ শৰীৰ পৰম সুশোভন ॥
তান গুণ গণি কিম্বা কহিবো সাক্ষাত ।
শঙ্কৰ স্বৰূপে কৃষ্ণ অৱতাৰ যাত ॥২॥
সমস্ত ঐশ্বৰ্য্য যুক্ত সুমধুৰ বাণী ।
লক্ষ্মী সম ৰূপৱতী তাহান পতনী ॥
তথাপি মনত তান সুখ নাহিকয় ।
সমস্ত সম্পদ যুক্ত নাহিকে তনয় ॥৩॥
পুত্ৰকামে নানাবিধ কৰ্ম্ম আচৰন্ত ।
পুত্ৰকামে হৰিবংশ শাস্ত্ৰক শুনন্ত ॥
নানা ধৰ্ম্ম কৰন্ত পুত্ৰক আশা কৰি ।
নপাইলন্ত পুত্ৰ তন্ত্ৰ মন্ত্ৰক আচৰি ॥৪॥
পাছে জ্ঞাতি মিত্ৰ সমে সবে আলোচিল ।
পুত্ৰ কামনায় মহেশক আৰাধিল ॥

তান ভকতিত তুষ্ট ভৈলন্ত শঙ্কৰ।
স্বপ্নত দিলেক শম্ভু তাঙ্ক পুত্ৰ-বৰ ॥৫॥
বৰ পায়া কুসুমৰ আনন্দ মনত।
কহিলন্ত ভাৰ্য্যাত স্বপ্নৰ কথা যত ॥
মনত হৰিষ কৰি দুয়োজন ৰৈল।
এককালে তাহান ভাৰ্য্যাৰ গৰ্ভ ভৈল ॥৬॥
অধিক সম্পত্তি সেহি দিনা হন্তে হয়।
জানিয়া আনন্দ কুসুমৰ অতিশয় ॥
গৰ্ভৰ প্ৰমাণ জানি মনত উল্লাস।
অনন্তৰে গৰ্ভ ভৈল পূৰ্ণ দশমাস ॥৭॥
শুভক্ষণ শুভলগ্ন নক্ষত্ৰ মিলিল। (১)
সেহিবেলা কুসুমৰ পুত্ৰ উপজিল ॥
দোভাগ ৰজনী অন্ধকাৰ তমোময়।
সূতিকাৰ গৃহগোট ভৈল জ্যোতিৰ্ম্ময় ॥৮॥
মধুৰ গৰ্জ্জনে মেঘ সবে গৰজয়।
ঘোৰা সব চিঞৰি উঠিল অতিশয় ॥
উপজিল পুত্ৰ কথা কুসুমে শুনিলা।
পৰম আনন্দে স্নান (২) সবস্ত্ৰে কৰিলা ॥৯॥

---

(১) দৈত্যাৰি ঠাকুৰে তিথিবাৰ নক্ষত্ৰ মাহ আদিৰ একো উল্লেখ কৰা নাই। ৰামচৰণ ঠাকুৰ আদিৰ ৰচিত পুথিত শঙ্কৰৰ জন্ম উপলক্ষে যি মত আছে, তাৰ তাৰিখ সহ পাতনিত বৰ্ণনা কৰা হৈছে ॥

(২) স্নান ঃ—সন্তান জন্মৰ পাচত, কাপোৰ কানি তিয়াই গা ধুব লাগে এইটো স্মৃতি শাস্ত্ৰৰ নিয়ম ॥

মনত হৰিষে দান দক্ষিণা কৰিল ।
ব্ৰাহ্মণ দৈবজ্ঞ জ্ঞাতি মাতিয়া আনিল ॥
শাস্ত্ৰ চাই দৈবজ্ঞে গণিত কৰিলন্ত ।
শঙ্কৰৰ কথা কুসুমত কহিলন্ত ॥১০॥
নাহি কোনো ৰিষ্ট শিশু মহা সুলক্ষণ (১)
জ্ঞানৱন্ত ধৈৰ্য্যৱন্ত হৈব শান্ত মন ॥
পৰম পণ্ডিত হৈব পৰম মহন্ত ।
আন যত গুণ শঙ্কৰৰ কহিলন্ত ॥১১॥
শঙ্কৰৰ বৰত পুত্ৰক লভিলন্ত ।
এতেকে শঙ্কৰবৰ নামক থৈলন্ত ॥
গুপ্ত নাম তাহান থৈলন্ত গঙ্গাধৰ । (২)
পুত্ৰ দেখি মনত আনন্দ কুসুমৰ ॥১২॥
যেন চন্দ্ৰকলা বাঢ়ি যান্ত নিতে নিত ।
দেখি সমস্তৰে আতি আনন্দিত চিত্ত ॥
অনন্তৰে আৰো এক পুত্ৰ ভৈল জাত ।
বনগঞাঁ গিৰি নাম জগতে প্ৰখ্যাত ॥১৩॥
তাত পাছে যেন ভৈল তাঙ্ক শুনিয়োক ।
কতোদিনে কুসুম গৈলন্ত পৰলোক ॥
দেখিলা ভাৰ্য্যায়ে তান মৰি গৈলা স্বামী । (৩)
মনত হৰিষে তেহো ভৈলা অনুগামী ॥১৪॥

---

(১) ৰিষ্ট :—শিশুৰিষ্ট পতাকী ৰিষ্ট আদি—ৰামচৰণ ঠাকুৰৰ চৰিত পুথিমতে মাতৃৰিষ্ট আছিল ।

(২) গঙ্গাধৰ :—শঙ্কৰ দেৱৰ জন্ম নক্ষত্ৰ অনুসৰি, তেওঁৰ নাম, গঙ্গাধৰ ।

গঙ্গাধৰ নাম হলে ধনিষ্ঠা নক্ষত্ৰ (২৩) আৰু মকৰ ৰাশি হয়। পাচত শঙ্কৰৰ দহোটা নাম হয়। যেনে :—শঙ্কৰ, গঙ্গাধৰ, মহাপুৰুষ, ডেকাগিৰি, অধিকাৰী, সন্ত, মহন্ত, আতা, গোমোস্তা, আৰু জগন্নাথ ॥

শঙ্কৰদেৱৰ জন্ম তাৰিখ আৰু তিথি নক্ষত্ৰ সম্পৰ্কে পাতনিত আলোচনা কৰা হৈছে ॥

(৩) ৰামচৰণ ঠাকুৰৰ শঙ্কৰ চৰিতত শঙ্কৰৰ জন্মৰ ১৫ দিনৰ দিনা মাতৃ সত্যসন্ধাৰ মৃত্যু হয় বুলি কোৱা হৈছে ॥

সেহিদিনা শুক্রবাৰ পঞ্চদশ দিন।
সেহি বেলা ভৈলন্ত সতীৰ আয়ুক্ষীণ ॥ ৫২৪ ॥
সেইদিনা বেলা চাৰি দণ্ড ভাটী দিলা।
তেবে সত্যসন্ধ্যা আই বৈকুণ্ঠ চলিলা ॥ ৬০৬ ॥

**বনগঞাঁ** :—শঙ্কৰদেৱৰ ১৩ মাহ বয়সত কুসুমৰ আন এটি পুত্ৰ সন্তান হয়। সেই সময়ত কছাৰীৰ উপদ্ৰবত, ভূঞাসকল হাবিত পলাই ফুৰিছিল। পলাই থকা অৱস্থাত, হাবিৰ মাজত জন্ম হোৱা হেতুকে, তেওৰ নাম, 'ৰনগঞা' ৰখা হল ॥

এই সময়ত কুসুমৰ পুত্ৰ ভৈলা।
তাতে সে তাহান নাম বনগঞা থৈলা—ৰামচৰণ ১০২৫ ॥

শঙ্কৰৰ ১৫ দিন বয়সত, সত্যাসন্ধ্যাৰ মৃত্যু হলে, বনগঞা, শঙ্কৰৰ বৈমাত্ৰেয় ভ্ৰাতৃ হব লাগিব। কিন্তু ৰামচৰণে এই কথা স্পষ্ট কৰি কোৱা নাই। আনকি, বনগঞাৰ মাক কোন, কুসুমে কোন সময়ত বিয়া কৰাইছিল, সত্যসন্ধ্যাৰ জীৱিত কালত নে, মৃত্যুৰ পিচত, তাকো কোৱা নাই ॥ সত্যসন্ধ্যাৰ মৃত্যু প্ৰসঙ্গত, এবাৰ কথা আছে, :—

কুসুমে বুলিলা চটো ( পাঃ চণ্টো ) ভাৰ্য্যাক শুনাই।
পথ্য থাই—শঙ্কৰক স্তন দিয়া যাই ॥ ৬৮৩ ॥

ইয়াৰ পৰা বুজা যায়, এই "চটো ভাৰ্য্যা" সক ঘৈনীয়েক। এওক

সত্যসন্ধ্যা জীয়াই থাকোতেই কুসুমে বিয়া কৰাইছিল ॥

আগদিনা পথ্য খাইলা গোসানী চণ্ডৰী।
বহি যাই দুগ্ধ দুইৰো ধাৰাদণ্ডে ধৰি ॥ ৬৮৫ ॥

এই "চণ্ডৰী গোসানী" কোন, কুসুমৰ সৰু ভাৰ্য্যা হয়নে নহয়, ঠিক বুজা না যায়, চণ্ডৰী নামে কুসুমৰ বেটী এজনীহে আছিল বুলি পোৱা যায়। এই চণ্ডৰী অৱশ্যে বেলেগ হব লাগিব। কাৰণ "গোসানী" বিশেষণ বেটীৰ বেলিকা ব্যৱহৃত নহয়। যদি চণ্ডৰী কুসুমৰ সৰু ভাৰ্য্যা হয়, তেন্তে তেৱেঁই বনগঞাৰ মাক ॥

ভূষণ দ্বিজৰ শঙ্কৰ চৰিতত, শঙ্কৰদেৱৰ বিবাহৰো বহুত দিন পিছতহে কুসুমৰ আৰু তাৰ কিছুদিন পিছত মাক সত্যসন্ধ্যাৰ মৃত্যু হৈছিল বুলি কোৱা হৈছে ঃ—

(১)—"মাতৃৰো হৰিষ আতি বুলিলা স্বামীক মাতি
ভাল চাই কন্যাক যুৰিয়ো ॥" ॥৬৯॥

(২) "কুসুমৰ ভাৰ্য্যা সতী, পুত্ৰৰ বহাৰী দেখি।
মনে মহা কৰন্ত হৰিষ ॥"—॥৭১॥

(৩)—এহিমতে হৰিষতে আছে কতোদিন।
অনন্তৰে কুসুমৰ আয়ু ভৈল ক্ষীণ ॥
মৰিলন্ত কুসুম পাইলন্ত স্বৰ্গলোক।
শঙ্কৰে পিতৃক লাগি নকৰিলা শোক ॥ ১১২ ॥

(৪) মনত হৰিষে যেবে শঙ্কৰ আছন্ত।
অনন্তৰে তান পাছে মাতৃ মৰিলন্ত ॥—১১৯ ॥

এই মতে বনগঞা শঙ্কৰদেৱৰ সহোদৰ ভায়েক।

বনগঞা নামে আছে কনিষ্ঠ সোদৰ।
জমাইৰ লগতে তাঙ্ক ৰাখিলা শঙ্কৰ ॥ ১২৭ ॥

দ্বিজ ৰামানন্দৰ গুৰুচৰিত্ৰত কিন্তু সম্পূৰ্ণ ওলোটাটোহে আছে। দ্বিজ ৰামানন্দৰ বৰ্ণনা এই পুথিৰ সৈতে মিলে। সেইমতে বনগঞা শঙ্কৰৰ সহোদৰ

ভায়েক। বনগঞাৰ আচল নাম হলধৰ। বনৰ মাজত ওপজা বাবেহে বনগঞা বোলে। শঙ্কৰৰ সাতবছৰ আৰু বনগঞাৰ দুবছৰ হওঁতেই কুসুমৰ মৃত্যু হয়। মৃত্যুত, ভাৰ্য্যা সত্যসন্ধ্যা সতী যায়। শঙ্কৰদেৱ সৰু হৈ থকাৰ কাৰণে, পিতাকৰ শ্ৰাদ্ধাদি, ৰামৰায়ৰ পিতৃ শতানন্দ দলৈৰ হতুৱাই কৰোৱা হয়।

৺ লক্ষ্মীনাথ বেজবৰুৱাদেৱে বনগঞাৰ মাকৰ নাম অনুধৃতি বুলি লিখিছে। (শঙ্কৰদেৱ ১৩ পৃঃ) "আমি কিন্তু আমাৰ পিতৃদেৱতা ডাঙ্গৰীয়া ৺ দীননাথ বেজবৰুৱাৰ মুখে শুনিছিলো যে শঙ্কৰৰ জন্মৰ তিনদিনৰ ভিতৰতে মাক ধুকায় আৰু বুঢ়ীমাক খেৰসুতীয়ে ডাঙৰ দীঘল কৰে॥"

বহুকালৰ পিচতো সত্যসন্ধ্যাৰ গৰ্ভত সন্তান নোহোৱা (শঙ্কৰদেৱ ১৬ পৃঃ বেজবৰুৱা) দেখি কুসুম্বৰে শ্ৰীপতিভূঞাৰ কন্যা অনুধৃতিক বিয়া কৰায়। অনুধৃতিৰ গৰ্ভত বনগঞা গিৰিৰ জন্ম হয়। (শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ ১৫ পৃঃ—বেজবৰুৱা)

---

# চতুৰ্থ অধ্যায়

## শ্ৰীশ্ৰীশঙ্কৰদেৱৰ বাল্যলীলা

### —ক্ৰীড়া-কৌতুক—

কুসুমৰ মাতৃ শঙ্কৰৰ বুঢ়ী আই।
তেহে তুলিলন্ত বৰ ভৈলা দুই ভাই॥
ফুৰন্ত উমলি শিশুগণ লৈয়া সঙ্গে।
নানা ক্ৰীড়া কৰি কতো ফুৰা মন ৰঙ্গে॥১॥
ফল ফুল কোটোৱা খেলান্ত কতো বেলা।
ঘিলা খেৰি খেলা কতো কতো ভণ্টা খেলা॥

কতো ভাকুলুকা কতো লৱৰালৱৰি ।
কতো হৰিধ্বনি কৰি বজান্ত চাপৰি ॥২॥
কতোবেলা শিশুগণে সমে হুয়া সাৰি ।
বনে বনে বটা-চৰাই ফুৰন্ত বিচাৰি ॥
আন শিশুগণে বটা গোটাক নপান্ত ।
দুইচাৰি আনন্দতে শঙ্কৰে ধৰন্ত ॥৩॥
বটা মেলি দিয়া পাছে গৃহক আসন্ত ।
কতো শিশুগণ সমে শৃগাল খেদন্ত ॥
কতোহো নদীত নামি সাতুৰি ফুৰন্ত ।
জল ঝাণ্টি ক্ৰীড়া কতো কৌতুকে কৰন্ত ॥ ৪॥
কোনে কতবেলি থাকে বুলি বুৰ দেন্ত ।
সবাতো অধিক দেৱ শঙ্কৰ থাকন্ত ॥
কোনোবেলা মহাৰঙ্গে শুশু বুৰ দেন্ত ।
কতো কাক লাগ নেদি শঙ্কৰ থাকন্ত ॥ ৫॥
হাত ভৰি এৰি চিত্তে ফুৰন্ত উঠিয়া ।
কৌতুকে মাতন্ত কতো জলে বুড় দিয়া ॥
এহিমতে নানা ক্ৰীড়া কৰিয়া জলত ।
শিশুগণ সমে পাছে উঠন্ত পাৰত ॥ ৬॥
দেন্ত লৰ গৃহক আনন্দে অতিশয় ।
* লগৰীয়া শিশুগণে লাগ নাপাৱয় ॥
গৃহক আসিয়া পাছে ভোজন কৰন্ত ।
সেহি সময়ত তাঙ্ক গোসানী বোলন্ত ॥ ৭॥

---

(*) পাঠান্তৰ—সমনীয়া ।

—পাঠাৰম্ভ—

শুনৰে টামোন তই উমলি ফুৰস।
এতমান ভৈল আসি এভো নপঢ়স॥
হেনশুনি শঙ্কৰ পঢ়িবে নিতে যান্ত
'ক' ফালিকা পৰ্য্যন্তে ফলা সব পঢ়িলন্ত ॥৮॥
পঢ়িলন্ত আনো যত পঢ়িবে লাগয়।
সন্ধি সংজ্ঞা সাধিবে লাগিলা মহাশয়॥
একদিনা উমলিবে মনে ইচ্ছা কৰি।
একটুক বস্ত্ৰ এক টকা হাতে ধৰি॥ ৯॥

—পাঠত অৱহেলা—

আৰ কৰি নিয়া তান গুৰুক দিলন্ত।
অনুমতি লৈয়া উমলিবাক গৈলন্ত॥
ফুৰন্ত উমলি শিশু সমে আনন্দত।
নানা ক্ৰীড়া কৰি আতি কৌতুকে মনত॥ ১০॥
নানা হাস পৰিহাসে খেলান খেলান্ত।
শুনা গৃহে যেন মত হুয়াছে বৃত্তান্ত॥
বস্ত্ৰ টকা নিয়া গুৰু গোসানীক দিলা।
শঙ্কৰদেৱৰ কথা সমস্তে কহিলা॥ ১১॥
কতো বেলি উমলিয়া স্নান কৰিলন্ত।
এইদিনা অসময়ত গৃহক গৈলন্ত॥
মাতন্ত গোসানী শঙ্কৰক ক্ৰোদ্ধ কৰি।
ফুৰস উমলি বোলে পঠনক এৰি॥ ১২॥
মোহোৰ ঘৰৰ টকা কাপোৰক নিয়া।

যাস উমলিবেক গুৰুক তই দিয়া ॥
শঙ্কৰে বোলন্ত টকা বস্ত্ৰ কৈত পাইবো ।
কোনে কৰৈ আসি তাৰ মান্যক কৰিবো ॥ ১৩॥
হেন শুনি গোসানীয়ে হাসি তুলিলন্ত ।
টকা বস্ত্ৰ শঙ্কৰৰ আগত দিলন্ত ॥
দেখৰে টামোন হেৰ টকা বস্ত্ৰখানি ।
মোহোৰ হাতত গুৰু তাক দিলা আনি ॥ ১৪॥
শুনিয়া শঙ্কৰে আৰু কিছু নুবুলিলা ।
সলজ্জিত হৈয়া আতি মাথা চাপৰাইলা ॥
সেহি দিন ধৰি উমলিবেক নযান্ত ।
পৰম যতনে গুৰু গৃহত পঢ়ন্ত ॥ ১৫॥

## —পাঠত মনোযোগ—

বাৰকে দেখাই দিলে এতেক পাৰন্ত ।
অতি অপ্ৰয়াসে গুৰু তাহাঙ্ক পঢ়ান্ত ॥
পঢ়িলন্ত নিৰন্তৰে শাস্ত্ৰ সমস্তয় ।
অপ্ৰমাদী পণ্ডিত ভৈলন্ত মহাশয় ॥ ১৬॥
অবিৰতে সমস্ত শাস্ত্ৰক বিচাৰন্ত ।
শাস্ত্ৰালাপ বিনে আন কৰ্ম্ম নাচৰন্ত ॥
শাস্ত্ৰৰ তত্বক জানি মনত হৰিষে ।
পৰলোক হিত মাত্ৰ চিন্তে অহৰ্নিশে ॥ ১৭॥
ধৰ্ম্মত সদায় ৰতি কৃপাময় মন ।
শিশুহন্তে ধৰ্ম্ম মাত্ৰ কৰন্ত মনন ॥
হৰিত ভকতি যদি পাইবা সাধুলোক ।
ডাক চাৰি শঙ্কৰ মাধৱ বুলিয়োক ॥ ১৮॥

# পঞ্চম অধ্যায়

## যোগ অভ্যাস

শুনা সাধুজন থিৰ কৰি মন
আত অনন্তৰে তথা
মহা ৰুচিকৰ শঙ্কৰ দেৱৰ
কহো আৰ যেন কথা ॥১॥
এহিমতে শাস্ত্র বিচাৰি পাছত
যোগ শাস্ত্র পাইলা যাই ।
পৰলোক হিত সাধিবাক চিত্ত
ধৰিলা যোগ উপায় ॥২॥
পান অপান সমান উদান
আদি কৰি বায়ু চয় ।
বশ্য কৰিলন্ত চলাইবে পাৰন্ত
যি বায়ু যৈত লাগয় ॥৩॥
বায়ুক ক্ষেপিয়া উশাস ধৰিয়া
আসন ভিৰি হৰিষি ।
থাকন্ত সদায় সুনিশ্চল কায়
দিন দুই চাৰি বসি ॥৪॥
জলে বুৰ দিয়া থাকন্ত বসিয়া
জলৰ ভিতৰে যাই ।

জল দূৰ কৰি গৱ দুই চাৰি
জলে নিভিজয় কাই ॥৫॥
বস্ত্ৰো নিভিজয় শুকানে থাকয়
উঠন্ত পুনু জলৰ।
বাহু প্ৰদেশত ঘৰসে বান্ধন্ত
নবীন ডোৰে পাটৰ ॥৬॥
বায়ুক ক্ষেপিয়া বাহু উপন্দায়া
বায়ুৰ লগান্ত মান।
নব পাট ডোৰ চিণ্ডি জটৰাই
পৰে কতো দূৰ মান ॥৭॥
আনো নানা মত কৰন্ত সতত
বায়ু সমে ক্ৰীড়া অতি।
যোগ শাস্ত্ৰ মত ধৰি যোগ যত
আচৰন্ত দিনে ৰাতি ॥৮॥
ধ্যান ধাৰণা সমাধি আসন
প্ৰাণায়াম আদি যত।
বিষয় বিৰতি হৈয়া শুদ্ধমতি
আচৰে শাস্ত্ৰ সতত ॥৯॥
শৰীৰৰ ছয় চক্ৰক চিন্তন্ত (১)
মনক কৰি নিয়ম।
পাছে ভাগৱত শাস্ত্ৰক পাইলন্ত
সবাতো কৰি উত্তম ॥১০॥

---

(১) শৰীৰৰ ছটা চক্ৰ ষট্‌চক্ৰ নামে অভিহিত। মূলাধাৰ, স্বাধিষ্ঠান, মণিপুৰ, অনাহত, বিশুদ্ধ আৰু আজ্ঞা।

# ষষ্ঠ অধ্যায়

## বিবাহ

ভাগৱত তত্ত্ব জানিয়া পাছত
এৰিলা যোগ অভ্যাস।
যেন মতে পাইলা ভাগৱত শাস্ত্ৰ
কৰিবো পাছে প্ৰকাশ॥১॥
কতোহো উৎসুকী, কৰন্ত কৌতুকী
নানামত ক্ৰীড়াচয়।
খনো গৃহাশ্ৰম কৰাৰন্ত কৰ্ম্ম
ভৃত্য হাতে যেন লয়॥ ২॥
ইষ্টগণ সঙ্গে এক কাল ৰঙ্গে
মনত মহা উৎসাহ।
ৰূপে বিত্তোপনী, কন্যা একখানি
কৰিলা তেঁহো বিবাহ॥ ৩॥
গৃহাশ্ৰমে থাকি ধৰ্ম্ম আচৰন্ত
শাস্ত্ৰৰ যেন বিহিত।
স্নান তৰ্পণ সন্ধ্যা যে বন্দন
আচৰন্ত কৰ্ম্ম নিত॥ ৪॥
দুখী দৰিদ্ৰক প্ৰাৰ্থক জনক
অন্ন বস্ত্ৰ দেন্ত মাতি।

ইষ্ট বান্ধবক জ্ঞাতিক মিত্ৰক
পোষন্ত পালন্ত আতি ॥ ৫॥
দাসী দাস যত সবাকো সতত
মাতন্ত মধুৰ বাণী।
হেন নাহিকয় তাহান বাক্যত
দুখ পাই কোন প্ৰাণী ॥ ৬॥
আনো লোক যত সবাকো ৰঞ্জন্ত
যাক যথোচিত ভাৰে।
সদয় হৃদয় যেন জলাশয়
কৃপালু গুণ স্বভাৱে ॥ ৭
গুৰু গুণ গাণ শুনা সাধুজন
হুয়া সাৱধান মন।
কৰিয়া উৎসৱ শঙ্কৰ মাধৱ
বুলিয়োক সৰ্ব্বজন ॥ ৮॥

———

# সপ্তম অধ্যায়

## —যৌবনলীলা—

### —লোহিত সন্তৰণ—

শুনা সাধুসব কথা আত অনন্তৰ।
যি মত চৰিত্ৰ আৰো শঙ্কৰ দেৱৰ॥
দেখিতে সুন্দৰ গৌৰবৰ্ণ কলেৱৰ।
কৰন্ত প্ৰকাশ আতি সূৰ্য্য সমসৰ॥ ১॥
ৰূপ দেখি কন্দৰ্পৰ দৰ্প হোৱে চুৰ।
সৰ্ব্বজন ৰঞ্জি থাকে বচন মধুৰ॥
গমন গম্ভীৰ নেত্ৰ কমলৰ পাসি।
চন্দ্ৰ সম বদন প্ৰকাশে অল্প হাসি॥ ২॥
সুবুদ্ধি সুথিৰ ধীৰ গম্ভীৰ সাগৰ।
প্ৰীতি বাঢ়ি যাই তান্তে সমস্ত লোকৰ॥
পাছে ৰাম-ৰাম গুৰু সমে ৰঙ্গ মনে।
লোহিতত স্নানিবাক যান্ত দুয়োজনে॥ ৩॥
সান্তৰিয়া দুয়ো লোহিতৰ হন্ত পাৰ।
সান্তৰিলা শঙ্কৰদেৱ আৰো পুনৰ্ব্বাৰ॥
ৰামৰাম গুৰু নোৱাৰন্ত আসিবাক।
নৌকা লৈয়া শঙ্কৰে আনন্ত গৈয়া তাঙ্ক॥ ৪॥

এহি নানা ক্ৰীড়া যুবা কালে কৰিলন্ত ।
কোন জনে তাক সবে কহি পাৰে অন্ত ॥
জ্ঞানৱন্ত ধৈৰ্য্যৱন্ত পৰম পণ্ডিত ।
বুদ্ধি বৃহস্পত্যোধিক মহা অখণ্ডিত ॥ ৫॥

—জগন্নাথ ভ্ৰমণ—

এককালে তেঁহো জগন্নাথ ক্ষেত্ৰে গৈলা ।
বহুদিন তৈতে কৃষ্ণ চৰণ সেৱিলা ॥
বহুদিন নাসিবাৰ দেখি বন্ধুগণে ।
চিন্তাবিষ্ট হুয়া দুঃখ লভিলন্ত মনে ॥ ৬॥
পাছে কতোদিন দেৱ শঙ্কৰ আসিলা ।
দেখি তাঙ্ক সবান্ধৱে আনন্দ লভিলা ॥ (১)
আসিলা শঙ্কৰবৰ শুনি বুঢ়ী আই ।
দিলা বেগ খাটত পৰিলা ঝুটি খাই ॥ ৭॥
লাগিয়া খাটৰ খুৰা ঘাৱ ভৈলা ভৰি ।
কান্দিবে লাগিলা শঙ্কৰৰ গলে ধৰি ॥
এতদিন বাপু তুমি কিসক নাসিলা ।
সবাকে সম্বোধি দেৱ শঙ্কৰ ৰহিলা ॥ ৮॥

—ষাণ্ড মৰ্দ্দন—

কতোদিন আছা যেবে শঙ্কৰ ঘৰত ।
শুনা যেন কথা ভৈলা তাহাৰ পাছত ॥

(১) দৈত্যাৰি ঠাকুৰে ইয়াত অনেক কথা এৰি থৈ গেছে । প্ৰথমবাৰ তীৰ্থ ভ্ৰমণলৈ যাওঁতে শঙ্কৰদেৱে বাৰ বছৰ নানা ঠাই ভ্ৰমণ কৰিছিল ।

দিনেক শঙ্কৰদেৱ কৰিয়া ভোজন।
কৰি মুখ শুদ্ধি পথে কৰিলা গমন॥ ৯॥
খান চাৰি গুৱাপান বাম হাতে ধৰি।
চলন্ত পথত আতি লীলা গতি কৰি॥
সেহিবেলা ষাণ্ড এক আগে উপগত।
দেখিয়া শঙ্কৰদেৱ গুণন্ত মনত॥ ১০॥
হঠাতে বাজিলোঁ পলাইবাক নপাৰিলোঁ।
দিবে দুখ ইটো মোক অৱশ্যে জানিলো॥
বাৰম্বাৰ ইটো মনুষ্যক মাৰিছয়।
শিঙ্গ পাতি শঙ্কৰক খেদিয়া আসয়॥ ১১॥
আছন্ত শঙ্কৰদেৱ ৰহি তাক চাই।
মনে গুণি আন একো নাপান্ত উপায়॥
গুৱাপান এৰি দুই হাতে দুই শিঙ্গে।
ধৰিয়া দিলন্ত দাবি আতি মন ৰঙ্গে॥ ১২॥
পাছক লাগিয়া হেম্পচিয়া তাক নেন্ত।
এৰাইবো কিমতে বুলি মনত গুণন্ত॥
দুইভিতি খাল পলাইবাক নাহি দিক।
বামপাশে খালত পেহ্লাইলা চিতে তাক॥ ১৩॥
খালে পৰি ধৰফৰ কৰে আতিশয়।
ভয় হুয়া চাৰিয়ো চৰণ আছাৰয়॥
উঠি মলমূত্ৰ তেজি শঙ্কৰ দেৱক।
দেখিয়া পলাই আৰ নচাৰে পাছক॥ ১৪॥
খালে খালে লৰৰিয়া ভয়ত পলাই।

বস্তুমনে শঙ্কৰে আছন্ত তাঙ্ক চাই ॥
ষাণ্ড মৰ্দ্দি শঙ্কৰ গৃহক চলি গৈলা ।
সমস্ত লোকৰ আগে এহি কথা কৈলা ॥ ১৫॥
শুনি সবলোকে খলখলি হাসিলন্ত ।
তাকে কহি অন্যো অন্যে কৌতুক কৰন্ত ॥
শঙ্কৰদেৱক ডেকাগিৰিও বোলয় ।
সেহি ষাণ্ড যাক আসি লাগাল পাৱয় ॥ ১৬॥
ডেকাগিৰি আসে বুলি আটাস পাৰয় ।
এতেক পলাই ষাণ্ড হুয়া মহাভয় ॥
এহি ভৈল ঔষধ জানিবা দিশে পাশে ।
ষাণ্ড লাগ পাইলে বোলে ডেকাগিৰি আসে ॥ ১৭॥
যেন গোকুলত কৃষ্ণ অৰিষ্ট বধিলা ।
শঙ্কৰ স্বৰূপে সেহি লীলা দৰশাইলা ॥
আনন্দে শঙ্কৰদেৱ আছন্ত গৃহত ।
শুনা যেন কথা ভৈল তাহাৰ পাছত ॥ ১৮॥

## —ভাগবত শাস্ত্ৰ প্ৰাপ্তি—

ভাগৱত শাস্ত্ৰ লৈয়া এক বিপ্ৰ জনে ।
জগন্নাথ ক্ষেত্ৰ গৈলা পঢ়িবাক মনে ॥
কোনদেশী বিপ্ৰ কেহো নপাৰে চিনিতে । (২)
জগন্নাথ আগে বিপ্ৰ যান্ত প্ৰতিনিতে ॥ ১৯॥
পাৰ্থনা কৰন্ত বিপ্ৰে কৃষ্ণৰ চৰণে ।

(২) তিৰহুতৰ জগদীশ মিশ্ৰ ।

একৰূপ ভাগৱত পঢ়িবাক মনে ॥
সেহি সময়ত বিপ্ৰে দেখিলা স্বপন।
স্বপনত জগন্নাথে বুলিলা বচন ॥ ২০॥
শুনা দ্বিজৰাজ তুমি কামৰূপে যায়ো।
শঙ্কৰক ভাগৱত শাস্ত্ৰক শুনায়ো ॥
শঙ্কৰে শুনিলে মই শুনা হেন জানা।
শঙ্কৰকে মোকে তুমি এক কৰি মানা ॥ ২১॥
শঙ্কৰে মোৰে কিছু নাহিকে অন্তৰ।
এহি জানি দ্বিজৰাজ চলিয়ো সত্বৰ ॥
তান আগে ভাগৱত পঢ়িয়ো সকল।
শাস্ত্ৰ পঢ়িবাৰো হোৱে তেবেসে সাফল ॥ ২২॥
গাঙ্গমৌ গ্ৰামত শঙ্কৰ আছা গই।
তান পাশে যায়ো তুমি ভাগৱত লই ॥
অনন্তৰে দ্বিজবৰে লভিলা চেতন।
স্বপ্ন দেখি ব্ৰাহ্মণৰ ৰঙ্গ ভৈলা মন ॥ ২৩॥
সাগৰত স্নান পাছে কৰিলা ব্ৰাহ্মণ।
পাছে গৈয়া কৈলা জগন্নাথ দৰশন ॥
নমস্কাৰ কৰি বিপ্ৰে কৰিলা বিদায়।
লৈয়া অনুমতি পাণ্ডা সমস্তৰ ঠাই ॥ ২৪॥
বাসাক আসিয়া পাছে কৰিলা ভোজন।
ভাগৱত স্কন্ধে কৰি কৰিলা গমন ॥
পথত চলন্ত বিপ্ৰ আনন্দ মনত।
অনন্তৰে টেম্বুৱানী ভৈলা উপগত ॥ ২৫॥

শুনা সাধুজন যেন কথা ভৈলা পাছে।
গাঙ্গমৌ পাইবে দ্বিজ তিনি দিন আছে॥
সেহিবেলা বৰদোৱা এৰিয়া শঙ্কৰ।
গৈলা গাঙ্গমৌ পাছে কেতে খাঁ (৩) নগৰ॥ ২৬॥
সম্বন্ধত পেহা হোন্ত শঙ্কৰদেৱৰ।
তাহাঙ্ক দেখিবে গৈলা কেতেখাঁৰ ঘৰ॥
তিনদিন তহিতে শঙ্কৰদেৱ আছে।
শুনা আবে যেন কথা ভৈল তাত পাছে॥ ২৭॥
পুছি পুছি দ্বিজবৰ গাঙ্গমৌক পাইলা।
শঙ্কৰদেৱক গই দৰশন ভৈলা॥
পাইলা মহা প্ৰীতি আনন্দৰ নাহি পাৰ।
কৰিলা শঙ্কৰদেৱে দ্বিজক সতকাৰ॥ ২৮॥
কহিলন্ত দ্বিজে জগন্নাথৰ কথাক।
যিমতে পাঠাইলা ভাগৱত পঢ়িবাক॥
শুনি দেৱ শঙ্কৰ ভৈলন্ত হৰিষিতে।
আৰম্ভিলা ভাগৱত শাস্ত্ৰক শুনিতে॥ ২৯॥

---

(৩) কেঁতেখা :—এওঁ শঙ্কৰদেৱৰ পেহাক বুঢ়া খাঁৰ পুত্ৰ। বুঢ়া খাঁৰ আচল নাম আছিল ৰাম খাঁ। ৰাম খাঁৰ আগৰ ঘৰ কামৰূপ জিলাৰ কৰ্ণপুৰ গাৱঁত আছিল। পিছত টেম্বুৱনীলৈ গৈ বুঢ়া বয়সত, কুসুম্বৰ ভূঞাঁৰ ভনীয়েকক বিয়া কৰায়, আৰু তেতিয়াৰ পৰা বুঢ়া খাঁ নামে তেওঁ জনাজাত হয়। পাচত গাঙ্গমৌত থিতাপি লয়।

( কায়স্থ ইতিবৃত্ত—হৰিনাৰায়ণ দত্তবৰুৱা )

কেতেখাঁৰ বাপ নামত বুঢ়া খাঁ—শঙ্কৰক দেখিলন্ত। ( ভূষণ-দ্বিজ ৭১ পিঠি ) দৈত্যাৰিঠাকুৰে কেতেখাঁক শঙ্কৰদেৱৰ পেহা বুলিছে।

শুনিলন্ত ভাগৱত আনন্দে পৰম।
জানিলন্ত ভাগৱত শাস্ত্ৰ নিৰূপম॥
কৃষ্ণদেৱ-নাম ধৰ্ম্ম একান্ত-শৰণ।
সাধুসঙ্গ আকে মাত্ৰ কৰে নিৰূপণ॥ ৩০॥
দেখিলন্ত ভাগৱত শাস্ত্ৰৰ মহত।
অনন্তৰে ভাগৱত ভৈলা সমাপত॥
ভাগৱত পাঠ সাঙ্গ ভৈল মাত্ৰকত।
তেজিলন্ত প্ৰাণ দ্বিজে সেহি সময়ত॥ ৩১॥

**—ভাগৱত প্ৰচাৰ—**

কৰাইলা শঙ্কৰদেৱে কাষ্ঠ সংস্কাৰ।
দিয়াইলন্ত জলপিণ্ড দ্বিজৰ আচাৰ॥
বিচাৰ কৰিয়া পাছে ভাগৱত গ্ৰন্থ।
কৰিলন্ত শঙ্কৰে প্ৰকাশ ভক্তি-পন্থ॥ ৩২॥

**—কীৰ্ত্তন ৰচনা—**

হৰিত ভকতি আৰে কৰিবে প্ৰবন্ধ।
প্ৰথমতে কৰিলন্ত কীৰ্ত্তনৰ ছন্দ॥
অনন্তৰে কিছুলোকে ভকতি ধৰিল।
তেবে আনো নানাবিধ ছন্দ নিৰূপিল॥ ৩৩॥
কতো গীত পদ কতো ভটিমা চপয়।
কথা শ্লোক আদি কৰিলন্ত মহাশয়॥
নিজ কৃপাগুণে লোক তাৰিবাক মনে।
প্ৰচাৰিলা ভক্তিধৰ্ম্ম তাৰিবাক মনে॥ ৩৪॥

# অষ্টম অধ্যায়

## আসামৰ দৌৰাত্ম্য আৰু গীতালাভ

জানি সভাসদ তান পদ হৃদি ধৰি।
আতপৰে কথা আৰো শুনা মন কৰি॥
এককালে আসামে মাৰিলে টেম্বুৰানী (১)

(১) দ্বিজ ৰামানন্দই শঙ্কৰদেৱৰ বিয়াৰ পিছত টেম্বুৰানী অঞ্চলত কছাৰীৰ উপদ্ৰৱ হৈছিল বুলি লিখিছে।

আতপৰে কথা শুনা কুসুম পুত্ৰৰ।
কছাৰী মল্লাত যেন ভৈল অথান্তৰ॥
কছাৰী সকলে আসি মাৰিলে ৰাজ্যক
লুৰবুৰ কৰি ফুৰে প্ৰজা সমস্তক।
শঙ্কৰেও তাসম্বাৰ লগত গৈলন্ত।
অৰণ্য ভিতৰে বাসা সাজি ৰহিলন্ত॥
ভাগৱত পুথিখানি আছিল গৃহত।
আনিবাক লাগি গৈলা বেগ খৰোত্তৰ॥—

গুৰুচৰিত—৭ম অধ্যায়

দ্বিজ ৰামনন্দৰ গুৰু চৰিত্ৰ মতে শঙ্কৰদেৱ ধূৱাহাটত থাকোতেই জগন্নাথ মিশ্ৰ ভাগৱতী জগন্নাথ দ্বাৰা প্ৰত্যাদিষ্ট হৈ শঙ্কৰক ভাগৱত শুনাবৰ কাৰণে আহে।—"সেহিদিন হন্তে ভাগৱত প্ৰচাৰিলা। ভক্তসবে একচিত্তে শুনিবে লাগিলা—১৫শ অধ্যায়।

ইয়াৰ পিচতেই আহোমৰজাৰে হাতী ধৰা উপলক্ষে হৰি জোৱাঁইৰ প্ৰাণদণ্ড,—আৰ মাধৱদেৱৰ নিৰ্য্যাতন ঘটে।

ৰামচৰণ ঠাকুৰৰ শঙ্কৰ চৰিত (৪ৰ্থ খণ্ড) মতে শঙ্কৰদেৱ তীৰ্থৰ পৰা ঘুৰি আহি দ্বিতীয়বাৰ বিয়া কৰাৰ পাচত হে ত্ৰিহুত দেশৰ জগদীশ মিশ্ৰ ভাগৱতীয়ে জগন্নাথৰ দ্বাৰা স্বপ্নাদিষ্ট হৈ ভাগৱত শুনায়।— তিনিপুত্ৰ আৰু কন্যা ৰুক্মিনীৰ জন্মৰ পাছতহে ধুৱাহাটত থাকোতে আহোমৰজাৰ হাতীধৰা আদি হয়।

আসামৰ ভয়ত পলাইল সবে প্ৰাণী ॥ ১॥
শঙ্কৰো পলায়া গৈলা লোকৰ লগত ।
কীৰ্ত্তন-ঘোষা পুথিখান ৰহিল ঘৰত ॥ (২)
তাকে নিবে লাগি একেশ্বৰে আসিলন্ত ।
আসামে বেৰিলে যেবে ঘৰে পশিলন্ত ॥ ২॥
ছয় চাৰি মুনিষ দুৱাৰত আসি থিত ।
হেন দেখি ভৈলন্ত শঙ্কৰ ভয়-ভীত ॥
কিমতে পলাইবো মনে মনে আলোচিলা ।
ভিতৰৰ পৰা বৰ বেগে লড় দিলা ॥ ৩॥
হেম্পূচিয়া চিতে পেহ্লাইলন্ত দুয়োজন ।
গছকিলা দিয়া দুইৰো বুকুত চৰণ ॥
দেখে আউৰ সবে দিব্য পুৰুষ পলাই ।
ৰহ ৰহ বুলিয়া পাছত খেদি যাই ॥ ৪॥
নেচকুৰি মাজে মাজে পলান্ত লৰৰি ।
আসামেও খেদি তাঙ্ক নেয় ভৰি ভৰি ।
সুবৰ্ণৰ দলুৱা কৰ্ণত পিন্ধিছিল ।
নেচকুৰি জেঙ্গ লাগি চিণ্ডিয়া পৰিল ॥ ৫॥
বামহাতে কাণত আটিয়া ধৰিলন্ত ।
লৌহিত্যত গৈয়া জাম্প দিয়া পৰিলন্ত ॥

---

(২) কীৰ্ত্তন পুস্তকখানি আনিবে খুজন্তে তাৰা
অহমে দুই ভেটিলে দুৱাৰ ।”

দৈত্যাৰি ঠাকুৰে আসামৰ আক্ৰমণৰ কথা লিখিছে, ৰামচৰণ ঠাকুৰেও অহমৰ আক্ৰমণ বুলি লিখিছে, কিন্তু দ্বিজ ৰামানন্দই কছাৰী, কিৰাতৰ আক্ৰমণ বুলি লিখিছে. বুৰঞ্জীৰ ফালৰ পৰা বিচাৰ কৰিলে কছাৰীৰ আক্ৰমণহে যুক্তিযুক্ত ।

আসামেও গৈ লোহিতৰ কাষ বৈয়া ।
হানিবাক খোজয় হাতত জাঠি লৈয়া ॥ ৬॥
সাতুৰি শঙ্কৰদেৱ কতো তুৰ যান্ত ।
উঠি জাজি পুথিখান তাতে দেখিলন্ত ॥
হাতে লৈয়া বোলন্ত ব্ৰাহ্মণ দেখা মই ।
মাৰিবি কিসক মোক অকাৰণে তই ॥ ৭॥
উলটি আসাম গৈল দ্বিজ হেন জানি । (৩)
আসিলা শঙ্কৰদেৱ লৈয়া পুথিখানি ॥
তীৰত উঠিয়া পাছে মেলি চাহিলন্ত ।
গীতা শাস্ত্ৰ খান ইটো তেবে জানিলন্ত ॥ ৮॥
পুথি নিয়া ৰাম-ৰাম গুৰু আগে দিলা ।
যেখন শঙ্কৰদেৱে কাণত ধৰিলা ॥
তেখনে কানত জোৰা তাহান লাগিল ।
চিৰা কাণ বুলি কোনো সাক্ষ্য নাথাকিল ॥ ৯॥
আপুনি কহিলা যেবে তেবেসে জানিল ।
শুনি সমস্তৰ মনে বিস্ময় মিলিল ॥
এহিমতে অনন্ত চৰিত্ৰ শঙ্কৰৰ ।
সাৱশেষে কহিবে পাৰয় কোন নৰ ॥ ১০॥
যেন জৰাসন্ধ ভয়ে পলাইলন্ত হৰি ।
সেহি লীলা দেখাইলা শঙ্কৰ ৰূপ ধৰি ॥
জানি শুনা সভাসদ কৰিয়া উৎসৱ ।
পাপ দূৰ হৌক বোলা শঙ্কৰ মাধৱ ॥ ১১॥

---

(৩) "শুনিয়া কিৰাট পাছে নামাৰিল বাণ"--ৰামানন্দ ৭ম অধ্যায় ।

# নৱম অধ্যায়

## শ্ৰীশ্ৰীমাধৱদেৱৰ পূৰ্ব্বপুৰুষ

আত অনন্তৰে      শুনা সবে নৰে
মাধৱ দেৱৰ কথা।
বাণ্ডুকাৰ হন্তে      যিমত বৃত্তান্ত
শুনিয়ো তাক সৰ্ব্বথা।

**—গোবিন্দগিৰিৰ অসমলৈ আগমন—**

দীঘল পুৰীয়া      গিৰি ভূঞা এক
বাণ্ডুকা দেশত থিত। (১)
নিজ নাম তান      গোবিন্দ জানিবা
সৰ্ব্বগুণে গুণান্বিত ॥২॥
শাস্ত্ৰ পণ্ডিত      বৈৰক দণ্ডিত
নাহিকে যাক উপাম।
কাণ লম্বা দেখি      আসামে দিলন্ত
(২) * বৰ-কণা তান নাম ॥৩॥

---

(১) মাধৱ দেৱৰ পূৰ্ব্বপুৰুষ ঃ—

একমতে—কৃষ্ণভূঞা—বিষ্ণু—গোপাল—কৃপাল—জনাৰ্দ্দন—গোবিন্দগিৰি।

অইনমতে—ব্ৰহ্মগিৰি—ধৰ্ম্মগিৰি—অনন্ত—ভৱ—বহু—গোবিন্দগিৰি।

গোবিন্দগিৰিৰ অইন নাম—মহোদৰ, দীঘলপুৰীয়া, বৰকণা, লামকণা। ( শ্ৰীশ্ৰীশঙ্কৰদেৱ-মাধৱদেৱ—বেজবৰুৱা ৬০ পিঠি )

বাণ্ডুকা—কোচবেহাৰৰ পছিম সীমনাত ৰংপুৰ জিলাৰ অন্তৰ্গত ধাৰলা নৈৰ পাৰত। (২) পাঠান্তৰ— নামকণা।

নজানোহোঁ নাম বৰ পুত্ৰ তান (৩)
তাহাঙ্ক দেশত থইলা ।
মৰিল পতনী চলিয়া আপুনি
টেম্বুৱানী বন্ধে গৈলা ॥৪॥

## —টেম্বুৱানিত বিবাহ—

ৰামৰায় কেতাই- -খাঁ আদি যত
সমস্তে ভূঞা নগৰ ।
বিহা কৰিলন্ত তৈতে ৰহিলন্ত
পাতিয়া এক নগৰ ॥৫
কতো দিনে তাত আনন্দে আছয়
প্ৰজাক পালি নিশ্চয় ।
অনেক বৰিষে আনন্দে হৰিষে
ভোগ ভুঞ্জি মনোময় ॥৬॥
পাছে কতোদিন তাহান পতনী
প্ৰথম গৰ্ভ ধৰিলা ।
পাঞ্চ মাস ভৈল মধুপান দিল
সুমঙ্গল আচৰিলা ॥৭॥

---

(৩) মাধৱদেৱৰ ককায়েকৰ নাম—দ্বিজ ৰামানন্দ আৰু ৰামচৰণ ঠাকুৰৰ মতে ৰূপচন্দ্ৰগিৰি ; ভূষণ দ্বিজৰ মতে—দামোদৰ। দৈত্যাৰি ঠাকুৰে এৰ নামটো ন জনা বৰ আচৰিত যেন লাগে। দৈত্যাৰি মাধৱ দেৱৰ ভাগিন ৰামচৰণ ঠাকুৰৰ পুতেক। ৰূপচন্দ্ৰগিৰিৰ নাতিয়েক অনিৰুদ্ধদেৱ মাধৱদেৱৰ পৰা শৰণলৈ ১৫২৪ শকত বৌতা অঞ্চলত আছিল।

## —আসামৰ আক্ৰমণ—

সেহি সময়ত টেম্বুৱানি গ্ৰাম
আসামে মাৰিবে গৈলা ।
পলাইল সমস্ত ধনখানি যত
সমস্তে লগত লৈলা ॥৮॥ (৪)
পলান্ত দোলায় আঠ তুলীয়াই
দোলা বহে দুইহন্তৰ ।
কতো দূৰ গৈয়া আছন্ত ৰহিয়া
পশিয়া বন ভিতৰ ॥৯॥
মহা শান্ত মনে পাছে দুয়োজনে
নিদ্ৰা অচেতন ভৈলা ।
আঠ তুলীয়াই ধনখানি লইয়া
আঠোজন পলাই গৈলা ॥১০॥
পাছে কত বেলি নিন্দ্ৰাৰ জাগিল
দেখন্ত তুলীয়া নাই ।
ধনখানি যত নাহিক সমস্ত
ভৈলন্ত মৰা পৰাই ॥১১॥
কিবা কৰিবন্ত উপায় নপান্ত
যাইবাক নপান্ত দিশ ।
ক্ষুধা তৃষ্ণা ক্ৰিয়া পীড়িলে শৰীৰ
কৰি আছা বিমৰিষ ॥১২॥

---

(৪) আসামৰ আক্ৰমণ—বুৰঞ্জীমতে—কছাৰীৰ আক্ৰমণ ।

# দশম অধ্যায়

## হৰসিং বৰাৰ সঙ্গলাভ

কতোক্ষণে অনন্তৰে ক্ষুধা তৃষ্ণা পীড়া কৰে
সহিবে নপাৰে মহামতি।
ভাৰ্য্যাক বোলন্ত মাতি স্নান কৰিবাক প্ৰতি
যাওঁ মই নদীক সম্প্ৰতি ॥১॥
ভাৰ্য্যায়ে দিলেক হাক কোনেবা পাৱয় লাগ
খানিতেক থাকিয়ো বনত।
আপুনিহি সৰ্ব্বজান বেলি হোক অবসান
দশোদিশে যাওক লোক যত ॥২॥
ভাৰ্য্যাক বোলন্ত মাতি থাকা তুমি মহাসতী
মই স্নান কৰোগৈ নদীত।
নপাইবেক কেহোঁ লাগ চাই যাইবো পাছ আগ
ভৈলো মই তৃষায়ে পীড়িত ॥ ৩॥
এহি বুলি মহা মতি গৈলন্ত নদীক প্ৰতি
স্নান কৰি দেৱক নমিল
তীৰে উঠি মন্ত্ৰ জপি দেৱ পিতৃগণ তৰ্পি
নদীত নামিয়া জল পিল ॥ ৪॥
সুস্থ কলেবৰ ভৈলা দেখিলন্ত সেহিবেলা
নদী মাজে আসে নৌকা এক।

আগ পাছ চান্ত ঘনে　　পলাইবে খোজন্ত মনে
দেখি তাঙ্ক ডাকি মাতিলেক ॥ ৫॥
বোলে আৰে কোন জন　　বাৰ্ত্তা কহ এতিক্ষণ
ভয় তই নকৰিবি মনে।
পলাইবাক নপাৰন্ত　　মনে গুণি ৰহিলন্ত
আসি লাগ পাইলা কতোক্ষণে ॥ ৬॥
কৰিয়া শপথ তথা　　পুছিলা তাহান্ত কথা
কোন তুমি কহ স্বৰূপত।
দেখোঁ দিব্য পুৰুষেক　　নাহি ভয় অণু এক
লৈয়া যাওঁ চৰিয়ো নাৰত ॥ ৭॥
তাৰ মন শুদ্ধ জানি　　কেনে যাওঁ বোলে বাণী
বস্তু আছে বনৰ ভিতৰ।
সিটো বোলে ভাৰ্য্যা তোৰ　　মাতৃ সম-সৰ মোৰ
ধন যদি স্বৰ্ণ ব্ৰাহ্মণৰ ॥ ৮॥

—o:::o—

# একাদশ অধ্যায়

## শ্ৰীশ্ৰীমাধৱদেৱৰ জন্ম

শুনি তাৰক্ষণে　　মহাৰঙ্গ মনে
পশিলন্ত বন গৈয়া।

পুনৰপি ধীৰ পাইলা নদী তীৰ
ভাৰ্য্যাক লগত লৈয়া ॥ ১॥
দেখি হৰসিঙ্গ বৰা মহা ৰঙ্গ
আসন ছাৰিয়া দিল ।
আপুনি গোড়ত গৈলা আসনত
তাহাৰা দুইকো তুলিল ॥ ২॥
হৰসিং বড়া লৈয়া যাই ছড়া
নামক নজানন্ত তাত ।
যৈতে ৰাতি হয় তহিতে ৰহয়
ঠাই ঠাই কৰি আত ॥ ৩॥
তাৰা দুইজন কৰয় ভোজন
আগে চাউল চৰু দিয়া ।
পাছে আপুনিয়ো কৰয় ভোজন
সব লোক লগে লৈয়া ॥ ৪॥
কেই দিন মান পাইলা নিজ থান
ঘৰত গৈয়া উঠিল ।
সাদৰে নিলন্ত তাৰা দুই হন্তক
অভ্যান্তৰে ঠাই দিল ॥ ৫॥
জীৱ জমাই বুলি সম্বন্ধ ধৰিল
ভৰণ পোষণ কৰে ।
যতমানে তাৰ আছে অধিকাৰ

হাকিম (১) তাৰ উপৰে ॥৬॥

পাতিলা তাহাঙ্ক　　আনন্দে আছন্ত
কতোদিন মহাশয় ।
কালেৰ প্ৰমাণে　　পাছে সেহি থানে
জন্মিলা তান তনয় ॥ ৭॥

**—নামকৰণ—**

কৰিয়া গণতি　　নাম থৈলা দুটি
মাধৱ, ৰতনাকৰ । (২)
প্ৰখ্যাত মাধৱ　　নাম ভৈলা তান
গুপুত ভৈল অপৰ ॥ ৮॥
গৃহ শুদ্ধি আদি　　সৎ কৰ্ম্ম যত
কৰিলন্ত মহামতি ।
কতিপয় মান　　হৰিষে বৰিষ
মহাসুখে আছা তৈতি ॥৯॥

**—হৰসিংবড়াৰ জগৰ—**

পাছে এক কালে　　জগৰ লাগিলে
হৰসিংহ পলাই গৈলা

---

(১) হাকিম ঃ—অতি আধুনিক শব্দ ॥ (২) ৺লক্ষ্মীনাথ বেজবৰুৱা ৰচিত 'শ্ৰীশঙ্কৰদেৱ শ্ৰীমাধৱদেৱ' (৬৩ পিঠি) মতে মাধৱদেৱৰ জন্ম হয়—১৪১১ শকৰ (১৪৮৯ খৃষ্টাব্দ) জেঠমাহ, কৃষ্ণপক্ষ, প্ৰতিপদ তিথি, ৰবিবাৰ ৰাতি দুপৰত । ৰত্নাকৰ জ্যোতিষ মতে নাম হলে জন্মনক্ষত্ৰ চিত্ৰাৰ তৃতীয় পাদ, ৰাশি তুলা, লগ্ন অধিপতি শুক্ৰ। দ্বিজ ৰামানন্দৰ মতে বহাগ মাহ, শুক্লানৱমী, দিবা দুই প্ৰহৰত জন্ম ।

লাম-কণা সমে যত লোক মানে
সমস্তৱে আউল ভৈলা ॥ ১০॥
পাছে কতোদিনে জগৰ ভাগিলে
পুনু ঘৰ পাইলে আসি ।
লাম কণা আতা বড়াৰ. আগত
বুলিলন্ত হাসি হাসি ॥ ১১॥
তোমাৰ ঘৰৰ বাহিৰত আছে
ঠাই খানি দিয়া মোক ।
শুনি তান বাণী বড়া বলে জানি
বাহিৰতে ৰহিয়োক ॥ ১২॥

# দ্বাদশ অধ্যায়
## পুখুৰী-পাৰত বাস

বেৰৰ বাহিৰে তাৰ কৰিলন্ত বাৰীঘৰ
তহিতে ৰহিলা মহাশয় ।
তাহান বচন লই লোকৰ হাকিম হই
আছিলা বৎসৰ কতিপয় ॥১॥
পাছে গুণিলন্ত মনে আৰ সঙ্গে অকাৰণে
দুখ মই ভুঞ্জিবো পাছত ।
এহিবুলি মহামতি বড়াক বুলিলা প্ৰতি
কাম মোৰ নাই ই কাৰ্য্যত ॥২॥

তোমাৰ প্ৰসাদে সুখে আছিলাহোঁ কতো দিন
আবে মই আন থানে যাওঁ।
থাকিবো তোমাৰ গ্ৰামে পুখুৰীৰ পাৰ থানে
তোমাৰ আজ্ঞাক যদি পাওঁ ॥৩॥
বড়া বোলে ভৈলা ভাল যায়োক পুখুৰীপাৰ
তহিতে ৰহিয়ো বাসা কৰি।
যত দুঃখ পোঁৱা তুমি তাক কি বুলিবোঁ আমি
ই কাম নলাগে আজি ধৰি ॥৪॥
শুনি লাম-কণা গিৰি লেটেকু পুকুৰী তীৰি
এক গৃহস্থৰ ঠাই মাগি।
বড়াত বোলান কৈলা তিনি হন্তে চলি গৈলা
পৰম আনন্দে তৈকে লাগি ॥৫॥
বাসাখানি কৰি তয় ৰহিলন্ত মহাশয়
আতিৰেক নাই ধন অৰ্থ।
ভৈলন্ত মাধৱদেৱ কিছুমান বড় আসি
খৰি পাত যোগাইবে সমৰ্থ ॥৬॥

## —ৰুগ্ন পিতা—

সেহি সময়তে তান্ত জিঞ্জিবাত ৰোগ ভৈল
বেদনাতে মূৰ্চ্ছা যান্ত আতি।
অগ্নিত সেকিলে গাৱ হোন্ত কিছু সুস্থ ভাৱ
অগনি লাগয় দিন ৰাতি ॥৭॥
অনন্ত মাধৱদেৱে খৰি লুড়ি দুয়োবেলা
ৰাতি দিনে অগ্নি সুগুছয়।

দুই চাৰি টকা যেবে আছিলেক কিছু মান
ন-পৰাতে ভৈল সবে ব্যয় ॥৮॥
নানান ঔষধ দিল ৰোগ পাছে নিবৰ্ত্তিল
ভৈলা সুস্থ বেদনা এড়াই।
গুণন্ত তিনিয়োজনে পাছে মহা দুঃখ মনে
খাইবে খুন্টিবাক একো নায় ॥৯॥
ইষ্ট কুটুম্ব নাই প্ৰাৰ্থিবো গৈ তাৰ ঠাই
আবে আমি কৰো কোন কাম।
মহা পাপচয় পোড়া শঙ্কৰ মাধৱ বোলা
দুঃখচয় হোক উপশাম ॥১০॥

---

# ত্ৰয়োদশ অধ্যায়

## —লেটেকুপুখুৰী ত্যাগ—

এহিমতে মনে গুণি কৰিলা নিশ্চয়।
চিৰকালি মিত্ৰ এক আমাৰ আছয় ॥
তাহান থানক যাই বুজোঁ তান মন।
এহি বুলি পিতা পুত্ৰে কৰিলা গমন ॥১॥

**—বন্ধুৰ ঘৰত অনাদৰ—**

গোধূলিকা বেলা গৈয়া পাইলা তান ঘৰ।
দেখি সিটো তাঙ্ক নকৰিলেক আদৰ ॥

নমাতে প্রসন্ন মুখে তান মুখ চাই।
বহিবাক লাগি ঢেকি শালে দিলা ঠাই ॥২॥
কতোৰাতি গৈলে চক্ক চাউল নিয়া দিলা।
অসন্তোষ মনে তাৰা ভোজন কৰিলা ॥(১)
প্রভাততে উঠি দুয়ো কৰিলা গমন।
দুয়ো দুইক সম্ভাষি চলয় দুয়োজন ॥৩॥
দুঃখকাল ভৈলে বাপু কাক শোধে কোনে।
এহিমতে কথা কহি চলে দুয়োজনে ॥
দুই পৰ বেলি ভৈল ক্ষুধা ধৰিলেক।
পিতৃয়ে বোলন্ত বাপু নপাৰো যাইবাক ॥৪॥
মাধৱে বোলন্ত স্নান নদীত কৰিয়ো।
জলপান কৰি সুস্থ কলেবৰ হুয়ো ॥
এহি বুলি পিতৃক যে নদী তীৰে থই।
লাও এক আনিলন্ত ছন্ন-গ্রামে গই ॥৫॥

**—কেঁচা লাউ ভক্ষণ—**

কাটিবে কটাৰী দায় নাহি জানিলন্ত।
বাঁশৰ কৰ্ত্তনাখানি সাজি আনিলন্ত ॥

---

(১) এহি জিজ্ঞাসিয়া পূৰ্ব্বৱত নাদৰিয়া।
মাড়লত দিয়া থান মনে আলোচিয়া ॥
কিবা থোক্ষে ব'ল চিন্তা মুগুছে মনৰ।
দুহগল কৰি সি া নামাতে বিস্তৰ ॥৮৫॥
× × × ×
অনাদৰ ৰূপে চাউল চৰু দিল আনি।
অসন্তোষ মনে ভুঞ্জলন্ত তিনি প্রাণী ॥৮৬॥
দ্বিজৰামানন্দ—গুৰুচৰিত—১১শ অধ্যায়।

পাতখানি আনিলন্ত থৈবাক লাগিয়া।
কৰ্ত্তনে চুছিলা লাও বাকলি গুছায়া ॥৬॥
চুঞ্চি চুঞ্চি লাও বুক থৈলা পাত ভৰি।
বুঢ়া আতা আসিলা নদীত স্নান কৰি॥
মাধৱে বোলন্ত আতা লাও ভুঞ্জিয়োক।
কৈত পাইলা ইটো লাও বাপু কহিয়োক ॥৭॥
মাধৱে বোলন্ত এৰা-ভিটা লাগি গৈলোঁ।
এহি লাও গুটি মই বিচাৰি আনিলো॥
বুঢ়া আতা বুলিলন্ত আবে কি কৰিবোঁ।
চোবাইবে নপাৰোঁ লাও কিমতে ভুঞ্জিবো ॥৮॥
শুনিয়া মাধৱদেৱে বুলিলন্ত ৰাণী।
ভুঞ্জিয়োক কৰ্ত্তনে চুঞ্চিছোঁ লাওখানি॥
হাঁসি বুঢ়া আতা বোলে মাধৱক চাই।
মোতো কৰি বুদ্ধি তোৰ অধিক বোপাই ॥৯॥
এহি বুলি মহাৰঙ্গে লাও ভুঞ্জিলন্ত।
ক্ষুধা তৃষা গুছি মহা সুস্থ যে ভৈলন্ত॥
বুকৰ ভিতৰ লাও চুঞ্চিলা সমস্ত।
আছে লাও ডোখৰে পিঠি ভাগ যত ॥১০॥
স্নান কৰি নদীত মাধৱে তাঙ্ক থাইলা।
অনন্তৰে পিতা পুত্ৰে নিজ থান পাইলা॥
তাসম্বাকে বাট চাই গোঁসানী আছন্ত।
কুটুম্বৰ স্থানে যাই বস্তু আনিবন্ত ॥১১॥
দেখিলন্ত শুদা হাতে আসিলন্ত দুই।

পুছন্ত দুইহাঙ্কো অদভূত হুই ॥
কি ভৈল শুদা হাতে দুইহান্তো আসিলা ।
সমস্তে বৃত্তান্ত তাৰা তাহান্ত কহিলা ॥১২॥
শুনি দুঃখমনে তেহেঁা বুলিলন্ত বাক ।
দুঃখকাল ভৈলে জানা কোনে শোধে কাক ॥
সম্পাদৰ বেলা কুটুম্বৰ সীমা নাই ।
আপদৰ বেলা চিনা বোলন্তাও নাই ॥১৩॥
এহিমতে সন্তাষ কৰিয়া তিনিজন ।
শাকে পাচে যেনে তেনে কৰিলা ভোজন ॥
যেন দৈৱকীৰ গৰ্ভে থাকি দামোদৰ ।
সূতিকা গৃহত বন্দী আছে নিৰন্তৰ ॥১৪॥

**—ধান দোৱাত মাধৱ—**

নন্দৰ গৃহক লাগি উপজি পলাইলা ।
মাধৱ স্বৰূপে সেহি লীলা দৰশাইলা ॥
আত অনন্তৰে যেন ভৈল শুনিয়োক
হৰসিং বড়া ভুঁই নিৰাইবাক লোক ॥১৫॥
নিল মাতি লোকে বোলে বুঢ়া আতাঠেক ।
মাতিয়া আনিয়ো গৈয়া ভুঁই নিৰায়োক ॥
বড়া বোলে তাহাঙ্ক নলাগে মাতিবেক ।
ভাল লোক কিসক বুলিবো নিৰাইবেক ॥১৬॥
তাৰ ভাতিজাত লোকে লগাইলেক পাছে ।
পুতেকে নিৰাইলে ভুঁই কিবা দোষ আছে ॥
হৰসিঙ্গ বড়াৰ ভাতিজে হেন শুনি ।

তেতিক্ষণে মাধৱদেৱক মাতি আনি ॥১৭॥
বোলে ভূঁই নিৰায়োক লোকৰ লগত।
শুনিয়া মাধৱদেৱে গুণন্ত মনত ॥
আজি যদি ভূঁই নিৰাওঁ লোকৰ লগতে।
সব দিনে কামক বুলিবে হেন মতে ॥১৮॥
এহি বুলি ভূঁই নিৰাইবাক আসিলন্ত ॥
ধানে বনে সবে চাপি কাটিয়া লৈ যান্ত ॥
বড়াৰ ভাতিজে দেখি বোলে কি কৰিলা।
ধানে বনে সবে দেখোঁ চাপিয়া কাটিলা ॥২৯॥
মাধৱ বোলন্ত মই নাজানো নিৰাইবে।
সিটো বোলে বাপু তুমি গৃহক যায়ো তেবে ॥
কোন কালে ভূঁই নিৰাই আছয় ছৱালি।
এহি বুলি লোক সমস্তক পাৰে গালি ॥২০॥
দেখ অৰে পাপী সব ধানৰ বিলাই
মাধবদেৱক দিলা গৃহক পঠাই ॥
কতোক্ষণে ঘৰ গৈয়া মাধৱ পাইলন্ত।
পিতৃৰ মাতৃৰ আগে কথা কহিলন্ত ॥২১॥

—বন্ধুৰ ঘৰত অপমান—

হেন কথা শুনি বুঢ়া আতা বুঢ়ী আই।
বুলিলন্ত আমি আৰু নাথাকোঁ ইঠাই ॥
কৈক লাগি যাইবো আৰু পাইবো কৈত ঠাই।
মনে গুণি বোলন্ত আছয় মোৰ ভাই ॥২১॥
তাহান ঘৰক যাওঁ বুলিলন্ত তিনি।

অনন্তৰে তান ঘৰ পাইলা দুই দিনি ॥
তিনিজনে গৃহস্থৰ বাৰী পশিলন্ত ।
গৃহস্থয়ো সাদৰে তিনিকো অৰ্চ্চিলন্ত ॥২৩॥
গৃহস্থক মাতিয়া প্ৰভাতে লৰিলন্ত ।
দণ্ড ছয় বেলি মাত্ৰ আছন্তে পাইলন্ত ॥
বসিবাক চোতালতে পিৰা খানি দিল ।
গোসানীক মুকলি ঘৰক মাতি নিল ॥২৪॥
অনাদৰ ৰূপে ভৰি ধুবে পানী দিল ।
ভৰি ধুই বুঢ়া আতা পিৰাত বহিল ॥
দণ্ড চাৰিমান তথা আছন্ত বসিয়া ।
মাধৱ দেৱক দিলা কুঠাৰ আনিয়া ॥২৫॥
তোমাকো লাগিবে বাপু চিৰিয়োক খৰি ।
শুনিয়া মাধবদেৱে কুঠাৰক ধৰি ॥
ফাল ফাল কৰি খৰি চিৰিয়া লৈ যান্ত ।
থৈল মাত্ৰ তাৰা নিয়া সমস্তে চপান্ত ॥২৬॥
সন্ধ্যা ভৈল দেখি খৰি ফালন এৰিল ।
কুঠাৰক থৈয়া পুনু পিৰাত বসিল ॥
বহুনিশা গৈল বহি চোতালে আছন্ত ।
পিতা পুত্ৰ দুয়ো কাণে কাণত কহন্ত ॥২৭॥
লভিলো আদৰ কুটুম্বৰ মান্য পাইলো ।
ভাই বুলি ইহাৰ ঘৰক লাগি আইলোँ ।
পাছে কতো নিশা যান্তে চৰু চাউল দিল ।
মুকলি ঘৰত দেৱ মাধৱ ৰান্ধিল ॥

চাউল অল্প ভৈল দুইজন আটে অন্ন ॥
প্ৰথমতে বুঢ়া আতা কৰিলা ভোজন ॥
মাধৱে বোলন্ত অন্ন ভুঞ্জিয়োক আই ।
উপবাসে থাকোঁ আজি মোৰ ক্ষুধা নাই ॥২৯॥
তই খোৱা ভাত বুলিলন্ত বুঢ়ী আই ।
কিবা হেতু বাপু আজি মোৰ ক্ষুধা নাই ॥
এহিমতে অন্যাঅন্যি কৰি দুয়োজন ।
সেহি অন্নগুটি দুয়ো কৰিলা ভোজন ॥৩০॥
মাধৱে বোলন্ত পিতৃ কহিয়ো বুজাই ।
আৰ আন কুটুম্ব তোমাৰ আছে নাই ॥
আথেৰ সাদৰ যত লাগে মানে পাইলোঁ ।
একজনৰ ভাত দুই মাৰে পোৰে খাইলোঁ ॥৩১॥

# চতুৰ্দ্দশ অধ্যায়

—ঘাঘৰি মাজিৰ ঘৰত—

আৰ ঠাইত থাকিবাৰ নাহি প্ৰয়োজন ।
আনমিত্ৰ আছে যদি কৰিয়ো গমন ॥
শুনি বুঢ়া আতা বুলিলন্ত মাধৱক ।
আছয় ঘাঘৰি মাজি নামে মিত্ৰ এক ॥১॥
তাহান ঘৰত যাইবো বুজোঁ তান মন ।
এহি বুলি তিনি হন্তে কৰে আলোচন ॥

ভাইক সম্বোধন কৰি মধুৰ বচনে।
প্ৰভাত সময়ে লৰি গৈল তিনিজনে ॥২॥
লাসে লাসে চলন্ত হাণ্টিবে নপাৰন্ত।
ক্ষণে ক্ষণে যান্ত ৰহি বসি জিৰাৱন্ত।
পুনৰপি চলন্ত প্ৰয়াস বৰ পান্ত।
এহিমতে যান্তে তান পদূলি পাইলন্ত ॥৩॥
স্ত্ৰী এক যান্তে তিনি হন্তে দেখিলন্ত।
মাজি ঘৰে আছে বুলি আতা পুছিলন্ত।
তায়ো কহিলন্ত মাজি ঘৰতে আছন্ত।
আৰো বুলিলন্ত কয়ো আমাৰ বৃত্তান্ত ॥ ৪॥
দীঘল পুৰীয়া গিৰি ভাৰ্য্যা পুত্ৰ সমে।
পদূলিতে ৰহিছন্ত তোমাৰ আশ্ৰমে ॥
হেন শুনি স্ত্ৰী জন তেতিক্ষণে গৈল।
ঘাঘৰি মাজিৰ আগে সব কথা কৈল ॥ ৫॥

—পৰম আদৰ—

শুনিয়া ঘাঘৰি মাজি বিস্ময় ভৈলন্ত।
অপতিয়ান মনে তেঁহে চাহিবে গৈলন্ত ॥
দেখিলন্ত গৈয়া সিটো আসিয়া আছন্ত।
সাদৰ পূৰ্ব্বকে আতি মাতি আনিলন্ত ॥ ৬॥
বসিবাক লাগি বৰ পিৰা দিলা আনি।
ধুৱাইলন্ত ভৰি দাবৰত লৈয়া পানী ॥
বুঢ়ী আইক ভিতৰ ঘৰক নিয়াইলন্ত ॥
ঘৰিণীক ভৰি ধুৱাইবাক বুলিলন্ত ॥ ৭॥

মাধৱদেৱক পিবা পানী আনি দিলা।
কি ভোজন কৰি আছা বুলিয়া পুছিলা ॥
তেহে কহিলন্ত আমি নতু কৰো স্নান।
শুনি আথবেথ কৰি বোলে তৈল আন ॥ ৮॥
আপুনি দিলন্ত তৈল শৰীৰত তান।
কৰাইলন্ত তিনিকো জলত শীঘ্ৰে স্নান ॥
দিলা লোটা এক তাঙ্ক স্নান কৰিবাক।
ভোগঝাৰি এক দিলা জল ভুঞ্জিবাক ॥ ৯॥
কৰাই ভোজন চিড়া কলা দুগ্ধ দধি।
ভোজনৰ শেষে আনি দিল মুখশুদ্ধি ॥
ভালবস্ত্ৰ তান শৰীৰত নেদেখিল।
তিনিও জনক দিব্য বস্ত্ৰ আনি দিল ॥ ১০॥
মহা মন সন্তোষে ৰহিল তিনিজন।
আপুনিয়ো গৈয়া পাছে কৰিলা ভোজন ॥
কৰি মুখশুদ্ধি তান পাশে বসিলন্ত।
আনন্দিত মনে মৃদু বাক্য বুলিলন্ত ॥ ১১॥
কিনো সুপ্ৰভাত আজি দেখিলোঁ তোমাক।
অপূৰ্ব্ব দৰ্শন বিধি কৰাইলে আমাক ॥
কিকাৰণে কৈৰ হন্তে ঐক আসিলাহা।
আবে দেখোঁ কেন বেশ ধৰিয়া ফুৰাঁহা ॥ ১২॥
সমস্ত বৃত্তান্ত বুঢ়া আতা কহিলন্ত।
ঠাই ঠাই যেন যেন দুঃখ লভিলন্ত ॥
শুনিয়া ঘাঘৰি মাজি অদভূত মনে।

মাথা চপৰাই আছিলন্ত কতোক্ষণে ॥ ১৩॥
ইমত বড়াৰ দেখোঁ ইমত বিলাই।
এতেকে কালত পৰে বড়া আন নাই ॥
এহিমতে প্ৰিয় নানা আলাপ কৰিয়া।
দিবা ভাগ মানে দুয়ো আছন্ত বসিয়া ॥ ১৪॥
গধূলি সময় ভৈল বোলন্ত ভাৰ্য্যাক।
পাছ ঘৰ আৱতায়ো আৰা ৰহিবাক ॥
শুনিয়া ঘৰিণী তেতিক্ষণে আতাইলন্ত।
তাতে নিয়া বাসা তাৰা সবক দিলন্ত ॥ ১৫॥
চাউল চৰু দিয়া পাছে কৰাইলা ভোজন।
অনন্তৰে তৈতে শুতিলন্ত তিনিজন ॥
ৰজনী প্ৰভাত জানি পাছে উঠিলন্ত।
মাজি সমে বসি নানা কথা কহিলন্ত ॥
ঘৰিণীয়ো গোসানীক সাদৰ কৰন্ত ॥
মুৰে হাত ভৰি তৈল আপুনি দিলন্ত ॥
নানাবিধ মধুৰ আলাপ কৰিলন্ত।
এহিমতে তিনিয়ো তহিতে ৰহিলন্ত ॥ ১৭॥
ঘাঘৰি মাজিৰ আতিশয় ৰঙ্গ মন।
মৎস্যে মাংসে দুয়োবেলা কৰান্ত ভোজন ॥
দধি দুধ গুৱা পান দেন্ত অভ্যুদয়।
দিন চাৰি পাঁচ তথা আনন্দে আছয় ॥ ১৮॥
একদিনা বুঢ়া আতা ঘাঘৰি মাজিক।
বোলন্ত আমাক ঠাই দিয়োক খানিক ॥

একখানি ঘৰ দিয়া তাকে লাগি যাওঁ।
আপুনিয়ো দুঃখ ভিক্ষা কৰি মাগি খাওঁ ॥ ১৯॥
বোলন্ত ঘাঘৰি মাজি ভাল বুলিলাহাঁ।
তোমৰা আমাৰ দিন অনেক খাইলাহাঁ ॥
আপুনিয়ো দুঃখ ভিক্ষা কৰি খোৱা যেবে।
মোৰ বৰ প্ৰতিষ্ঠা হোৱয় জানা তেবে ॥ ২০॥
যতদিন থাকা মানে পুষিবোহোঁ আমি।
নাহি কোনো শঙ্কা মহা সুখে থাকা তুমি ॥
এহি বুলি তাহাৰা সবক ৰাখিলন্ত।
অন্ন বস্ত্ৰ দিয়া বহুদিন পুষিলন্ত ॥ ২১॥
আজ্ঞাখানি তাকো তাৰা কৰিবে নেদন্ত।
আপুনিয়ে তাৰা সবে কৰিয়া যোগান্ত ॥
ঠাইখানি তাকো তাৰা আপুনি আতান্ত।
দেৱতো অধিক কৰি শুশ্ৰূষা কৰন্ত ॥ ২২॥
মহাসুখে কতোদিন আছা তান ঠাই।
বোলন্ত ইহান সম উপকাৰী নাই ॥

—কন্যা জন্ম—

হৰিযে আছন্ত তৈতে কতোদিন মানে।
কন্যা এক তান উপজিল সেহি থানে ॥ ২৩॥
সৰ্ব্বগুণে গুণান্বিতা পৰমা সুন্দৰী।
নাম থৈলা উৰ্ব্বশী উৎসৱ আতি কৰি ॥
একদিন মাজি, মাধৱক বোলা হাসি।
আমাৰ ঘৰত বাপু ৰহিলাহা আসি ॥ ২৪॥

থাকা মানে অন্নবস্ত্ৰ আমাৰেসে খাইবা।
যাইবাৰ বেলাত দেখোঁ শুদা হাতে যাইবা॥
এতেকে জীৱিকা কিছু কৰিয়া বোপাই।
সাতখান হাল মোৰ বাহাৰে সদাই॥ ২৫॥
যতখানা ভূঁই চাষ কৰে ঠাই ঠাই।
তাহান মাজত গৈয়া ভূমি ভাল চাই॥
আমাৰ ঘৰৰ পৰা কঠিয়াক নিয়ো।
এতখানি মোৰ বুলি ভূমি মাত্ৰ লৈয়ো॥ ২৬॥
এতেকে তোমাৰ আৰ নলাগে চাহিবে।
দাই মাত্ৰ আনিবা গৈ পকিলেসে তেবে॥
মুগ মাষ তিল ধান আদি কৰি যত।
তুমি মাত্ৰ বৈয়ো নিয়া ক্ষেত্ৰৰ মাজত॥ ২৭॥
মাষৰ বতৰ হুয়া আছে এহি বেলা।
আধ দোণ মাষ আনি তান আগে দিলা॥
এহি মাষ গুটি নিয়া বৈয়ো তুমি যাই।
মাজত বৈবাহা যত খানিক কুলাই॥ ২৮॥

—কৃষিত মাধৱ—

হেন শুনি মাষ লৈয়া মাধৱ গৈলন্ত।
একে ডোবলিতে সবে গুটিক বৈলন্ত॥
ঘন ভৈল কানে কানে গজিল কলাই।
সৰিয়হ গোট পৰিবাৰো সন্ধি নাই॥ ২৯॥
দলফিল কৰে সবাহাতোধিক আতি
একদিনা মাজি মাধৱক বোলে মাতি॥

আসিয়োক বোপাই ক্ষেত্ৰৰ ভিতি যাওঁ।
কতখানি মাষ বৈ আছা তাক চাওঁ ॥ ৩০॥
এহি বুলি বুঢ়া আতা তান লগে যান্ত।
তিনিহন্তে গৈয়া পাছে মাষ দেখিলন্ত ॥
অতিশয় ঘন ভৈল দুয়ো দেখিলন্ত।
কি কৰিলাহা বাপু বুলি হাসিলন্ত ॥ ৩১॥
হৈবাৰো নোহয় মাষ গৈলেক পেলানি।
এহি বুলি গৃহক গৈলন্ত তিনি প্ৰাণী ॥
আউৰ দিন মাধৱে মনত আলোচিলা।
পাল গৰু নিয়া সবে মাষ গৰকাইলা ॥ ৩২॥
গৰুৱে গৰকি সবে পাঙ্ক তুলিলেক।
দেখে যত লোকে মানে সবে হাসিলেক ॥
গৰুৰ গৰকা যেবে কিছু কিছু ৰৈল।
সবাহাতে অধিক কৰিয়া সেহি ভৈল ॥ ৩৩॥
সকল গান্তিৰ মাষ তাকে সম নয়।
দেখিয়া সমস্ত লোক ভৈলন্ত বিস্ময় ॥
অনন্তৰে আসি যেবে মাষ যে পকিলা।
আপুনি মাধৱদেৱে তাহাঙ্ক তুলিলা ॥ ৩৪॥
কয় পুৰা মান মাষ মাৰিয়া পাইলন্ত।
দেখিয়া ঘাঘৰি মাজি হাহি তুলিলন্ত ॥
আকে বেচি যিবা দুই চাৰি পোন পোৱা।
ধানৰ বতৰ ভৈলে ধান পুৰা বোঁৱা ॥ ৩৫॥
যৈকে যোঁৱা তৈতে পতিলা যুৰিবেক।

দশগুৱা পাচগুৱা তভো লগত হৈবেক ॥
এহিমতে সমস্ত খেতিৰ সময়ত।
বেচিকিনি ৰাহি তাঙ্ক কৰন্ত হাতত ॥ ৩৬॥
দুই চাৰি পাইলো বুলি মাধৱে কহন্ত।
মোৰ বোপা বুলি মাজি আনন্দে হাসন্ত ॥

**—ঘাঘৰি মাজিৰ গৃহত্যাগ—**

এহিমতে আছিয়া বৎসৰ কতিপয়।
তিনিহান্ত মনে মনে পৰামৰিশয় ॥ ৩৭ ॥
নাহিকে গিয়াতি ঐত কেন হৌক ভাগে।
কন্যা খানি বৰ ভৈল বিহা দিবে লাগে ॥
এহিমতে আলোচিল তিনি জনে বসি।
ঘাঘৰি মাজিৰ আগে বুলিলন্ত হাসি ॥ ৩৮॥
দিয়োক বিদায় আমি আন থানে যাই।
নাহিকে আমাৰ জানা গিয়াতি ইঠাই ॥
কন্যাখানি বিহা দিবে লাগে জানা আক।
বেটা খানি আকো লাগে বিহা কৰিবাক ॥ ৩৯॥
তান বাক্য ঘাঘৰি মাজিয়ে শুনিলন্ত।
কৈক লাগি যাইবা বুলি হাসিয়া পুছন্ত ॥
টেম্বনী বন্ধক যাইবো বুলিলন্ত বাক।
শুনিয়া মানুষ পাঞ্চি দিলন্ত থৈবাক ॥ ৪০॥
বৎসৰেকো আঁটে হেন বস্ত্ৰক দিলন্ত।
ছমাঁসেকো কুলাই হেন চাউল পঠাইলন্ত ॥
দুইহন্তো এৰান্তো দুইক মহা দুখ পাই।

গৈলন্ত হোকোৰা কুচি ৰামদাস ঠাই ॥ ৪১॥
থাকিলা যাঘৰি মাজি তাহাঙ্ক নিৰিখি ।
তেহোঁ যান্ত লোতকে চঞ্চল কৰি আখি ॥
ঘৰিণীয়ো বুঢ়ী আইক নমস্কাৰ কৰি ।
সকৰুণ ভাৱে আতি পঠাইলা সাদৰি ॥ ৪২॥

—টেম্বুৱানিলৈ পুনৰাগমন—

এহিমতে তৈৰহন্তে চাৰিজন গৈলা ।
টেম্বুৱানিবন্ধে গৈয়া উপস্থিত ভৈলা ॥
হোঙ্কোৰাকুঞ্চিয়া গিৰি বেটা গয়পাণি ।
মহাকুল শুদ্ধ বুঢ়া-আতা তাঙ্ক জানি ॥ ৪৩॥

—কন্যাৰ বিবাহ—

আপনাৰ ঘৰক লাগি মতাই আনিলন্ত ।
কন্যাখানি বিবাহ তাহান্তে দিয়াইলন্ত ॥
দিলা দেৱ মাধৱে বিবাহ বিধিৱতে ।
কতোদিন মহাসুখে আছন্ত তহিতে ॥ ৪৪॥

—বাণ্ডুকালৈ গমন—

অনন্তৰে বাণ্ডুকাক যাইবে মন ভৈল ।
জমাইৰ ঘৰত নিয়া বুঢ়ী আইক থৈল ॥
মাৱে জীয়ে তাৰা দুই তৈতে ৰহিলন্ত ॥
পিতা পুত্ৰে তাৰা দুই বাণ্ডুকা গৈলন্ত ॥ ৪৫॥
শুনিলাহা সাধু সভাসদ নিৰন্তৰ ।
দুঃখ ৰূপ কথা যত মাধৱ দেৱৰ ।
ন কৰিবা কদাচিতো ইহাত সংশয় ।

পৰম ঈশ্বৰ ৰাম-চন্দ্ৰ কৃপাময় ॥ ৪৬॥
জগত জননী লক্ষ্মী সীতা অৱতাৰ।
তথাপি লভিলা দেখা নানান নিকাৰ॥
কিন্তু তাসম্বাৰ দুঃখ নাহি বাস্তৱত।
দেখাইলন্ত বিষয়ী লোকৰ দুঃখ যত॥ ৪৭॥
সেহিমতে শঙ্কৰ মাধৱ ৰূপ ধৰি।
দেখাইলন্ত বিষয়ীৰ দুঃখ দেৱ হৰি॥
তেসম্বে লভিল দুঃখ এৰা শঙ্কা ইটো।
ঈশ্বৰৰ দুঃখ আছে শুনি আছা কৈতো॥ ৪৮॥
তাৰা দুয়ো ঈশ্বৰ শুনিয়ো সব নৰ।
আতপৰে ধৰ্ম্ম নাই আমৰা সবৰ॥
গুৰুৰ চৰিত্ৰ গাইবো শুনিবা যতনে।
শঙ্কৰ মাধৱ ডাকি বোলা সৰ্ব্বজনে॥ ৪৯॥

—০—

# পঞ্চদশ অধ্যায়

## —পিতৃ সহ বাণ্ডুকা যাত্ৰা—

পাছে কতোদিনে পাইলা দুয়োজনে
বাণ্ডুকা দেশক যাই।
বৰ পুত্ৰ তান আছে যিটো থান
গৈলা দুয়ো সেহি ঠাই॥ ১॥

## —বাণ্ডুকাত পিতা পুত্ৰ মিলন—

তেঁহে শুনিলন্ত পিতৃ আসিলন্ত
আনন্দৰ নাহি পাৰ।
আগবাঢ়ি গৈয়া সাদৰি আনিয়া
কৰিলন্ত নমস্কাৰ॥ ২॥
অনেক বিনয় বচন বোলয়
এতদিন কি কাৰণে।
নাসিলা ইঠাই বাৰ্ত্তাও নপাই
চিন্তা বৰ মোৰ মনে॥ ৩॥
শুনি তান বাণী সমস্ত কাহিনী
তান আগে কহিলন্ত।
যাইবাৰ হন্তে যত আদি অন্তে
কহিলা সবে বৃত্তান্ত॥ ৪॥
শুনিয়ো বোপাই এহে তবু ভাই
কনিষ্ঠ পুত্ৰ আমাৰ।
বৰ ভাই জানি মাধৱে তাহাঙ্ক
কৰিলন্ত নমস্কাৰ॥ ৫॥
ভৈলন্ত একত্ৰ তিনি পিতা পুত্ৰ
অতিশয় ৰঙ্গ মন।
একত্ৰে বসিয়া তিনিজনে গৈয়া
হৰিষে কৰা ভোজন॥ ৬॥

## —মাধৱদেৱৰ শিক্ষা—

কতোদিন মানে আছে সেহিখানে
বুঢ়া আতা আনন্দত।

মাধৱদেৱক পঢ়াইলা সমস্ত
কায়স্থিকা বৃত্তি যত ॥ ৭
আনো শাস্ত্ৰ যত পঢ়াইলা সমস্ত
গদ্য পদ্য সংস্কৃত ॥
ন্যায় তৰ্ক নিতি শিকাইলা সম্প্ৰতি
আনো যত কৰ্ম্ম নিত্য ॥ ৮॥

—পিতৃৰ মৃত্যু—

কালৰ প্ৰমাণে গৈলা সেহি থানে
বুঢ়া আতা পৰলোক।
পাছে যেন মত ভৈলেক বৃত্তান্ত
কহোঁ তাঙ্ক শুনিয়োক ॥৯॥
দুই ভাই মিলি মুখাগ্নিক দিয়া
ত্ৰিদশাক কৰিলন্ত। (১)

---

(১) দ্বিজ ৰামানন্দৰ গুৰুচৰিত্ৰ মতে—মাধৱদেৱৰ পিতৃৰ নাম বৰকণাগিৰি। কালক্ৰমত তেওঁ বিপত্নীক হোৱাত, পুত্ৰ ৰূপচন্দ্ৰ গিৰিলৈ বিয়া কৰালে। তাৰ পাছত বাণিজ্য কৰিবলৈ উজাই আহি, বৰদোৱাৰ এজন কায়স্থৰ কন্যা এজনী বিয়া কৰাই কিছুদিন বৰদোৱাত থাকে। তাৰ পাছত ভাৰ্য্যাৰ সৈতে গৈ বাণ্ডুকাত সাত বছৰ থাকি, পুনৰ বৰদোৱালৈ ঘূৰি আহে। ইতিমধ্যে বৰকণাগিৰিৰ ভাৰ্য্যা গৰ্ভৱতী হয় আৰু দেশত কছাৰীৰ উপদ্ৰব আৰম্ভ হয় বৰকণা গিৰিয়ে ভাৰ্য্যাৰে সৈতে, এজন পূৰণি বন্ধুৰ নাৱত উঠি আহি নাৰায়ণ পুৰত থাকে। তাতে মহাপুৰুষ মাধৱদেৱৰ জন্ম হয়। মাধৱদেৱৰ জন্মৰ পাছত, ভাগ্য বিপৰ্য্যয়ত উজনি অসমৰ হাবুঙ্ আদি ঠাইত ঘূৰি ফুৰোঁতে বৰকণাগিৰিৰ এটি কন্যা জন্ম হয়। ইয়াৰ পিচত তেওঁ সপৰিয়ালে নাৰায়ণপুৰলৈ আকৌ উলটি আহে, আৰু তাত কিছুদিন থকাৰ পিচত ফাগুণমাহত বৰকণাগিৰি স্বৰ্গী হয়।

দক্ষিণা দিবাক নাহি ধন অৰ্থ
পলাইবাক খুজিলন্ত ॥১০॥
পাছে মনে গুণি মাধৱে আপুনি
বৰ ভাইক বুলিলন্ত।
কি আছে আনা দিবাক দক্ষিণা
শুনি তেঁহে কহিলন্ত ॥১১॥

—অন্ত্যেষ্টি ক্ৰিয়া—

এহি মানে বিত আছে বাপু মাত্ৰ
আটয় ইটো কিসক।
ঘৰে ঘৰে গৈয়া ঝগড়া ভাঙ্গিলা
বুলি প্ৰিয় বচনক ॥১২॥
যাক লাগৈ শিকা তাঙ্ক দেন্ত আনা
বিনয় অঞ্জলি ধৰি।
যাহাক আনেক তাহাক পোনেক
দেন্ত মৃদু ভাৱ কৰি ॥১৩॥
সমস্ত ব্ৰাহ্মণ ভৈল তুষ্ট মন
তান মহা মৃদু ভাৱে।
কৰিয়া আহ্লাদ দিলা আশীৰ্ব্বাদ
নাসিলা শুদ্ধিৰ ঠাৱে ॥১৪॥
কৰিলন্ত শুদ্ধি যি কিছু ব্ৰাহ্মণ
আসিলা দক্ষিণা দিলা।
পাছে দুই ভাই জ্ঞাতিক ভুঞ্জাই
মৎস্য মাংস পৰশিলা ॥১৫॥

# ষোড়শ অধ্যায়

—পুনৰ কামৰূপলৈ আগমন—

কতোদিন চয় আছে দুই ভাই
মহাৰঙ্গে একপ্ৰীতি।
দেখিবে মাতৃক যাইবে টেম্বনিক
মাধৱৰ ভৈল মতি॥ ১
দদা বৌক মাতি লৈয়া অনুমতি
চলিবাক সাজ ভৈল।
নৌকা এক লৈয়া গুৱাভৰা দিয়া
শুভক্ষণে লৰি গৈল॥ ২॥

—মাতৃ মিলন—

পাছে কতোদিন পাইলা টেম্বুৱানি
গৃহত ভৈলা প্ৰৱেশ।
দেখি বুঢ়ী আই গৃহৰ বজাই
আনন্দ পাইলা অশেষ॥ ৩॥
বহিনী বৈনাই মাৱ পুত্ৰ তিনি
চাৰি এক থান ভৈলা।
আনন্দ অপাৰ আগে তা সম্বাৰ
পিতৃৰ মৰণ কৈলা॥ ৪॥
শুনি তিনিজন ভৈলা দুঃখ মন
সবস্ত্ৰে স্নান কৰিলা।

বুঢ়ী আই শঙ্খ সিন্দুৰ তেজিয়া
নিৰামিষ আচৰিলা ॥ ৫॥

## —মাধৱদেৱৰ বিবাহৰ আয়োজন—

গুৱা বেচি কিছু পাইলা টকা কড়ি
ঘৰত ৰঙ্গে ৰহিলা।
পাছে কতোদিনি কন্যা একখানি
মাধৱে জোৰোণ দিলা ॥ ৬॥

## —গয়পাণিৰ তীৰ্থভ্ৰমণ—

সেহি সময়ত গয়পাণি নাম
মাধৱৰ বহিনাই।
তীৰ্থ কৰিবাক মনে চলি গৈলা
লোকৰ সঙ্গ মিলাই ॥ ৭
কতোদিন গৈয়া পাইলা জগন্নাথ
ক্ষেত্ৰক লোক সহিত।
দেখি জগন্নাথ বৈত যিবা লাগৈ
দিলা তাঙ্ক যথোচিত ॥ ৮॥
জগন্নাথ আগে প্ৰাৰ্থনা কৰন্ত
সঙ্গক দিয়ো আমাক ॥
স্বপ্ন দেখি এক দৈবজ্ঞ কহিল
তোমাক দেশ যাইবাক ॥ ৯॥
দিলন্ত বিদায় জগন্নাথে আজি
মোক স্বপ্ন দেখাইলন্ত।

শুনি হেন মত　　বিস্ময় মনত
বসিয়া পাছে গুণন্ত ॥ ১০॥
দুতয় হাজাৰ　　লোক সমে আইলোঁ
সমস্ত তীৰ্থ কৰিতে।
এখনে দেশক　　বিদায় কৰন্ত
কিনো ইটো বিপৰীতে ॥ ১১॥
হেন শুণি মনে　　কৰিয়া ভোজন
সমস্ত লোক সহিতে ॥
ৰামদাস ৰাই (১)　　বসিলন্ত যাই
কৈক যাইবো আলচিতে ॥ ১২॥
কেহোঁ, বোলে ৰাম-　　-সেতু যাওঁ, কেহোঁ
বোলে যাওঁ বৃন্দাবন।
কেহোঁ বোলে কুৰু-　　-ক্ষেত্ৰ, বাৰাণসী
প্ৰয়াগ কৰোঁ গমন ॥ ১৩॥
একমত কৰি　　আসিলো তীৰ্থক
যৈকে যাওঁ সবে যাইবো।
যাহাৰ খৰচা　　ধুকাই সবে তাকো
খৰচা দিয়া ফুৰাইবো ॥ ১৪॥
হেনয় সন্মত　　এখানে লড়িল
ভালেতো আজ্ঞা ঈশ্বৰে।
দিলন্ত আমাক　　দেশক যাইবাক
এতেকে যাইবোহোঁ ঘৰে ॥ ১৫॥

---

(১) গয়পাণিৰ অইন নাম – ৰামদাস।

এহি বুলি তেহোঁ গৃহক আসিলা
তীৰ্থে যাইবো বুলি পাছে।
গৃহ কৰ্ম্ম যত কৰিয়া গৃহত
কয় দিন মান আছে ॥ ১৬॥

**—টেম্বুৰানি ত্যাগ—**

সেহি সময়ত টেম্বুৰানি বন্ধ
আসামে মাৰিয়া নিল।
ধূঞাহাট নাম (১) আছে দিব্য স্থান
তহিতে নিয়া ৰাখিল ॥ ১৭॥
কৰি বাৰীঘৰ লোক নিৰন্তৰ
ধূঞাহাট থানে বৈলা।
ধূঞাহাট হন্তে মাধৱো সিবেলা
পুনু বাণ্ডুকাক গৈলা ॥ ১৮॥

**—গয়পাণি—শঙ্কৰ মিলন—**

সেহি সময়ত শঙ্কৰদেৱক
গয়পাণি লাগ পাইলা। (২)
কোঠৈৰ তুমি বুলিয়া তাহান্ত
শঙ্কৰ দেৱে পুছিলা ॥ ১৯॥
তেহে কহিলন্ত হোক্কোৰা-কুঞ্চীয়া
গিৰিৰ আমি তনয়।

(১) ব্ৰহ্মপুত্ৰৰ এটা স্থতিৰ নাম—ধূৰালোৰ বা ধূৰাস্থতি। মাজুলিত—বৰ্ত্তমান আহতগুৰিৰ ওচৰত। (২) গয়পাণি—এওঁৰ অন্য নাম ৰামদাস। হোকোৰা কুছিত আছিল কাৰণে তেওঁক হোকোৰাকুছীয়া ও বোলে।

জানিলোঁ শঙ্কৰ দেৱে বুলিলন্ত
কহিয়োক মহাশয় ॥ ২০॥
কিবা পঢ়ি আছা তেহে বোলে অল্প
নাহিকে পঢ়া বিস্তৰ।
এক গুটি শ্লোক পঢ়িয়ো এতেকে
জানিবো বোলে শঙ্কৰ ॥ ২১॥

**—শাস্ত্ৰালোচনা—**

"তত্ৰৈব গঙ্গা যমুনা চ তত্ৰ গোদাৱৰী তত্ৰ সৰস্বতী চ।
সৰ্ব্বানি তীৰ্থানি বসন্তি তত্ৰ যত্ৰাচ্যুতোদাৰ কথা প্ৰসঙ্গঃ।
এহি গুটি শ্লোক পঢ়িলন্ত তেহেঁ
ইটো সৰ্ব্বশাস্ত্ৰ সাৰ।
আৰ বাৰ মাতা বুলিলন্ত তাঙ্ক
পঢ়া পঢ়া আৰ বাৰ ॥ ২২॥
এহিমতে তিনি বাৰ পঢ়াইলন্ত
শঙ্কৰদেৱে এতেকে।
ৰাখিলন্ত শ্লোক বুলিলন্ত তাঙ্ক
বুজিয়ো আৰ অৰ্থকে ॥ ২৩
তেহেঁ কহিলন্ত নুবুজিয়ো অৰ্থ
শুনিয়া শঙ্কৰে হাসি।
শ্লোকৰ সমস্ত অৰ্থ বখানিয়া
কহিলা তান্ত প্ৰকাশি ॥ ২৪॥
কৃষ্ণৰ উদাৰ কথাৰ প্ৰসঙ্গ
যথাত হোৱে নিশ্চয়।

গঙ্গা গোদাবৰী আদি যত তীৰ্থ
নিবাস তথা কৰয় ॥ ২৫
হেন শুনি তেন্তে বোলে কৈক যাই
তীৰ্থক যাইবাৰ মন।
তীৰ্থৰ আশাক তেৰ্জি সেহি দিনা
কৃষ্ণত লৈলা শৰণ ॥ ২৬॥
শুনা সাধু নৰ কৰিয়া কাতৰ
বোলো বাক্য অৱনতে।
শঙ্কৰদেৱৰ সঙ্গক মাধৱ
—দেৱে পাইলা যেন মতে ॥ ২৭॥
তাতে গয়পাণি আতৈৰ কথাক
তুলিলোঁ জানিবা তত্ত্ব।
ইটো মোৰ দোষ দেখি অসন্তোষ
নকৰিবা সাধু যত ॥ ২৮॥
যদি আগ পাছ হোৱৈ কিছু কিছু
ৰহে মাজে মাজে জানি
নু দুষিবা মোক ডাকি বুলিয়োক
শঙ্কৰ মাধৱ বাণী ॥ ২৯॥

# সপ্তদশ অধ্যায়

—পাঠা বলিত আপত্তি—

সমস্ত তীৰ্থৰ আশা এৰি সেহিক্ষণে।
কৃষ্ণৰ অভয় পদে পশিলা শৰণে॥
শঙ্কৰদেৱক গুৰু কৰিয়া নিশ্চয়।
তানসঙ্গে আনন্দে ৰহিলা মহাশয়॥ ১॥

গয়পাণি ৰামদাস—

গয়পাণি নাম তান দূৰ কৰিলন্ত।
ৰামদাস নাম তান শঙ্কৰে দিলন্ত॥
তান কথা অহিতে ৰহোক এহিমানে।
মাধৱ দেৱৰ কথা শুনা সাৱধানে॥ ২॥

—পুনৰ বাণ্ডুকাত মাধৱ—

আছন্ত মাধৱ কতোদিন বাণ্ডুকাত।
বৰ ভাই সমে দন্দ লাগিল তথাত॥
বিলাইতৰ ভাগৰ নিমিত্তে আতিশয়।
ভৈল ভাগ সবে যত পাইবাক লাগয়॥ ৩॥

—পিতৃ-সম্পত্তি ত্যাগ—

ভাগ লৈয়া কতো দিন বিলাইত চৰ্চ্চিল।
সিজয় অধৰ্ম্ম বুলি মনত গুণিল॥
নাহিকে সত্যৰ লেশ অসত্যত পৰে।
এহি বুলি ভাগ এৰি দিলা অনন্তৰে॥ ৪॥

অনেক বিনয় ভাৱে বচন বুলিল।
যিবা অৰ্থ পাইছিলা তাৰো কিছু দিল ॥
গুছিল বিবাদ ভাৱ ভৈল মিত্ৰৱতি।
বৌ খানি মাধৱক স্নেহ কৰে অাতি ॥ ৫॥

—টেম্বুৱানিৰ বাটত—

কতো দিন পাছে মাতৃ দেখিবাক প্ৰতি।
টেম্বুৱানী যাইতে মাধৱৰ ভৈল মতি ॥
সঙ্গে লৈয়া যাইবে লাগি নাৱ এক লৈলা।
গুৱা কিনি নাৱ ভৰা দিয়া লৰি গৈলা ॥ ৬॥

—ৰক্তামাশয়ত মৃতপ্ৰায় মাধৱ—

দুই দিন পথ যাই নপাৰা পৰিলা।
লগৰ মানুষে তাঙ্ক বালিতে এৰিলা ॥
ঠিয় হইবে নপাৰন্ত আঠু কাঢ়ি যান্ত।
কাষ পাইল উঠিবাক তেহোঁ নপাৰন্ত ॥ ৭॥
গোৰখীয়া ফুৰন্তে মাতক লগাইলন্ত।
ওচৰ পাইলন্ত তাঙ্ক মাতিবে লইলন্ত ॥
তাৰা শুনিলন্ত হাতে হাতে ধৰিলন্ত।
বলক দিলন্ত উপৰক তুলিলন্ত ॥ ৮॥
বসিয়া আছন্ত তথা মনত গুণন্ত।
একজন আসিলন্ত তেহেঁ চিনিলন্ত ॥
আমুকা কা'তৰ ভাই বুলি আছা চাই।
কি ভৈলা বিলাই গাৱে অৱস্থাও নাই ॥ ৯॥

বুলিলন্ত বোপাই কিসক ইটো ঠাই।
ইমত বিলাইত আছা লগ দেখোঁ নাই॥
তাৰ মুখ চাই তেহেঁ। বুলিলা বুজাই।
জ্যেষ্ঠ ভাইৰ ঠাইত মোৰ বাৰ্ত্তা দিয়ো যাই॥ ১০॥
শুনি সিটো জনে চলি গৈলা তেতিক্ষণে।
বৰ ভাইৰ থানে কহিলন্ত দুঃখ মনে॥
তেহেঁ। শুনিলন্ত তান ভাৰ্য্যা শুনিলন্ত।
নৌকা ধৰি দুয়োজনে তেথনে দিলন্ত॥ ১১॥

—ভ্ৰাতৃগৃহত শুশ্ৰূষা—

দুইজনে শীঘ্ৰে গৈলা দোলা বান্ধি লৈলা।
পুনৰপি আসিলা গৃহত নিয়া থৈলা॥
বৌখানে দেখি বৰ খেদ কৰিলন্ত।
অনেক যতনে মাধৱক চাহিলন্ত॥ ১২॥
পুত্ৰতো অধিক মাধৱত স্নেহ তান।
মাধৱো মানন্ত তাঙ্ক মাতৃৰ সমান॥
অনন্তৰে কিছুদিনে সকাশ পাইলন্ত।
ভাই বৌ দুই স্থানতো বিদায় লৈলন্ত॥ ১৩॥

—দেশলৈ—

বেপাৰত আশে পুনু গুৱা কিনিলন্ত।
নাৱ ভৰা দিয়া টেম্বুৱানি লৰিলন্ত॥
কতো দিনে যান্তে পথে বাৰ্ত্তাক পাইলন্ত।
শীঘ্ৰে যায়ো তবু মাতৃ অসুস্থ অত্যন্ত॥ ১৪॥

—মাতৃৰ নিমিত্তে পাঠা আগ—

দেখিবাক পোৱা কি নোপোৱা বুলিলন্ত।
হেনশুনি তেখনে দেৱীক বুলিলন্ত॥
শুক্লা একজোৰ পাঠা দিবো মই যাই।
নপৰা সকাশ পাৱন্তোক মোৰ আই॥ ১৫॥
মাতৃক দেখিয়া মহা হৰিষ পাইলন্ত।
পাছে কতোদিনে মাতৃ সকাশ পাইলন্ত॥
দিন তিনি চাৰি মাথো গৃহত আছিলা।
গুৱা বেচিবাক লাগি বাহিৰাই গৈলা॥১৬॥

—পাঠা কিনাত আপত্তি—

যাহান্তে বোলন্ত পাঠা দুই শুক্ল চাই।
দেৱীক দিবাক কিনি আনা বহিনাই॥
পূজাক লাগিয়া অল্প দিন মাত্র আছে।
তাহান বচন শুনি ৰামদাসে পাছে॥১৭॥
হাসিয়া বোলন্ত ভাল আসা গৈয়া তুমি।
দশটাও শুক্ল পাঠা থৈবো কিনি আমি॥
অনন্তৰে গুৱা বেচি আসিলা মাধৱ।
পাঠা কৈত পুছিলন্ত মনৰ উৎসৱ॥১৮॥
তেহেঁ কহিলন্ত পাঠা গৃহস্থৰ ঘৰ।
থৈয়া আছোঁ আমি এক কৰি মূল দৰ॥
এহিমতে নিতে নিতে মাধৱ পুছন্ত।
কিনি আছো বুলি তেহেঁ নিতে নিতে কন্ত॥১৯॥
একদিনা দুয়ো অন্ন ভুঞ্জিবাৰ বেলা।

মাধৱ বোলন্ত পাঠা আনো যায়ো চলা ॥
ৰামদাসে বোলন্ত কৰিবা পাঠা কিবা।
পৰলোকে সিটো কাটে যাক কাটে যিবা ॥২০॥
শুনি তাঙ্ক খণ্ড কৰি মাধৱে মাতন্ত।
পাঠা নতু কিনস বুলিয়া পুছিলন্ত ॥
তেহে বুলিলন্ত পাঠা কিনিবো কিসক।
কিবা কাৰ্য্য আছে সিটো বিনাশি ধৰ্ম্মক ॥২১॥
কিকাৰণে পৰজীৱ হত কৰি বৃথা।
মাধৱে বোলন্ত কৈত পাইলা ইটো কথা ॥
এতদিনে ইটো কথা নুশুনিলো আমি।
আবে কৈৰ পৰা আক তৰঙ্গাইলা তুমি ॥২২॥
এৰিয়া ভাতৰ গ্ৰাস দুইৰো এহি বাদ।
দেখাই নানা শাস্ত্ৰ কৰা মাধৱে উচ্ছাদ ॥
তেঁহে তান বাক্য উচ্ছাদিবে নপাৰন্ত।
তথাপিতো আপোনাৰ কথ্যাক নেড়ন্ত ॥২৩॥
ৰামদাসে বোলে কৰি মনত আনন্দ।
তুমি আমি অকাৰণে কৰো কেনে দন্ধ ॥
ভাত খাই উঠা ঝাণ্টে তুমি আমি যাওঁ
যাত শুনি আছোঁ আহা তাহঙ্ক দেখাওঁ ॥২৪॥
তাহান আগত মাতিবাক নপাৰিবা ॥
তোমাক নীৰৱ এক উত্তৰে কৰিবা ॥
শুনিয়া মাধৱ বোলে তেন্তে উঠা যাওঁ।
কেমনে নীৰৱ মোক কৰে তাঙ্ক চাওঁ ॥২৫॥

এহি বুলি দুইজন যাইবাক খোজন্ত।
বেলি গৈল দেখি সিটো দিন ৰহিলন্ত ॥
আউৰ দিন প্ৰভাতে দশ গুৱা লৈলা।
শঙ্কৰ দেবৰ ঠাই দুয়োজনে গৈলা ॥২৬॥

—০—

# অষ্টাদশ অধ্যায়

## —শঙ্কৰ মাধব সম্মিলন—

আগছালি খনে বসি শঙ্কৰ আছন্ত।
প্ৰথমতে দুয়ো নমস্কাৰ কৰিলন্ত ॥
একপাশ হুয়া দুয়োজন বসিলন্ত।
ৰামদাসে কথা শঙ্কৰত কহিলন্ত ॥১॥
এহে পাঠা দুই কিনিবাক বুলিলন্ত।
নিকিনিলোঁ পাঠা মই কন্দল কৰন্ত।
তোমাঠৈৰ বাক্য মই কহিলোহোঁ আন্ত।
কহিত শুনিলি আক বুলি নমানন্ত ॥২॥
যৈত আক শুনিলোঁ দেখাওঁ আসা যাওঁ।
আনিলোঁ তোমাৰ পাশে আপুনি বুজায়ো ॥
হেন কথা শুনিয়া শঙ্কৰে হাসিলন্ত।
কোনঠৈৰ এওঁ বুলি কথা পুছিলন্ত ॥৩॥
দীঘল-পুৰীয়া গিৰি যাহাক বোলয়।

ইহান মাধৱ নাম তাহান তনয় ॥
এহি কহি ৰামদাস নমাতি ৰহিল।
জানিলোঁ বুলিয়া তাঙ্ক শঙ্কৰে মাতিল ॥৪॥

—শাস্ত্ৰ বিষয়ক তৰ্ক—

পাছে দুয়োজনে কথা কহিবে লাগিলা।
উচ্চাউচ্চ দুইহান্তৰে সম্বাদ মিলিলা ॥
দুইহন্তো তোলন্ত শাস্ত্ৰ দুইহন্তো খণ্ডন্ত।
দুয়ো কথা কন্ত দুয়ো দুইক নমানন্ত ॥৫॥
মাধৱে শাস্ত্ৰক দেখাই প্ৰবৃত্তি কহন্ত।
নিবৃত্তি দেখাই তাক শঙ্কৰে খণ্ডন্ত ॥
প্ৰভাতৰে পৰা তিনিপৰ বেলি গৈল।
দুইহান্তৰো কথা সাঙ্গ তথাপি নভৈল ॥৬॥
দুইৰো কথা দুয়ো খণ্ডিবাক নপাৰন্ত।
অনন্তৰে শ্লোকেক শঙ্কৰ পঢ়িলন্ত ॥৭॥

—ভাগৱতৰ শ্লোক—

যথা তৰোৰ্ম্মূল নিঃসেচনেন।
তৃপ্যন্তি তৎস্কন্ধভুজোপ শাখা ॥
প্ৰাণোপহাৰাচ্চ যথেন্দ্ৰিয়াণাং।
তথাচ সৰ্ব্বাৰ্চনমচ্যুতে জ্যয়া ॥

এহিশ্লোক গুটি পায়া মাধৱে মনত।
নিশ্চয় কৰিয়া এৰিলেক পূজা যত ॥
মনে গুৰু মানি তেতিক্ষণে উঠিলন্ত।
শঙ্কৰদেৱক নমস্কাৰ কৰিলন্ত ॥৮॥

বোলন্ত শঙ্কৰদেৱে যাইবন্ত জানিলোঁ।
মাধৱে বোলন্ত গুৰু তোমাকে মানিলোঁ॥
শুনি দেৱ শঙ্কৰ ভৈলন্ত হৰিষিত।
আনন্দে শ্লোকৰ অৰ্থ লাগিলা কহিত ॥৯॥
বৃক্ষৰ মূলত যেন আনি দিলে জল।
হোৱয় তৃপিতি জানা পাত পুষ্প ফল॥
ডালে ডালে সিঞ্চে যদি মূলত নেদয়।
যাকে দেয় তাহাৰো তৃপিতি নাহিকয় ॥১০॥
ক্ষুধাতুৰ নৰে যদি অন্নক ভুঞ্জয়।
হোৱয় তৃপিতি তাৰ যত ইন্দ্ৰিচয়॥
ভোজন নকৰি পিন্ধে নানান ভূষণ।
নুহিকে তৃপিতি তাৰ যত ইন্দ্ৰিগণ ॥১১॥
সেহিমতে অচ্যুতক যিজনে পূজয়।
সবে দেৱগণে অত তৃপিত হোৱয়॥
কৃষ্ণক নুপূজি যিটো পূজে দেৱগণ।
একোদেৱ তাত নুহিকয় তুষ্টমন ॥১২॥
শঙ্কৰদেৱৰ মুখে শুনি কথাচয়।
মাধৱৰ মনত আনন্দ অতিশয়॥
এহিমতে সিটো দিন গৃহক গৈলন্ত।
চাৰিজনে গৃহত আলোচ কৰিলন্ত ॥১৩॥

—শিষ্যত্ব স্বীকাৰ—

নাৰাণ-পুৰীয়া সাতকঠি থান লৈলা।
প্ৰভাততে স্নান কৰি তুয়োজন গৈলা॥

সাতকঠি থান দেৱ শঙ্কৰক দিয়া।
শঙ্কৰ দেৱক গুৰু মাধৱে মানিয়া ॥১৪॥
কৃষ্ণৰ অভয় পদে লৈলন্ত শৰণ।
এহিমতে একথান ভৈলা দুয়োজন ॥
হৰিষে মাধৱদেৱ গৈলন্ত গৃহক।
তাত পাছে যেন ভৈল তাক শুনিয়োক ॥১৫॥

—পূজাত নৈবেদ্য—

অনন্তৰে আসি ভৈল পূজাৰ সময়।
মিলাইয়া মাধৱদেৱ যত দ্ৰব্যচয় ॥
প্ৰভাত সময়ে তাঙ্ক কৃষ্ণত অৰ্পিয়া।
আগে কতো গুটি শঙ্কৰক দিলা নিয়া ॥১৬॥
বোলন্ত শঙ্কৰে ইটো কিবস্তু আনিলা।
গোসাঞিক নৈবেদ্য দিলো মাধৱে কহিলা ॥
তাৰে কতোগুটি আগে দিলো তোমাঠৈক।
শঙ্কৰে বুলিলা হাসি মাধৱ-দেৱক ॥১৭॥
যি জনৰ যিটো ইষ্টদেৱ বিদ্যমানে।
আজি তাসম্বাক যিবা দ্ৰব্য দেয় মানে ॥
সমস্তে পাৱয় দুৰ্গা শুনিয়া মাধৱ।
বুলিলন্ত পাছে মহা মনত উৎসৱে ॥১৮॥
মনৰ ভাৱেসে আতৈ সৱাতো অধিক ॥
সমস্তৰে বস্তুক দুৰ্গায়ে পাইবে কিক ॥
যাৰ মনে নানা বিধ দেৱাদি আছয়।
সিজনৰ বস্তু সৱ দুৰ্গায়ে পাৱয় ॥১৯॥

কৃষ্ণ বিনে মনে যাৰ নোদেখে দেৱক।
দুৰ্গাই তাহাঁৰ দ্ৰব্য পাৱয় কিসক ॥
শুনিয়া শঙ্কৰদেৱে পাইলা আনন্দক।
সাধু সাধু বুলি প্ৰশংসিলা মাধৱক ॥২০॥
বোপা ৰামানন্দ আক ভাল কৰি থৈবা।
স্নান কৰি আইলে মই আক আনি দিবা।
দেখা কেনে মাধৱ বুদ্ধি বিচক্ষণ।
কালি মাত্ৰ লৈলে আসি কৃষ্ণত শৰণ ॥২১॥

**—শঙ্কৰদেৱৰ পাৰিবাৰিক অশান্তি—**

আজি নৈবেদ্য আনি দিলন্ত আমাক।
ঘৰতে নপাৰো স্ত্ৰীগোট বুজাইবাক ॥
তিনিদিন মানক নৈবেদ্য নলাড়য়।
বাসি কৰি নৈবেদ্যক কি কাৰ্য্য সাধয় ॥২২॥
বোলন্ত মাধৱদেৱ শঙ্কৰদেৱক।
এহিখানি বাপ নতু আন্তৰা কিসক ॥
শুনিয়া শঙ্কৰদেৱে বুলিলন্ত বাক।
নকৰিলে বচন কৰিবো কিবা কাক ॥২৩॥
হেনশুনি পুনৰপি মাধৱে বোলন্ত।
তোমৰা বুলিলে নকৰিবাক পাৰন্ত ॥
বুলিলন্ত শঙ্কৰে মাধৱ নপতিয়া।
মই নোৱাৰিলোঁ তুমি পাৰা যে গুছোৱা ॥২৪॥
মাধৱে বোলন্ত পুনু মনৰ আহ্লাদে।
গুছাইবোহোঁ মই তযু চৰণ-প্ৰসাদে ॥

শঙ্কৰে বোলন্ত মাধৱৰ মুখ চাই ।
মাধৱে বুলিলা পাছে গোসানিক যাই ॥২৫॥
অনেক যুগুতি যোগে বচন বুলিল ।
শুনি আই গোসানীয়ো মনত গুণিল ॥
মাধৱৰ বচনে হৰিষ লভিলন্ত ।
তেবে আৰ নৈবেদ্যক বাসি নকৰন্ত ॥২৬॥
মাধৱক শঙ্কৰে প্ৰশংসা কৰিলন্ত ।
বাসি নৈবেদ্যক মাধৱে যে গুচাইলন্ত ॥
এহি বুলি শঙ্কৰ ৰহিলা মনৰঙ্গে ।
ৰহিলা মাধৱদেৱ শঙ্কৰৰ সঙ্গে ॥২৭॥

—০—

# উনবিংশ অধ্যায়

—কীৰ্ত্তন লীলা—

দুই জনে এক থান ভৈল যি দিনত ।
সেই দিন ধৰি দুইৰো আনন্দ মনত ।
ভৈলন্ত ঈশ্বৰ দুই একথান যেবে ।
নিতে নিতে আনন্দ বাঢ়িয়া যাই তেবে ॥১॥
ৰাম-ৰাম গুৰু ৰামদাস ওজা দুই ।
মাধৱে কীৰ্ত্তন কৰা ডাইনা পালি হুই ॥
গগন মণ্ডল চোৰে কীৰ্ত্তনৰ ধ্বনি ।

আনন্দ সাগৰে লোক মজে তাক শুনি ॥২॥
স্বভাৱে কীৰ্ত্তন-ঘোষা পৰম সুন্দৰ।
এখনো মিলায় শুনি আনন্দ লোকৰ ॥
তাতে আৰো ঈশ্বৰে আপুনি তাল ধৰি।
গাৱন্ত মহিমা তাৰ কোনে কৈবে পাৰি ॥৩॥
আগত শঙ্কৰদেৱ থাকন্ত সাক্ষাত।
মিলে জানা আনন্দ অপৰিসীম তাত।
প্ৰেমানন্দ সাগৰত মজি থাকৈ লোক।
একদিন যেন ভৈল তাক শুনিয়োক ॥৪॥

—কংসবধ—

কংসবধ ঘোষা ৰাম-ৰাম গুৰু গান্ত।
সেহি সময়ত প্ৰেম উপজিল তান্ত ॥
অম্বষ্ঠ (১) সহিতে কুবলয় হাতী মাৰি।
ভৈলা ৰঙ্গ শালাত প্ৰবেশ ৰাম হৰি ॥৫॥
কান্ধত হস্তিৰ দান্ত শিশুগণ সঙ্গে।
ওহি পদ ৰাম-ৰাম গুৰু গান্ত ৰঙ্গে ॥
সমস্তে লোকক প্ৰেমে পৰশি আছয়।
তান গাৱে চেতন গিয়ান নাহিকয় ॥৬॥
প্ৰেমানন্দ সমুদ্ৰত মজিলা সমূলি ॥
কান্ধত লৈলন্ত স্তম্ভ একগোটা তুলি ॥
স্বভাৱে বহিবে দুই মুনিষে পাৰয়।
আৰো গোড় পুতি ঘৰে লগায় আছয় ॥৭॥
একঠেলা মাৰি তাঙ্ক দুইহাতে ধৰি।

(১) অম্বষ্ঠ—কংসৰ হাতীৰ মাউত।

কৌতুকে কান্ধত লৈয়া যান্ত লীলা কৰি ॥
যেন হস্তী দন্ত কান্ধে লৈয়া ৰামহৰি ।
ৰঙ্গশালা প্ৰবেশ ভৈলন্ত লীলা কৰি ॥৮॥
সেহিমতে ৰাম-ৰাম গুৰু চলি যান্ত ।
সব লোক ভয় যেন গাৱত পেহ্লান্ত ॥
আথেবেথে মাধৱদেৱে গৈ ধৰিলন্ত ।
কান্ধৰ নমায়া কতো দূৰত থৈলন্ত ॥৯॥
এহিমতে কথা এক দিনা যেবে ভৈল ।
শুনা আত পাছে আৰো যেন কথা ভৈল ॥

**—প্ৰহ্লাদ চৰিত্ৰ—**

দিনেক শঙ্কৰদেৱ সভাত আছন্ত ।
মহাৰঙ্গে ৰামদাসে কীৰ্ত্তন কৰন্ত ॥১০॥
অমৃত বৰিষে যেন শুনিয়া লোকৰ ।
প্ৰহ্লাদ চৰিত্ৰ পদ ঘোষা কীৰ্ত্তনৰ ॥
আনন্দৰ সীমা নাই প্ৰেম উপজিল ।
কীৰ্ত্তন সুখত মন সবৰো মজিল ॥১১॥

**—প্ৰেমোন্মাদ—**

ঘনে ঘনে আনন্দে কৰয় হৰিধ্বনি ।
মাজনিশা সভামাজে জ্বালিল অগণি ॥
দপ দপ কৰি অগ্নি জ্বলন্তে আছয় ।
ৰামদাস আতৈ প্ৰেমযুক্ত আতিশয় ॥১২॥
শৰীৰত নাহি অনুসন্ধান তাহান ।
মুখে গান্ত কীৰ্ত্তন কৰন্ত মনে ধ্যান ॥

যেন প্ৰহ্লাদক হস্তী দান্ত ভিড়িলেক।
জলে ডুবাইলেক যেন সৰ্প দংশিলেক ॥১৩॥
যেন মতে তাঙ্ক গাঁত খান্দি পুতিলেক।
আৰো যেন মতে বিষ পান কৰাইলেক ॥
হাতে গলে বান্ধি অগণিত পেলাইলেক।
কীৰ্ত্তন কৰন্তে এহি প্ৰভাৱ প্ৰত্যেক ॥১৪॥
প্ৰেমে পৰশিছে নাহি গাৱত চেতন।
অগণিত গৈয়া পৰিলন্ত তেতিক্ষণ ॥
তাতে পৰি আনন্দেতে পদক বোলন্ত।
সমস্ত সমাজে হৰি হৰি সুমৰন্ত ॥১৫॥
ধৰা ধৰা কৰন্ত শঙ্কৰদেৱে চাই।
মাধৱে মন্দিৰা থৈলা হাতৰ খসাই ॥
ভালেখানি ভৈল অগণিত পৰিলন্ত।
কতোক্ষণে মাধৱে ধৰিয়া তুলিলন্ত ॥১৬॥
সবলোকে বোলে মোট যাইবেক গাৱে।
গৃহক লাগিয়া পঠাই দিলা অনন্তৰে ॥
প্ৰভাতে শঙ্কৰদেৱে মানুষ পঠাই।
ৰামদাসে কি কৰে চাই আসা যাই ॥১৭॥
দেখিলন্ত গই চোতালত বসিছন্ত।
নাহি ঘাৱ ব্যথা গাৱে দেখিয়ো শ্ৰীমন্ত ॥
এদিনাতো অধিক জ্বলয় মহাভাগ।
কহিলেক গৈয়া দেৱ শঙ্কৰৰ আগ ॥১৮॥
নাহি কিছু ৰামদাস আনন্দে আছন্ত।

শুনিয়া শঙ্কৰদেৱে হৰিষ পাইলন্ত ॥
আনো কতো কতো লোক হৰিষে আসিলা ।
পানী ফোঁহা গোটা নাহি বিস্ময় মানিলা ॥১৯॥
হৰি ভকতিৰ দেখা পৰম প্ৰভাৱ।
এতমান জুইত পৰি নুপুৰিলা গাৱ ॥
এহিবুলি লোক সব ঘৰাঘৰি গৈল
শুনা আতপৰ তৈতে যেন কথা ভৈল ॥২০॥

—ব্যাসকলাইৰ গীতাব্যাখ্যা—

প্ৰভাতে কৰিয়া স্নান লৌহিত্যৰ জলে ।
বালিত বসিলা সবে কৌতূহল মনে ॥
শঙ্কৰ মাধৱ দুই তহিতে বসন্ত ।
স্নান দান কৰি সবে গীতাক শুনন্ত ॥২১॥
ৰত্নাকৰ কন্দলী পঢ়ন্ত গীতাত্ৰয় ।
বিয়াস কলাই নামে জনেক আছয় ॥
তাঙ্ক সম গুণী নাই জাতিত ব্ৰাহ্মণ ।
শঙ্কৰদেৱত তেহোঁ লৈলেক শৰণ ॥২২॥
দুই চাৰি শ্লোক গৈলে গীতাৰ নিশ্চয় ।
থিয় হুয়া সিটো সবে সভাত কহয় ॥
হে সভাসদ লোক থিৰ কৰি মন ।
শুনা সাৱধানে ইটো কৃষ্ণৰ বচন ॥২৩॥
এহি বুলি সিটো সবে লোকক শুনাই
গীতাৰ অৰ্থক কহে সভাত বুজাই ॥
উপৰক দুই হাত তুলি উচ্চ কৰি ।

বোলে ঘনে ঘনে সবে বোলা হৰি হৰি ॥২৪॥
সবলোকে জোৰে জোৰে কৰে হৰিৰাৱ।
সবাৰো মনত মহা আনন্দ উৎসৱ ॥
কতোক্ষণে ভৈলে কৰি গীতা সম্বৰণ।
হৰিষে কৰন্ত সবে গৃহক গমন ॥২৫॥
এহিমতে গীতা প্ৰতি দিবসে শুনন্ত।
বিয়াসকলায়ো এহিমতে নিতে কন্ত ॥
শুনা সাধুজন ইটো কথা মহোৎসৱ।
পাপ দূৰ হৌক বোলা শঙ্কৰ মাধৱ ॥২৬॥

# বিংশ অধ্যায়

## —ব্ৰাহ্মণৰ বিবাদ মীমাংসা—

শুনিয়োক সাধুজন আত অনন্তৰে যেন
মিলন বিবাদ কহোঁ তাক।
এহিমতে আছা তৈতে শঙ্কৰে কৰন্ত ভক্তি
বিপ্ৰগণে নসহিয়া তাঙ্ক ॥১॥
আচাৰ্য্য কন্দলী, মিত্ৰ উপাধ্যা, ভাৰতী আদি
আনো বৰ বৰ বিপ্ৰ যত।
একথান হুয়া সবে আলোচ কৰিয়া তেবে
দ্বেষ ভাবে শঙ্কৰ দেৱক ॥২॥

—ভকতক অত্যাচাৰ—

নানান বিতণ্ডা হয়　　কৰিবে লাগিলা ভয়
ভকতক বিগুতি মাতয় ।
আজি কাৰ ঘৰে যাইবা　　ফলাৰ কৰিতে পাইবা
এহিবুলি হাসে বিপ্ৰচয় ॥৩॥
মালাক লৱয় কাঢ়ি　　কুকুৰৰ গলে আড়ি
উপহাস কৰে বিপ্ৰগণ ।
হৰি ভকতিত লোক　　প্ৰবৰ্ত্তিবে দেখি আতি
ব্ৰাহ্মণগণৰ দহে মন ॥৪॥
ইটো সব কথা শুনি　　শঙ্কৰে মনত গুণি
নমাতিয়া থাকিলন্ত তথা ।
শুনিয়োক সাধুসব　　কহোঁ আতপৰে আৰো
পাছে যেন মত ভৈল কথা ॥৫॥

—শ্ৰাদ্ধত কীৰ্ত্তন—

বুঢ়াখাঁ নামে এক-　　জন ভুঞা আছিলন্ত
তেহেঁ পিতৃশ্ৰাদ্ধৰ দিনত ।
ফলাৰ কৰিবে প্ৰতি　　নিমন্ত্ৰণ কৰি মাতি
আনিলন্ত ব্ৰাহ্মণ সমস্ত ॥৬॥
আনো জ্ঞাতি মিত্ৰগণ　　গায়ন বায়নগণ
মাতি নিয়া অনেক উৎসৱ ।
খুৱান্ত ধুৱান্ত আতি　　গুৱাপান দিয়া মাতি
কৰন্ত কীৰ্ত্তন হৰিৰৱ ॥৭॥
বুঢ়াঁ খাঁ মাতি তথা　　শঙ্কৰদেৱক নিলা
গৈলন্ত শঙ্কৰদেৱ সাজি ।

মনত আলোচ কৈলা আজি এৰি আসোঁ মালা
তুহি মালা লৈয়া আসো আজি ॥৮॥

—ব্ৰহ্মানন্দ আচাৰ্য্যৰ সমাধান—

কাৰ্য্য যেবে সাঙ্গ ভৈল সভাও সম্পূৰ্ণ ভৈল
বসিল সমস্তে সভাপাতি।
সেহি সময়ত তথা শঙ্কৰে পুছিলা কথা
ব্ৰহ্মানন্দ আচাৰ্য্যক মাতি ॥৯॥
যি জন পাতকী নৰ কৰ্ম্মে তাৰ অধিকাৰ
কহিয়োক আতা আছে নাই।
কহিলন্ত ব্ৰহ্মানন্দে পাতকীৰ কৰ্ম্মে নাই
অধিকাৰ, শঙ্কৰক চাই ॥১০॥
আছে প্ৰায়শ্চিত্ত আন একতিল কাঞ্চন
কৰিবাক লাগৈ সিজনৰ।
সিয়ো কৰ্ম্ম কৰিবাক নপাৰে জানিবা আক
হেন শুনি বুলিলা শঙ্কৰ ॥১১॥
নিষ্ঠ কৰি কহিয়োক পাপী কৰ্ম্ম কৰিবাক
নপাৰয় সত্য স্বৰূপত।
ব্ৰহ্মানন্দাচাৰ্য্যে শুনি বোলে কৰ্ম্মে অধিকাৰ
তুহি সত্যে সত্যে পাপী যত ॥১২॥

—পাতকীতাৰক হৰিনাম—

বোলন্ত শঙ্কৰে পুনু কহিয়োক পাতকীক
কোন কৰ্ম্মে কৰয় উদ্ধাৰ।
শুনি ব্ৰহ্মানন্দাচাৰ্য্যে বোলা হৰি নামে মাত্ৰ
কৰে পাপীজনক নিস্তাৰ ॥১৩॥

আৰ নাম বিনে আৰ নাহি ধৰ্ম্মে অধিকাৰ
পাতকীৰ জানিবা নিশ্চয়।
শঙ্কৰে দঢ়াই পুনু বোলা নিষ্ঠ নাই তেহোঁ
বুলিলন্ত নিষ্ঠে নাহি ক্ষয় ॥১৪॥
পুনু পুনু দঢ়াইলন্ত শঙ্কৰে যে পুছিলন্ত
তেঁহে পুনু পুনু দঢ়াই কৈল।
পাতকীজনৰ হৰি- নামে অধিকাৰ মাত্ৰ
শঙ্কৰে পুছিৱে পুনু লৈল ॥১৫॥

—নাম নিন্দক চণ্ডাল—

কহিয়োক হেন হৰি- -নামক যিজনে নিন্দে
কেমনে মানিব সিজনক।
কহিলন্ত ব্ৰহ্মানন্দে যিজনে নামক নিন্দে
জানা সিটো হীন চণ্ডালক ॥১৬॥
চুইবাকো নলাগৈ তাক যোগ্য নুহি দেখিবাক
শুনিয়া শঙ্কৰে বুলিলন্ত।
সবে ব্ৰাহ্মণক চাই আতৈ সব হুই নুহি
ব্ৰহ্মানন্দে যেন কহিলন্ত ॥১৭॥
শুনিয়া ব্ৰাহ্মণ জাকে সবেও বুলিলা বাক
হুই ব্ৰহ্মানন্দে কৈলে যিটো।
শুনি শঙ্কৰ দেৱে পাছে পুনু পুনু দঢ়াই দঢ়াই
বোলা নিষ্ঠ কৰি কৈব ইটো ॥১৮॥
চণ্ডালতোধিক সিটো চুইবে নুহি যোগ্য যাতো
শুনি বিপ্ৰগণে কহিলন্ত।

সত্যে সত্যে যিটো জনে হৰিৰ নামক নিন্দে
সেহি জন পাতকী অত্যন্ত ॥১৯॥

—পাতকীৰ দান অগ্ৰাহ্য—

শুনিয়া শঙ্কৰদেৱে সজ সজ বুলিলন্ত
পুছিলন্ত ব্ৰাহ্মণ সবত।
পাতকী জনৰ বস্তু ভোজন কৰিবে পাই
নপাই কহিয়োক স্বৰূপত ॥২০॥
ব্ৰাহ্মণ সকলে শুনি উত্তৰ দিলন্ত
পাতকীৰ বস্তুক ভোজন।
কৰিবে নপাৰে জানা ভুঞ্জিলে তাহাৰ মান
পাতকী হোৱয় সিটোজন ॥২১॥

—ব্ৰাহ্মণৰ পৰাভৱ—

শুনিয়া শঙ্কৰে বুঢ়া- -খাঁক মাতি পুছিলন্ত
তুমি কি পাতকী পুণ্যৱন্ত।
কহিয়োক হেন শুনি তেহোঁ কৈলা মনে গুণি
জানা মই পাতকী অত্যন্ত ॥২২॥
মহাপাপ মিছা বাক প্ৰভাতৰে পৰা আক
মাতো দিন গোটে সৰ্ব্বক্ষণ।
কায়বাক্য মনে যত সিজে পাপ অবিৰত
আনো অসংখ্যাত পাপগণ ॥২৩॥
ব্ৰাহ্মণ সবক চাহি শঙ্কৰে বোলন্ত বাক
আবে আতৈ সব কি কৰিবা।
বুঢ়া-খাঁ বোলে মই পাপী আৰ বস্তু সব

ভোজন কৰিবা নকৰিবা ॥২৪॥
শুনি বিপ্ৰসবে বোলে কি কৰিবা এহিমতে
পাৰম্পৰ্য্য প্ৰবৰ্ত্তি আছয় ।
শঙ্কৰে বোলন্ত তেবে ভকতৰ মালা কেনে
কাঢ়ি লোৱা তুমি সমস্তয় ॥২৫॥
পাপীৰ বস্তক খোৱা তোৱায় নামক নিন্দা
তোৱাক চুইবাক নলাগয় ।
এহিমতে আনো নানা বুলিয়া শঙ্কৰদেৱে
পুনৰপি বুলিলন্ত ত্ৰয় ॥২৬॥
সহস্ৰক নাম, গীতা ভাগৱত তিনি খান (১)
শাস্ত্ৰ যেবে খণ্ডিবাক পাৰা ।
কাঢ়ি লৈবে নলাগয় আপুনি মালাক তেবে
নিষ্ঠে বোলোঁ তেজিবো আমৰা ॥২৮॥
যেবে তিনিখান শাস্ত্ৰ খণ্ডিবাক নপাৰয়
তেবে মালা লোৱা কিবা জানি ।
শুনিয়া ব্ৰাহ্মণ সবে নমাতি ৰহিলা আৰ
শঙ্কৰ দেবৰ শুনি বাণী ॥২৮॥

**—দৈৱশক্তিৰ পৰিচয়—**

এহিমতে কথামাতে আছন্ত শঙ্কৰ দেৱ
দেখাইলন্ত ঈশ্বৰ শকতি ।
শুনা সভাসদ চয় কহোঁতক বুঢ়ার্থী

(১) বিষ্ণু সহস্ৰনাম, শ্ৰীমদ্ভাগবত গীতা আৰু শ্ৰীমদ্ভাগবত এই তিনিখন শাস্ত্ৰক গ্ৰন্থত্ৰয় বোলা হয় ।

ভিতৰক চিৰা খাইবে প্ৰতি ॥২৯॥
জাতি বিপ্ৰ মাতি নিল দুই চৰু ঘন দুগ্ধ
দেখিয়া শঙ্কৰে বুলিলন্ত।
একচৰু দুগ্ধ আৰ লৈলন্ত ঈশ্বৰে জানা
আউৰ চৰু দুগ্ধক নলৈলন্ত ॥৩০॥
বুঢ়া-খাঁ বোলে কেনে নলৈলা ঈশ্বৰে কোঁৱা
কহিলন্ত শঙ্কৰে দুনাই।
এক গাছি কেশ আছে দুধৰ তলত চোৱা
দুই সুই দুধক গুছাই ॥৩১॥
ঈশ্বৰে নলৈলা তাতে দেখিলন্ত বুঢ়া খাঁ
দুধ তলে চুলি গছ আছে।
কেমনে জানিলা আক বুলিয়া ব্ৰাহ্মণ জাক
আশ্চৰ্য্য মানিল মনে পাছে ॥৩২॥
বোলয় শঙ্কৰ দুহি মনুষ্য, ঈশ্বৰ-অংশ
অৱতাৰ জানিবা নিশ্চয়।
শুনা সাধু নিৰন্তৰ এহিমতে শঙ্কৰৰ
বহুবিধ চৰিত্ৰ আছয় ॥৩৩॥
কোনজনে কহিবাক নিঃশেষে পাৰয় তাক
তথাপিতো মনে যেন লয়।
কহিব শুনিয়ো তাকে শঙ্কৰ মাধৱ ডাকি
বুলিয়োক পাপ হৌক ক্ষয় ॥৩৪॥

——o——

# একবিংশ অধ্যায়

### —জগন্নাথ মূৰ্ত্তি নিৰ্ম্মাণ—

এহিমতে হৰিভক্তি প্ৰকাশি শঙ্কৰ।
আছন্ত আনন্দে আতি সমস্তে লোকৰ॥
একদিনা মাতি ৰাম-ৰায়ক আনিলা।
জগন্নাথ মূৰ্ত্তি সাজিবাক আলোচিলা॥১॥

### —খনিকৰ কোৱলা বাঢ়ৈ—

কোৱলা বাঢ়ৈক মাতি বুলিলা শঙ্কৰ।
সাজ জগন্নাথৰ প্ৰতিমা ৰুচিকৰ॥
শঙ্কৰ দেৱৰ বাক্যে কোৱলা বাঢ়ই।
প্ৰতিমা সাজিবে লৈলা তেতিক্ষণে গই॥২॥
আগে থাকি আপুনি শঙ্কৰে দেন্ত দৃষ্টি।
দেখন্তে প্ৰতিমা মনে মিলৈ মহা তুষ্টি॥
কৰিলা যুগুতি তাঙ্ক প্ৰতিষ্ঠা কৰিবে।
কৰয় আনন্দ তাক শুনি লোক সবে॥৩॥

### —ব্ৰাহ্মণৰ নিন্দা—

ব্ৰাহ্মণ সকলে তাক বিপক্ষে আচৰি।
বোলে কেন জগন্নাথ মূৰ্ত্তি আছা কৰি॥
কাটিলেক কাঠখান বাঢ়ৈ দিয়া ভৰি।
কৰিবে প্ৰণাম তাক লোকে পৰি পৰি॥৪॥

দেখা কেন উপায় শঙ্কৰে কৰিলন্ত ।
লোক সব বৰাইবে প্ৰতিমা সাজিলন্ত ॥
আবে জগন্নাথৰ প্ৰতিমা বুলি তাক ।
গৈলে তাক অৱশ্যে লাগিব নমিবাক ॥৫॥

**—প্ৰতিষ্ঠা কাৰ্য্যত ব্ৰাহ্মণৰ আপত্তি—**

নযাইবো আমৰা সব বুলি বিপ্ৰগণ ।
এহিমতে অন্যোঅন্যে কৰে আলোচন ॥
লোক সব মতাই মহোৎসৱ কৰিবেক ।
ব্ৰাহ্মণ সজ্জনে গৈয়া তাক দেখিবেক ॥৬॥
ঈশ্বৰৰ মূৰ্ত্তি বুলি প্ৰণাম কৰিব ।
সবলোকে তেবে আক দেৱতা মানিব ॥
আক লাগি উপায় লাগিছে কৰিবেক ।
আমি সব নযাইব মাতিলে আমাসাক ॥৭॥
লোকক কহিবো কৈত পাইবে জগন্নাথ ।
কাঠখানি বাঢ়ৈ কাটি আছয় সাক্ষাত ॥
এহি কথা শঙ্কৰদেৱে যে শুনিলন্ত ।
মাতি ৰামৰায়ক তেখনে আনিলন্ত ॥৮॥
কহিলন্ত ব্ৰাহ্মণ সবৰ কথা যত ।
কৰিলা উপায় এক তেখনে মনত ॥
লোভাবিষ্ট বিপ্ৰ সব পাইবে নাম শুনি ।
মাতিলে মাত্ৰকে সবে আসিব আপুনি ॥৯॥

**—ব্ৰাহ্মণৰ দান—**

এহিবুলি লোকত শুনায়া আলোচন্ত ।

কাক কিবা দিবা ৰামৰায়ত পুছন্ত ॥
আচাৰ্য্য কন্দলী মিশ্ৰ উপাধ্যা ভাৰতী।
কাকো সোণতোলা আধতোলা কাকো প্ৰতি ॥১০॥
কাকো একমাষা পাট ভূনি ফোটা দিব।
এহিমতে ব্ৰাহ্মণক সন্মান কৰিব ॥
এহি কথা লোকে গৈয়া তাৰাত কহিল।
শুনি আতি যত বিপ্ৰগণ উল্লসিল ॥১১॥
পাছে শুভক্ষণ চাই শঙ্কৰে দিনেক।
সমস্তে লোককে মাতি অনাইলা প্ৰত্যেক ॥
ব্ৰাহ্মণ সবক মাতিলন্ত কৰি মান।
আসিল হৰিষ মনে যতেক ব্ৰাহ্মণ ॥১২॥

—মূৰ্ত্তি প্ৰতিষ্ঠা

ভৈল মহোৎসৱ প্ৰাণ-প্ৰতিষ্ঠা কৰিল।
যাক যিবা দিবে লাগে সমস্তকে দিল ॥
ভৈলন্ত সন্তোষ বিপ্ৰ সব নিৰন্তৰ।
প্ৰীতি পূৰ্ব্বকে পাছে বুলিলা শঙ্কৰ ॥১৩॥
শুনিয়োক আতৈ সব পুছোঁ এক কথা।
সমুচিত ৰূপে কথা কহিবা সৰ্ব্বথা ॥
ঈশ্বৰৰ মূৰ্ত্তি ইটো হোৱে নুহিকয়।
আকে সেৱা কৰি গতি পাৱে নপাৱয় ॥১৪॥
হেন শুনি কহিলন্ত বিপ্ৰ নিৰন্তৰে।
পূৰ্ব্বে আক কহি আছা আপুনি ঈশ্বৰে ॥
যতেক মৃত্তিকাময় সবে শিলাময়।

যত জলময় ইটো দেৱতীৰ্থ হয় ॥১৫॥
কিন্তু শুদ্ধি কৰে চিৰকাল সেৱি যেৱে।
দৰশন মাত্ৰ শুদ্ধ কৰে সাধু সবে॥
দেৱতা তীৰ্থতো হন্তে শুদ্ধ হোৱে নৰ।
সাধু দেৱে তীৰ্থে জানা অনেক অন্তৰ ॥১৬॥
পুছিলা শঙ্কৰদেৱে পুনু তাসম্বাক।
কহিয়োক আতৈ সব সাধু বুলি কাক॥
জানা যিটোজনে হৰি ভকতি কৰয়।
তাসম্বাকে সাধু বুলি কহে বিপ্ৰচয় ॥১৭॥
পুছিলা শঙ্কৰদেৱে তাসম্বাত তেৱে।
দেৱতা তীৰ্থতো শ্ৰেষ্ঠ কৈলা সাধুসবে॥
হেনয় সাধুক যিটো জনে নিন্দা কৰে।
কৈয়ো তাৰ হৈব কেন গতি অনন্তৰে ॥১৮॥

**—মূৰ্ত্তিত দেৱতা বিশ্বাস—**

কৈলে বিপ্ৰসবে সিটো যাইবে অধোগতি।
পুছিলা শঙ্কৰে পুনু তাৰাত সম্প্ৰতি॥
প্ৰতিমাক সেৱা কৰি সিদ্ধিক লভয়।
ইটো যে প্ৰতিমা দেৱ হোৱয় নোহয় ॥১৯॥
আহ্মি সেৱা কৰি গতি হুইবে নুহিবেক।
কৈয়ো হেন শুনি বোলে ব্ৰাহ্মণ যতেক॥
হোৱে দেৱ এহেঁ কিয় দেৱ নুহিবেক।
কিবা হেতু আহ্মি সেৱি শুদ্ধ নুহিবেক ॥২০॥
ঈশ্বৰৰ মূৰ্ত্তি ইটো মহন্ত থাপিত।

হেন শুনি শঙ্কৰ ভৈলন্ত হৰিষিত ॥
উচ্চ কৰি সমজ্যাত হৰি বোলালন্ত ।
সভা বিসৰ্জ্জিয়া পাছে গৃহক গৈলন্ত ॥২১॥

—০ঃ০ঃ০—

# দ্বাবিংশ অধ্যায়

## —কীৰ্ত্তনৰ প্ৰসাদ—

আৰো যেন কথা ভৈল তাক কহোঁ শুনা ।
কৰান্ত কীৰ্ত্তন ৰামদাসে একদিনা ॥
শঙ্কৰ মাধৱ আনো ভক্ত সব যত ।
পৰম আনন্দে বসি আছা সমাজত ॥১॥
ৰাম ৰাম গুৰুৱে কীৰ্ত্তন কৰিলন্ত
ৰামদাস মাধৱে প্ৰসাদ বিলাৱন্ত ॥
ৰামদাসে সভা বিসৰ্জ্জিয়া পঠাইলন্ত ।
সভাসদ লোক সবে গৃহক গৈলন্ত ॥২॥

## —গুপুত মিঠাই—

সমস্ত প্ৰসাদ ভকতক দিয়া গৈল ।
এক চৰু মিঠাই মাত্ৰ পাসৰাত ৰৈল ॥
তাৰা কেহোঁ নজানন্তে ৰহি আছা বুলি ।
আন্ধাৰ ঘৰত থৈছা ওপৰত তুলি ॥৩॥

ৰাতি এক বিধবা স্বপন দেখিলন্ত।
প্ৰভাততে শঙ্কৰ দেৱত কহিলন্ত ॥
দেখিলোঁ স্বপন আতা তোমাৰ আগত।
কহোঁ শুনিয়োক ৰামদাসৰ ঘৰত ॥৪॥
এক চৰু মিঠাই আছে শিকিয়া ওপৰ।
ব্ৰাহ্মণৰ একগুটি ছৱাল ৰুচিৰ ॥
হাতে সুবৰ্ণৰ লড়ু ডালি ধৰি হাসি।
সেহি মিঠাই চৰুৰ ওপৰে আছে বসি ॥৫॥
পুছিলোহোঁ তুমি কৈৰ ঐত কিকাৰণে।
বসিয়া আছাহা কহিয়োক ৰঙ্গমনে ॥
তেহোঁ কহিলন্ত মোকে সব বস্তু দিল।
এহি মিঠাই চৰু মাত্ৰ পাহৰি ৰহিল ॥৬॥
আকে ৰাখি আছোঁ মই কহিলোঁ সাক্ষাত।
স্বপ্ন দেখি আতা মই কহিলো তোমাত ॥
শুনি দেৱ শঙ্কৰে বিস্ময় মানিলন্ত।
ততকালে মাতি ৰামদাসক নিলন্ত ॥৭॥
বোলা এক চৰু মিঠাই ঘৰত তোমাৰ।
শিকিয়াৰ ওপৰত আছে জানা সাৰ ॥
তেহে বোলে আতা নাই দিয়া গৈল কালি।
পঠাইলা শঙ্কৰদেৱে চোঁৱাগই বুলি ॥৮॥
হেন শুনি তেহেঁ গৈয়া দেখিলন্ত পাছে।
আন্ধাৰ ঘৰৰ ওপৰত ৰহি আছে ॥
পুনৰপি গৈয়া শঙ্কৰত কহিলন্ত।

আনাগই বুলি পুনৰপি পঠাইলন্ত ॥৯॥
পঠাইল ভকত বোলা সমস্তে আসোক ।
সভাত আছিলা মানে কালি যত লোক ॥
শুনিয়া সমস্ত লোক আইল ভাটি বেলা ।
মিঠাই চৰু লৈয়া ৰাম দাসো পাছে গৈলা ॥১০॥
কহিলা শঙ্কৰদেৱে স্বপ্নৰ কথাক ।
বিধৱা ব্ৰাহ্মণী এক দেখিলন্ত আক ॥
শুনিয়া সমস্ত লোকে বিস্ময় মানিলা ।
বহুলোক বিলাইলে নাটিবন্ত জানিল ॥১১॥
বোলন্ত কৰিয়ো গুড়ি তেবেসে আটিব ।
অল্প অল্প কৰি আক সমস্তক দিব ॥
হেন শুনি তাক গুড়ি মাধৱে কৰিলা ।
ৰাম ৰাম গুৰুক প্ৰথমে আনি দিলা ॥১২॥
শঙ্কৰদেৱক দিবে যেন্তে উঠিলন্ত ।
দুই হাত পাতি মহা সাদৰে লৈলন্ত ॥
সমস্ত ভকতে উঠি উঠিয়া লৈলন্ত ।
দিল মাত্ৰ তেখনে ভোজন কৰিলন্ত ॥১৩॥

—জগন্নাথৰ কৃপা—

অনন্তৰে সব লোক ঘৰাঘৰি গৈল ।
শুনা পাছে আৰো একদিনা যেন ভৈল ॥
সমস্ত ভকত সমে বসিয়া শঙ্কৰ ।
কহন্ত কৃষ্ণৰ কথা মহা মনোহৰ ॥১৪॥
ৰামদাস মাত্ৰ সিটো নাহিকে সভাত ।

দৱনাৰ গন্ধ সবে পাইলন্ত সাক্ষাত ॥
মলমল কৰি ঘ্ৰাণ দৱনাৰ বহে।
জগন্নাথ আসি আছা সব লোকে কহে ॥১৫॥
দণ্ডচাৰি ছয় মানে সুগন্ধ আছিল।
অনন্তৰে সিটো মহা আনন্দ গুছিল ॥
ভক্ত· সবো আপোনাৰ ঘৰাঘৰি গৈলা।
ৰামদাস আসিলে শঙ্কৰে তাত কৈলা ॥১৬॥
জগন্নাথ আসিছিলা আজি ৰামদাস।
দৱনাৰ গন্ধে মোহিলেক দিশপাশ ॥
শুনি ৰামদাসে বহু খেদ কৰিলন্ত।
ইমত প্ৰসাদ মই নপাইলো বোলন্ত ॥১৭॥
আছে মোৰ দুৰ্ভাগ্য ঈশ্বৰে নেদিলন্ত।
এহিমতে বহু খেদ কৰি ৰহিলন্ত ॥
আউৰ দিনা ভাটি বেলা ভৈল হৰি কথা।
সিয়ো দিনা জগন্নাথ আসিলন্ত তথা ॥১৮॥
সিদিনাতো কৰি দৱনাৰ গন্ধ চাৰ।
আমোদিত গন্ধ পাইল লোকে সমজ্যাৰ ॥
বোলন্ত শঙ্কৰদেৱে মনৰ আহ্লাদে।
আজি পাই জানা ৰামদাসৰ প্ৰসাদে ॥১৯॥
কালি ৰামদাস সমজ্যাত নাছিলন্ত।
সেহি হেতু জগন্নাথ আজি আসিলন্ত ॥
শুনি ৰামদাসে শঙ্কৰক নমিলন্ত।
হৰি কথা থৈয়া সবে গৃহক গৈলন্ত ॥২০॥

আৰো যেন কথা ভৈল কহোঁ তাক শুনা।
কৰাৱে কীৰ্ত্তন একগিৰি একদিনা ॥
ৰাম-ৰাম গুৰু ৰামদাস যে মাধৱ।
তিনিয়ো গৈলন্ত বৰ হুই আছে উৎসৱ ॥২১॥
সিদিনা শঙ্কৰদেৱ নাহিকন্ত তথা।
শুনা অনন্তৰে তৈতে ভৈল যেন কথা ॥

—প্ৰসাদ বিলোৱাত জগৰ—

ৰামদাসে মাধৱে প্ৰসাদ বিহ্লাৱন্ত।
ব্ৰাহ্মণ সবক আগে দুইহান্তো দিলন্ত ॥২২॥
পাছে গৈয়া একখান ভৈলা তাৰা দুই।
বিহ্লান্ত প্ৰসাদ দুয়ো দুই ভিতি ৰাই ॥
বহুসভা বিচাৰিয়া দিবাক নপাৰন্ত।
একদিশি কৰিয়া সবাকো লই যান্ত ॥২৩॥
সকল দিনৰ ইটো নিবন্ধ আছয়।
ব্ৰাহ্মণত বিনে আগ পাছ নবাছয় ॥
সিও দিনা সেহিমতে বিলান্ত দুইজনে।
ৰামদাস বাম পাশে মাধৱে দক্ষিণে ॥২৪॥
পুণ্ডৰীগিৰিৰ বেটা তাৰা তিনিভাই।
উপজিলা ক্ৰোধ আগে প্ৰসাদ নাপাই।
গৰ্জ্জি ৰামদাসক উঠিল তিনিজনে।
দেখি ৰামদাসো কোপ কৰিলন্ত মনে ॥২৫॥
চাউলৰ খুখুৰি থৈয়া সভাৰ মাজত।
দান্ত কামুৰিয়া বস্ত্ৰ বান্ধে ককালত ॥

দেখিয়া মাধৱদেৱ গৈলা শীঘ্র কৰি।
বুলিলন্ত কি কৰস হাতে তান ধৰি ॥২৬॥
পাগল ভৈলা কি হেৰা মোৰ ভিতি চাউ।
মাৰোক তাৰায়ে তই প্রসাদ বিলাউ॥
মাৰিবে আমৰা যদি ক্ষমিবে পাৰিলো।
তেবে আমি মহন্তৰ স্বভাৱে বহিলো ॥২৭॥
যদিবা মাৰিলে তই ক্ষমা নকৰস।
তিনিও জনক তই অকলে পাৰস॥
আৰো তাতে সহায় ভৈলন্ত দেখ তই।
তোক কি মাৰন্তে চাহি থাকিবোহোঁ মই ॥২৮॥
বিলাউ প্রসাদ ভয় নকৰিবি মনে।
হেন শুনি লাজিল তাহাৰা তিনিজনে॥
এহি কথা শঙ্কৰ দেৱত কহিলন্ত।
আনবেলা আগে দিবা তাৰাকে বোলন্ত ॥২৯॥
পুনৰপি কীৰ্ত্তন আৰম্ভ দিনা ভৈল।
সব লোকে কীৰ্ত্তন কৰিবে প্রতি গৈল॥
সিদিনা শঙ্কৰদেৱে গৈলন্ত আপুনি।
সেহি সভামধ্যক গৈলন্ত তাৰা তিনি ॥৩০॥
চক্ষুঠাৰে অনুমতি শঙ্কৰে দিলন্ত।
ব্রাহ্মণক নেদি দিবে তাৰাক দিলন্ত॥
নলৱয় তাৰা বোলে দিয়া ব্রাহ্মণক।
বোলন্ত শঙ্কৰদেৱে লৈয়োক লৈয়োক ॥৩১॥
আগে নপাই তোৰা কৰা অসন্তোষ।

লৈয়ো ব্ৰাহ্মণত আগে আতো কিবা দোষ ॥
লাজ হুয়া তাৰা প্ৰসাদক নলৈলন্ত ॥
সমাজৰ পৰা উঠি গৃহক গৈলন্ত ॥৩২॥
ব্ৰাহ্মণক আগে দিয়া প্ৰসাদ বিলাইলা ।
কৰি হৰিধ্বনি সবে ঘৰাঘৰি গৈলা ॥
পৰম গুপুত কথা শুনা সাধুজন ।
বুলিয়োক শঙ্কৰ মাধৱ ঘনে ঘন ॥৩৩॥

---

# ত্ৰয়োবিংশ অধ্যায়

—মাধৱদেৱৰ জোৰোণৰ কন্যা—

আত অনন্তৰে তথা মাধৱদেৱৰ কথা
শুনিয়োক সাধু সব যত ।
শঙ্কৰদেৱক লাগ যিদিনা মাধৱদেৱ
পাইলা সেহি দিনায় মনত ॥১॥
বিবাহ কৰিবে ইচ্ছা এৰিয়া গুণন্ত পাছে
কেনমতে এৰিবো কন্যাক ।
বোলা যাওঁ তান ঠাই বিহা দিবে বোলো যাই
কন্যা লৈয়া যাওঁ বাণ্ডুকাক ॥২॥
বাণ্ডুকা যাইবাৰ কথা শুনিয়া কন্যাক বেথা
বিহা মোক তাৰা নেদিবেক ।

অলঙ্কাৰ খুজি লৈবো কন্যাক এৰিয়া দিবো
এহিমত উপায় প্ৰত্যেক ॥৩॥
হেন মনে আলোচিয়া ভাৱ কিছু সংযোজিয়া
জনা চাৰি পাঞ্চ সমন্বিত ।
কন্যাৰ ঘৰক গৈলা ভাৱ সব তৈতে থৈলা
মনে তাৰা কৰিয়া ইঙ্গিত ॥৪॥
ভাৱ সব নচপাৰে অতি অনাদৰ ভাৰে
কন্যা নেদিবেক আছে মন ।
নকৰা আদৰ ভাৱ বুলিলা মাধৱ দেৱ
ভাৱ নচপাৰ কিকাৰণ ॥৫॥
মাধৱ দেৱৰ বাক্য শুনি তাৰা বুলিলেক
এতদিন নাসিলা কিসক ।
কতদিন থৈবো ৰাখি তোমাক নাসিবে দেখি
কন্যা দেও বুলিলো পৰক ॥৬॥
মাধৱে বোলন্ত বাণী বিহা কৰিবাক কোনে
পাৱে কন্যা মোৰ জোৰোণৰ ।
বাণ্ডুকাক লাগি যাইবো আইকো কন্যাকো নিবো
বিহা দিয়া নকৰি ওজৰ ॥৭॥
বাণ্ডুকা যাইবাৰ শুনি তাৰা মনে মনে গুণি
বোলে কন্যা নপাৰো দিবাক ।
নিয়ো বস্ত্ৰ অলঙ্কাৰ যিবা দিয়া আছা তাৰ
মোল কৰি বোলা দেওঁ তাক ॥৮॥
বোলন্ত মাধৱদেৱে যিবা লাগে দিয়া তাকে

কন্যা মই পাইবো বাণ্ডুকাত।
অলঙ্কাৰ দিয়া আনি        লৰি যাওঁ এহিক্ষণি
মনত আনন্দে অসংখ্যাত ॥৯॥
আগে দেৱ মাধৱৰ        দিলা আনি অলঙ্কাৰ
ভাৰৰ বস্তুৰ লেখা কৰি।
ন ৰাখিলা কড়া এক        দিলেক কৰিয়া' ধিক
আপুনিও মোল দৰ কৰি ॥১০॥
বোলন্ত মাধৱদেৱে        বিধি মোৰ সুপ্ৰসন্ন
আপুনিও নিদিলে কন্যাক।
আমি কন্যা এৰিলাতে        একো নেদিলেক হস্তে
তেবে কিবা কৰিবো এৰাক ॥১১॥
এহি বুলি মহামতি        বোলন্ত তাৰাক মাতি
চপায়োক ইটো ভাৰ চয়।
তোমাৰ ঘৰৰ কন্যা        বিবাহ কৰিবে বৰ
বাঞ্ছা নেদিলাহা মহাশয় ॥১২॥
থাকিয়োক বুলি উঠি        লৰিলন্ত মন তুষ্টি
ভৈলা গৈয়া গৃহত প্ৰবেশ।
শঙ্কৰদেৱৰ সঙ্গে        থাকন্ত পৰম ৰঙ্গে
মনে তান আনন্দ অশেষ ॥১৩॥

# চতুৰ্বিংশ অধ্যায়

—পুণ্ডৰীৰ তিনি ভাইৰ বৃত্তান্ত—

কভু হৰিগুণ গান্ত কীৰ্ত্তন কৰন্ত কভু
কৃষ্ণ-কথা শুনা সৰ্ব্বক্ষণে।
শুনা সাধুজন চয় যেন কথা ভৈল তয়
এক গিৰিহঁতে একদিনে ॥১॥

—প্ৰসাদ পিচত পোৱাত খণ্ড—

কৰাৰে কীৰ্ত্তন আতি ভকত সবত মাতি
নাহিকন্ত শঙ্কৰ সভাত।
পুণ্ডৰীৰ তিনি ভাই বসিছে সভাত যাই
আগে নপাই প্ৰসাদ সাক্ষাত ॥২॥
উপজিল মহাক্ৰোধ গুছিল সমস্ত বোধ
বসিয়া আছিল সমাজত।
উঠিলা তিনিয়ো জন কৰি মহাক্ৰোধ মন
বস্ত্ৰক বান্ধিয়া কঙ্কালত ॥৩॥

—ৰাম ৰাম গুৰুক অপমান—

ৰাম ৰাম গুৰুক চাই পাৰিবে লাগিলা গালি
ৰাম-ৰাম গুৰু তাক শুনি।
মনত কটাক্ষ নাই তাৰাৰ মুখক চাই
কৃতাঞ্জলি বোলে মৃদু বাণী ॥৪॥
এৰা আৰে ক্ৰোধ মন কেনে কষ্ট এত মান
তুষ্ট মোত হুয়োক প্ৰত্যেক।

মোহোৰ কাৰণে কেনে দুঃখ পোৱা অকাৰণে
শুনি তাৰ বচন এতেক ॥৫॥
পাৰয় নানান গালি সুন্টিয়া সুন্টিয়া বুলি
অশেষ মাতয় ক্ৰোধ কৰি ।
তভো প্ৰিয়তৰ বাণী আশেষ কাকুতি কৰি
বুলিলন্ত কৃতাঞ্জলি ধৰি ॥৬॥
সন্তোষ হৈয়োক এবে ক্ষমা কৰিয়োক আবে
মোৰ হেতু পোৱা কত দুঃখ ।
নিন্দা শুনিয়া এতেক নাই কষ্ট অণু এক
আনন্দে উজল দেখি মুখ ॥৭॥

**—ৰামৰাম গুৰুৰ সভাত্যাগ—**

মৰণ সমান লাজ ভৈলা তাৰা তিনি ভাই
সমাজতে লুকাই যে হেন ।
পাছে ৰাম ৰাম গুৰু মহামন দুঃখ কৰি
উঠি লড়িলন্ত কতোক্ষণ ।
ক্ষুদ্ৰ শৌচা হুইবে ছলে গৃহস্থত লৈলা জল
পাতখানি কৰিয়া নিশ্চয় ।
গৈলন্ত বাটৰ ভিতি পানী ঘটি পেলাই তৈতি
গৃহক লৰিলা মহাশয় ॥৯॥
যেতিক্ষণে পানী লইয়া সমাজৰ বাজ হৈয়া
ৰাম-ৰাম গুৰু লৰিলন্ত ।
তেখনে মাধৱদেৱে মনত তৰ্কিলা এহেঁ
দুঃখ কিছু মনে লভিলন্ত ॥১০॥

তাতেসে উঠিয়া যান্ত চাওঁ গৈয়া কি কৰন্ত
এহি বুলি মাধৱ গৈলন্ত।
আঁৰ হুয়া আছা চাই দেখিলন্ত জল পেহ্লাই
যান্ত গৈয়া ধৰিলা হাতত ॥১১॥

**—মাধৱদেৱৰ অনুনয়—**

বুলিলন্ত কি কৰাহাঁ কিবা হেতু কৈক যোৱা
যজ্ঞচয় সিজিল প্ৰচুৰ।
দক্ষিণা দিবাক ডৰে যেন পলাই যাহা ঘৰে
মনৰ দুঃখক কৰা দূৰ ॥১২॥
সমাজক আসিয়োক কীৰ্ত্তনক কৰিয়োক
আনন্দ কৰিয়ো অতিশয়।
মাধৱৰ বাণী শুনি ৰাম ৰাম গুৰু গুণী
সমাজক গৈলা মহাশয় ॥১৩॥
কৰিলা কীৰ্ত্তন যাই অমৃত বৰিষে প্ৰায়
সমস্তে শুনিয়া প্ৰশংসয়।
বেলি অল্প মাত্ৰ আছে কীৰ্ত্তন থৈলন্ত পাছে
দশোদিশে গৈলা লোকচয় ॥১৪॥
শঙ্কৰ দেৱৰ আগে এহি কথা কৈলা গৈয়া
বোলন্ত শঙ্কৰদেৱে বাক।
কীৰ্ত্তন কৰিবে আৰ তুমি সব ন যাইবাহা
লোক যদি মাতয় তাৰাক ॥১৫॥
তাৰাক নমাতে যেবে কীৰ্ত্তন কৰিবা তেবে
যাইবা তোৰা বুলিলোঁ নিশ্চয়।

আৰা সব নযাই যেবে　　কীৰ্ত্তন হোৱয় তেবে
লোকে তাঠেক নমাতয় ॥১৬॥
ছয় মাসতো আৰ　　সভাক নযাই তাৰা
নপাৱয় গুটিকো প্ৰসাদ ।
দিয়ন্তা নুহিকে জানা　　শুনা আৰো এক দিনা
হুয়া আছে যিমতে সম্বাদ ॥১৭॥

—বান্ধৱ মাধৱ—

পাছ বেলা প্ৰতিদিনে　　শঙ্কৰদেৱৰ থানে
যান্ত দেৱ মাধৱ আপুনি ।
নিদ্ৰায় চেতন পাই　　গৃহ হন্তে বাহিৰায়
দেখন্ত চালিত প্ৰতিদিনি ॥১৮॥
মাধৱ আছন্ত বসি　　শঙ্কৰে পুছন্ত হাসি
কেতিক্ষণ আসি আছা বুলি ।
শুনিয়া মাধৱে উঠি　　কথা কন্ত মহাতুষ্টি
প্ৰণামি পাৱৰ লন্ত ধূলি ॥১৯॥
শঙ্কৰদেৱৰ জীউ　　নামত ৰুক্মিণী তাঙ্ক
বুলিলন্ত মাতিয়া শঙ্কৰে ।
মাধৱ আসিলে আই　　আমাক জগাইবা যাই
নকৰিয়া বিলম্ব সত্বৰে ॥২০॥
হেন শুনি ৰুক্মিণী　　কন্ত গৈয়া প্ৰতিদিনি
মাধৱ আসিলে ততকালে ।
মাধৱ বান্ধৱ আইলা　　উঠিয়োক আতা আবে
আসিয়োক বাজই সকালে ॥২১॥

শুনিয়া শঙ্কৰদেৱে হাসি মাতিলন্ত তাঙ্কে
মোৰ আই ভাল বুলিলাহা।
মাধৱ বান্ধৱ তুই কেমনে জানিলি তই
এহি বুলি বাজই গৈলাহা ॥২২॥
মাধৱ সহিতে তথা কহি নানা কৃষ্ণ কথা
থাকন্ত শঙ্কৰ ৰঙ্গ মনে।
ইটো কথা অনুপাম কহিয়োক অবিশ্ৰাম
শঙ্কৰ মাধৱ বোলা ঘনে ॥২৩॥

# পঞ্চবিংশ অধ্যায়

**মাধৱদেৱৰ আৰু ৰামদাসৰ শিলাবৃষ্টিত কষ্ট**

আত অনন্তৰে সামাজিক লোক শুনা।
যিমত বৃত্তান্ত ভৈল আৰো এক দিনা ॥
মাধৱদেৱৰ বহিনাই ৰামদাস।
ভূঁই নিৰাইবাক গৈলা মনত উল্লাস ॥১॥
ভাটিবেলা মাধৱদেৱৰো মন ভৈল।
খেতি চাহিবাক বুলি পথাৰক গৈল ॥
চাহিলন্ত খেতি চতুৰ্ভিতি ফুৰি ফুৰি।
নিৰাইবে লাগিলা—ভূঁই কাচিখান ধৰি ॥২॥
কতোক্ষণে ভূঁই নিৰাৰন্ত দুয়োজন।
সেহিবেলা আসিলেক শিলা বৰিষণ ॥

ঘোৰ বাত বৃষ্টি ভৈল শিলা ভয়ঙ্কৰ।
দুয়োজন আসিবাক নপাৰিলা ঘৰ ॥৩॥
আছে দুই গিৰিৰ সীমাত বট গাছি।
দামুৰিয়া বতাসে আৱজাই পেলাই আছি ॥
তাৰ তলে দুয়োজনে পশিলন্ত গৈয়া।
উপৰত ভাঙ্গা যে পিঠিয়া খন দিয়া ॥৪॥
তাতে থাকি ৰামনাম লন্ত দুয়োজনে।
মাত ৰামদাসৰ নুশুনি কতোক্ষণে ॥
বোলন্ত মাধৱদেৱে কি কৰা তুমি।
তেঁহে কহিলন্ত বোলা ৰূপ চিন্তো আমি ॥৫॥
খঙ্গি মাতিলন্ত তাঙ্ক মাধৱে নিশ্চয়।
ৰূপ চিন্তিবাৰ জানা এহিতো সময় ॥
সুস্থ সময়ত ৰূপ চিন্তিব কৃষ্ণৰ।
সঙ্কট সময়ে নাম লৈবে মাধৱৰ ॥৬॥
পৰম সঙ্কট বেলা মিলিছে এখন।
ৰূপ চিন্তা এৰি কৰা নামক কীৰ্ত্তন ॥
পৰিল গোটেক শিলা সেহি সময়ত।
ৰামদাস আতৈৰ বুঢ়া আঙ্গুলি পৃষ্ঠত ॥৭॥
মাধৱে বোলন্ত আবে প্ৰত্যয় কৰিয়ো।
নামৰূপ চিন্তনৰ মহিমা দেখিয়ো ॥
শুনি ৰামদাসে নাম কৰন্ত কীৰ্ত্তন।
এহিমতে তহিতে আছন্ত দুয়োজন ॥৮॥
মাধৱদেৱৰ মাতৃ, বহিনী গৃহত।

মৰিলন্ত বুলি দুয়ো কান্দন্ত শোকত ॥
ঘৰ ফুটি শিলা পৰি মানুষ মৰয় ।
ইমত শিলাত আৰে ভালে কি আছয় ॥৯॥
এহিবুলি ক্ৰন্দন কৰন্ত দুয়োজনে ।
কৰিলন্ত বিষাদ শঙ্কৰদেৱে মনে ॥
প্ৰাণ মাধৱ ৰামদাস সমে দুই ।
ইটো শিলাবৃষ্টিত ন জানো কিবা হুই ॥১০॥
এহিমতে শঙ্কৰ কৰন্ত দুঃখ মন ।
অনন্তৰে গুছি গৈল শিলা বৰিষণ ॥
পশু পক্ষী গৰু মৰিবাৰ অন্ত নাই ।
ঘৰ ফুটি মানুষো মৰিলা ঠাই ঠাই ॥১১॥
নল খাগৰা বতা নাহি দেখিবাক ।
নাহি বাঁশ দশখান গাৱঁতো পাইবাক ॥
বাঁশ মানে যত সবে ধূনাধূন ভৈল ।
নল খাগড়া মানে সবে গুড়ি ভৈল ॥১২॥
আগবাঢ়ি শঙ্কৰে এৰিলে বৰিষণ ।
যান্তে দেখিলন্ত আসিলন্ত দুয়োজন ॥
দেখি প্ৰাণ-মাধৱ আসিলা বুলিলন্ত ।
আথেবেথে শঙ্কৰে সাৱটি ধৰিলন্ত ॥১৩॥
মনে হেন জানো আজি দুইকো হেৰুৱাইলো ।
দেখি যেন দুইকো হেৰাইবাৰ নিধি পাইলো ॥
এহি বুলি গৈলা দেৱ শঙ্কৰ গৃহক ।
দেখি দুইকো ভক্ত সবে পাইলা আনন্দক ॥১৪॥

মাধৱদেৱৰ মাতৃ বহিনীয়ে দুই।
শোক এৰাই থাকিলন্ত ৰঙ্গমন হুই ॥
ইটো কথা ধুৱাহাট থানত নিশ্চয়।
শুনিয়োক আৰো তাতে ভৈল যেন নয় ॥১৫॥

---

# ষড়বিংশ অধ্যায়

—আসামৰ দৌৰাত্ম্য—

একুকালে ভূঞাঁধৰা লাগিল দেশত।
আছিল যতেক ভূঞাঁ পলাইল সমস্ত ॥ (১)

---

(১) ভূঞাঁধৰা :—আহোম ৰজাই হাতী ধৰিবলৈ বুলি মানুহ গোটাইছিল। এই কথাকে ইয়াত ভূঞাঁধৰা বোলা হৈছে। হাতীধৰা সম্পৰ্কে চৰিত পুথি বিলাকৰ মত একে নহয়।

(ক) ৰামচৰণ ঠাকুৰৰ দ্বাৰা লিখিত শঙ্কৰচৰিত (৪ৰ্থ খণ্ড ২২৮৬-৯০ পদ) মতে, আহোম ৰজাই হাতী ধৰিবৰ কাৰণে ভূঞাঁসকলক নিছিল। হাতী খেদোঁতে, ভূঞাঁসকলৰ ফালে হাতী পলাই যোৱাত; তেওঁলোকে ভয় কৰি ঘৰলৈ পলাই আহে। ৰজাই এই বাতৰি পাই ভূঞাঁসকলক ধৰি আনিবলৈ বৰাক পঠায়। এই বাতৰি পাই শঙ্কৰদেৱ পলাই যায়। বাটত, শঙ্কৰদেৱৰ জোঁৱায়েক হৰি আৰু মাধৱদেৱক ধৰি নিয়ে। পিছত মাধৱক এৰি দি হৰিক প্ৰাণদণ্ড দিয়ে!

(খ) এই পুথিৰেই ৪ৰ্থ খণ্ডত (২৫০১—২ পদ) লিখা আছে যে, শঙ্কৰৰ জোৱায়েক হৰি এশলোকৰ ওপৰত শইকীয়া আছিল। ৰজাৰ

আদেশত হাতীধৰালৈ মানুহ নিদিয়া খঙত ভূঞাঁসকলক ধৰি নিবলৈ সন্দিকৈক পঠাই দিয়ে। তেতিয়া শঙ্কৰদেৱ প্ৰমুখ্যে ভূঞাঁসকল পলাই যায়। শেষত, মাধৱ আৰু হৰিক ধৰি নি, মাধৱক মুক্তি আৰু হৰিক বধ কৰোৱা হয়।

(গ) ভূষণ দ্বিজৰ চৰিত পুথিৰ মতামতো ওপৰত (ক) উল্লেখ কৰা কাহিনীৰ লগত মিলে। (ঘ) ৰামানন্দৰ গুৰুচৰিত্ৰ মতে, ভূঞাঁৰ ফালে হাতী পলাই যোৱাত ভূঞাঁ সকল ঘৰলৈ গুচি আহিল। এই বাতৰি শুনি ৰজাই ভূঞাঁসকলক ধৰি নিবলৈ সন্দিকৈক পঠায়। তেওঁ অহা খবৰ শুনি ভূঞাঁ সকল পলাই যায়। সন্দিকৈয়ে মনু আদি কেইজনমান ভূঞাঁক বন্দী কৰে। শঙ্কৰদেৱেও গতি বিষম দেখি পলাই যায়। মাধৱদেৱে শঙ্কৰৰ ঘৰৰ গৃহস্থ বুলি সন্দিকৈৰ হাতত ধৰা দিয়ে। শেষত বিচাৰৰ ফলাফল স্বৰূপে, মনুৰ প্ৰাণদণ্ড হয়। কেৱল মাধৱ দেৱে ভিখাৰী বুলি ৰক্ষা পায়।

ৰামানন্দৰ মতে শঙ্কৰৰ জীয়েকৰ নাম হৰিপ্ৰিয়া আৰু জোৱাঁয়েকৰ নাম মনু। কিন্তু অন্যান্য পুথিত, ইয়াৰ ওলোটাটোহে আছে।

ধুঞাঁহাটাত শঙ্কৰদেৱ থাকোতো সকলো ভূঞাঁ আহি তাত আছিলহি। শঙ্কৰদেৱৰ জোঁৱায়েক মনু (হৰি নামতকৈ মনু নামেই—বেচি সঙ্গত) তেওঁলোকৰ ওপৰত শইকীয়া আছিল। সেইবাবেই চৰিত পুথিবিলাকত-তেওঁক ধৰি নিয়াৰ কথা লিখিছে। ইয়াৰ পৰা এইটো বুজা যায় যে ৰজাই হাতী ধৰিবলৈ মানুহ বিচৰাত ৰাজ আজ্ঞা নামানি মানুহ নপঠোৱাই মনুৰ প্ৰধান দোষ। সেই কাৰণে মনু আৰু তেওঁৰ শহুৰেক শঙ্কৰদেৱ উভয়কে ধৰি নিবলৈ সন্দিকৈয়ে যত্ন কৰিছিল। শঙ্কৰদেৱ পলাই যোৱাত, মাধৱকে পাই ধৰি নিযে। হাতী পলাই যোৱা দোষত মানুহক প্ৰাণদণ্ড দিয়া বৰ অযুক্তিৰ কথা বুলি অনুমান হয়।

## —মাধৱদেৱ-হৰিজোঁৱাই বন্দী—

পলাইলা শঙ্কৰদেৱ জোৱাঁইক এৰিয়া।
মাধৱে সহিতে দুইকো আসামে ধৰিয়া ॥১॥
নিলেক দুইহাঙ্কো নিয়া বন্দী কৰি থৈল।
শুনা তাতপাছে তৈত যেন কথা ভৈল॥
কাটিবে আসামে দুয়োজনে হেন শুনি।
দুইকো দুই বচন বোলন্ত মনে গুণি ॥২॥
মোক আগে কাটে নাম সুমৰাইবা তুমি।
তোমাক কাটয় সুমৰাইবো আমি॥
শঙ্কৰৰ জমাইক বুলিলা সৰ্ব্বলোক।
নকাটিবে ক্ষতি কিছু আনিয়া দিয়োক ॥৩॥
তেহে ক্ষতি দিবে লাগি ভৰসা কৰিল।
দুইচাৰি শত দিবে অনুমতি দিল॥
এহি কথা মাধৱদেৱে যে শুনিলন্ত।
কি কৰিবাক খোজা বুলি পুছিলন্ত ॥৪॥
পৰম দুৰ্ল্লভ মৃত্যু মিলিল আমাৰ।
কিবা কাৰ্য্য আছে আক দূৰ কৰিবাৰ॥
অজ্ঞান স্বৰূপ মৃত্যু জ্ঞানৰূপ ভৈল।
তেঁহে শুনি মাধৱক প্ৰশংসা কৰিল ॥৫॥
কিনো উপকাৰ বাপ কৰিলা আমাক।
কত ভাগ্যে পাই জ্ঞান মৃত্যু বৰিবাক॥
কতিপয় দিন বন্দী হুয়া আছে তথা।
অনন্তৰে আসামে পুছিলা দুইতো কথা ॥৬॥

তোৰা দুইব কোন আছে কহিয়োক পাছে ।
শঙ্কৰৰ জমাই বোলে মোৰ সব আছে ॥
ভাই ভাৰ্য্যা নফৰ চাকৰ নিৰন্তৰ ।
হাল গৰু গাই খেত ভূঁই বাৰীঘৰ ॥৭

—মাধৱদেৱৰ মুক্তি—

বোলন্ত মাধৱদেৱে মোৰ কিছু নাই ।
উদাসীন একেশ্বৰ দেখ সমুদায় ।
হেন শুনি মাধৱদেৱক এৰি দিল ।
মাধৱে তাহাঙ্ক স্নেহে লাগ ন ছাড়িল ॥৮॥
চক্ষু ঠাৰে অসমো বোলয় পলা তই ।
মাধৱে বোলন্ত খানিতেক থাকো মই ॥
ইহাঙ্ক কাটিলে যেবে তেবে মই যাইবো ।
কাটিবাৰ বেলা মই নাম সুমৰাইবো ॥৯॥
এৰি দেস যদি একেলগে দুয়ো যাইবো ।
যদি কাট একেলগে দুই হান্তে মৰিবো ॥
শুনি মাধৱক এৰি অসম গৈলেক ।
তাঙ্ক নিয়া কাটিবাক বান্ধি পেলাইলেক ॥১০॥

—হৰিজোঁৱাইৰ প্ৰাণদণ্ড—

তেঁহে বুলিলন্ত খানিতেক নকাটিবি ।
হাত বাৰ দিলে মই তেখনে কাটিবি ॥
মাধৱে কাণত ৰামনাম শুনাৱন্ত ।
আপুনিয়ো উচ্চ কৰি ৰামনাম লন্ত ॥১১॥
ৰামনাম লৈলে পুলকিত ভৈল গাৱ ।

সেহি সময়ত তেঁহে দিলা হাতবাৱ ॥
দেখিয়া অসমে ঘাৱ মাৰি কাটিলেক।
কটা মূৰে তিনিবাৰ ৰাম বুলিলেক ॥১২॥
কান্দন্তে মাধৱদেৱ গৈলন্ত উলটি ।
শঙ্কৰদেৱৰ আগে কহিলা প্ৰকটি ॥
যেন মতে মাধৱদেৱক এৰি দিল
যেনমতে শঙ্কৰৰ জমাইক কাটিল ॥১৩॥
যেনমতে তাঙ্ক নাম সুমৰাইলা তথা ॥
যেনমতে ৰাম বুলিলেক কটা মাথা ॥
শুনিয়া শঙ্কৰদেৱে বিষাদ কৰিল ।
মাধৱ যাইবাৰ দেখি হৰিষ মিলিল ॥১৪॥

---

# সপ্তবিংশ অধ্যায়

## —শ্ৰাদ্ধ নিষেধৰ গোচৰ—

অনন্তৰে যেন ভৈল তাক শুনিয়োক।
অসম ৰজাত লগাইলেক বিপ্ৰলোক ॥
শূদ্ৰ এক গোটা নাম শঙ্কৰ আছয় ।
শ্ৰাদ্ধ বিধি কৰিবাক লোকক নেদয় ॥১॥
পাষণ্ড আচাৰে ৰাজ্য নষ্ট কৰিলেক।
নিৰন্তৰে লোকে ধৰ্ম্ম কৰ্ম্ম এৰিলেক ॥

হেন শুনি ৰাজা শঙ্কৰক নিয়াইলেক।
দ্বিজগণ সমে তাৰ চাঙ্গ তুলিলেক ॥২॥

—ৰাজ সভাত বিচাৰ—

তুৰবাক বোলে ৰাজা পুছ শঙ্কৰত।
ৰাজ্য নষ্ট কৰিলেক কহে দ্বিজ যত ॥
তুৰবা আসিয়া পুছিলেক শঙ্কৰত।
বোলন্ত শঙ্কৰে পুছ ব্ৰাহ্মণ সবত ॥৩॥
কেনমতে মোত হন্তে ৰাজ্য নষ্ট হয়।
শুনি দ্বিজ সবত গৈ তুৰবা পুছয় ॥
শুনিয়ো ব্ৰাহ্মণ সব কহিবাহা নিষ্ঠ।
কেন মতে শঙ্কৰে কৰিলে ৰাজ্য নষ্ট ॥৪॥
দ্বিজ সবে বোলয় শঙ্কৰে দেয় হাক।
সমস্তে লোককে শ্ৰাদ্ধ বিধি কৰিবাক ॥
এহি কথা দ্বাৰী গৈয়া ৰাজাত কহিল।
শ্ৰাদ্ধ কাক বোলে বুলি ৰজাই পুছিল ॥৫॥

—শ্ৰাদ্ধ কাক বোলে—

দ্বাৰী বোলে মৰাক বঢ়াই বস্তু যত।
গুৱা পান কল চাউল দধি দুগ্ধ বস্ত্ৰ ॥
তাক সবে নিয়া পাছে ব্ৰাহ্মণ ভুঞ্জয়।
শ্ৰাদ্ধ বুলি ব্ৰাহ্মণ সকলে তাকে কয় ॥৬॥
শুনিয়া আসাম ৰাজা ভৈলা কোপমন।
মৰাক বঢ়াৱা চাউল কৰয় ভোজন ॥

কাউৰ ডকোৱা সম চুইবে নলাগয় ।
শঙ্কৰে কৰিবে শ্ৰাদ্ধ ভালেতো নেদয় ॥৭॥

—ব্ৰাহ্মণৰ পৰাজয়—

মৰাৰ চাউল খাইবাক নপাই শঙ্কৰক ।
বোলে নষ্ট কৰিলন্ত সমস্ত ৰাজ্যক ॥
খেদাৱো চাঙ্গৰ পৰা নমায়া এখন ।
হেন শুনি আপুনি নামিলা বিপ্ৰগণ ॥৮॥
লাজ হুয়া সমস্তে গৃহক লাগি গৈল ।
শঙ্কৰ সহিতে আউৰ বিবাদ ন ভৈল ॥
শঙ্কৰক আসাম ৰাজায়ে প্ৰশংসিল ।
অনন্তৰে গৃহক লাগিয়া পঠাই দিল ॥৯॥
এহিমতে শঙ্কৰৰ মহিমা অনন্ত ।
কোনে কহি সাৱশেষে কৰিবেক অন্ত ॥
তথাপিতো শুনা সবে কহোঁ কিছুমান ।
আছন্ত শঙ্কৰদেৱ ধূৱাঁহাটা থান ॥১০॥

---

# অষ্টাবিংশ অধ্যায়

## ধূৱাঁহাটাৰ পৰা বৰপেটালৈ যাত্ৰা

নৰনাৰায়ণ নামে আছে এক ৰাজা ।
পৰম পণ্ডিত ধৰ্ম্ম পন্থে পালে প্ৰজা ॥
শুক্লধ্বজ নামে তান ভাই শোভনয় ।

ধুৱঁাহাটা হন্তে শুনে লোক সমস্তয় ॥১॥

—নৰনাৰায়ণৰ আসাম আক্ৰমণ—

গীত কৰিতা গুণ শুনয় ৰাজাৰ।
তাৰে ৰাজ্য যাইবে মন সমস্তে প্ৰজাৰ।
সেহি সময়ত নৰনাৰায়ণ ৰজা।
মাৰিবে আসাম ৰাজ্য সাজি গৈলা প্ৰজা ॥২॥(১)
আগ হুয়া লোক পাছে কৰি বাৰ্ত্তা দিলা।
আপোন ইচ্ছায়ে লোক সমস্তে আসিলা ॥
যাৰ যত বিত্ত নাৱ ভৰায়া আনিলা।
শুনা সবে আৰো যেন বৃত্তান্ত মিলিলা ॥৩॥

—শঙ্কৰদেৱৰ ধুৱঁাহাটা ত্যাগ—

যেখন শঙ্কৰদেৱ নাৱত চৰিলা।
দুগুটি ভকতে বহু কাতৰ কৰিলা ॥
আমাক নিয়োক আতা যাইবোঁ নাৱ বাই।
শঙ্কৰে বোলন্ত উঠিবাৰো ঠাই নাই ॥৪॥
নধৰয় নাৱ বোপা পাছত আসিবা।
খানিতেক থাকা আসিবাক নাৱ পাবা ॥
এহি বুলি লৰিয়া শঙ্কৰদেৱ গৈলা।
বিষাদিত মনে তাৰা দুয়োজন ৰৈলা ॥৫॥
মাধৱদেৱ যে ভটিয়াই আসিবেক।
তিনি গিৰি মিলি কিনিলন্ত নাৱ এক ॥

(১) ১৪৬৮ শক বা ১৫৪৬ খৃষ্টাব্দ (কোচবিহাৰেৰ ইতিহাস—১০২ পিঠি)

তিনি ভাগ বস্তু জাত ভৰা তাত দিলা।
মাধৱ দেৱৰ ভাগ কিছু শূন্য ৰৈলা ॥৬॥
আৰো একজনে বোলে আত মোক নিয়ো।
যতখানি কড়ি আসে ভাগ কৰি লৈয়ো ॥
মাধৱে বোলন্ত মোৰ সৰ্ব্বস্ব আছয়।
নপাৰিবো নিব বাপু বুলিলো নিশ্চয় ॥৭॥

—মাধৱদেৱৰ-ভক্ত-প্ৰীতি—

এহি বুলি নাৱ ভৰা দিয়া লৰিলন্ত।
কতোক্ষণে লাগ দুয়ো ভক্তক পাইলন্ত ॥
দেখি তাৰা দুয়ো বোলে আমাক নিয়োক।
মাধৱে বোলন্ত আসা আসা উঠিয়োক ॥৮॥
লগৰ সকলে বোলে ন লাগে ন লাগে।
মাধৱে বোলন্ত আসিয়োক মোৰ ভাগে ॥
এহি বুলি মাধৱে নাৱক ৰাখিলন্ত।
পাছে দুয়ো ভকতক নাৱে তুলিলন্ত ॥৯॥
উঠিবাক নাটে ঠাই মাধৱে দেখিয়া।
তুলিলা ভক্তক জপা গোটেক পেলায়া ॥
এহি কথা শঙ্কৰদেৱে যে শুনিলন্ত।
মাধৱক প্ৰশংসা বচন বুলিলন্ত ॥১০॥
সাধু সাধু মাধৱ কৰিলা বৰ কৰ্ম্ম।
তুমি সে জানিলা বাপু ভকতৰ মৰ্ম্ম ॥
আনো নানা মত বহু প্ৰশংসা কৰিলা।

শুনা আত পাৰে যেন বৃত্তান্ত মিলিলা ॥১১॥
এহিমতে ভটিয়াই নদীত আসন্ত।
যৈতে ৰাত্রি হোৱে সবে তহিতে ৰহন্ত ॥
বাসা সাজি ঠাই আৱতাই নিত্যাগত।
শঙ্কৰক ভোজন কৰান্ত প্ৰথমত ॥১২॥
শঙ্কৰদেৱৰ শয্যা পাৰিলন্ত যেবে।
প্ৰতিদিন মাধৱে ভোজন কৰা তেবে ॥
দিনেক মাধৱদেৱ আগে গৈয়া বৈলা।
শঙ্কৰদেৱক লাগি বাসা সাজি থৈলা ॥১৩॥
আখা পাতি ঠাই আৱতাই পুনৰ্ব্বাৰ।
বাসা সাজি ঠাই আৱতাই আপোনাৰ ॥
তভো আজি শঙ্কৰদেৱ যে নপাইলন্ত।
দেখিয়া মাধৱ ভাত ৰান্ধিবে গৈলন্ত ॥১৪॥

—মাধৱদেৱৰ গুৰুভক্তি—

হেন ভাত থকবক কৰি উতলয়।
আসিয়া শঙ্কৰদেৱ পাইলা সি সময় ॥
ন ৰাখিয়া নাৱ নদী ভটিয়াই যান্ত।
দেখিয়া মাধৱদেৱে মাত লগাইলন্ত ॥১৫॥
বাসা সাজি ঠাই আৱতাই আখা পাতি।
আছোঁ, ৰহিয়োক আসি কৈক যাও ৰাতি ॥
শঙ্কৰে বোলন্ত ঐত ঠাই ভাল নাই।
মাধৱে বোলন্ত আতা ভাল এহি ঠাই ॥১৬॥
ভাল নুহি বুলি যে শঙ্কৰ ন ৰহিলা।

মাধৱক চাহি হাসি নদী ভাটি দিলা ॥
শঙ্কৰ যাইবাৰ দেখি হোৱা ভাত এৰি ।
তেতিক্ষণে মাধৱদেৱ গৈলন্ত লৰৰি ॥১৭॥
এক মেৰ ভাটি দিয়া শঙ্কৰ ৰহিলা ।
তিলক্ষণ অন্তৰে মাধৱ আসি পাইলা ।
মাধৱক দেখি দেৱ শঙ্কৰে পুছিলা ।
এখনে মাধৱ আইলা ভাত কি কৰিলা ॥১৮॥
মাধৱ বোলন্ত যৈত নৰহিলা তুমি ।
তৈত কি ভোজন আৰ কৰিবোহোঁ আমি ॥
শঙ্কৰে বোলন্ত তেবে অকাৰ্য্য কৰিলো ।
কূট বুদ্ধি কৰি মই ভটিয়াই আইলো ॥১৯॥
মই বোলো মাধৱে ভোজন কৰিবন্ত ।
পাছতেসে আমাৰ পাশক আসিবন্ত ॥
এহু কৰি ভাত এৰি আসিবাহা যেবে ।
আমিও তহিতে ৰহিলো হন্তে তেবে ॥২০॥

—বৰপেটাত ৰস বাস—

আনো নানা বহুবিধ বচন বুলিলা ।
পালন্দিত আসি দেৱ শঙ্কৰ ৰহিলা ॥
হালধীয়া হন্তে আসি নাৰাণ ঠাকুৰ । (১)
তহিতে পাইলন্ত লাগ শঙ্কৰদেৱৰ ॥২১॥
যেনমতে পাইলা মহা বাহুল্যক ভয় ।
নুতুলিলোঁ তাক আত জানা সাধুচয় ॥

(১) নাৰায়ণ ঠাকুৰ ।

বাৰাদি গ্ৰামত মাধৱ ৰহিলন্ত ।
বুঢ়াদলৈ ঘৰে কতোদিন আছিলন্ত ॥২২॥
পালন্দিৰ পৰা বৰপেটা লাগি যাই ।
লৈলন্ত শঙ্কৰে গৈয়া বাউসীত ঠাই ॥
বৎসৰেক মাত্ৰ পালন্দিত আছিলন্ত ।
কৰি বাৰীঘৰ পাটবাউসীক গৈলন্ত ॥২৩॥

**—মাধৱদেৱৰ মাতৃবিয়োগ—**

বাৰাদিৰ পৰা নিতে মাধৱ আসন্ত ।
শঙ্কৰদেৱত কৃষ্ণ কথাক শুনন্ত ॥
কতোদিন বাৰাদিত মাধৱ আছন্ত ।
সেহিখানে মাধবৰ মাতৃ মৰিলন্ত ॥২৪॥
ৰামদাস সমে সৎকাৰ কৰিলন্ত ।
ত্ৰিদশাক কৰি দান দক্ষিণা দিলন্ত ॥
শুদ্ধি শ্ৰাদ্ধ কৰি ৰামদাস সমে দুই ।
আছা বাৰাদিতে দুয়ো মৎস্য মাংস চুই ॥২৫॥

**—মাধৱদেৱৰ একাদশী দোষ—**

একদিন মাধৱৰ ভৈল উপবাস ।
আউৰ দিন গৈলা দেৱ শঙ্কবৰ পাশ ॥
প্ৰভাতে কৰিয়া স্নান সাজি চাউল গুটি ।
ভোজন কৰিয়া পান কৰি জল ফুটি ॥২৬॥
ভৈলন্ত প্ৰবেশ গৈয়া মাধৱ যেখনে ।
বুলিলা শঙ্কৰদেৱে হাসিয়া তেখনে ॥
মাধৱ তোমাৰ মুখ দেখিয়ো চিকণ ?

কহিয়োক কি কৰি আছাহা ভোজন ॥২৭॥
মাধৱে বোলন্ত কালি উপবাস দিল।
প্ৰভাত সময়ে আজি ক্ষুধায়ে ধৰিল ॥
স্নান কৰি ভোজন কৰিলো চাউল গুটি।
আসিলোহোঁ ঐক পান কৰি জলমুটি ॥২৮॥
বোলন্ত শঙ্কৰদেৱে বাৰুটো কৰিলা।
একাদশী দিনে অন্ন প্ৰভাতে ভুঞ্জিলা ॥
অগ্নি আছে জঠৰে উদৰে চৰু ভৈলা।
চাউল জল দিয়া অন্ন বসায়া আসিলা ॥২৯॥
খাৰ তেল আঞ্জা দিয়া কৰিয়ো ব্যঞ্জন ;
একাদশী দিনে হৌক সম্পূৰ্ণ ভোজন।
এহিবুলি শঙ্কৰদেৱে যে খঙ্গিলন্ত।
ন মাতি মাধৱদেৱে মৌনে ৰহিলন্ত ॥৩০॥ (১)

---

(১) একাদশীতে ভাতখোৱা কথাটোৱে আটাই বিলাক চৰিত পুথিতে আলোচ্য বিষয়ৰূপে ঠাই পাইছে।

ভূষণ দ্বিজই (১৩১ পৃ) আত অনন্তৰে কথা শুনা সৰ্ব্বজনে।
মাধৱক শঙ্কৰে খঙ্গিলা যিকাৰণে ॥৫১৭॥ বুলি

মাধৱদেৱে একাদশীত ভাত খোৱাৰ কথা বৰ্ণনা কৰিছে।

উৰ্দ্ধক চাহিলোঁ বেলি ভৈল নৱঘটি।
ক্ষুধায়ে পীড়িলে যেন প্ৰাণ যায় ফুটি ॥
শুখাই ওষ্ঠ কণ্ঠ মই ভৈলো বৰ আউল।
পানী সমে গিলিলোহো এক পোহা চাউল ॥

মাধৱৰ এই স্বীকাৰ উক্তি শুনি শঙ্কৰদেৱৰ বৰ খঙ উঠিল। আৰু মাধৱৰ মুখ নেচাওঁ বুলি পিঠি দি ৰহিল। অন্ন পৰ পিচত খঙ মাৰ গলত, ব্ৰহ্মবৈবৰ্ত্তপুৰাণ, কূৰ্ম্মপুৰাণ আদিৰ প্ৰমাণ দি একাদশী ভোজনৰ পাপৰ কথা কয়। মন কৰিব লগীয়া যে ইয়াত শুক্লা কৃষ্ণা দুয়োটা সমানে পালনীয় বুলি কোৱা হৈছে। — যেন শুক্লা তেন কৃষ্ণা সমতুল্য হয় ॥

ইহাক বিভেদ যিটো কৰয় সম্প্ৰতি।
মৰিয়া বিষ্ঠাৰ পলু হুইবেক সম্প্ৰতি ॥

পাছে কতোদিনে বাৰাদিক এৰিলন্ত।
বৰপেটা কলবাৰী খেলক গৈলন্ত॥
ৰামদাস মাধৱদেৱৰ বহিনাই।
গণক পাৰাতে দুয়ো ৰহিলন্ত যাই॥৩১॥

—চণ্ডালৰ মুখত হৰিনাম—

দিনেক শঙ্কৰদেৱ চড়িয়া নৌকাত।
যান্তে শুনিলন্ত সেহি সময়ে সাক্ষাত॥
চাণ্ডাল জনেক মাছ মাৰিয়া আসয়।
নাৱে চৰি কৃষ্ণ কৃষ্ণ ডাকিয়া বোলয়॥৩২॥
নাৱ ৰাখি কাণ পাতি উনাৱন্ত তাক।
অনন্তৰে শঙ্কৰে বুলিলা হেন বাক॥
দ্বাদশ গুণীয়া বিপ্ৰো আক নোহে সম। (১)

---

(১) দ্বাদশ গুণীয়া বিপ্ৰ কি সঠিক বুজা না যায়। ব্ৰাহ্মণৰ ন গুণ ৰামচৰণ ঠাকুৰেও একাদশীত ভাত-মাছ খোৱাৰ বিষয় বৰ্ণনা কৰিছে। কিন্তু মাধৱদেৱৰ সম্পৰ্কত নহয়। পাটবাউসীত কৰলা বাঢ়ৈ নামে এজন ভক্তই একাদশী ব্ৰত পালন কৰা জানি, ৰাঘবেন্দ্ৰ নামে একজন সন্ন্যাসীয়ে তেওঁক সেই ব্ৰতৰ মূল্য নাই বুলি কৈছে—শুকৰে একদশ স্কন্ধত লিখিছে—

শুকৰে লিখিছে তাতে নপাই একাদশীব্ৰতে
নপাউ মোক যোগ আৰু যাগে।
খাইবৈ পুষ্ট হৈ থাকি নামক লই
কষ্টব্ৰত কৰিব নালাগে॥

ৰাঘবেন্দ্ৰৰ কথাত বাঢ়ৈয়ে মাছ লৈ আহে। বাটত শঙ্কৰদেৱে লগ পাই এই কথাৰ কাৰণ শোধাত, তেও ৰাঘবেন্দ্ৰৰ উক্তি আৰ একাদশৰ কথা কৈ দিয়ে। শঙ্কৰদেৱে আশ্চৰ্য্য মানি নিজে ৰচা একাদশৰ পদ মেলি চাই

এহিজন পুৰুষ সবাতো উত্তম ॥৩৩॥

—গৰখীয়াৰ মুখত কৃষ্ণনাম—

এহি বুলি চণ্ডাল গোটেক প্ৰশংসিলা।
অনন্তৰে চলিয়া শঙ্কৰদেৱ গৈলা ॥
আৰো একদিনা পথে কৰন্ত গমন।
গৰু চাৰিবাক লাগি আছে শিশুগণ ॥৩৪॥
এগুটি ছৱালো বহু কৃষ্ণ বুলিলেক।
ৰহিলা শঙ্কৰদেৱ শুনিয়া এতেক ॥
প্ৰেম পৰশিলে জুৰে লোতক নয়নে।
আনন্দতে বুলিলন্ত প্ৰশংসা বচনে ॥৩৫॥
কিনো মহাভাগ্য আসি লোকৰ মিলিল।
বালকো বান্ধৱ কৃষ্ণ বুলিয়া জানিল ॥

---

কথা সচা বেন দেখি খঙৰ বেগত কটাৰীৰে তাক কাটিব খোজোতেই জানিবা মাধৱদেৱ আৰু নাৰায়ণ ঠাকুৰ আহি ওলালহি।—

নাৰায়ণে বোলে মাতি　　পদ বাক হৈছে অতি
　　গুছালে আৰু হব অধৰ্ম্ম।
অন্নগতা কলি প্ৰাণ　　শক্তি নাই ব্ৰত ধ্যান
　　নামেই কলিৰ নাম ধৰ্ম্ম ॥৩৫৪৫॥

ইয়াকে শুনি একাদশ না কাটিলে। আকৌ এবাৰ বলোৰাম নামে এজন ভক্তই আগদিনা গধূলি উপবাসে থাকি পাছদিনা একাদশী ব্ৰত পালন কৰাৰ ফলত লালকাল হৈ পৰিল। প্ৰসাদৰ সময়ত শঙ্কৰদেৱে জানিব পাৰি জলপান খুৱাইহে সুস্থ কৰে॥ দৈত্যাৰিঠাকুৰে একাদশৰপদৰ বিকৃত ব্যাখ্যা কৰাৰ কাহিনী ৩১ অধ্যায় ২১-২৪ পদত এজন ব্ৰাহ্মণৰ সম্পৰ্কে উল্লেখ কৰিছে।

এহিবুলি ৰামকৃষ্ণ নাম উচ্চাৰিয়া ।
গৈলন্ত শঙ্কৰদেৱ আনন্দ কৰিয়া ॥

## —বেহাৰ গমন

পাছে এককালে বেহাৰক চলি গৈলা ।
চিলাৰায় দেৱানৰ থানে গৈয়া ৰৈলা ॥
এক দৰজীক দিলা দোগলা সিবাক ।
চাৰিবাহু দিয়া সিটো দোগলা সিলেক ॥৩৭॥
শঙ্কৰদেৱক নমস্কাৰ কৰি দিল ।
আপুনি শঙ্কৰদেৱে মেলিয়া চাহিল ॥
দৰজীক বোলন্ত কৰিলি দেখোঁ কেন ।
সিয়ো বোলে সিলোঁ দেখিলো মই যেন ॥৩৮॥
শঙ্কৰে বোলন্ত দুই হাত দূৰ কৰ ।
দুইহাত ৰাখি মাত্ৰ আনগৈ সত্বৰ ॥
ইকথা আনত আৰু ন কহিবি তই ।
আস গৈয়া বস্ত্ৰ লইয়া কিছু দিবোঁ মই ॥৩৯॥
হেন শুনি দৰজী গুছাইল দুই হাত ।
দুই হাত ৰাখি দিল আনিয়া তথাত ॥
দৰজীক শঙ্কৰদেৱে এক বস্ত্ৰ দিলা ।
ন কহিবি বুলি তাক অনেক বুলিলা ॥৪০॥

# উনত্ৰিংশ অধ্যায়

—মাধৱদেৱৰ মনোবল—

কতোদিন মান বেহাৰত আছিলন্ত
পুনৰপি বৰপেটা লাগি আসিলন্ত ॥
কতোদিনে আছা বৰপেটাত হৰিষে।
থাকন্ত মাধৱদেৱ সঙ্গে অহর্নিশে ॥১॥
আনো ভক্ত সব যত থাকন্ত সতত।
কৃষ্ণ কথা শুনি সদা আনন্দ মনত ॥
দিনেক শঙ্কৰদেৱ ভক্ত সমে বসি।
আছন্তে বোলন্ত দেৱ মাধৱক হাসি ॥২॥
মোৰ আগে মাধৱ কহিয়ো নিষ্ঠ বাক।
মই যিবা কৰো তুমি কৰিবাহা তাক ॥
মাধৱে বোলন্ত বাক্য সমস্তে কৰিম।
একগুটি বাক্য মাত্ৰ বাপ ন কৰিম ॥৩॥
হাসি তুলি শঙ্কৰে বোলন্ত যাক আমি।
বোলও মাধৱ তাক ন কৰিবা তুমি ॥
পুনৰপি মাধৱে বোলন্ত মনে গুণি।
মোহৰ মনৰ কথা জানিছা আপুনি ॥৪॥

—মাধৱক বিয়া কৰিবলৈ আদেশ—

শঙ্কৰে বোলন্ত বিহা কৰিয়ো মাধৱ।
আমাৰ মনত তেবে মিলয় উৎসৱ ॥

শুনিয়া মাধৱদেৱে বোলে অৱনত ।
আক নুবুলিবা বাপ ধৰোঁ চৰণত ॥৫॥
তোমাঠৈৰ সঙ্গ আমি যি কালে লভিলোঁ ।
সেহিকালে জোৱোণৰ কন্যা এৰি আইলোঁ ॥ (১)
তোমাঠৈৰ পদ সেৱা কৰিবে ইচ্ছায় ।
এতেক বিবাহ কৰিবাক বাঞ্ছা নায় ॥
বিবাহ কৰিবে নুবুলিবাহা আমাক ।
ন কৰিবো এহি মানে মাত্ৰ তযু বাক ॥
মাধৱদেৱৰ হেন মত বাক্য শুনি ।
বোলন্ত শঙ্কৰদেৱ পুনু মনে গুণি ॥৭॥
বিষ্ণুপ্ৰিয়া নামে বেটী আমাৰ আছয় । (২)
তাকে তেবে বিবাহ কৰিয়ো মহাশয় ॥
হেন শুনি মাধৱে বোলন্ত পুনৰপি ।
শঙ্কৰদেৱৰ পাৱে মাথা গোট থাপি ॥৮॥
কাবৌ কৰোঁ নুবুলিবা বিহা কৰিবাক ।
আকে লাগি গুৰু মানি নাহিকে তোমাক ॥

---

(১)—ত্ৰয়োবিংশ অধ্যায়ত এই বিষয়ে বৰ্ণনা আছে ।

(২)—ৰামচৰণ ঠাকুৰৰ শঙ্কৰচৰিত (২২৪৪) আৰু ভূষণ দ্বিজৰ (৫০০ পি) মতে শঙ্কৰদেৱৰ কন্যাৰ নাম আছিল "ৰুক্মিণী" । দৈত্যাৰিঠাকুৰ ২৪।২০ ৰুক্মিণীনাম দিয়া হৈছে ।

৺বেজবৰুৱা কৃত "শঙ্কৰ মাধৱ"—৯৪ পিঠিত চাওক । মাধৱদেৱ সম্পৰ্কত শঙ্কৰদেৱৰ ভাগিন আছিল । মোগায়েকৰ কন্যাক বিয়া কৰাৰ প্ৰস্তাৱ অশোভনীয় যেন দেখি ।

যাক আশে গুৰু মানি আসিছো তোমাঠৈক।
তাক মাত্ৰ শিক্ষা আতা লাগয় দিবাক ॥৯॥
অনাদি জনম ভোগ কৰো বিষয়ক।
তাকে এৰাইবাৰ কহিয়োক উপায়ক ॥
হেন শুনি শঙ্কৰ হৰিষ মনে লৈলা।
মাধৱদেৱক পুনু বুলিবাক গৈলা ॥১০॥
অভুক্ত বৈৰাগ্য তুমি কৰিলা কিসক।
তুমি যেন মহামত্ত প্ৰমত্ত সিংহক ॥
বোলন্ত মাধৱদেৱে হৰিষে মনত।
তোমাঠৈৰ পদ সেৱা বল প্ৰসাদত ॥১১॥
আত হন্তে বাদ পৰিবাৰ শঙ্কা নাই।
তথু পাৱে স্থান মাত্ৰ দিবাহা সদায় ॥
মাধৱৰ বাণী শুনি শঙ্কৰ দেৱৰ।
মনত আনন্দ মহা ভৈল বহুতৰ ॥১২॥
সজ সজ বুলি আৰ ন মাতি ৰহিল।
শুনা আতপৰে যেন সম্বাদ মিলিল ॥

—শঙ্কৰদেৱক ভক্তি কৰাৰ পন্থা—

জন্তিৰ মাধৱ (৩) আৰ নাৰায়ণ ঠাকুৰ।
শঙ্কৰৰ লগে যান্ত পাছ কতোদূৰ ॥১৩॥
দুয়ো চাই অন্যো অন্যে কথা কহিলন্ত।
দুইহান্তৰো কথা দুইহান্তে নমানন্ত ॥

---

(৩)—নাৰায়ণ ঠাকুৰে জন্তিৰ মাধৱক শঙ্কৰদেৱৰ ওচৰলৈ লৈ আহে! আৰু তেৰাৰ ঠাইত শৰণ লোৱায়। (ভূষণ দ্বিজ—১৫৮ পৃঃ)

শঙ্কৰক যিটো দ্বেষ ভাবে সুমৰয় ।
সিয়োজনে মোক্ষ পাৱে নাৰাণে কহয় ॥১৪॥
জন্তিৰ মাধৱে বোলে যাইবে অধোগতি ।
এহিমতে কথা দুয়ো কহি যান্ত আতি ॥
উচ্চ উচ্চ কথা দুইৰো পৰিচ্ছেদ নাই ।
শঙ্কৰদেৱত দুয়ো পুছিলন্ত যাই ॥১৫॥
দুইহানৰো কথাক শঙ্কৰদেৱে শুনিলন্ত ॥
হাসিয়া শঙ্কৰদেৱে দুইকো বুলিলন্ত ॥
জন্তিৰ মাধৱে যিটো কৈলা ইটো নুই ।
নাৰায়ণে কৈলা যিটো ইটো কথা দুই ॥১৬॥
ইকথা আনত নকহিবা দুয়োজনে ।
হেন শুনি দুইহান্তৰে ৰঙ্গ ভৈল মনে ॥
শঙ্কৰদেৱৰ সঙ্গে গৈলা তাৰা দুই ।
বোলা শঙ্কৰ মাধৱ পাপে লাগোক জুই ॥১৭॥

---

# ত্ৰিংশ অধ্যায়

**—মাধৱদেৱক অপমান কৰাৱৰ চেষ্টা—**

ঝুমুৰি ॥

শুনিয়োক সাধু নৰ, কথা আত অনন্তৰ ॥
বুঢ়াদলৈ একদিনে, কীৰ্ত্তন কৰাইবে মনে ॥১॥

আগদিনা বুলিলেক, মাধৱক আসিবেক ॥
প্ৰভাতে মাধৱদেৱ, শঙ্কৰক কৰি সেৱ ॥২॥
বোলা যাওঁ বাৰাদিক, শঙ্কৰে বোলন্ত কিক ॥
কহিলা মাধৱে পাছে, বুঢ়াদলৈ মাতি আছে ॥৩॥
কৰাইব কীৰ্ত্তন আতি, দিলা যাইবে অনুমতি ।
বুলিলন্ত বিদ্যমান, হুইবা আজি সাৱধান ॥৪॥
শঙ্কৰক সেৱা কৰি, মাধৱ গৈলন্ত লৰি ॥
পাইলা গৈয়া বাৰাদিত, শুনা পাছে ভৈল যিত ॥৫॥
হৰি কথা সাঙ্গ ভৈল, লোক ঘৰাঘৰি গৈল ॥
পাছে দেৱ মাধৱক, বুঢ়াদলৈ পঠাইলেক ॥৬॥
জন চাৰি ভক্ত সমে, চলি যান্ত ৰঙ্গমনে ॥
বুঢ়াদলৈৰ বৰভাই, পথত লাগক পাই ॥৭॥
কৰিবাক মনে দন্দ, বুলিল বিস্তৰ মন্দ ॥
মাতে নানা অহঙ্কাৰ, কতো বোলে ধৰ মাৰ ॥৮॥
বোলে আজি যাইবি কই, আছন্ত মাধৱ ৰই ॥
মোহোৰ ভাতৃক তই, আজি কেন কৰো মই ॥৯॥
নাহি কিছু মন কষ্ট, বোলায় কৰিলি নষ্ট ।
নেদন্ত উত্তৰ তাক, নোবোলন্ত একোবাক ॥১০॥
আনো উপদ্ৰব যত, কহিলেক কৈবোঁ কত ॥
তথাপিতো কিছু বাক, নুবুলিলা চাই তাক ॥১১॥
মহন্তৰ ধৰ্ম্ম জানি, নুবুলিলা একো বাণী ।
অনন্তৰে সিটো প্ৰাণী, মনত বোলন্ত গুণি ॥১২॥
অত তিৰস্কাৰ শুনি, নুবুলিল ৰুষ্ট বাণী ।

হেন বিমৰিষ কৰি, গলত কাপোৰ ধৰি ॥১৩॥
মাধৱৰ চৰণতে, পৰি আছে দণ্ডৱতে ॥
বোলয় কাতৰ আতি, কাকুতি কৰয় মাতি ॥১৪॥
কৰিলোহোঁ মহাপাপ, ক্ষমা কৰিয়োক বাপ ।
নুহিকা মানুষ তুমি, নিশ্চয় জানিলো আমি ॥১৫॥
ইশ্বৰৰ অংশ তুমি, অপৰাধ কৈলো আমি ॥
ক্ষমিয়োক মোৰ দোষ, হুয়োক বাপ সন্তোষ ॥১৬॥
এহিবুলি আগে পৰি, দুহাতে চৰণ ধৰি ॥
কৰন্ত কাতৰ অতি, মাধৱে বোলন্ত মতি ॥১৭॥
চৰণক এৰা তুমি, সকল ক্ষমিলো আমি ॥
কৰি আছা কিবা মোক, নাহি ভয় উঠিয়োক ॥১৮॥
হেন শুনি সিটো জনে, অতিশয় ভয় মনে ॥
উঠি নমস্কাৰ কৰি, গৈল মাধৱক এৰি ॥১৯॥
মাধৱো ঘৰক গৈল, শুনা পাছে যেন ভৈল ॥
যেতিক্ষণে মাধৱক, সিটো আসি ধৰিলেক ॥২০॥
তেখনে ভকত গৈল, শঙ্কৰদেৱত কৈল ॥
শুনি দেৱ শঙ্কৰৰ, ভৈল ক্ৰোধ গুৰুতৰ ॥২১॥
হাঁ প্ৰাণ মাধৱক, নেই চণ্ড নগৰক ॥
ময়ো আজি দেখি যাওঁ, কি কৰে গৈয়া চাওঁ ॥২২॥
হেন সে কৰিবো তাক, নপাৰিব ৰহিবাক ॥
এহিবুলি লড়িলেক, মাধৱক দেখিলেক ॥২৩॥
আসিলা মাধৱ প্ৰাণ, কহিয়োক বিদ্যমান ॥
বাৰাদিত কিবা ভৈল, মাধৱো সমস্তে কৈল ॥২৪॥

কৰিলা মাধৱ সেৱ,
বুলিলা শঙ্কৰদেৱ ॥
বোলা হৈবা সাৱধান,
পাইলা তাৰ পৰমাণ ॥২৫॥
মাধৱে শুনি হাসিলন্ত,
কি আশ্চৰ্য্য বুলিলন্ত ॥
তোমাঠৈৰ চৰণত,
শুনা সাধু সব যত ॥২৬॥
সুমৰিলো কিছুমান,
ক্ষমিয়োক মহাজন ॥
শঙ্কৰ মাধৱ হৰি,
বুলি যায়ো ভৱতৰি ॥২৬॥

---

# একত্ৰিংশ অধ্যায়

## —মাধৱদেৱৰ একান্ত বিশ্বাস—

একদিনা শঙ্কৰ মাধৱ দুয়োজন ।
কোনখানে যান্ত লগে লই ভক্তগণ ॥
গোটেক মহিষ ৰহি আছয় পথত ।
সহিতে শঙ্কৰদেৱ সমস্ত ভকত ॥১॥
তাক এড়াইবাক পাথাৰে লড়িলন্ত ।
মৈষক সম্মুখে দেৱ মাধৱ চলন্ত ॥
কোনো ভক্তে মাধৱক বুলিলা বচন ।
জীয়া যমগোটা আছে যাস কিকাৰণ ॥২॥
মাধৱে বোলন্ত—ইটো কি কৰিবেক ।
কালে মৃত্যু ধৰে যেবে তেবে মৰিবেক ॥
খঙ্গিলা শঙ্কৰদেৱে ইটো কথা শুনি ॥
আনে নজানয় আক এহেঁ মাত্ৰ জানি ॥৩॥

—শঙ্কৰদেৱৰ যুক্তিবাণী—

সৰ্প ব্যাঘ্ৰাদিয়ে যদি খেদিয়া মাৰয় ।
কাল মৃত্যু আদি তাক কহিবে পাৰয় ॥
মুহি সৰ্প ব্যাঘ্ৰ আসি খেদি যাই যিটো ।
মৰিলো জানিবা তাক আত্মঘাতী সিটো ॥৪॥
হেন শুনি উলটিয়া মাধৱ আসিলা ।
শঙ্কৰ যিমতে যান্ত সেহিমতে গৈলা ॥
আৰো এক কথা কহোঁ শুনা সাধু যত ।
আছন্ত শঙ্কৰদেৱ গৈয়া বেহাৰত ॥৫॥

—সীতাস্বয়ম্বৰ নাট—

শঙ্কৰদেৱৰ মুখে শুনি কৃষ্ণ কথা ।
দেৱানো শৰণ লৈলা শঙ্কৰত তথা ॥
দেৱানৰ বাণী শুনি সীতা স্বয়ম্বৰ ।
ৰামায়ণ অঙ্ক (১) কৰি দিলন্ত শঙ্কৰ ॥৬॥

---

(১) দ্বিজ ৰামানন্দই গুৰুচৰিতত (২৭,৮২) লিখিছে :—

"ৰামৰ বিবাহ কথা সীতা স্বয়ম্বৰ ।
অঙ্কক লিখিলা তৈতে শ্ৰীমন্ত শঙ্কৰ ॥
শুক্ৰধ্বজ নৃপতিকো অঙ্কে নিবন্ধিলা ।
অঙ্কতে শ্লোকক কৰি অঙ্ক সমাপিলা ॥

দৈত্যাৰি ঠাকুৰৰ মতে, এই নাট শঙ্কৰদেৱে ২য় বাৰ তীৰ্থযাত্ৰাৰ আগতে লিখে। কিন্তু দ্বিজ ৰামানন্দৰ মতে, ২য় বাৰ তীৰ্থযাত্ৰাৰ পৰা উলটি আহি হে লিখিছিল। সীতা স্বয়ম্বৰ নাটৰ অন্তত লিখা শ্লোকৰ মতে নাটৰচনাৰ সময় ১৪৯০ শক। গতিকে দ্বিজ ৰামানন্দৰ কথাত যুক্তিসঙ্গত। এই শকতে শঙ্কৰদেৱে বৈকুণ্ঠ প্ৰয়াণ কৰে। দৈত্যাৰিঠাকুৰে কথা আগা-পিছা কৰিছে।

বৰপেটা আসিবাক নাৱ ভৰা দিয়া ।
চলিলা শঙ্কৰদেৱ নাৱত চৰিয়া ॥
আৰো এক নাৱতে ঠাকুৰ ৰামানন্দে ।
চলি যান্ত দিনা তিন চাৰি যে আনন্দে ॥৭॥

**—পচা মাছ ভক্ষণ—**

অনন্তৰে ব্ৰহ্মপুত্ৰ নদী পাইলা আসি ।
দেখিলন্ত মৎস্য একগোটা যায় ভাসি ॥
ৰামানন্দ ঠাকুৰে আনিবে মন গৈলা ।
বৰ কু'য়া দেখি পুনু উলটি আসিলা ॥৮॥
পাছত শঙ্কৰদেৱ আসিয়া পাইলন্ত ।
লগৰ লোকক মৎস্য লৈবে বুলিলন্ত ॥
কু'য়া দেখি লোকে বোলে নলাগে নলাগে ।
লৈয়ো মাছ শঙ্কৰে বোলন্ত খঙ্গি ৰাগে ॥৯॥
শুনি তাৰা মৎস্য লৈয়া নাৱ বাই যাই ।
ৰামানন্দে পুছন্ত মৎস্যৰ গন্ধ পাই ॥
—ওঁহ-কি গন্ধাই বুলি মনে জানিলন্ত ।
সেহি কু'য়া-মাছ পাই আতা আনিলন্ত ॥১০॥
ৰামানন্দে বোলে আতা আনিলাহা কিক ।
সহিবে নপাৰি গন্ধে ফুটে যেন নাক ॥
শঙ্কৰে বোলন্ত মৎস্য নপাই এৰিবাক ।
ভাল নুহি তাত বাপু আনিলো ইহাক ॥১১॥
ভাল চাই এখন বালিত ৰহিলন্ত ।
৯　ঠাই আৱতাই খৰি পাত আনিলন্ত ॥

জলত দাবৰ পাতি মৎস্য তুলি ধৰি।
জলক চেপিলা দুই হাতে টান কৰি ॥১২॥
মৎস্যৰ যতেক সত ধাৰে বহি পৰে।
মুখে মুখে দুয়ো গোটা ভৰিল দাবৰে ॥
হাড় চাল মাত্ৰ ৰৈল তাক পেলালন্ত।
আধা পাতি মৎস্যৰ সতক পাগিলন্ত ॥১৩॥
ভৈল সবে গোট পাছে থালে নমাইলন্ত।
জুৰাইলে মৰিচ গুড়ি লোণ সানিলন্ত ॥
তৰা পাত আনি সবে মচা বান্ধিলন্ত।
ভাত বসাই তাক জোড় জুগ্তি পুড়িলন্ত ॥১৪॥
অনন্তৰে ভাত ভৈলে মৎস্য বান্টি লৈয়া।
ভোজন কৰন্ত দেৱ শঙ্কৰে হাসিয়া ॥
ৰামানন্দ ঠাকুৰক বুলিলন্ত চাই।
ভাল হুই মুই মৎস্য কহিয়ো বোপাই ॥১৫॥
শুনি ৰামানন্দে বুলিলন্ত বিদ্যমানে।
এহু মাছ এহু হৈবে আক কোনে জানে ॥
ইটো মাছ জীয়াতো অধিক স্বাদ বোলে।
পাৰয় তকালি খায়া ভকত সকলে ॥১৬॥
বঞ্চিলা ৰজনী তৈতে, প্ৰভাত জানিয়া।
লৰি গৈলা, দিনা তিনি চাৰি মান গৈয়া ॥
বৰপেটা পায়া ৰৈলা শঙ্কৰ গৃহত।
তাতে পাছে ৰাম-ৰাম গুৰুৰ থানত ॥১৭॥

—মিথ্যাবাদীক ভৎ'সনা—

ভাগৱত শুনন্ত শঙ্কদেৱে তথ।

আত অনন্তৰে আৰো শুনা যেন কথা ॥
এক দিনা গোবিন্দ গুৰুৱে ভৰি দিল।
নাৱৰ কটিত জৰি তেখনে ছিড়িল ॥১৮॥
তেখনে ভৈলন্ত বিপ্ৰ তথাৰ অন্তৰ।
কোনে নাৱ চৰিলেক পুছিলা শঙ্কৰ ॥
শুনিয়া সমস্ত লোক নজানো বুলিল!
পুছিলা শঙ্কৰে মিছা ব্ৰাহ্মণে মাতিল ॥১৯॥
শঙ্কৰে বোলন্ত মই আপুনি দেখিলো।
তোমাক কি কৰোঁ কেনে মিছা যে মাতিল ॥
আৰ কিবা সঞ্জাত কৰিবে লোক তাত।
দূৰ গুছ পাপিষ্ঠ মাতিল মিছা মোত ॥২০॥

—শাস্ত্ৰৰ বিকৃত ব্যাখ্যা—

এহি বুলি বিপ্ৰক শঙ্কৰে খঙ্গিলন্ত।
ভক্তৰ বচনে পাছে ক্ৰোধ এৰিলন্ত ॥
একাদশী দিনা সেহি ব্ৰাহ্মণে নিশ্চয়।
মাছ কিনি লৈয়া যান্ত প্ৰভাত সময় ॥২১॥
চাৰি ল কুৰিয়া দেখি পুছিলা শঙ্কৰ।
একাদশী মাছ কি কৰিবা দ্বিজবৰ ॥
তেহে বোলে তোমাঠৈৰ পদে কহি আছা।
নপাৱৈ আমাক একাদশী উপবাস ॥২২॥ (১)

---

(১) " ন পাৱৈ মোহোক লাগ যোগ যজ্ঞ দানে। মহামন্ত্ৰ জপ কোটি শত তীৰ্থ স্নানে। ন পাৱৈ আমাক একাদশী উপবাসে। ন কৰয় বশ্য মোক পৰম সন্ন্যাসে ॥" ভাগৱত ১১।১৯২৯৭

শুণন্ত শঙ্কৰদেৱে শুনি হেন ঠান ।
ক্ৰোধে বোলো একাদশ পুথিখান আন ॥
ইটো পদ দূৰ কৰোঁ মাধৱে শুনিয়া ।
শঙ্কৰদেৱক বোলা মনত শুনিয়া ॥২৩॥
কিয় পদ দূৰ কৰিবন্ত কহিয়োক ।
যাৰ যেন মতি সিটো তেমনে বুজক ॥
সুবুজয় পদে পদ দূৰ কৰিবন্ত ।
মাধৱৰ বাণী শুনি পদ ৰাখিলন্ত ॥২৪॥ (১)

---

# দ্বাত্রিংশ অধ্যায়

## দ্বিতীয়বাৰ তীৰ্থযাত্ৰাৰ সঙ্কল্প

আনে বু'জে লাগে আন বুজিবে বোলন্ত ।
শুনা আৰো একদিনা যেন কৰিলন্ত ॥
ৰামৰাম গুৰু আদি যত ভক্ত জাক ।
আলোচিল সবে বৃন্দাবন যাইবাক ॥১॥

—আইগোসানীৰ আপত্তি—

এহি কথা শঙ্কৰৰ পত্নী শুনিলন্ত ।
মাধৱদেৱক তেবে মাতি বুলিলন্ত ॥
বোলে বাপু মাধৱ—গোসাঞি বৃন্দাবন ।
যাইবে খোজে যেবে মোৰ মিলিব মৰণ ॥২॥

---

(১) এই বিষয়ে ২৮শ অধ্যায়ত কোৱা হৈছে ।

মাধৱে বোলন্ত আই যাইবাক খোজন্ত।
ৰামৰায় প্ৰমুখ্যে আলচ কৰিলন্ত ॥
শুনি আই গোসানী বোলন্ত মাধৱক।
কি মতে বৰ্ত্তিবো মই বাপু কহিয়োক ॥৩॥
যদিবা গোসাই যান্ত বাপু বৃন্দাবন।
গৃহক আসিবে পুনু নুহিবেক মন ॥
তিনিগুটি পুত্ৰ মোৰ হুইবে অনাথিতি।
মোহোৰ মৰণ বাপু মিলিবে সম্প্ৰতি ॥৪॥

## —মাধৱদেৱৰ প্ৰতিশ্ৰুতি—

শুনা বাপু গোসাইক ন ৰাখা তুমি যেবে।
তিনিগুটি পুত্ৰ সমে বধ লাগে তেবে ॥
মাধৱে বোলন্ত আই চিন্তা নকৰিৱ।
শঙ্কৰদেৱক মই উপায়ে ৰাখিব ॥৫॥
এখন সুবুলি কিছু তান লগে যাইবো।
ইটো কথা আই তুমি কতো ন কহিবা।
তোমাৰ চৰণে মোক আশীৰ্ব্বাদ দিবা ॥৬॥
এহি বুলি মাধৱ ৰহিলা একপাশ।
গোসানী বোলন্ত বাপু তোমাতেহে আশ।
শৰীৰ স্বৱশে থাকি মোৰ জীৱ যাই।
মাধৱে বোলন্ত ন্ কৰিবা চিন্তা আই ॥৭॥
শুনি আই গোসানী সন্তোষ মনে ভৈলা।
শুনা আৰো আতপৰে যেন কথা ভৈলা ॥
শুনা সাধুজন দোষ নধৰিবা মোক।
ডাক ছাড়ি শঙ্কৰ মাধৱ বুলিয়োক ॥৮॥

---

# ত্ৰয়স্ত্ৰিংশ অধ্যায়

—তীৰ্থৰ বাটত—

শুনা সাধুনৰ আত অনন্তৰ
যেন ভৈল কহোঁ তাঙ্ক।
যিটো যিটো সবে বৃন্দাবন যাইবে
শঙ্কৰে বোলন্ত বাক ॥১॥
কৈয়ো কিছুমান কাহাত কিমান
খৰছা আছে প্ৰত্যেক।
যাত নাই আসি এখনে কহিয়ো
আমাৰে সিটো খাইবেক ॥২॥
শুনি ভক্তচয় সমস্তে কহয়।
যিমান যাত আছয়।
কেহোঁ কুৰি ত্ৰিশ পঞ্চাশ চল্লিশ
শতেকো কেহোঁ কহয় ॥৩॥
কেহোঁ বোলে মোত একো নাহিকয়
শঙ্কৰে বোলন্ত তাঙ্ক।
শুনিয়ো মাধৱ জানিবা মনত
পুষি নিবে লাগে আক ॥৪॥

—মিথ্যাবাদীৰ শাস্তি—

কহিয়ো উদাৰ (১) কি আছে তোমাৰ
শঙ্কৰদেৱে পুছিল।

---

(১) উদাৰ গোবিন্দ নামৰ ভকত এজন

আতা মোৰ ঠাই　　　কড়া একো নাই
　　উদাৰে কথা কহিল ॥৫॥
যাৰ নাই মানে　　　তাহাক আপুনে
　　শঙ্কৰে লগে লৈলন্ত ।
কৰিয়া যুগুতি　　　লোক সমন্বিতি
　　শঙ্কৰ লগে গৈলন্ত ॥৬॥
মাধৱে সহিত　　　মনে হৰিষিত
　　কৃষ্ণৰ চৰিত্ৰ কই ।
গোদাৰি এৰাই　　　বাহিৰ বিলাত
　　অনন্তৰে পাইলা গই ॥৭॥
পাছে সেহি থানে　　　একগুটি টকা
　　উদাৰেও ভঙ্গাইলন্ত ।
দিন তিন মান　　　ৰোজ নিবে তান
　　নেদেখিয়া পুছিলন্ত ॥৮॥
বোলন্ত উদাৰ　　　নেদেখোঁ তোমাৰ
　　ৰোজ নিবে কি কাৰণ ।
একগুটি টকা　　　ভঙ্গাই আছোঁ আতা
　　উদাৰে বোলা বচন ॥৯॥
উদাৰৰ বাণী　　　শঙ্কৰেয়ো শুনি
　　ক্ৰোধ দৃষ্টি কৰি চাইলা ।
বোলা মোৰ ঠাই　　　একড়াও নাই
　　আৰে টকা কৈত পাইলা ॥১০॥
উদাৰে বোলন্ত　　　একগুটি টকা

আছিল আতা আমাৰ।
শঙ্কৰে বোলন্ত পূৰ্ব্বে কিয় মিছা
মাতিলা তেবে উদাৰ ॥১১॥
নামেসে উদাৰ বোলন্ত তোমাৰ
উদাৰ চিত্ত নোহয়।
মহা পাপ মিছা নমাতিলা সাঞ্চা
কিবা হেতু কহিলায় ॥১২॥
মুখ চাইবে যোগ্য নুহিকে ইহাৰ
অল্প কৰি হাসিলন্ত।
কৰি ক্ৰোধ দৃষ্টি উদাৰক পিঠি
শঙ্কৰদেৱে দিলন্ত ॥১৩॥
সন্মুখে শঙ্কৰ মুখ উদাৰৰ
মাস দিনো ন চাইলন্ত।
ৰাম-ৰাম গুৰু বাক্যে মাধৱৰ
পাছে ক্ৰোধ এৰিলন্ত ॥১৪॥
ভক্ত আগে মিছা বাক্য মহাপাপ
শঙ্কৰ দেৱে কহিলা।
সেহি দিনা হন্তে অৰ্থক অনৰ্থ
উদাৰে মনে কৰিলা ॥১৫॥
মনত হৰিষ শঙ্কৰদেৱক
নমস্কাৰ কৰিলন্ত।
মাধৱ শঙ্কৰ আনো ভকতৰ
হৰিষ মনে ভৈলন্ত ॥১৬॥

—গুৰু শিষ্যে অভেদাত্মা—

আৰো একদিন ভৈল কথা যেন
তাক সবে শুনিয়োক।
শঙ্কৰে বোলন্ত মাধৱদেৱক
জাৰে পীড়া কৰে মোক ॥১৭॥
একেলগে বাপু শুয়ো একে জাপে
তেবে নাহি পীড়িবেক
লগে শুইবেক শুনিয়া এতেক
মাধৱদেৱে প্ৰত্যেক ॥১৮॥
কেনমতে মই তোমাঠৈৰ লগে
শুইবে,—বাপ নপাৰিবো।
লাগিবে তোমাৰ গাৱে হাত ভৰি
তেবে বাপ তল যাইবো ॥১৯॥
শঙ্কৰে বোলন্ত নাই আত দোষ
শুয়োক মাধৱ তুমি।
যদি দোষ হয় মৰষিবো মই
মাধৱে বোলন্ত—আমি ॥২০॥
নপাৰিবো শুইবে, ক্ষমিয়োক আবে
আৰ নুবুলিবা বাপ।
তোমাঠৈৰ বাক্য নকৰিলো জানা
হুইবে মোতে মহাপাপ ॥২১॥
শঙ্কৰে বোলন্ত কিসকই বোল
বুলিলা মাধৱ তুমি।

তেবেসে পাপক ভয় কৰিবাহা
যদি ভিন্ন তুমি আমি ॥২২॥
তোমাৰ আমাৰ নাহি ভিনপৰ
আসা একেলগে শুয়ো ।
দিন চাৰি পাঞ্চ মান এহি মতে
অন্য অন্য কৰে দুয়ো ॥২৩॥
মাধৱ নোশোন্ত শঙ্কৰে নেড়ন্ত
শুয়োক মোৰ লগত ।
শঙ্কৰৰ বাণী বাধিবে নপাৰি
মাধৱদেৱে পাছত ॥২৪॥
একেলগে পাৰা দুইখানি শয্যা
আগ পাছ কৰি তথা ।
শোৱন্ত লগত শঙ্কৰদেৱৰ
বুকু সমে দিয়া মাথা ॥২৫॥
শঙ্কৰ শোৱন্ত মাধৱ দিয়ন্ত
বস্ত্ৰ জাপি তান গাৱে ।
আপোনাৰ বস্ত্ৰ একজাপ কৰি
শোৱন্ত গৈয়া মাধৱে ॥২৬॥
শঙ্কৰদেৱৰ জাপৰ উপৰে
একখান হাত দিয়া ।
জাপে আপোনাৰ উপৰে তাহাৰ
দিয়া শোন্ত সাৱটিয়া ॥২৭॥

এহিমতে প্ৰতি দিনে শোন্ত লগে
শঙ্কৰৰ ৰঙ্গমন ।
পাপ দূৰ হৌক শঙ্কৰ মাধৱ
বুলিয়োক সৰ্ব্বজন ॥২৮॥

---

# চতুস্ত্ৰিংশ অধ্যায়

—মাধৱদেৱৰ শুশ্ৰূষা—

এহিমতে শঙ্কৰ মাধৱ চলি যান্ত ।
যেতে ৰাতি হোৱে গৈয়া তহিতে ৰহন্ত ॥
বস্ত্ৰ সলাই গৈয়া বস্তু কিনিয়া আনন্ত ॥১॥
স্নান কৰি শঙ্কৰক ভোজন কৰান্ত ।
তৈল লৈয়া তান দুই চৰণ জান্তন্ত ॥
শঙ্কৰদেৱৰ নিন্দ্ৰা আসিলেক যেবে ।
আদা খাৰ শঙ্কৰৰ পাৱে দিয়া তেবে ॥২॥
লাস কৰি নমাই থৈয়া দুখানি চৰণ ।
তেবেসে আপুনি গৈয়া কৰন্ত ভোজন ॥
এহি মতে সেৱা নিতে মাধৱে কৰন্ত ।
আনলোকে ফাতফোত ঘুঘুৰি পাৰন্ত ॥৩॥

—চৈতন্যৰ ওচৰত—

প্ৰভাতে উঠিয়া নিতে গমন কৰন্ত ।
কৃষ্ণ—চৈতন্যৰ (১) গৈয়া থানক পাইলন্ত ॥

---

(১) (ক) দ্বিজৰামানন্দৰ গুৰুচৰিত্ৰ মতে শঙ্কৰদেৱে প্ৰথমবাৰ তীৰ্থলৈ

যাওঁতেই ৰথযাত্ৰাৰ সময়ত জগন্নাথক্ষেত্ৰত চৈতন্যদেৱক লগ পায়।

"দূৰহন্তে দেখাদেখি ভৈল দুয়োজন।
দুইহন্তে কাকো নকৰিলা সম্ভাষণ॥"

(খ) ভূষণ দ্বিজ ৰচিত শ্ৰীকৃষ্ণশঙ্কৰদেৱ মতে ( দুৰ্গাধৰ বৰকটকী ) শঙ্কৰদেৱৰ দ্বিতীয়বাৰ তীৰ্থযাত্ৰাৰ সময়ত জগন্নাথ ক্ষেত্ৰত্—

"চৈতন্য গোঁসাই তথা ভৈলা দৰিশন।
দুইকো দুয়ো চাহিলা নাহিকে সম্ভাষণ॥"

(গ) ৰামচৰণ ঠাকুৰৰ শঙ্কৰ চৰিত মতে (৫ম খণ্ড) শঙ্কৰদেৱ ২য় বাৰ তীৰ্থলৈ যাওঁতে জগন্নাথ ক্ষেত্ৰত, চৈতন্য গোঁসাইক লগ পায়।

(ঘ) দ্বিজ ৰামানন্দ ৰচিত বংশী-গোপাল চৰিত মতে জগন্নাথ ক্ষেত্ৰত ৰথযাত্ৰাৰ সময়ত চৈতন্যদেৱৰ লগত শঙ্কৰদেৱৰ সাক্ষাৎ হয়। দৈত্যাৰিঠাকুৰৰ বিবৰণ মতে দ্বিতীয় বাৰ তীৰ্থ যাত্ৰাৰ সময়ত শান্তিপুৰত চৈতন্যদেৱৰ লগত সাক্ষাৎ হয়।

চৈতন্যদেৱৰ জন্ম ১৪০৭ শক ১৯ ফাল্গুন শুক্ৰবাৰ ( ১৪৮৬ খৃষ্টাব্দ ১৮ ফেব্ৰুয়াৰী ) সন্ন্যাস গ্ৰহণ ১৪৩১ শক, মাঘ মাহ ( ১৫১০ খৃষ্টাব্দ ), মৃত্যু—১৪৫৫ শক, আষাঢ় মাহ ( ১৫৩৩ খৃষ্টাব্দ, জুলাই )। সন্ন্যাস গ্ৰহণৰ আগতে গয়াৰা পৰা আহি তেৰ মাহ কাল নবদ্বীপত সদাই কীৰ্ত্তনত মতলীয়া হৈ আছিল। সন্ন্যাস গ্ৰহণৰ পিচত ১৫১০ খৃষ্টাব্দৰ ৭ ফাল্গুণৰ পৰা ১২ ফাল্গুণলৈকে শান্তিপুৰত আছিল। আকৌ ১৫১৪ খৃষ্টাব্দৰ কাতিৰ পৰা জেঠলৈকে আঠ মাহমান নবদ্বীপত আছিল। তাৰ পিচত ১৫১৬ খৃষ্টাব্দৰ পৰা মৃত্যুৰ সময়লৈকে জগন্নাথ ক্ষেত্ৰত আছিল।

শঙ্কৰদেৱ ১৫৪৬ খৃষ্টাব্দত উজনি অসমৰ পৰা বৰপেটালৈ আহে আৰু ১৫৬২ খৃষ্টাব্দমানত দ্বিতীয়বাৰ তীৰ্থলৈ যায়। গতিকে সেই সময়ত চৈতন্যদেৱ জীয়াই নাছিল। গতিকে প্ৰথমবাৰ তীৰ্থযাত্ৰাৰ সময়ত চৈতন্যদেৱৰ লগত জগন্নাথ ক্ষেত্ৰতেই শঙ্কৰ দেৱৰ সাক্ষাৎ হোৱা সম্ভৱ। এই হিচাব মতে শঙ্কৰদেৱ প্ৰথমবাৰ তীৰ্থযাত্ৰাৰ সময়ত ১৪৩৮ শকৰ পিচত আৰু ১৪৮৬ শকৰ আগত ক্ষেত্ৰলৈ গৈছিল।

পথত চলন্তে শিক্ষা দিলন্ত লোকক।
নকৰিবা কেহো নমস্কাৰ চৈতন্যক ॥৪॥
যিটোজনে নমস্কাৰ কৰৈ চৈতন্যক।
উলটায়া তেহোঁ প্ৰণামন্ত সিজনক ॥
মনে নমস্কাৰ মাত্ৰ কৰিবা এতেকে।
এহিবুলি শিখাইলন্ত লোক সমস্তকে ॥৫॥
কৃষ্ণ চৈতন্য চন্দ্ৰ আছন্ত যথাত।
ভৈলন্ত শঙ্কৰ সূৰ্য্য প্ৰবেশ তথাত ॥
কৃষ্ণ চৈতন্য আছা মঠৰ ভিতৰ।
ব্ৰহ্মচাৰী কহিলন্ত আসিছা শঙ্কৰ ॥৬॥
শঙ্কৰৰ নাম শুনি কৃষ্ণ চৈতন্যৰ।
মিলিল আনন্দ বাজ ভৈলন্ত মঠৰ ॥
দুৱাৰ মুখত ৰহি আছিলন্ত চাই।
দুয়ো নয়নৰ নীৰ ধাৰে বহি যাই ॥৭॥
শঙ্কৰৰো নয়নৰ নীৰ বহে ধাৰে।
পথাহন্তে নিৰিখিয়া আছন্ত সাদৰে ॥
কতোক্ষণে দুইকো দুয়ো চাই প্ৰেম মনে।
পশিলা মঠত গৈয়া শ্ৰীকৃষ্ণ-চৈতন্যে ॥৮॥
নমাতিলা দুইকো দুয়ো নিদিলা উত্তৰ।
পৰম হৰিষ মনে চলিলা শঙ্কৰ ॥
অনন্তৰে যেন কথা ভৈল শুনিয়োক।
ৰাম ৰায় বুলিলন্ত দাদা কহিয়োক ॥৯॥

**—ৰামকৃষ্ণ অভেদ—**

ৰামৰ চৰিত্ৰ শ্ৰদ্ধা মনে শুনিবাক।

শুনিয়া শঙ্কৰদেৱে লৈলা কহিবাক ॥
ৰামৰ চৰিত্ৰ কইতে প্ৰেম উপজিল।
ৰামৰ চৰিত্ৰ কতো দূৰ কহি নিল ॥১০॥
কৃষ্ণ চৰিত্ৰত মন মজিছে একান্ত।
কৃষ্ণৰ চৰিত্ৰ কহিবাক লাগিলন্ত ॥
কৃষ্ণ চৰিত্ৰ কহি কতো দূৰ গৈল।
ৰামৰ চৰিত্ৰ ৰৈল মনতো ন ভৈল ॥১১॥
ৰামৰায় কতোক্ষণে বুলিলন্ত তেবে।
কৃষ্ণৰ চৰিত্ৰ দেখো দাদা কোৱা এবে ॥
শুধিলো শ্ৰদ্ধায়ে ৰামচৰিত শুনিত।
শুনিয়া শঙ্কৰদেৱে লাগিলা বুজিত ॥১২॥
কৃষ্ণৰ চৰিত্ৰে মোৰ আলোৰিল চিত্ত।
কৃষ্ণ চৰিত্ৰত মন মজি থাকে নিত ॥
এতেকে তেজিয়া ৰাম চৰিত্ৰ এৰিয়া।
কৃষ্ণৰ চৰিত্ৰক আইলা নজানোহোঁ হিয়া ॥১৩॥
ৰাম ৰাম গুৰু আদি কেহোঁ নজানিল।
ৰামৰ চৰিত্ৰ কোন সময়ে ৰহিল ॥
কোন সময়ত কৃষ্ণ চৰিত্ৰ পড়িল।
আপুনি শঙ্কৰদেৱে আক নজানিল ॥১৪॥
যাতো কৃষ্ণ চৰিত্ৰৰ প্ৰেম ৰসে আতি।
আনন্দতে আকুল কৰিলে তান মতি ॥
একদিনা যান্তে দেৱে বৰ মেঘ দিল।
শঙ্কৰদেৱক দেৱ মাধৱে বুলিল ॥১৫॥

## — মেঘৰ উপদ্ৰৱ —

আসে বৰিষণ আতা বৰ মেঘ দিলা।
মাধৱৰ বাণী শুনি শঙ্কৰে চাহিলা ॥
মাধৱদেৱক হাসি বুলিলা বচন।
দেউক দেৱে মেঘ আজি নুহি বৰিষণ ॥১৬॥
চলিযান্ত শঙ্কৰ মাধৱ দুয়োজন।
কতোক্ষণে গুছিল সমস্তে মেঘগণ ॥
একদিনা আৰো লোক সমে চলি যান্ত।
মেঘখানি দিলেক শঙ্কৰে দেখিলন্ত ॥১৭॥
দোণ গোট মান ঠাই জুৰিয়া আছয়।
মাধৱ দেৱক দেৱ শঙ্কৰে বোলয় ॥
দেখিয়োক মাধৱ কুঠিত মেঘ খানি।
ভিজাইবেক আমাক বুলিলো নিষ্ঠ বাণী ॥১৮॥
কৈত দেখা মেঘ আতা মাধৱে বোলন্ত।
হেৰ নে দেখাহা বুলি শঙ্কৰে দেখান্ত ॥
বোলন্ত মাধৱে এহি মেঘ কি কৰিব।
শঙ্কৰে বোলন্ত আৰ প্ৰভাৱ দেখিব ॥১৯॥
এতেকে বোলন্ত ভৈল ডলাখান মান।
দেখিয়া শঙ্কৰদেৱে বোলা বিদ্যমান ॥
প্ৰভাৱক মেঘৰ মাধৱ বুজিয়োক।
মাধৱে বোলন্ত বৃষ্টি নাই চলিয়োক ॥২০।
এতেকে বোলন্ত ধান দোণ ভূক্তি মান।
বোলন্ত শঙ্কৰে দেখা মাধৱ প্ৰমাণ ॥

মাধৱে বোলন্ত হৌক চলি যায়ো তুমি ।
আনে বৃষ্টি ষদিবা উপায় পাইবো আমি ॥২১॥
আৰো কতোক্ষণে পাছে দেখন্ত শঙ্কৰে ।
ধান পূৰা সম ভূমি জুৰিল উপৰে ॥
বোলন্ত মাধৱে কেন মেঘ দেখিয়োক ।
ৰহিবাক লাগি মাত্ৰ ঠাই চাহিয়োক ॥২২॥
মাধৱে বোলন্ত মেঘে জুৰিয়া আসয় ।
বৰষিবে হেন ইটো জানিলো নিশ্চয় ।
হাসিয়া শঙ্কৰে বোলা বৰষিবে নিকি ।
অল্প মেঘে মাধৱ কৰিবে ইটো কি ॥২৩॥
মাধৱে বোলন্ত আতা আত চিন্তা কেন ।
আনিব তোমাৰ বোলে মেঘে বৰিষণ ॥
বিনা মেঘো বোলে যদি তথাপি হৈবেক ।
কনিয়াইবে নৈলে মেঘ বোলন্ত এতেক ॥২৪॥
কতোহোঁ দূৰত এক নগৰ আছয় ।
তৈতে গৈয়া ৰহিবে সমস্ত লৰৱয় ॥
মহাবেগে লৰৱন্ত মাধৱ শঙ্কৰ ।
আধা ভিজা হুয়া সবে পশিল নগৰ ॥২৫॥
আগৰ যতেক অল্প মাত্ৰসে ভিজিল ।
মধ্যৰ যতেক আধা ভিজা হুই চাপিল ॥
পাছৰ যতেক তাৰা সমুলি ভিজিল ।
এক ক্ষত্ৰিয়ৰ গৈয়া ঘৰত সোমাল ॥২৬॥

—ক্ষত্ৰিয় পত্নীৰ ভক্তি—

মৰদ নাহিকে ঘৰে স্ত্ৰী গোট আছে।
ঘৰ গোট আজৰাই দিলা তায়ো পাছে ॥
সমস্ত চাপিলা সেহি ঘৰৰ ভিতৰ।
স্তিৰি গোটে আছা থিয়ে আৰজি শঙ্কৰ ॥২৭॥
তলক নিৰিখি হাতে মালা গছ ধৰি।
ৰামকৃষ্ণ নাম মুখে উচ্চাৰণ কৰি ॥
ক্ষত্ৰিয়ৰ স্ত্ৰী গোট আগতে আছয়।
থিয় হুয়া শঙ্কৰ দেৱক নিৰীক্ষয় ॥২৮॥
মস্তকৰ পৰা তান চৰণ পৰ্য্যন্ত।
পদহন্তে মস্তকক লাগি নিৰীক্ষন্ত।
এহিমতে পুনু পুনু শঙ্কৰ দেৱক।
দণ্ডচাৰি পাঞ্চ মান চাহি আছিলেক ॥২৯॥
সমস্ত লোকৰ মনে আশঙ্কা মিলিল।
শঙ্কৰৰ ৰূপ দেখি কামে পৰশিল ॥
তাতে সে আনৰ ভিতি চক্ষু ন টলয়।
এক দৃষ্টি কৰি শঙ্কৰক নিৰীক্ষয় ॥৩০॥
মদন-মোহন ৰূপ শঙ্কৰ দেৱৰ।
ইটো স্ত্ৰী হাজাৰতো কৰিয়া সুন্দৰ ॥
আৰো নগৰীয়া স্ত্ৰী পসাৰী নিশ্চয়।
এহি মতে লোকে মনে পৰামৰিসয় ॥৩১॥
দণ্ড ছয় বৰিষি এৰিল বৰিষণ।
১০ শঙ্কৰদেৱৰ চলিবাক ভৈল মন ॥

সেহি বেলা স্ত্ৰী গোটে শঙ্কৰদেৱৰ ।
চৰণত ধৰি বোলে বিনয় বিস্তৰ ॥৩২॥
কিনো অভাগ্য আজি স্বামীৰ আমাৰ ।
আছে পাপ নেদেখিলে চৰণ তোমাৰ ॥
যদি আজি ঘৰত আছিল হন্তে স্বামী ।
তেবে আজি তোমাক ৰাখিল হন্তে আমি ॥৩৩॥
কিন্তু খালি ঘৰ নুহি ৰাখিত উচিত ।
নপাইলো পাতকী তযু চৰণ অৰ্চ্চিত ॥
গোকুলৰ কানু যিটো তুমি সেহিজন ।
মোৰ ভাগ্যে গৃহে আসি ভৈলা উপসন ॥৩৪॥
পাঞ্চ টাকা এটুক কাপৰ দিলেক ।
চৰণত ধৰি বোলে বিনয় অনেক ॥
এহি চৰণত মন ৰহোক আমাৰ ।
স্বামীৰ ৰহোক মন চৰণে তোমাৰ ॥৩৫॥
এহি মতে আশীৰ্ব্বাদ কৰিয়োক মোক ।
হেন শুনি বিস্ময় ভৈলেক সৰ্ব্বলোক ॥
কিনো বিচক্ষণ এইৰ বুদ্ধি বিপৰীত ।
কিমতে ঈশ্বৰ বুলি কৰিলে নিশ্চিত ॥৩৬॥
এহি বুলি তাইক বাৰম্বাৰ প্ৰশংসিল ।
কতো দূৰ লাগি এহি কথাক কহিল ॥
দেখা সাধুজন সব থিৰ কৰি মনে ।
শঙ্কৰ দেৱৰ মহিমাক কোনে জানে ॥৩৭॥
পৰম অজ্ঞানী স্ত্ৰীয়ো যাৰ সকাশত ।

তেখনে ঈশ্বৰ বুলি জানিলা মনত।
জানি হৰি ভক্তি ইচ্ছা কৰে যিটো লোক।
ডাক ছাড়ি শঙ্কৰ মাধৱ বুলিয়োক ॥৩৮॥

---

# পঞ্চত্ৰিংশ অধ্যায়

**—তীৰ্থদৰ্শন—**

আত অনন্তৰ শুনা সাধু নৰ
শঙ্কৰ মাধৱ দুই।
চলন্তে পথত কৃষ্ণ লীলা যত
সুমৰি আনন্দ হুই ॥ ১ ॥
প্ৰেমৰ ভৰত সমস্তে লোকত
কৃষ্ণৰ চৰিত্ৰ কই।
চলন্ত শঙ্কৰ পাইলা অনন্তৰ
কবীৰৰ থান গই ॥ ২ ॥

**—কবীৰৰ ঠাইত—**

স্ত্ৰী এক দেখিল তাহাঙ্ক পুছিল
কবীৰৰ কোন আছে।
তাসম্বাৰ বাণী শুনি অনুমাণি
তায়ো বুলিলন্ত পাছে ॥ ৩ ॥
আৰা সব বিষ্ণু ভকত এতেকে
কবীৰক পুছিলন্ত।

কবীৰৰ জীৰ নাতিনী আসিয়া (১)
এহি বুলি কহিলন্ত ॥ ৪ ॥

---

(১) কবীৰৰ জন্ম সম্পৰ্কে এটা আখ্যান আছে। সাধু ৰামানন্দৰ ওচৰলৈ এদিন এজন ব্ৰাহ্মণ তেওঁৰ বিধবা ভনীয়েকৰ সৈতে যায়। সাধুৱে তেওঁক বিধবা বুলি না জানি, পুত্ৰৱতী হবলৈ আশীৰ্ব্বাদ দিয়ে। সাধুৰ আশীৰ্ব্বাদৰ ফলত, তেওঁ এটি পুত্ৰ লাভ কৰে। জন্মৰ পিছত লৰাটি, কোনেও নজনাকৈ এটা পুখুৰীত, পদুম পাতত ভৰাই উটাই দিয়া হয়। এই সন্তানটিয়েই কবীৰ। ঘটনাক্ৰমে নিৰু নামৰ এজন মছলমান তাঁতীয়ে পাই নি ঘৈনীয়েক নিমাৰ হাতত দিয়ে। তেওঁলোকৰ ঘৰতে কবীৰ ডাঙৰ হৈ কাশীধামত ৰামানন্দৰ শিষ্য হৈ থাকে। তাৰ পৰা ত্ৰিশ বছৰ বয়সত এজন সন্ন্যাসীৰ আশ্ৰমত বাস লয়। আৰু তাৰ পৰা ঘূৰি আহোঁতে উক্ত সন্ন্যাসীৰ লোই নামৰ বিশ বছৰীয়া পালিতা কন্যা এজনী লৈ আহে। মছলমান মতে, তেওঁ কবীৰৰ ভাৰ্য্যা আৰু হিন্দু মতে, শিষ্যা আছিল। প্ৰবাদ মতে কবীৰৰ কমাল আৰু কমালী নামে এহাল লৰাছোৱালী আছিল। এওঁলোক দুয়ো পালিত পুত্ৰকন্যা বুলি বহুতে কয়।

কমাল ডাঙৰ হৈ কবীৰৰ মতৰ বিৰুদ্ধী হৈ জালালপুৰ নামে ঠাইত দাদুপন্থীৰ প্ৰৱৰ্ত্তক হয়। "ডোবা" বংশ কবীৰকা যব উপজা পুত্ৰ কমাল"

বিশ বছৰ বয়সত কমালীৰ হৰদেৱ নামে ব্ৰাহ্মণৰ লগত বিবাহ সম্পন্ন হয়। বৰ্ত্তমান চৰিত পুথিত উল্লিখিত কবীৰৰ নাতিনী, কমালীৰ জীয়েক হোৱা সম্ভব।

১৩৯৮ খৃষ্টাব্দৰ জেঠমাহত সোমবাৰে কবীৰৰ জন্ম হয় আৰু ১৫১৮ চনত গোৰক্ষপুৰৰ ওচৰত মাগহৰ নামে ঠাইত মৃত্যু হয়। কাশীৰ ৰজা বীৰসিংহে কাশীত কবীৰৰ স্মৃতি ৰক্ষাৰ্থে এটি সমাধি মঠ সজাই দিয়ে, আৰু মুছলমান ৰজা বিজলিখানে মাগহৰত অন্য এটা সমাধি মঠ নিৰ্ম্মাণ কৰে।

তোৰা সব কোন্— —দেশী, কিকাৰণে
কোন আছে কবীৰৰ।
বুলিয়া পুছিলা তাৰায়ে কহিলা
পুছিলোঁহো দেখিবাৰ ॥ ৫ ॥
তাএঃ বিচক্ষণ তাৰাৰ বচন
মহা মৃদুতৰ শুনি।
আৰা সব মহা— —বৈষ্ণব বুলিয়া
জানিলা মনত গুণি ॥ ৬ ॥

**—কবীৰৰ নাতিনীয়েকক অনুগ্ৰহ—**

স্বামীৰ শিৰৰ পাগ গছ আনি
মাটিত পাৰিয়া দিল।
ইহাতে চৰণ মুছিয়োক সবে
কাৰুণ্য কৰি বুলিল ॥ ৭ ॥

দ্বিজ ৰামানন্দই শঙ্কৰদেৱৰ প্ৰমুখ্যে বৈষ্ণৱ সকলে কবীৰৰ নাতিনীয়েকক লাগ পোৱা কথা লিখিছে। শঙ্কৰদেৱে সশিষ্যে ফল্গুৰ পৰা আহোঁতে তিনি দিনৰ মূৰত বালি নামে এখন নগৰ পায়, আৰু তাৰ পৰা পূব মুৱাকৈ আহি বাটত কবীৰৰ মঠত উপস্থিত হৈ দেখে যে কবীৰৰ নাতিনীয়েকে সূতা লেতিয়াই আছে আৰু মুখেৰে ৰাম নাম লৈ আছে। তাৰ পৰা আহি শঙ্কৰ কৰতোৱা পায়হি।

ৰামচৰণ ঠাকুৰে শঙ্কৰচৰিতত (৩২২৫-৫৬) প্ৰায় একে কথাকে বৰ্ণাইছে। তেও কবীৰৰ নাতিনীয়েকক 'তোৰচি', আৰু 'বালি' নুবুলি 'আলি' বা 'আনি' নগৰ বুলিছে। ৩২৬২ পদত কবীৰৰ নাতিনীয়েকৰ নাম নিত্যজটা বুলি লিখা হৈছে। ভূষণ দ্বিজই এই প্ৰসঙ্গ এৰি দিছে। দৈত্যাৰি ঠাকুৰে কথা অগাপিছা কৰিছে।

আমাৰ খছম দুৰ্ভাগী পৰম
তোৰাক নপাইলে লাগ ॥
এহি পাগ মাথে লৈলে পাইবে ধূলা
মিলিবে তাহাৰো ভাগ ॥ ৮ ॥
কাৰুণ্য বচন শুনিয়া তাহান
শঙ্কৰে বোলে চাহিয়া ।
প্ৰথমে পাগৰ উপৰত ভৰি
ৰাম-ৰাম গুৰু দিয়া ॥ ৯ ॥
বোলন্ত গুৰুৱে দিয়ো তোমৰায়ে
কিয় পাৱ দিবো আমি ।
অন্যাঅন্যি কৰি দুইহন্তো বোলন্ত
আগে পাৱ দিয়া তুমি ॥ ১০ ॥
শঙ্কৰে বোলন্ত ৰাম-ৰাম গুৰু
পাগত পাৱ নেদিল ।
সকৰুণ মনে শঙ্কৰে চৰণে
সিটো পাগ পৰশিল ॥ ১১ ॥
কবীৰ নাতিনী গুৱা পান আনি
তাৰা সকলক দিল ।
অনেক সাদৰি আঠু জানু পাৰি
প্ৰেম মনে প্ৰণামিল ॥ ১২ ॥
যিমতে পাগৰ ধূলা নপড়য়
ভাজ কৰি চপাই নিল ।
তাৰা সবো তাঙ্ক মধুৰ বচনে

আশ্বাস কৰি চলিল ॥ ১৩ ॥

**—গয়া তীৰ্থত—**

অনন্তৰে গৈয়া    পাইলা তীৰ্থ গয়া
সব লোক হৰষিতে ।
তীৰ্থৰ যতেক    কৰ্ম্ম দান আদি
আচৰিলা বিধিৱতে ॥ ১৪ ॥

**—বৃন্দাবন যাত্ৰাত মাধৱৰ আপত্তি—**

পাছে বৃন্দাবন    যাইবে ভৈল মন
শঙ্কৰ দেৱৰ জানি ।
ৰাম-ৰাম গুৰু    ৰামৰায় আদি
উল্লসিল সবে প্ৰাণী ॥ ১৫ ॥
মনত উৎসুক    কৰন্ত কৌতুক
আমি যাইবো বৃন্দাবন ।
আই গোসানীৰ    বচন সুমৰি
মাধৱৰ নাই মন ॥ ১৬ ॥
বোলন্ত শঙ্কৰ    মাধৱ তোমাৰ
উৎসুক নেদেখো মনে ।
নিৰন্তৰে লোক    কৰয় কৌতুক
চলি যাইবে বৃন্দাবনে ॥ ১৭ ॥
বোলন্ত মাধৱে    ন পাৰিবো আতা
মই যাইবে বৃন্দাবন ।
শুনিয়ো যিমত    নেদেখি সিমত
কুচিত কৰিব মন ॥ ১৮ ॥

কৃষ্ণৰ লগৰ বিনোদ সকল
কৃষ্ণৰ লগতে গৈল ।
আবে সেহি কেলি বিনোদ কৌতুক
তোমাৰ সঙ্গত ভৈল ॥ ১৯ ॥
তোৰা সব যায়ো বৃন্দাবন চায়ো
আমি চলি যাইবো ঘৰ ।
মাধৱৰ বাণী শুনি অনুমাণি
বুলিলা পাছে শঙ্কৰ ॥ ২০ ॥
মাধৱ চলিয়ো বৃন্দাবন যায়ো
তথাত ভকত চয় ।
আছে তাসম্বাক দেখি গৈয়া হৌক
আমাৰো ভাগ্য উদয় ॥ ২১ ॥
তাৰা সব কেনে— মতে প্ৰবৰ্ত্তয়
তাহাকো গৈয়া দেখিয়ো ।
আমি যিটো ধৰ্ম্ম কহো হুই নুই
তাহাৰো প্ৰমাণ লৈয়ো ॥ ২২ ॥
শঙ্কৰ দেৱৰ বচন শুনিয়া
মাধবে পাইলন্ত ছল ।
তোমাৰ বাক্যত প্ৰতায় ন ভৈল
সিজিল কাৰ্য্য সকল ॥ ২৩ ॥
আনত শুধিয়া প্ৰত্যয় কৰোক
ন যাইবো ন যাইবো আমি ॥
তবু চৰণত বিশ্বাস ৰহোক
তুমি মোৰ প্ৰভু স্বামী ॥ ২৪ ॥

চিত্ত মাধৱৰ　　বুজিয়া শঙ্কৰ
বোলা যাওঁ বৃন্দাবন ।
শুনি ৰামৰায়　　মাধৱক চাই
বুলিলা পাছে বচন ॥২৫॥
দদাৰ বচন　　মাধৱ এখন
কিসক বাধিয় তুমি ।
বৃন্দাবন থান　　দেখি বিদ্যমান
আসিয়োক যাওঁ আমি ॥২৬॥

—বৃন্দাবন গমন স্থগিত—

মাধৱে বোলন্ত　　ভাল বুলিলাহা
বৃন্দাবন থানে যাইবো ।
শঙ্কৰৰ বাক্যে　　সংশয় নুগুছে
আনত প্ৰত্যয় লৈবো ॥২৭॥
মাধৱৰ বাণী　　ৰামৰায় শুনি
নপাইলে খুজি উত্তৰ ।
ন যাই বৃন্দাবনে　　গৃহ যাইবে মনে
চলিলা ফিৰি শঙ্কৰ ॥২৮॥
একদিনা এক　　নগৰে ৰহিলা
গৃহস্থে নেদয় ঠাঁই ।
কিছু দিয়ো আঙ্ক　　তেবে দিবে থান
শঙ্কৰে দিলা উপায় ॥২৯॥
পাছে কিছু পাই　　দিলা সিটো ঠাই
তাতে ৰহিলন্ত গৈয়া ।
গৃহস্থৰ ঘৰে　　আৰো জনা চাৰি
আগে আছা তাৰা বৈয়া ॥৩০॥

—ৰূপ সনাতনৰ ভাগিন—

ঢাকিয়া কাপোৰে তাহাৰ ভিতৰে
তাৰা সব শুতি আছে।
কৰিয়া ভোজন কৰিলা শয়ন
শঙ্কৰ দেৱে যে পাছে ॥৩১॥
প্ৰভাতে চেতন পায়া দুয়োজন
শয্যাৰ পৰা উঠিলা।
কাপোৰ গুছাই দুইকো দুয়ো চাই
আনন্দ দুয়ো লভিলা ।।৩২॥
মাতি তাসম্বাক পুছিলা কথাক
শঙ্কৰ দেৱে সাম্প্ৰত।
কোন দেশী তোৰা যাইবে কৈক কোঁৱা
কহিলা তাৰা পাছত ॥৩৩॥
হন্তে বৃন্দাবনে ৰূপ সনাতনে (১)
পঠাইলন্ত আমাসাক।
শঙ্কৰে কি মতে ভাগৱত ধৰ্ম্ম
প্ৰবৰ্ত্তান্ত গৈয়া তাক ॥৩৪॥
জিজ্ঞাসা কৰিয়ো পৰিচয় দুয়ো

১। (ক) দ্বিজ ৰামানন্দৰ গুৰুচৰিত্ৰ (২২ অধ্যায়) মতে শঙ্কৰদেৱে ২য় বাৰ তীৰ্থ যাত্ৰা কৰি ঘৰলৈ উলটি আহোঁতে বাটত বালিনগৰ নামে ঠাইত এজন সন্ন্যাসীক লগ পায়। পিছত জানিব পাৰিলে যে তেওঁ ৰূপ গোস্বামীৰ শিষ্য। তেতিয়া শঙ্কৰদেৱৰ ৰূপ সনাতনৰ বিষয়ে জানিবলৈ কৌতুহল হোৱাত—

"সন্ন্যাসী বোলন্ত নাম ৰূপ সনাতন।
বৃন্দাবনে আছিলন্ত জানে সৰ্ব্বজন॥
তানে শিষ্য ৰূপ, মোৰ গুৰু সেহিজন।"

এই বুলি সন্ন্যাসীয়ে ৰূপ সনাতনৰ সকলো পৰিচয় দিয়ে।

(খ) ৰামচৰণ ঠাকুৰৰ শঙ্কৰচৰিত (৩য় খণ্ড) মতে শঙ্কৰদেৱ ১ম বাৰ

আমাৰ কথা জনায়ো।
শঙ্কৰৰ কথা আমাৰ আগত,
আসিয়া তাক কহিয়ো ॥৩৫॥
হেন কথা শুনি শঙ্কৰদেৱৰ
আনন্দৰ নাহি পাৰ।
মহা অনুৰাগে তাসম্বাৰ আগে
কৈলা কথা আপোনাৰ ॥৩৬॥
যি মতে পাইলন্ত ভাগৱত শাস্ত্ৰ
যেন মতে প্ৰৱৰ্ত্তন্ত।
আদি অন্ত যত সমস্ত কথাক
তাসম্বাত কহিলন্ত ॥৩৭॥
শুনি তাসম্বাৰ আনন্দ অপাৰ
ভাল ভৈল বুলিলন্ত।
আমি ৰূপসনা— —তনৰ ভাগিন (২)
বুলি তেবে কহিলন্ত ॥৩৮ (৩)

---

তীৰ্থ যাত্ৰালৈ যাওঁতেই জগন্নাথৰ পৰা বৃন্দাবনৰ বাটত ৰূপ সনাতনক লগ পায়। তেওঁলোক দুয়ো শঙ্কৰক লগ পাই ঘৰ দুৱাৰ এৰি শঙ্কৰদেৱৰ লগত বৃন্দাবনলৈ যায়। ৰূপৰ ভাৰ্য্যাও শঙ্কৰৰ অনুমতি ক্ৰমে লগতে যায় ॥

(গ) ভূষণ দ্বিজৰ গুৰুচৰিত্ৰ (১৪০ পৃঃ) মতে শঙ্কৰদেৱে ২য় বাৰ তীৰ্থ লৈ যাওঁতে বাটত আলি নামে নগৰত সন্ন্যাসী এজনৰ লগ পায়। কথাবতৰাত জানিব পাৰিলে যে, তেওঁ ৰূপ সনাতনৰ অনুগামী।

(২) ৰূপ সনাতন আৰু বল্লভ এই তিনি ভাই, পিতা কুমাৰদেৱ পিতামহ মুকুন্দদেৱ। কুমাৰদেৱৰ কোনো ছোৱালী আছিল বুলি অইন কোনো ঠাইত উল্লেখ নাই।

(৩) পুথিত এই পদ নাই।

শঙ্কৰে বোলন্ত ইমত বেশক
ধৰিলা তোৰা কিসক।
তেবেসে ভ্ৰমিবে পাৰিয়া বুলিয়া
তাৰা সবে কহিলেক ॥৩৯॥
ৰঙ্গা বস্ত্ৰ দণ্ড কমণ্ডলু দেখি
লোকেও কৰে সৎকাৰ।
ইমত বেশক নধৰিলে পুনু
নিমিলে জানা আহাৰ ॥৪০॥
এহিসে কাৰণে ইমত বেশক
আমি সবে ধৰিছয়।
কিন্তু আত পুনু বিশ্বাস নাহিক
জানিবা আক নিশ্চয় ॥৪১॥
পাছে দুইতো দুই কৰিয়া বিদায়
দুয়োজন লৰি গৈল।
আৰো কতোদিনে বৈলা একথানে
শুনা তৈত যেন ভৈল ॥৪২॥

—পোহাৰী বুঢ়ীৰ আঠ আনা—

একেশ্বৰ এক— —বুঢ়ী আছে তৈত
পসাৰ খানি দিয়য়।
মাধৱে বেসাতি কিনিবাক গৈলা
ভৈলা তাৰ ভাগ্যোদয় ॥৪৩॥
কৈৰ পৰা তোৰা আসি আছা বাপু
বুলিয়া বুঢ়ী পুছিলা।

শঙ্কৰদেৱৰ　　কথা নিৰন্তৰ
　　মাধৱে তান্ত কহিলা ॥৪৪॥
তৈৰ পৰা চাই　　শঙ্কৰদেৱক
　　আঠু পাৰি প্ৰণমিলা।
ইহাৰে বেসাতি　　কিনা আজি বুলি
　　আধটকী গোট দিলা ॥৪৫॥
মাধৱে ভঙ্গায়া　　বেসাতি কিনিয়া
　　মনত আনন্দে গৈলা
ৰামৰাম গুৰু　　আদি ভক্ত সবে
　　শঙ্কৰদেৱে ভুঞ্জিলা ॥৪৬॥
ভোজনৰ অন্তে　　শঙ্কৰে পুছন্ত
　　কড়িখিনি লেখি লোৱা।
ন লাগে আজিৰ　　লেখা কৰিবাক
　　বেসাতি গৈ আছে পোৱা ॥৪৭॥
এক বুঢ়ী শুনি　　তোমাঠৈৰ কথা
　　আধ টকী গোট দিলা।
তাহাকে ভঙ্গায়া　　বেসাতি কৰিয়া
　　ভোজন আদি কৰিলা ॥৪৮॥

**—দানত প্ৰতিযোগিতা—**

শঙ্কৰে বোলন্ত　　কোটি কোটি যজ্ঞ
　　কৰিলা বুঢ়ী নিশ্চয়।
এহি শুনি ৰাম—　　—ৰাম গুৰু আদি
　　ভকত যত আছয় ॥৪৯॥

গাৱে গাৱে এক আধটকী কৰি
প্ৰতি দিনে দিনে দিল।
লেখা কৰিবাৰ নেদেখি শঙ্কৰ
প্ৰত্যেক দিনে পুছিল ॥৫০॥
মাধৱে কহন্ত ভকতে দিয়ন্ত
শঙ্কৰে পুনু পুছন্ত।
কোন ভক্তে দেন্ত নাম ধৰি কোৱ
মাধৱদেৱ কহন্ত ॥৫১॥

—শ্ৰেষ্ঠদান—

আজি ৰামৰাম গুৰুৱে দিলন্ত
কালি ৰামৰায় দিলা।
সি আধটকীক কেহোঁ সম নুহি
শঙ্কৰে হাসি বুলিলা ॥৫২॥
দেখাদেখি তেসে দিয়া তুমি সবে
তেঁ পুনু দিল শ্ৰদ্ধায়।
এতেক তাঁহাৰ সম নুহি পুনু
বুজিবাহা অভিপ্ৰায় ॥৫৩॥
শুনা সাধু নৰ পাপ অৰণ্যৰ
ইটো কথা হুতাশন।
নাশৈ মন্দ বুদ্ধি হোৱৈ চিত্ত শুদ্ধি
মহা পুণ্য সঞ্চয়ন ॥৫৪॥
দুৰ্গতি তাৰণ মুকুতি-কাৰণ।
মহাসুখ বিবৰ্দ্ধন।

গুৰু গুণগণ কথাৰ স্মৰণ
ভক্তিৰ মূল কাৰণ ॥৫৫॥
গুৰুৰ চৰণ কৈলে সুমৰণ
নাশয় সংসাৰ বন্ধ।
বুলিয়ো সত্বৰ মাধৱ শঙ্কৰ
লভিবা পৰমানন্দ ॥৫৬॥

---

# ষট্‌ত্ৰিংশ অধ্যায়

**—পুত্ৰ শোকাতুৰাৰ সন্তাপ নিবাৰণ—**

এহি মতে আহি পাইলা বাহিৰ বিলাত।
কিনিবাক চাউল পাতি ন পাইলা তথাত ॥
পৰি উপবাস আজি বোলে সবে লোক।
চাউল কিনিবাক নপাই আবে কেন হৌক ॥১॥
মাধৱে বোলন্ত হাঁহি কড়ি দিয়া মোক।
মই চাউল আনো জনা চাৰি আসিয়োক ॥
এহি বুলি জনা চাৰি লগত লৈলন্ত।
চাউল কিনিবাক লাগি গ্ৰামক গৈলন্ত ॥২॥
কান্দে বুঢ়ী একজনী পুত্ৰক লাগিয়া।
খাটিবে পুতেক গৈল বাৰ্ত্তাক নপায়া ॥
কিবা ভৈল পুত্ৰ বুলি বিস্তৰ কান্দিল।
শুনিলা অনেক লোক যুদ্ধত মৰিল ॥৩॥

সেহি বেলা গৈয়া দেৱ মাধৱ পাইলন্ত।
কিয় কান্দা হৰিৰ জী বুলি পুছিলন্ত ॥
তাঞেঁা বোলে বাপু বেটা খাটিবে গৈলেক।
বোলে লোক অনেক যুদ্ধত পৰিলেক ॥৪॥
নজানোহোঁ মোহোৰ বাপুৰ কিবা ভৈল।
এহি বুলি বুঢ়ী পুনু কান্দিবাক লৈল ॥
মাধৱে বোলন্ত বুঢ়ী ন কান্দিবি তই।
তোৰ পুতেৰক বুঢ়ী দেখি আছো মই ॥৫॥
বুঢ়ী বোলে বাপু জানো মিছায়ে কহিলা।
মোহোৰ পুত্ৰক তুমি সঞ্চায়ে দেখিলা ॥
চেপেটা মৰদ গোট কলীয়া নিশ্চয়।
বছৰ পঞ্চিশ মান হৈবাক পাৰয় ॥৬॥
আগ দান্ত চলা ভাবি গোঁফ নগজয়।
এহু পুত্ৰ গুটি তোৰ হোৱয় নোহয় ॥
বুঢ়ী বোলে হয় বাপু এহু পুত্ৰ মোৰ।
নিষ্ঠ কৰি কহ বাপু বালাই লঞো তোৰ ॥৭॥
মাধৱে বোলন্ত বুঢ়া চিন্তা নকৰিবি।
অল্পতে আসিব তোৰ পুতেৰ জানিবি ॥
নাহিকে মৰণ বুঢ়ী পুতেৰৰ তোৰ।
জানিবি বচন বুঢ়ী নিষ্ঠ কৰি মোৰ ॥৮॥
হেন শুনি ক্ৰন্দন এড়িল বুঢ়ী বেটী।
তাপ দূৰ ভৈল যেন অমৃতৰ বৃষ্টি ॥
এক কাজ বুঢ়ী তুই আমাৰ কৰিয়ো।

চাউল ছুই দোণ মান কিনি আনি দিয়ো ॥৯॥
বুঢ়ী বোলে চাউল বাপু কিনিবে ন লাগে।
দোণ ছুই আড়াই চাউল দিল আনি আগে ॥
সেৰ খেন লোণ তেল টেকেলা খানেক।
মুগু ডালি আধ দোণ মানক দিলেক ॥ ১০ ॥
মাধৱে বোলন্ত দৰ দেহ মঞি দেও কড়ি।
ন লাগয় কড়ি বাপু বুলিলেক বুঢ়ী।
পুত্ৰৰ বাৰ্ত্তাক মোত কহিলাহা তুমি।
তোমাক কি দিবোঁ বাপু নিমাখিতি আমি ॥ ১১ ॥
হেন শুনি সবে সাজ মাধৱে লৈলন্ত।
শঙ্কৰদেৱৰ পাশে সবে ও গৈলন্ত ॥
দেখিয়া শঙ্কৰদেৱে হাসি বোলে বাণী।
মাধৱে সকল সাজ ঠেকাইলন্ত আনি ॥ ১২ ॥
কহিলা মাধৱে কথা শঙ্কৰদেৱতে।
চাউল আদি বস্তু সব পাইল যেন মতে ॥
শুনিয়া শঙ্কৰে হাসি পাছে তুলিলন্ত।
ৰামৰাম গুৰু আদি সমস্তে হাসন্ত ॥ ১৩ ॥
শঙ্কৰে বোলন্ত মিছা মাধৱে মাতিলা।
ভুৰুকাই সবে সাজ বুঢ়ীৰ আনিলা ॥
মাধৱে বোলন্ত আতা মিছা ন মাতিলো।
গুণি চোৰা সবে কথা স্বৰূপ কহিলো ॥ ১৪ ॥
ঈশ্বৰৰ অংশ জীৱ নাইতো মৰণ।
যাৰে ভক্ত নুহি তাৰে কলীয়া বৰণ ॥

ব্ৰহ্মাৰ মনুৰ অহি পঁচিশ বৎসৰ ।
চেপেটা ভৈলেক ভোগ শুদ্ধ নৰকৰ ॥ ১৫ ॥
আগদান্ত উছলা নৱ শৰীৰ ধৰিল ।
ডাৰি গোঁফ নগজে নুহি জ্ঞানশীল ॥
কোনো বা জনমে লাগ পায়া আছো তাক ।
কোনখানি মই কহিলাহো মিছা বাক ॥ ১৬ ॥
মৰে মহা তাপত পুত্ৰৰ শোকে পুৰি ।
তাপ দূৰ ভৈল সুস্থ-মন ভৈল বুঢ়ী ॥
ভক্তে সমে তোমৰা ভুঞ্জিবা মুঠি এক ।
এতেকতে সুবাসনা লাগ ধৰিবাক ॥ ১৭ ॥
সকল প্ৰকাৰে তাইৰ হিতকে চিন্তিলো ।
কেন মতে মই মিছা বোলন্ত মাতিলো ॥
ভাল ভাল বুলিয়া শঙ্কৰে প্ৰশংসিলা ।
সমস্ত ভকত সবে ভোজন কৰিলা ॥ ১৮ ॥
ৰজনী প্ৰভাত জানি পাছে লৰি গৈল ।
শুনা আৰো এক দিনা যেন কথা ভৈল ॥
চিলাৰায় দেৱানৰ বিলাত পাইলন্ত ।
নদী তীৰে বাথান থানত ৰহিলন্ত ॥ ১৯ ॥

---

# সপ্তত্ৰিংশ অধ্যায়

## —তীৰ্থৰ পৰা প্ৰত্যাগমন—

### ঝুমুৰি

সিয়োদিনা সেহিমত, চাউল আদি বস্তু যত ॥
কিনিবাক নপাৰন্ত, বহি সবে আলোচন্ত ॥ ১ ॥

আজি কি কৰিবা আৰে,　　চাউল বস্তু নাহি পাৱে।
মাধৱক চাহিলন্ত,　　শঙ্কৰদেৱে বুলিলন্ত ॥ ২ ॥
মাধৱ চলিয়ো তুমি,　　উপবাসে ৰৈলো আমি।
আজি যেন তেন মতে,　　ভোজন কৰোৱা পথে ॥ ৩ ॥

**—খোৱা বস্তু সংগ্ৰহত চতুৰালি—**

মাধৱে বোলন্ত যাইবো,　　এখনে সকলো পাইবো
তযু পদ প্ৰসাদত,　　কি দুৰ্লভ সংসাৰত ॥ ৪ ॥
জন চাৰি লগে লৈল,　　ৰঙ্গ মনে চলি গৈল ॥
মনত আলোচি যান্ত,　　যেনে তেনে বুলিলন্ত ॥ ৫ ॥
আজি এক বুদ্ধি কৰো,　　ঠাকুৰিয়াক গৈয়া ধৰো।
এহি বুলি যান্ত ধাই,　　একজন পথে পাই ॥ ৬ ॥
ইখন কাহাৰ গ্ৰাম,　　ঠাকুৰিয়াৰ কিবা নাম।
এহি বুলি পুছিলন্ত,　　সিও সবে কহিলন্ত ॥ ৭ ॥
লগে যেতি জন যান্ত,　　পথত শিখায়া নেন্ত।
দাপিবো দুপিবো আমি,　　কিছু নুবুলিবা তুমি ॥ ৮ ॥
এহি বুলি চলি যাই,　　একজন লাগ পাই।
বোলা আৰে শোনা দে,　　ঠাকুৰিয়াক দেখাই দে ॥ ৯ ॥
সিয়ো তাসম্বাক নিল,　　ঠাকুৰিয়াক দেখাই দিল।
ঠাকুৰিয়াক দেখি আগে,　　মাতিবে লাগিল ৰাগে ॥১০॥
বান্ধ বান্ধ কৰা চাই,　　শুনি মাত বোল নাই ॥
কৰে কাউবাউ আতি,　　কহিলন্ত কথা মাতি ॥১১॥
দেৱানৰ শ্বশুৰ দুই, (১)　　আছন্ত পথত ৰই ॥

(১) চিলাৰায়ে দেৱানে ৰামৰায়ৰ কন্যাক বিয়া কৰাইছিল।

নাহি তান বাসা ঘৰ, সিধা পাতি জোত কৰ ॥১২॥
শুনি ঠাকুৰিয়া গই, ভুঞ্জা পাতি সাজি লই ।
ডাক দি লোকক নিল, বাসা ঘৰ সাজি দিল ॥১৩॥
যোগাইলেক সিধা পাতি, দিলন্ত বিদায় মাতি ॥
মাধৱক চাহিলন্ত, শঙ্কৰে হাসি বুলিলন্ত ॥১৪॥
আজি মাধৱ কি কৰিলা, মাধৱে সমস্ত কৈলা ॥
শুনি সবে হাসিলন্ত, ভোজনক কৰিলন্ত ॥১৫॥
সুখে তৈতে আছিলন্ত, প্ৰভাততে লড়িলন্ত ।
সুমৰিয়া ৰাম হৰি, যান্ত মহা ৰঙ্গ কৰি ॥১৬॥

—বৰপেটালৈ পুনৰাগমন—

পাছে বৰপেটা থান, আসি পাইলা বিদ্যমান ॥
দেখি আই গোসানীৰ, তেবে মন ভৈলা থিৰ ॥১৭॥
নমস্কাৰ কৰি যাই, মাধৱে বোলন্ত আই ।
তযু আশীৰ্ব্বাদে গই, আসিলো আতাক লই ॥১৮॥
বোলা আই মাধৱক, সুখে বাপু থাকিয়োক ।
পাপৰ ভাণ্ডাৰ পোড়া, শঙ্কৰ মাধৱ বোলা ॥১৯॥

---

# অষ্টত্ৰিংশ অধ্যায়

—ব্যাসকলাই বিপ্ৰৰ দুৰৱস্থা—

গৃহক শঙ্কৰদেৱ আসিলন্ত যেবে ।
সকল লোকৰ ৰঙ্গ-মন ভৈল তেবে ॥
ভকত সবৰ মহা আনন্দ মনত ।
কহন্ত শঙ্কৰদেৱে কৃষ্ণ কথা কত ॥১॥

সাক্ষাতে অমৃত যেন বৰিষে সদায় ।
শুনি ভক্ত সবৰ আনন্দে পাৰ নায় ॥
আৰো এক কথা কহো তাক শুনিয়োক ।
যেখন আসাম ৰাজ্য হন্তে আসিলেক ॥২॥

## —পুত্ৰশোক—

ব্যাসকলাই বিপ্ৰ লগতে আসয় ।
নপৰা পৰিল এক তাহান তনয় ॥
নানান ঔষধ দিল তথাপি মৰিল ।
আৰো এক পুত্ৰ পথে নপৰা পৰিল ॥৩॥
তাকো নানা বহুবিধ ঔষধ দিলেক ।
নপাইল সকাশ সিটো পুত্ৰ মৰিলেক ॥
এহিমতে তিনি পুত্ৰ তাহান মৰিল ।
তিনিয়ো পুত্ৰৰ লাগি সন্তাপ কৰিল ॥৪॥
পাছে আসি পাইলা যেবে কামৰূপ থান ।
নপৰা পৰিল আৰো একপুত্ৰ তান ॥
সবে ইষ্ট কুটুম্বে আলচ কৰিলেক ।
চাপৰাত গৈয়া বৰ দেৱ পূজিবেক ॥৫॥

## —শিৱপূজা—

এহি কথা বিয়াস কলাইত কহিলেক ।
দিলে অনুমতি মহেশক পূজিবেক ॥ (১)

(১) ৰামচৰণ ঠাকুৰৰ শঙ্কৰ চৰিতত ব্যাসকলায়ে দুৰ্গাপূজা কৰা কথা আছে ।

পাছে তাৰ বন্ধুগণে চাপৰাক গই।
মহেশ্বৰ মূৰ্ত্তিক পূজিল শুদ্ধ হুই ॥৬॥
পুত্ৰক জীবাৰ হেতু হৰক পূজিল।
তথাপিতো সিটো পুত্ৰ তাহান মৰিল ॥
কতোদিন অনন্তৰে বিয়াস কলাই।
শঙ্কৰদেৱৰ থানে গৈলেক তুনাই ॥৭॥

**—ব্যাসকলাইক ত্যাগ—**

বিয়াসকলাই আসে দেখিয়া শঙ্কৰ।
মহাপাপী বুলি মুখ কৰিল পাঞ্জৰ ॥
সংসাৰত নাহি পাপী ইহাক উপাম।
দেখিলে ইহাক বুলিবেক ৰাম ॥৮॥
নেদিলন্ত ঠাই জানি বিয়াসকলাই।
পাছে সিটো চলি গৈল ৰামৰায়ৰ ঠাই ॥
বোলে ষাঠি টকা দিবো ৰামৰায় তোক।
আতাক বুলিয়া মোক ঠাই দিয়ায়োক ॥৯॥
শুনি ৰামৰায় শঙ্কৰৰ পাশে যাই।
বোলে দদা বিয়াস-কলাইক দিয়া ঠাই ॥
ষাঠি টকা দিবে খোজে শুনিয়া শঙ্কৰ।
খঙ্গি ৰামৰায়ক যে দিলন্ত উত্তৰ ॥১০॥

**—ৰামৰায়ৰ প্ৰতি ক্ৰোধ**

দূৰ গুছ পাপিষ্ঠ বোলস আসি আকো।
বুজিলোহোঁ ভেটি কিছু সহিলেক তোকো ॥
কৃষ্ণক ভজিয়া আন দেৱক পূজয়।

আছো তাক মাতিবে চাহিবে নলাগয় ॥১১॥
হেন পাতকীক তই কৰিলি আলাপ।
এতেক সিজিল তোত মহা ঘোৰ পাপ ॥
এহি মতে ৰামৰায়ক বৰ খঙ্গিলন্ত।
ডৰে ৰামৰায় তৰতৰিয়া কাম্পন্ত ॥১২॥
আন আৰ একো মাতিবাক ন পাৰিল।
মাসেকো শঙ্কৰদেৱে তাঙ্ক নমাতিল ॥
এক মাস ৰামৰায় খঙ্গতে আছিল।
বসিবাক ভকতৰ সঙ্গতো নেদিল ॥১৩॥
বুলিলা ভকত সবে অন্তৰে মাসেক।
মৰষিয়ো দোষ ৰামৰায়ৰ যতেক ॥
একমাস দুঃখ ভুঞ্জি আছন্ত মনত।
দিয়া ঠাই ইহাঙ্ক মৰষি দোষ যত ॥১৪॥
শুনিয়া শঙ্কৰদেৱে বুলিলন্ত বাক।
বিয়াস-কলাইৰ সঙ্গী জানিবা ইহাক ॥
চাইবে যোগ্য নুহি ইটো আছো দিব ঠাই।
শঙ্কৰদেৱক ভক্তে বুলিলা দুনাই ॥১৫॥
আগ পাছ নুগুণিয়া হঠাতে বুলিল।
খঙ্গিবাক দেখি পাছ মনত গুণিল ॥
কৰি কাবৌ কাতৰ মাগয়, দোষ চয়।
এতেকে ইহান দোষ ক্ষমিব লাগয় ॥১৬॥

—ৰামৰায়ক ক্ষমা—

শুনি দেৱ শঙ্কৰে বুলিলা পাছে বাক।
বিয়াস কলাইৰ টকা সহিছে আমাক ॥

সেই ষাঠি টকা তুনা কৰি দেই যেবে।
দিবো ৰামৰায়ক ঠাই জানিবাহাঁ তেবে ॥১৭॥
শুনি ৰামৰায় কৌতুকৰ নাহি অন্ত।
তুনা কৰি ষাঠি টকা তেখনে দিলন্ত ॥
শঙ্কৰদেৱক নমস্কাৰ কৰিলন্ত।
আনন্দিত মনে ৰাম-ৰায় ৰহিলন্ত ॥১৮॥
ৰামৰাম গুৰুক শঙ্কৰদেৱে পাছে।
দিলা দুই টকা আনো যত ভক্ত আছে ॥
কাকো এক আধ কৰি সমস্তকে দিলা।
পাঁচগুটি টকা তাৰ আপুনি ৰাখিলা ॥১৯॥

**—ব্যাসকলাইৰ জগন্নাথ যাত্ৰা—**

কৰিলা কীৰ্ত্তন আজি টক'ক ভঙ্গাই।
সাতোদিন অহোৰাত্ৰ পৰিচ্ছেদ নাই ॥
বিয়াস কলাই ঠাই নপাই শঙ্কৰত।
জগন্নাথ ক্ষেত্ৰ গৈলা আনন্দে মনত ॥২০॥
তিনি প্ৰহৰৰ পথ আছয় পাইবাক।
কৰিলেক মানা আসিয়া পাণ্ডা তাক ॥
বোলে অৰে পৰা তই নপাৰ যাইবাক।
জগন্নাথে মানা কৰি আছন্ত তোমাক ॥২১॥

**—ৰুষ্ট জগন্নাথ—**

সিটো জগন্নাথৰ আজ্ঞাক ভাঙ্গি গৈল।
শুনিয়োক পাছে তৈত যেন কথা ভৈল ॥

ভিতৰক যাইতে জগন্নাথ দেখিবাৰ ।
একো নেদেখয় দেখে ঘোৰ অন্ধকাৰ ॥২২॥
বাজই আসন্তে সিটো সমস্তে দেখয় ।
জগন্নাথ দৰ্শনক নপাই দুৰাশয় ॥
বোলে ব্ৰহ্মবধ দিয়া জগন্নাথত ।
মৰিবো শুনিয়া জগন্নাথে হেন মত ॥২৩॥
পাণ্ডাৰ আগত পাছে কহিলা বচন ।
কিসক আমাত বধ দেই অকাৰণ ॥
মোক এৰি যাহাক পূজিল দুৰাশয় ।
মোত নাই বধ, বধ তাহাতে লাগয় ॥২৪॥

## —ব্যাসকলাইৰ মৃত্যু—

বিয়াসকলাইত পাণ্ডা কহিল এতেক ।
শুনি কান্দি সিটো তৈতে ৰহিলেক ॥
কতদিন আছি পুনু গৃহক চলিল ।
তিনদিন পথ আসি তহিতে মৰিল ॥২৫॥
যিপথে মৰিল জানা বিয়াস কলাই ।
সিপথে আজিও জানা যাতিৰী নযায় ॥
জগন্নাথে মানা কৰিলন্ত সমস্তত ।
মোৰ থানে ইপথে নাসিব লোক যত ॥২৬॥

## —পৰিণতি—

তাৰ পৰা সিপথে ন যায় একো নৰ ।
নাহি আৰ মহাপাপী আন আত পৰ ॥

হৰিক ভজিয়া আন দেৱক পূজয় ।
বিয়াসকলাইতে লৈবা ইহাৰ নিৰ্ণয় ॥২৭॥
আপুনি সুপূজি মনে অনুমতি দিল ।
বিয়াস কলাইৰ কেন অবস্থা মিলিল ॥২৮॥ (১)

---

(১) অইন কোনো চৰিতলিখকে ব্যাসকলাইৰ ইমান দুৰৱস্থাৰ কথা লিখা নাই ।

ব্যাসকলাইৰ বিসঙ্গতি সম্পৰ্কে দ্বিজ ৰামানন্দই লিখিছে যে, ব্যাসকলাইৰ হৃদয়ানন্দ নামে এটি লৰা শঙ্কৰদেৱৰ ভক্ত হৈ আছিল। তেওঁৰ সুললিত গীত মাত আদিয়ে শঙ্কৰদেৱক সন্তোষিত কৰিছিল। দৈব দুৰ্বিপাকত হৃদয়ানন্দৰ শৰীৰত ৰৰ খহু'ৱ ( বসন্ত ) দেখা দিলে। কোন প্ৰকাৰে তেওঁ আৰোগ্য নোহোৱা দেখি, এজন ব্ৰাহ্মণৰ পৰামৰ্শ মতে, ৰগা ছাগলি বলি দি কামাখ্যা পূজা কৰিবলৈ মন কৰে। তাকে শুনি শঙ্কৰে ৰামৰায়ক পঠিয়াই সেই কাৰ্য্য ন কৰিবলৈ কয়। কিন্তু ব্যাসকলায়ে শঙ্কৰদেৱৰ উপদেশ নামানি, বলি দি দুৰ্গাপূজা কৰে। কিন্তু ইমানতো, তেওঁৰ পুতেকৰ প্ৰাণ ৰক্ষা নপৰিল—দুদিনৰ পিছত হৃদয়ানন্দৰ মৃত্যু হয়। দুৰ্গাপূজা কৰাৰ শাস্তি স্বৰূপে, শঙ্কৰদেৱে, তেওঁক বহিষ্কাৰ কৰিলে। ব্যাসকলায়ে দোষ মাৰ্জ্জনাৰ অৰ্থে ৰাম ৰায়ৰ হাতত দুকুৰি টকা দিলে কিন্তু তাৰ পৰাও শঙ্কৰদেৱে তেওঁক সম্বৰণ নকৰিলে। মনৰ বেজাৰত অৱশেষত ব্যাসকলাই জগন্নাথলৈ গল। কিন্তু জগন্নাথৰ দ্বাৰা স্বপ্নাদিষ্ট হৈ পাণ্ডাবিলাকে ব্যাসকলাইক সোমাবলৈ নিদিলে। শেষত: ব্যাসকলায়ে নগৰৰ পৰাত কিছুদিন থকাৰ পিছত প্ৰাণ এৰে। প্ৰবাদ আছে যে কাউৰী শগুণ আদিয়েও ঈশ্বৰৰ ভকত নহয় বুলি জানি, তেওঁৰ শৰটো নাখালে।

# উনচত্বাৰিংশ অধ্যায়

—ৰত্নাৱলী গ্ৰন্থ প্ৰাপ্তি—

ইসব প্ৰসঙ্গ এহি মানে আবে থওঁ।
তাৰ পাছে যেন ভৈল শুনা তাৰ্ক কওঁ ॥১॥
নামে কণ্ঠভূষণ ব্ৰাহ্মণ একজন।
মাগুৰীত থাকন্ত পৰম শুদ্ধ মন ॥
বাৰম্বাৰ শঙ্কৰৰ থানক আসন্ত।
মাস দিন মানো মহা আনন্দে থাকন্ত ॥২॥
ৰামৰাম গুৰুৰ জমাই তেন্তে হোন্ত।
শাস্ত্ৰত পণ্ডিত শান্ত সদাচাৰ সন্ত ॥
শঙ্কৰ সহিতে কৃষ্ণ কথাক চৰ্চ্চিয়া।
মহাসুখে থাকা প্ৰেমানন্দত মজিয়া ॥৩॥
গুৰু নৰনাৰায়ণ ৰাজাৰ হোৱন্ত। (১)
যেতিক্ষণে বেহাৰক আসন্ত যাৱন্ত ॥
টেঙ্গা জৰা গুৱাপান বাৰী হন্তে লই।
শঙ্কৰদেৱক প্ৰতিবাৰে দিয়া গই ॥৪॥
দুইচাৰি দিন মান ৰহি থাকা তথা।
আত অনন্তৰে আৰো শুনা পাছ কথা ॥
এক বাৰ বাৰাণসী হন্তে আসিলন্ত ॥
শঙ্কৰদেৱৰ গৈয়া স্থানে ৰহিলন্ত ॥৫॥

---

(১) কণ্ঠভূষণৰ ঘৰ মাগুৰিৰ গ্ৰামত; ৰাম-ৰাম গুৰুৰ জোৱাঁই; নৰনাৰায়ণৰ সভাৰ ৰাজগুৰু (ভূষণ দ্বিজ—৭৪৫) দৈত্যাৰি ৬৪ অধ্যায়

দিন দশ মান ৰহি আছিলা তহিতি।
শঙ্কৰ মাধৱ সমে পৰম পীৰিতি ॥
ৰত্নাৱলী গ্ৰন্থ বাৰাণসী হন্তে আনি।
শঙ্কৰদেৱক দিয়া বুলিলন্ত ৰাণী ॥৬॥
বিষ্ণুপুৰী নামে এক সন্ন্যাসী আছিল। (২)

---

(২) বিষ্ণুপুৰী :—ৰামচৰণ-ঠাকুৰে ( শঙ্কৰচৰিত ৩২৯২—৩৩০৬ পদ ) লিখিছে—বিষ্ণুপুৰীয়ে প্ৰথম জীবনত স্ত্ৰীক এৰি নৱগুণ পুৰি পেলাই সন্ন্যাসী হৈ যায়, কিন্তু পিচত সংযম ৰক্ষা কৰা টান পাই আকৌ ঘৰলৈ গৈ স্ত্ৰীৰ লগত সহবাস কৰিবলৈ বিচৰাত ঘৈনীয়ে তেওঁক ভৎসনা কৰে। মনৰ দুঃখত সন্ন্যাসীয়ে জুইত পৰি প্ৰাণ ত্যাগ কৰিবলৈ যাওঁতে শ্ৰীকৃষ্ণই তেওঁৰ আগত প্ৰকটিত হৈ আত্মহত্যা কৰিবলৈ হাক দিয়ে আৰু ভাগৱত শাস্ত্ৰ অভ্যাস কৰি কাম-ক্ৰোধ-লোভ-মোহৰ হাত সাৰিবলৈ উপদেশ দিয়ে। তেতিয়াৰ পৰা বিষ্ণুপুৰীয়ে ভাগৱত চৰ্চ্চা কৰিবলৈ ধৰে।

শ্ৰীশ্ৰীভক্তমালগ্ৰন্থমতে ( ১৮৪ পিঠি ) বিষ্ণুপুৰী কাশীত বাস কৰিছিল আৰু ভাগৱত সমুদ্ৰ মন্থনকৰি ভক্তিৰত্ন সমূহ একে ঠাই কৰি ভক্তিৰত্নমালা ৰচনা কৰে। জগন্নাথ ক্ষেত্ৰলৈ কেতিয়াও না যায় দেখি জগন্নাথে ভক্তৰ যোগে দি তেওঁক মাতি পঠালে আৰু নিজৰ ডিঙ্গিৰ পৰা ফুলৰ হাৰ দি পঠালে। বিষ্ণুপুৰীয়ে উত্তৰ কৰিলে—গয়া-কাশী-মথুৰা আদি তীৰ্থ ঠাইলৈ গৈ কি হব, মই নাম ৰত্নমালা সদাই পিন্ধি আছো। জগন্নাথক দেখিলে নো কি। হব তেওঁৰ ভৰি ভুৱন পৰ্য্যন্ত ব্ৰজবাসীৰ ওচৰত বন্ধা আছে। যি হক্ যেতিয়া মাতিছে, তেওঁৰ অক্ষয় ৰূপ ৰাশি এবাৰ চাবলৈ যাম। জগন্নাথ ক্ষেত্ৰলৈ গৈ তেওঁ নিজ ৰচিত ৰত্নাৱলী গ্ৰন্থ জগন্নাথৰ চৰণত দি সেৱা কৰে।

মধ্বাচাৰ্য্য ( ১১৬০—১২১৬ শক ) দ্বৈতবাদ প্ৰৱৰ্ত্তক। মধ্বাচাৰ্য্য সম্প্ৰদায়ৰ গুৰুপৰম্পৰা মতে মধ্বাচাৰ্য্য—পদ্মনাভ—নৰহৰি—দ্বিজমাধৱ—অক্ষোভ্য—জয়তীৰ্থ—জ্ঞানসিন্ধু—মহানিধি—বিদ্যানিধি—ৰাজেন্দ্ৰ—পদ্মধ্বজ—বিষ্ণুপুৰী।

ইটো গ্ৰন্থখান বাপু তেঁহে বিৰচিল ॥ (৩)
বাৰাণসী হন্তে কিনি (৪) আনিলোহোঁ আমি।
ভাল হুই নুই বাপু চাহিয়োক তুমি ॥৭॥
শুনিয়া শঙ্কৰদেৱে হেলা কৰিলন্ত।

---

(৩) ৰত্নাৱলী—বিষ্ণুপুৰীয়ে ৰত্নাৱলীৰ লগত কান্তিমালা বুলি আন এখন গ্ৰন্থ ৰচনা কৰিছিল।

গ্ৰন্থ ৰচনাৰ তাৰিখ :—"মহাযজ্ঞ শৰ প্ৰাণ শশাঙ্ক গুণিতে শাকে।
ফাল্গুণে কৃষ্ণ পক্ষস্য দ্বিতীয়ায়াং সুমঙ্গলে ॥
বাৰাণস্যাং মহেশস্য সান্নিধ্যে হৰিমন্দিৰে।
ভক্তিৰত্নাৱলী সিদ্ধা সহিতা কান্তি-মালয়া ॥"

১২৫৫ শক বা ১৩৩৪ খৃষ্টাব্দ।

(৪) ৰামচৰণঠাকুৰৰ মতে ( ৩৫১৭—৩০ ) বিষ্ণুপুৰীৰ শিষ্য ব্ৰহ্মানন্দই গুৰুৰ লিখিত ভবিষ্যদ্বাণী অনুসৰি বকাৰাদি দেশজাত শকাৰাদি নামৰ শূদ্ৰকুলজাত শ্ৰীহৰিৰ অৱতাৰ শঙ্কৰদেৱলৈ ৰত্নাৱলী গ্ৰন্থখন কণ্ঠভূষণৰ হাতত দি পঠায়। ভূষণ দ্বিজৰ মতে ( ৫৮—২৫৯৬ পদ ) ব্ৰহ্মানন্দই কামৰূপৰ ভাগৱত প্ৰচাৰক মহাপুৰুষলৈ ভক্তিৰ চিন স্বৰূপ ৰত্নাৱলী গ্ৰন্থখন পঠাই দিয়ে। দ্বিজ ৰামানন্দৰ মতে ( ২৭ অধ্যায় ) বিষ্ণুপুৰী সম্প্ৰদায়ৰ শিষ্য ৰামভট্ট পণ্ডিতে কামৰূপ দেশত প্ৰচাৰৰ কাৰণে ৰত্নাৱলী গ্ৰন্থখন শঙ্কৰদেৱলৈ পঠাই দিয়ে। দৈত্যাৰি ঠাকুৰৰ কয় কণ্ঠভূষণে কাশীৰ পৰা গ্ৰন্থখন কিনি আনিছিল।

আই কনকলতা চৰিত্ৰ ( ৫৪ পিঠ ) ত বিষ্ণুপুৰীৰ অইন ৰকম পৰিচয় দিয়া হৈছে—শঙ্কৰাচাৰ্য্য শ্ৰীধৰস্বামী—ভাস্কৰাচাৰ্য্য—নৃসিংহ—পৰমানন্দ—ৰত্নভাৰতী—মহাভাৰতী—পুৰুষোত্তম—বিষ্ণুপুৰী—ব্ৰহ্মানন্দ—জগদীশ মিশ্ৰ।

শ্ৰীশ্ৰীভক্তমালগ্ৰন্থত ( ১৭২—৭৪ পিঠি ) লিখা হৈছে পৰমানন্দপুৰীৰ শিষ্য নৃসিংহ আৰু নৃসিংহৰ শিষ্য শ্ৰীধৰস্বামী। তেওঁ—'শাঙ্কৰ বিৰুদ্ধ গৌণ লক্ষণাব্যাখ্যান। দূৰিয়া স্থাপিলা শুদ্ধমত বিলক্ষণ' )। শ্ৰীধৰ স্বামীৰ পুত্ৰ প্ৰখ্যাত কবি ভট্টি।

সন্ন্যাসীৰ কৃত জ্ঞান-কৰ্ম্ম কহিলন্ত।
কিবা কাম ইহাত বা আছয় আমাৰ।
পুনু কণ্ঠভূষণে বোলন্ত বাৰম্বাৰ ॥৮॥
তোমৰা চাহন্তে ভাল বোলন্ত জানিলো ॥
তেবে ভাল, নুহি আক আনিয়ো নানিলো ॥
তান হাত এড়াইবাক শঙ্কৰে নপাই।
লভিলা হৰিষ সিটো গ্ৰন্থখান পাই ॥
বোলন্ত গোটেক দিব্য পুৰুষ সুন্দৰ।
শিৰগোটা নাহি যেন আছে কলেৱৰ ॥
ইটো গ্ৰন্থখান জানিবাহা সেহি প্ৰায়।
আন ভাল সকলে শৰণ গোটা নায় ॥১০॥
যদি এক শৰণ ৰাখিয়া থাকে জান।
জগততো নাহি ইটো গ্ৰন্থক সমান ॥
আছয় শৰণ কণ্ঠভূষণে পাইছন্ত।
এহি হেতু মাধৱে যে চাহিয়া বোলন্ত ॥১১॥
সমস্তৰে শেষত শৰণ বান্ধিছন্ত।
পাছে এক শৰণ শঙ্কৰে দেখিলন্ত ॥
কিনো মহা দিব্য গ্ৰন্থ মানিয়া মনত।
উঠিলন্ত গ্ৰন্থখান ধৰিয়া শিৰত ॥১২॥
নাচন্ত হৰিষে আতি মনে মহা ৰঙ্গ।
বোলন্ত জানিবা বিষ্ণুপুৰী মোৰ সঙ্গ ॥
দেখি কণ্ঠভূষণ পৰম ৰঙ্গ ভৈলা।
ৰত্নাৱলী গ্ৰন্থ থৈয়া গৃহে চলি গৈলা ॥১৩॥

ঝুনা

ও হৰি এহে নমো, নমো নাৰায়ণ
জগত কাৰণ মাধৱ মুকুন্দ ৰাম ॥১৪॥

---

# চত্বাৰিংশ অধ্যায়

—ব্ৰাহ্মণৰ বিদ্বেষ -

শুনিয়োক সাধুসব নিৰন্তৰ ।
ভৈলেক যেন আত অনন্তৰ ॥
শঙ্কৰদেৱক বিদ্বেষ মনে ।
একত্ৰ হুয়া সবে বিপ্ৰগণে ॥১॥

—ব্ৰাহ্মণৰ নিন্দাসূচক কবিতা—

আলোচ কৰি একমত ভৈল ।
ভকতক বিতণ্ডা কৰিবে লৈল ॥
বোলন্ত উপালম্ভ নানা মত
বিগুতে কি বোলন্ত ভকত ॥২॥
শঙ্কৰদেৱক অসহ মনে ।
কৰিল কবিতা ব্ৰাহ্মণগণে ॥
অজাতি স্ত্ৰীবোৰো ঘৰত মিলয়
সুপক্ক দশ নৈয়া কল গিলয় ॥৩॥
একাদশী দিনা ভুঞ্জয় ভাত ।
মূৰত নলয়ৈ তুলসী পাত ॥

গুপুত কৰিয়া ধৰ্ম্ম কৰ্ম্মক ।
পাষণ্ড কৰিলে সবে লোকক ॥৪॥
নষ্ট কৰিলেক সবে জগত ।
বুলিল কতো আনো নানা মত ॥
ততেক আৰো আত নুতুলিলো ।
বিস্তৰ পদ ভয়ে সংহৰিলো ॥৫॥

**—শঙ্কৰদেৱৰ প্ৰত্যুত্তৰ—**

শঙ্কৰদেৱত কহে ভকতে ।
ব্ৰাহ্মণে কৰিলে কবিতা যতে ॥
শুনিয়া শঙ্কৰদেৱে ক্ৰোধিল ।
ব্ৰাহ্মণ সবৰো কবিতা কৰিল ॥৬॥
নানান শাস্ত্ৰৰো তত্ব উদ্ধাৰি ।
বিবাদ খণ্ডিবে যেবে নপাৰি ॥
ব্ৰাহ্মণ সব ছুইবে যোগ্য নয় ।
দেখাইলা কৰিয়া কবিতা চয় ॥৭॥

**—মাধৱদেৱৰ স্থিৰবুদ্ধি—**

পাছত মাধৱদেৱে দেখিলা ।
শঙ্কৰদেৱক নমি বুলিলা ॥
ব্ৰাহ্মণে বোলোক ষি লাগয় ।
আমাৰ বুলিবে যোগ্য নোহয় ॥
আপুনি তোমৰা জানিয়া সবে ।
কিসক বিস্মৰণ ভৈলা এবে ॥

শুনিয়া শঙ্কৰ হৰিষ ভৈলা।
মাধৱদেৱক বুলিবে লৈলা ॥৯॥
মাধৱ সাধু সাধু তযু মত।
ব্ৰাহ্মণ কবিৰ কবিতা যত॥
কৰিছিলা সবে তাক গুছাইলা।
শঙ্কৰে পাছে মনে গুণি পাইলা ॥১০॥

## —পাষণ্ড মৰ্দ্দন ঘোষা—

কৰিলা পাষণ্ড মৰ্দ্দন নাম।
কীৰ্ত্তন ঘোষা আতি অনুপাম॥
আগম পুৰাণ সংহিতা যত।
সহস্ৰ নাম গীতা ভাগৱত ॥১১॥
সমস্ত শাস্ত্ৰৰ তত্ত্ব উদ্ধাৰি।
বুলিলা অভক্তক নিন্দা কৰি॥
হৰি নাম এৰি মুকুতি চাই।
মিছাত পণ্ডিত ফুৰে বোলায় ॥১২॥
বিষ্ণু, বৈষ্ণৱক নিন্দে যি নৰ।
কিসক পঢ়য় শাস্ত্ৰ পামৰ॥
ভকতক দ্বেষ কৰে সম্প্ৰতি।
আপুনি পাপী যাইব অধোগতি ॥১৩॥

## —গ্ৰন্থকাৰৰ নিবেদন—

শুনা সাধুজন কৰযোৰে বোলো বাক।
আগ পাছ দোষ ক্ষমা কৰিবা আমাক॥

যদি কিছু লবে আত নুদুষিবা মোক।
নানান প্ৰকাৰে জানা চৰ্চ্চে সাধুলোক ॥১৪॥
মহন্তৰ মুখে আমি শুনিছো যিমতে।
ন ধৰিবা দোষ আমি—লিখিলো সি মতে ॥
যদি কিছু কথা ৰহে আতো নু দুষিবা।
ভাল মতে তোৰা সবে আপুনি চৰ্চ্চিবা ॥২৫॥
কতো মহাজন সবে বুলিলন্ত মোক।
দুয়ো মহা পুৰুষৰ কথা লিখিয়োক ॥
কোনো মহাজনে বোলে মনৰ আনন্দে।
পঢ়িবাক ভাল হোক লিখা পদবন্ধে ॥১৬॥
তাসম্বাৰ বাক্য পালি পদ বন্ধ কৰো।
আত দোষ ন ধৰিবা কৰযোৰ কৰো ॥
আপোনাৰ হিত চিন্তি সাধু নিৰন্তৰ।
ঘনে ঘনে ডাকি বোলা মাধৱ শঙ্কৰ ॥১৭॥

---

# একচত্বাৰিংশ অধ্যায়

—ৰাজ-ৰোষ—

শুনা সাধুজন থিৰ কৰি মন
তাত পাছে যেন ভৈলা।
বেহাৰৰ হন্তে নৰনাৰায়ণ
ৰৰ নগৰক গৈলা ॥১॥

তহিতে ব্ৰাহ্মণ সমস্তে ৰাজাক
কহিলেক—ৰাজ্য নষ্ট।
কৰিল শঙ্কৰ শুনিয়া ৰাজাৰ
মনে ভৈল বৰ কষ্ট ॥২॥

—শঙ্কৰদেৱক বন্দী কৰাৰ আদেশ—

শঙ্কৰদেৱক ধৰিয়া নিবেক
গৰমৌলি পাঞ্চি দিল।
বাৰ্ত্তা পাই আগে নেদিলন্ত লাগ
দুইজন ধৰি নিল ॥৩॥
নৃপতিৰ আগ কৰিলেক নিয়া
ৰাজা বোলে আৰা কোন।
কৈল গৰমৌলি শঙ্কৰ পলাইলি
ধৰিলো শিষ্য দুইজন ॥৪॥

—গোকুলচান্দ নাৰায়ণ ঠাকুৰ বন্দী—

বোলয় গোকুল— —চান্দ নাৰায়ণ
আৰা দুইহান্তৰ নাম।
শঙ্কৰৰ শিষ্য আৰা দুইজন
দুয়ো শঙ্কৰৰ সম ॥৫॥
তাৰা দুইহন্তে পুছিলা নৃপতি
শঙ্কৰৰ কথা যত।
যেন মনে লয় দুয়ো মহাশয়
কহিলা তাক সমস্ত ॥৬॥

## —নিৰ্য্যাতন—

বোলন্ত নৃপতি দুৰ্গাক নমিয়ো
তাৰা বোলে নপাৰিবো ।
কৃষ্ণত শৰণ পশি আবে কেন
আনক মাথা দোৱাইবো ॥৭॥
শুনিয়া নৃপতি মাৰিবাক প্ৰতি
পাঞ্চিল গৰমৌলিক ।
মাৰে দুই মাৰ কাঠা চেঙ্গি আৰ
গড়কা আতি অধিক ॥৮॥
বাঁশ গড়কাতে ভাঙ্গিলেক হাত
নাৰায়ণ ঠাকুৰৰে ॥
গোকুল চান্দক মাৰয় সততে
কণ্ঠায়ে আঠাৰে জোৰে ॥৯॥
মাৰে যিবালোকে বোলন্ত তাঁহাকে
গাৱে নাহি তোৰ বল ।
পাৰা মানে আটে সমস্তে কণ্ঠাকে
পাইবাক লাগয় ফল ॥১০॥

## —কৃষ্ণত আত্মসমৰ্পণ—

কেন নৰ তনু পায়া আমি পুনু
কৃষ্ণত ভক্তি নকৰে ।
এতেকে সমস্তে ইন্দ্ৰিয় গণকে
মাৰক যিমান পাৰে ॥১১॥

কৃষ্ণ কথা কেনে    নুশুনয় কানে
মুখে নলৱয় নাম।
মনে হৰি পদ    নিচিন্তে সতত
নকৰে শিৰে প্ৰণাম ॥১২॥
চক্ষুৱে ভক্তক    নচাইলে কিসক
আলিঙ্গন ভকতক।
নকৰিলা গাৱে    তাৰ ফল পাৱে
পাৰ মানে যাৰ আক ॥১৩॥
শুনি জমাদাৰে    আটে যত পাৰে
আঠাৰ জোৰে কণ্ঠাক।
তভো নাহি দুঃখ    হৰষিত মুখ
হৰি বুলি দেন্ত ডাক ॥১৪॥
ৰাম নাম গান্ত    কৌতুক কৰন্ত
কতোহোঁ গীত গাৱন্ত।
প্ৰেম উপজয়    গাৱ শিহৰয়
কান্দন্ত কতো হাসন্ত ॥১৫॥
কতো বাগৰন্ত    উঠিয়া হাসন্ত
ফুৰন্ত কতো বাগৰে।
আষ্ট দশ জোৰে    কণ্ঠা জুণ্ঠ কৰি
শোলকি আপুনি পৰে ॥১৬॥

—ভোটলৈ বিক্ৰী—

দেখি সমস্তয়    লোকৰ বিস্ময়
পাছে গৰমৌলি নিয়া

তাৰা দুইহান্তক দিলন্ত ভোটক
বাজাৰ আজ্ঞাক লৈয়া ॥১৭॥
ভাৱ তাসম্বাৰ দেখিয়া ভোটৰ
মনত শঙ্কা মিলিল।
আৰা সব দেৱ মানুষ বুলিয়া
ভোটেৱো দুইকো নেনিল ॥১৮॥
ৰিপু দুৱাৰত ৰাখিছিল কত
দিন তাৰা দুইজন।
শশী, হৰি, গৰ— —মৌলি দুয়ো বৰ
বুদ্ধি দুইৰো বিচক্ষণ॥১৯॥
তাসম্বাতে দেখি জানিলেক দুয়ো
হৰি ভকতিৰ বল।
তাসম্বাৰ মুখে শুনিলেক সুখে
কৃষ্ণৰ কথা সকল ॥২০॥
ভকতৰ সঙ্গ কৰিল নির্ম্মল
তাৰা দুই হান্তৰ মন।
শঙ্কৰ দেৱক গুৰু মানি দুয়ো
কৃষ্ণত লৈলা শৰণ ॥২১॥
পাছে দুই হান্তকো তাৰা দুয়ো নিয়া
ৰাজাৰ আগ কৰিল।
কহিল ৰাজত আৰা দুই হান্তক
ভোটেৱো দেখা নেনিল ॥২২॥
এতেকে আৰাক দুঃখ দিবে আৰ
যোগ্য নুহি নৃপবৰ।

আদি অন্ত যত　　সমস্তে কথাক
কহিলেক দুই হাতুৰ ॥২৩॥
ৰাজাই শুনিয়া　　বিস্ময় মানিয়া
প্ৰশংসি বোলে বচন।
সাৰ্থক শঙ্কৰ　　গুৰু ধন্য ধন্য
শিষ্য আৰো দুইজন ॥২৪॥

—মুক্তি—

মই তাসম্বাৰ　　ৰজা নোহোঁ আৰ
এৰি দিলা বুলি এহি।
ৰাজা আপোনাৰ　　আপুনি আৰাৰ
অধিকাৰ আন নুহি ॥২৫॥
পাছে তাৰা দুই　　আনন্দিত হুই
আসিলন্ত নিজ ঘৰ।
সত্বৰ গমনে　　গৈল দুয়োজনে
যথাত আছা শঙ্কৰ ॥২৬॥
যত আদি অন্ত　　সবে কহিলন্ত
যেন যেন দুঃখ ভৈল।
শঙ্কৰ মাধৱ　　দুয়ো দুইহন্তক
আশ্বাসি বুলিবে লৈল ॥২৭॥
হৰি হৰি কিনো　　বৰ দুঃখ পাইলা
ভুঞ্জিলা মহা নিকাৰ।
আমাৰ মনত　　তোৰা সকলক
নেদেখিবো আমি আৰ ॥২৮॥

# দ্বিচত্বাৰিংশ অধ্যায়

—ৰাজ অনুগ্ৰহ—

আনো নানা মত　　　কৰিয়া সাদৰ
　　ৰহিলন্ত সবে তথা ।
শুনা সাধুজন　　　আৰো ভৈল যেন
　　আত অনন্তৰে কথা ॥২১॥

কতোদিন ঘৰে　　　আছিলা শঙ্কৰে
　　বেহাৰক লাগি গই ।
আসিলন্ত যাই　　　চিলাৰায় ঠাই
　　কাৰখানাৰ দলৈ হুই ॥২২॥

—তান্তিকুঁচিৰ গোমস্তা—

তান্তি কুঁঞ্চিত　　　কেন্দুৰ গুৰিত
　　পাতিলন্ত কাৰখানা ।
পাটবাউসীৰ　　　পৰাই শঙ্কৰে
　　তৈকে যান্ত প্ৰতিদিনা ॥৩॥

কাৰ্থনা চৰ্চ্চন্ত　　　যাত ছিদ্ৰ পান্ত
　　তাক ধৰি দণ্ডিলন্ত ।
খেনে তৈতে বসি　　　পৰম হৰিষি
　　কৃষ্ণৰ কথা কহন্ত ॥৫॥

—চৈতন্যপন্থী মথুৰাদাস—

তান্তিৰ উপৰি　　　বীৰ আছিলন্ত
　　গোপাল নামে জনেক ।

খাটন্ত লগতে    শঙ্কৰদেৱকে
ন পাৰিলা চিনিবেক ॥৪॥
বঙ্গদেশী মত    ষোল নাম লৈল
বঙ্গদেশী ভক্ত থানে।
গোপাল গুছাই    নাম মথুৰাদাস
দিলন্ত পাছত তানে ॥৬॥
সেহিতো মথুৰা—    —দাস পাছে তেহেঁ
মাধৱৰ প্ৰসাদত।
শঙ্কৰদেৱক    ঈশ্বৰ বুলিয়া
জানিলা তেবে মনত ॥৭॥
এহিমতে কাৰ—    —খানাক চৰ্চ্চিয়া
আছন্ত দেৱ শঙ্কৰ।
বৰপেটা থানে    লোক সমস্তৰ
আনন্দ বঢ়াই বিস্তৰ ॥৮॥
কৃষ্ণ গুণ গান    কৰন্ত কীৰ্ত্তন
আনন্দৰ নাহি পাৰ।
গাৱয় বাৱয়    নটুৱা নাচয়
সঘনে হৰি জোকাৰ ॥৯॥
ভকতি মিলন্ত    ভাৱনা কৰন্ত
কৃষ্ণৰ গুণ চৰিত
তাৰ মহাধ্বনি    শুনি যিবা মানে
সবেয়ো হোৱে পবিত্ৰ ॥১০॥

প্ৰেমৰ ভৰত কতোহোঁ ভকত
মাটিত পৰি বাগৰে।
কতো হাত তুলি হৰি হৰি বুলি
আনন্দ কৰয় ৰবে॥১১॥
এহি মতে বৰ — —পেটাত শঙ্কৰ
ৰহিলা আনন্দ হুই।
বুলিয়ো সত্বৰ মাধৱ শঙ্কৰ
পাপত লাগোক জুই॥১২॥

---

# ত্ৰি-চত্বাৰিংশ অধ্যায়

**—নৰনাৰায়ণৰ নিগ্ৰহ—**

অনন্তৰে যেন ভৈল তাক শুনিয়োক।
ৰাজাৰ আগত খল দিল বিপ্ৰলোক॥
সমস্তে ৰাজ্যক নষ্ট কৰিল শঙ্কৰ॥
শূদ্ৰ হুয়া নমস্কাৰ লৱে ব্ৰাহ্মণৰ॥১॥

**—ব্ৰাহ্মণৰ গোচৰ—**

ব্ৰাহ্মণৰ স্ত্ৰীয়ো সেৱা কৰে শঙ্কৰক।
ঘৰে ঘৰে দিয়া ফুৰাৱয় পাদোদক॥
পিতৃৰ গৃহত পুত্ৰ ন কৰে ভোজন।
বোলে নতু লস তই হৰিত শৰণ॥২॥
কৈৱৰ্ত্ত কলিতা কোঁচ ব্ৰাহ্মণ সমস্ত।

একে লগে খাই দুধ চিৰাকল যত ॥
অন্ন ৰান্ধি জগন্নাথ প্ৰসাদ কৰয় ।
ইগাৰেঁ সি গাৰেঁ তাক দিয়া ফুৰাৱয় ॥৩॥
ব্ৰাহ্মণৰো গুৰু হৈয়া দেন্ত উপদেশ ।
শয্যা দান আদি যত লৱয় নিশেষ ॥
হেন শুনি নৃপতিৰ ভৈল ক্ৰোধ মন ।
মহাক্ৰোধ কৰি ৰাজা বোলয় বচন ॥৪॥

**—ৰাজাৰ আদেশ—**

হেনয় অনীতি যিটো ৰাজ্যে প্ৰবৰ্ত্তয় ।
ছত্ৰ ভঙ্গ ৰাজাৰ প্ৰজাৰ দুঃখ হয় ॥
চাৰি গৰমৌলি যাই আন শঙ্কৰক ।
অনাচাৰ কৰি নষ্ট কৰিল ৰাজ্যক ॥৫॥
কৰিবো বিচাৰ এহু দুই নিষ্ঠ যেবে ।
চাইবো ডবা শঙ্কৰৰ চালে তেবে ॥
নিষ্ঠ কৰি বোলো মাংস হেঙ্গালে খুৱাবোঁ ।
শঙ্কৰৰ হাড়ে নিষ্ঠে অগণি পুৱাইবোঁ ॥৬॥
যদি মই নৰনাৰায়ণ ৰাজা হওঁ ।
তেবে শঙ্কৰক নিশঙ্কৰ কৰিবাওঁ ।
এহি কথা চিলাৰায় দেৱানে শুনিয়া ।
টেকাই মাজিক চাহি বুলিলা মাতিয়া ॥৭॥

**—চিলাৰায়ৰ সতৰ্কতা—**

এক শত টকাৰ টোপলি দিবো তোক ।
ঝাণ্ট কৰি শঙ্কৰক আনি দেহ মোক ॥

লোকক দেখায়া লঘু লাঞ্ছনা কৰিবি।
মিছায় নাৱৰ গোৰে বান্ধিয়া আনিবি ॥৮॥
ঘৰ দুৱাৰ আগ্ৰহিয়া ৰাখিয়া যে দিবি।
দাসী দাস যত ৰামৰায়ত গতাইবি ॥
এহি বুলি টেকাই মাজিক দেৱানে পাঞ্চিলা।
ৰাতি দিন কৰি বৰপেটাক আসিলা ॥৯॥

—শঙ্কৰদেৱ বন্দী—

মনে মনে গৈয়া ঘৰ আগ্ৰহ কৰিল।
শঙ্কৰদেৱক পুৱা সময়ে ধৰিল ॥
গোসানীক ঘৰ হন্তে বাহিৰ কৰিল।
চৌবেড়া পেলাই সৰ্ব্বস্বক বিচাৰিল ॥১০॥
বান্দী গোৰক্ষক সবে গতাই গতাই দিল।
ৰামৰায়ক টেকাই দাবিয়া বুলিল ॥
শঙ্কৰক এক বান্দী নফৰক থই।
দেৱানে সৰ্ব্বস্ব লৈব মোৰতো দোষ নাই ॥১১॥
এহি বুলি সাজ যত কিৰিয়া কৰিলা।
শঙ্কৰক নিয়া নাৱ গোড়ত তুলিলা ॥
বৰ পিৰা কমলি পাৰিয়া তাতে দিল ॥
টেকাই মাজি নাৱ মেলি বৈঠাক ধৰিল ॥১২॥
তোলা বৈঠা ধৰি জল উল্লাল কৰিল।
একোজনে নাৱ মনিবাক নপাৰিল ॥
ৰোল মাত্ৰ শুনে কেহোঁ নাৱক নেদেখে
বৈঠাৰ চাটিত মাথো জলময় দেখে ॥১৩॥

একমোৰ নদী ভাটী ভৈল মাত্ৰকত।
শঙ্কৰক তুলিলন্ত নাৱ আসনত॥
ৰাজাৰ আদেশে গড়মৌলি আসিবেক।
শঙ্কৰক নপাই দুঃখ ঘৰত দিবেক॥১৪॥
এহিসে কাৰণে ছল কৰিল এতেক।
গড়মৌলি আসিবেক কিবা কৰিবেক॥
বৰমটা টেকাই মাজি নাৱ বায়া গেল।
ডেৰ পৰ ৰাতি যান্তে ফুলবাৰী পাইল॥১৫॥

—চিলাৰায়ৰ ঘৰত—

আনিলেক শঙ্কৰক দেৱানে শুনিল।
গৃহ হন্তে আথে বেথে বাজাই আসিল॥
আসিলাহা বাপু বুলি আলিঙ্গি ধৰিল।
সাদৰ কৰিয়া অভ্যন্তৰ লাগি নিল॥১৬॥
তহিতে শঙ্কৰদেৱ হৰিষে ৰহিল।
দেৱানে টেকাইক এক শত টকা দিল॥

—বিফল মনোৰথ নৰনাৰায়ণ—

অনন্তৰে গড়মৌলি ৰাজাৰ আসিল।
শঙ্কৰক চিলাৰায় নিবাৰ জানিল॥১৭॥
এহি বুলি গড়মৌলি বিচাৰি নপাইল॥
ফিৰি আসি গৈয়া নৰনাৰায়ণত কহিল॥
শঙ্কৰৰ ঘৰবাৰী চিলাৰায়ে আগ্ৰহিল।
শুনি নৰনাৰায়ণৰ আগ্ৰহ মিলিল॥১৮॥
শঙ্কৰক নাৱৰ গোড়ত বান্ধিলেক।

হেন শুনি ৰাজা হাসি হাসি বুলিলেক ॥
সবে মিছা মই আনিবাৰ শুনি নন্থ ।
লোকক দেখায়া কৰিবাক পাৰে পুন্থ ॥১৯॥
শঙ্কৰক নন্থ জানো কিয় এনে কৰিবেক ।
আন কিছু নাই মোক মাত্ৰ ভাণ্ডিলেক ॥
তভো শঙ্কৰক লাগ পাইবাক লাগয় ।
কৰিবো ইহান লগে আলাপ নিশ্চয় ॥২০॥
শুনো বৰ বিদগ্ধ পণ্ডিত অতিশয় ।
পুছোঁ কেন মতে হৰি ভকতি কৰয় ॥
শুনো শঙ্কৰৰ গীত কবিতা বিস্তৰ ।
কিমত কবিতা চয় দেখো শঙ্কৰৰ ॥২১॥

—নৰনাৰায়ণৰ শঙ্কৰ প্ৰীতি—

এহি বুলি চিলাৰায় দেৱানৰ ঠাই ।
দুইজন গৰমৌলি দিলন্ত পঠাই ॥
শঙ্কৰক পঠাই নন্থ দেউক মোৰ ঠাই ।
কৰিবো আলাপ আন একো ভয় নাই ॥২২॥
দুই গৰমৌলি যাই কৈলা দেৱানত ।
দেৱানো কহিলা এহি কথা শঙ্কৰত ॥
শুনিয়া শঙ্কৰদেৱে আনন্দিত মন ।
দেৱানক চাহি তেহোঁ বুলিলা বচন ॥২৩॥
অন্যায় নকৰি ৰাজা বুজোক মাত্ৰক ।
নাহি শঙ্কা লাগে দায় ধৰোক যতেক ।
পণ্ডিত সবক মই নকৰোঁ ইঙ্গিত ।

যত লাগে মানে বাদ কৰোক পণ্ডিত ॥২৪॥
দেৱানো বোলয় যদি পণ্ডিত সবক।
জিনিবাক পাৰা যদি দেখায়া শাস্ত্ৰক ॥
ৰাজাক লাগিয়া ভয় নকৰিবা কিছু।
ৰাজাই অন্যায় কৰে তাক লাগি আছোঁ ॥২৫॥
পণ্ডিত সবক লাগি মোৰ বুদ্ধি নাই।
এহি বুলি শঙ্কৰক দিলন্ত পঠাই ॥
গৰমৌলি গৈয়া পুনু কহিলা ৰাজাত।
শঙ্কৰক আনি আছোঁ ইন্দ্ৰ দুৱাৰত ॥২৬॥
শুনি ৰাজা বোলে আন আন মোৰ আগে।
ইন্দ্ৰ দুৱাৰত কেনে ৰাখিবাক লাগে ॥২৭॥

---

# চতুশ্চত্বাৰিংশ অধ্যায়

—ৰাজানুগ্ৰহ—

হেন শুনি ৰাজাৰ আগত পাছে নিল।
দেখি আঠুপাৰি দেৱ শঙ্কৰ বসিল ॥
সিংহাসনে বসি ৰাজা শঙ্কৰক দেখি।
পৰন বিস্ময় হুয়া আছন্ত নিৰিখি ॥১॥
শঙ্কৰক তেজে নৃপতিক ধৰষিল।
উঠিয়া চৌৰাত আসি ৰাজায়ে বুলিল ॥
একগল মানে মাটি ৰাজাৰ চৌৰাত।

সাত খটী উঠিবাক লাগে তাত ॥২॥
ৰন্ত একোবাৰ একো খট্‌ খটী উঠি।
কৰন্ত ৰাজাক বৰ্ণাই স্তব এক গুটি ॥
একো খট্‌খটী উঠি ৰন্ত একোবাৰ।
আসিয়ো শঙ্কৰ ৰাজা মাতে পুনৰ্ব্বাৰ ॥৩॥
আঠু ঘষাই সাতো খট্‌খটীত উঠিল।
ৰাজাক বৰ্ণাই এক ভটিমা মাতিল ॥
শুনিয়া ৰাজাৰ মনে হৰিষ মিলিল।
শঙ্কৰত কথা তেবে আপুনি পুছিল ॥৪॥
কোন দেশে কোন গ্ৰামে জনম তোমাৰ
কহিলা শঙ্কৰদেৱে কথা আপোনাৰ।

—ৰাজ-ভটিমা—

ৰাজাৰ আগত "মধু দানৱ দাৰণ।
দেৱবৰং" ইটো স্তোত্ৰ কৈলা নিৰূপণ ॥৫॥
শুনিয়া বিস্ময় ভৈলা নৰনাৰায়ণে।
শঙ্কৰদেৱক চাহি বুলিলেক মনে ॥
মানুষৰ শকতি নুহিকে শঙ্কৰৰ।
ঈশ্বৰৰ শক্তি ইটো জানা সাৰোত্তৰ ॥৬॥

—ৰাজ সভাত সমাদৰ—

বসিবে কমলি দেউক শঙ্কৰক আনি।
শুনি বুঢ়া পৰমানন্দে লুকাইলন্ত জানি ॥
মনে বোলা কমলিক বিচাৰিয়া নেউক।
দ্বিজগণে শঙ্কৰৰ মহিমা দেখোক ॥৭॥

আন আন কমলি বোলয় বাৰম্বাৰ।
বোলে পুনু নেদেখি কমলি আনিবাৰ।
দলিচা এখন আনি শঙ্কৰক দেউক।
মটিত আছয় উঠি তাহাতে বহোক ॥৮॥
হেন শুনি গৰমৌলি দিলা নি দলিচা।
দলিচাত ন বসি মাটিত বসি আছা ॥
বৈস বৈস কৰে ৰাজা তভো নবসন্ত।
এৰাইতে নপাৰি লুণ্ডি সণ্ডি কৰিলন্ত ॥৯॥
আগত থৈলন্ত আঠু দুই লগাই তাত।
বসিবাক নেদেখিয়া ৰাজায়ে পাছত ॥
বোলে দলিচাত ন বসিবেক শঙ্কৰ।
কমলি আনিয়া দেউক কৰিয়া সত্বৰ ॥১০॥
এক গৰমৌলি গৈলা কমলি আনিত।
বিলম্ব দেখিয়া ৰাজা কৰে উচ্চ পিত ॥
আৰ গৰমৌলি গৈয়া আটাস পাৰয়।
ৰাজা খঙ্গে আইস ৰে কমলি ধৰা কয় ॥১১॥
শুনিয়া পৰমানন্দ বঢ়া নমাতন্ত।
আৰ দুয়া ব্ৰাহ্মণৰ পাছত আছন্ত ॥
গৰমৌলি উপৰি গৰমৌলি যায়।
কোথায় কমলি বুলি ফুৰে গেড়িয়াই ॥১২॥
পাছে এক গৰমৌলি লাগ পাইলা যাই।
পুথিৰ ভাৰৰ আঁৰে আছন্ত লুকাই ॥
গালি পাৰি কমলি আজুৰি আনিলেক।

তাৰ হাত হন্তে আৰ গোটেক নিলেক ॥১৩॥
তাৰ হাত হন্তে আৰ গোট কাঢ়ি লৈল।
তাৰ হাত হন্তে আৰ গোট লৈয়া গৈল ॥
এহি মতে কমলিক ধৰা ধৰি কৰে।
দেখিয়া ব্ৰাহ্মণ সব দেখি মূৰ্চ্ছি মৰে ॥১৪॥
গৰমৌলি পাছৰ পৰা কমলি দিলা নিয়া।
বসিলা শঙ্কৰ গুৰু কমলিক পায়া ॥
ৰাজা বিনা আনে কমলিত দলিচাত।
বসিবে নপায়ে একো জানা সি চৌৰাত ॥১৪॥
লাগ পায়া শঙ্কৰক আনন্দ ৰাজাৰ।
শঙ্কৰৰো ভৈল আতি আনন্দ অপাৰ ॥
ৰাজা বোলে কিবা বণ্টা দিবো শঙ্কৰক।
শঙ্কৰে বোলন্ত বণ্টা আছে যোগ্য মোক ॥১৬॥
যিটো খল গুলা দিয়া আছে বিপ্ৰলোক।
সবে বণ্টা হুই যদি তাঙ্ক বুজিয়োক ॥
যিবা খল গুলা দিয়া ব্ৰাহ্মণে আছয়
সবে সত্য হুই অল্প কৰাইবে পাৰয় ॥১৭॥
ৰাজা বোলে মনত আছিল মোৰ দুঃখ।
তেখনে গুছিল সবে দেখি তযু মুখ ॥
আজি যায়ো বাসা কালি প্ৰভাতে আসিবা।
বুজিবো ব্ৰাহ্মণ সবে কহি আছা যিবা ১৮॥
এহি বুলি ৰাজা গুৱা চন্দন দিয়াইল।
সুগন্ধি পুষ্পৰ মালা অনেক পিন্ধাইল ॥

লগৰো ভক্তক মালা বিস্তৰ দিয়াইল।
শঙ্কৰদেৱক পুষ্পে ভূষিয়া পঠাইল ॥১৯॥
দেৱানেয়ো তিলে তিলে বাৰ্ত্তাক লৱয়।
শঙ্কৰক কিবা বোল ৰাজায়ে বোলয় ॥
গৈলন্ত শঙ্কৰদেৱ আপোন বাসাক।
দেৱানে পুছিলা তান্ত সমস্তে কথাক ॥২০॥
ৰাজা সবে যেন যেন আলাপ কৰিল।
দেৱানত সবে কথা শঙ্কৰে কহিল ॥
যেন মতে ৰাজা শঙ্কৰক সাদৰিল।
শুনি দেৱানৰ মনে হৰিষ মিলিল ॥২১॥

**—ব্ৰাহ্মণৰ পৰাজয়—**

আউৰ দিন শঙ্কৰদেৱ গৈলা।
চন্দন চৌৰাত আসি ৰাজাও বসিলা ॥
ব্ৰাহ্মণ সবক তৈকে লাগি অনাইলেক।
শঙ্কৰ সহিতে ৰাজা বাদ কৰাইলেক ॥২২॥
যত খল দিয়াছিল সবে মিছা ভৈল।
অন্যো অন্যে সবে বাদ কৰাইবাক লৈল ॥
ব্ৰাহ্মণ সকলে শ্লোক গোটেক পঢ়ন্ত।
সৰসৰি দহটাও শঙ্কৰে তোলন্ত ॥২৩॥
দেখি বিচুৰুতি ভৈল সকলে ব্ৰাহ্মণ।
থক্‌বক্ কৰে মুখে নাসয় বচন ॥
নাপাৰিলা বাদে শঙ্কৰক বিপ্ৰগণে।

দেখিয়া হৰিষ ভৈল নৃপতিৰ মনে ॥২৪॥
পাছে নৰনাৰায়ণ ৰাজা বুলিলেক।
আঠ গোটা শ্লোক মই কৰিছোঁ প্ৰত্যেক ॥
প্ৰতি প্ৰতি শ্লোক জোৰা আঠ আঠ হয়।
আঠো জোৰা জুৰিবাক কেহোঁ নপাৰয় ॥২৫॥
দুই তিনি চাৰি জোৰা জোৰয় মাত্ৰকে।
সেহি আঠ শ্লোক তুমি জুৰিয়ো প্ৰত্যেকে ॥
শঙ্কৰে বোলন্ত মহাৰাজা শুনা তুমি।
আনে নপাৰিলা কেনে জুৰিবোহোঁ আমি ॥২৬॥
ৰাজা বোলে ইবোলে নোপোৱা ভাণ্ডিবাক।
আন পণ্ডিত সম নুহিকে তোমাক ॥
এৰাইতে নোৱাৰা শ্লোক লাগে জুৰিবাক।
শুনিয়া শঙ্কৰদেৱে বোলন্ত ৰাজাক ॥২৭॥
তভো বুদ্ধি অনুসাৰে পাৰিবো যিমান।
তযু আজ্ঞা পালিয়া জুৰিবো সেহিমান॥
জুৰিবে লাগিলা শ্লোক ৰাজাৰ আগত।
শুনন্তে অমৃত যেন বৰিষে কৰ্ণত ॥২৮॥
প্ৰত্যেক শ্লোকৰ সাত সাত জোৰা পাছে।
জুৰিলন্ত ৰাজাই আনন্দেৰে শুনি আছে ॥
জুৰিবাক দেখি ৰাজা বিস্ময় ভৈলেক।
আমিয়ো নপাওঁ ইটো অৰ্থক প্ৰত্যেক ॥২৯॥
শঙ্কৰদেৱৰ ৰাজা মহিমা দেখিয়া।
মনুষ্য নোহয় এন্ত মনত মানিয়া ॥

ৰাজা বোলে আৰো এক জোৰা আছে তাক।
জুৰিবাক শঙ্কৰ লাগয় শুনিবাক ॥৩০॥
বুদ্ধি অনুসৰি আমি যিমান পাৰিলো।
আৰ অৰ্থ নাপাওঁ লাগ সিমান জুৰিলো॥
হেন শুনি ৰাজা বোলে জানিলোহোঁ আমি।
জুৰিবাক পাৰা কি নপাৰা আৰ তুমি ॥৩১॥
আঠ জোৰা নলাগে অধিক পাৰা তুমি।
ভাল ভাল সকলো কথাক বুজোঁ আমি॥
এহি বুলি সোণাৰ পাকৰা দিয়া এক।
শঙ্কৰদেৱক ৰাজা দগলা দিলেক ॥৩২॥
আনো নানাবিধ বটা দিল বহুতৰ।
সাকুত স্বভাৱে বোলে শুনিয়ো শঙ্কৰ॥
নিতে আগবেলা মোৰ থানক আসিবা।
বন্ধুৰ থানত পাছ বেলাত থাকিবা ॥৩৩॥
এহি বুলি শঙ্কৰদেৱক পঠাই দিল।
পথত যাহান্তে লাগ ব্ৰাহ্মণে ধৰিল॥
আমাসাৰ জীবিকা ৰাজাত কহি পুনু।
ভয় ভৈল শঙ্কৰে বিৰোধ কৰে যুনু ॥৩৪॥

—ব্ৰাহ্মণৰ ক্ষমা ভিক্ষা—

এহি বুলি শঙ্কৰৰ আগত ব্ৰাহ্মণ।
দুই হাতে লগুণ ধৰি বলিলা বচন॥
শুনিয়ো শঙ্কৰ বোলো ব্ৰাহ্মণ সকল।

দেওঁ আশীৰ্ব্বাদ হৌক তোমাৰ কুশল ॥৩৫॥
ব্ৰাহ্মণৰ জীৱিকাক নকৰিবা ছন্ন।
প্ৰীতি পূৰ্ব্বকে বোলো কাপুৰুষ বচন ॥
ভূমি বৃদ্ধাঙ্গুষ্ঠে ছুই বোলন্ত শঙ্কৰে।
ব্ৰাহ্মণক হিংসা কৰে কোননো পামৰে ॥৩৬॥
কিন্তু তোৰা ভকতিক বিপক্ষ আচৰা।
নিষ্ঠ কৰি বোলো তবে বাজিবো আমৰা ॥
তেবে তোৰা সকলক কিবা কৰো দেখ।
ভকতিক বিৰোধ নকৰি কৰি থাকা সুখ ॥৩৭॥
এহিবুলি ব্ৰাহ্মণক গৈলন্ত শঙ্কৰ।
দেখি বৰ হৰিষ মিলিল ব্ৰাহ্মণৰ ॥
পুছিলেক যেন ভৈল নৃপতিৰ যেন কথা।
কহিলা শঙ্কৰদেৱে দেৱানত তথা ॥৩৮॥
যেন মতে দ্বিজগণে বাদ কৰিলেক।
আৰো যেন মতে ৰাজা শ্লোক জুৰাইলেক ॥
যেন মতে নৃপতিৰ হৰিষ মিলিল।
দগলাক দিয়া যেন বচন বুলিল ॥৩৯॥

## —পণ্ডিতৰ লগত তৰ্ক—

থাকন্ত শঙ্কৰদেৱ কতো দিন গৈল।
শুনা আৰু তৈত যেন কথা ভৈল ॥
ষাঠি জন শিষ্য সমে গোটেক পণ্ডিত।
পশ্চিমা আসিল বাদ কৰিবাক চিত ॥৪০॥

উদয় গিৰিৰ ৰাজা নৰনাৰায়ণ।
তান লগে আইলো বাদ কৰিবাক মন॥
এহি জানি ৰাজা সব পণ্ডিত মিলায়ো।
কৰো বাদ ৰাজা তাক আপুনি বুজিয়ো॥৪১॥
পণ্ডিতৰ বাণী শুনি নৰনাৰায়ণ।
দুয়ো হাতে বালা দেখি গুণে মনে মন॥
জিনি একো ৰাজ্যৰ পণ্ডিত একো খান।
বালা বান্ধি আছে দুই হাতে বিদ্যমান॥৪২॥
দুয়ো কিলাকুটীৰ পৰায় দুয়ো হাতে।
দুই শাৰি ৰালা বান্ধি আছয় সাক্ষাতে॥
ৰাজা বোলে আনে আক নপাৰে উত্তৰে।
জিনিবাক পাৰিবন্ত কেৱল শঙ্কৰে॥৪৩॥
এহি গুণি ৰাজা পণ্ডিতক বুলিলেক।
ৰহোক কৰিয়া বাসা পণ্ডিত পাইবেক॥
মই, নৰনাৰায়ণ ৰাজা মোৰ ঠাই।
ব্ৰাহ্মণে জিনিবে তেবে কিবা যশ পাই॥৪৪॥
শূদ্ৰে জিনিবাক যদি পাৰয় তোমাক।
তেবেসে যশস্যা মোৰ শুনা সত্যবাক॥
আছোক ব্ৰাহ্মণ নিষ্ঠ কৰি বোলো আমি।
শূদ্ৰক উত্তৰ দিবে নপাৰিবা তুমি॥৪৫॥
নামত শঙ্কৰ এক আছে গৰমৌলি।
সমস্তৰে ভঙ্গ হৈবে সেহি ভঙ্গ ভৈলি॥
গৰমৌলি, কাৰ্য্যী, মাজি, পাত্ৰ পুৰোহিত।

সমস্তকে ৰাজা শিকাই আছন্ত সংস্কৃত ॥৪৬॥
পণ্ডিতৰ শিষ্য সবে সভাত ফুৰয়।
কৰি কেন চেষ্টা তাক জিজ্ঞাসা কৰয় ॥
সভা উঠি শিষ্যগণে দেখে বিপৰ্য্যয়।
সবে লোকে সংস্কৃত বচন বোলয় ॥৪৭॥
তধা দিয়া থাকে তাৰা মানিয়া বিস্ময়।
সংস্কৃত বিনে আন মাত নাহিকয় ॥
একদিনা চিলাৰায় দেৱানৰ ঠাই।
তাৰ শিষ্যগণে গৈয়া শঙ্কৰক পাই ॥৪৮॥
শঙ্কৰ আছন্ত বসি চন্দন চৌৰাত।
শিষ্যগণে শঙ্কৰক লগাইলন্ত মাত ॥
ইকথা সিকথা পুছি আছন্ত তথাত।
লাগিল সম্বাদ অন্যোঅন্যে বোল মাত ॥৪৯॥
কতোক্ষণান্তৰে বুলিলন্ত তাৰা সবে।
নপাৰয় শূদ্ৰে ভাগৱতক পঢ়িবে ॥
শুনিয়া শঙ্কৰদেৱে হাসি বুলিলন্ত।
শূদ্ৰে পঢ়িবাক পাৰে তাঙ্ক দেখাইলন্ত ॥৫০॥
ব্ৰাহ্মণ সকলে যদি ভাগৱত পঢ়ে।
তেবে তাৰা সকলত ঈশ্বৰ জ্ঞান চঢ়ে ॥
ক্ষত্ৰী পঢ়ি পাৱে ৰাজা সাগৰ পৰ্য্যন্ত।
বৈশ্যে পঢ়ি হোৱৈ জানা মহা ধনৱন্ত ॥৫১॥
শূদ্ৰে পঢ়ি শুদ্ধ হুই পাতক সত্ৱৰত।
এহিমতে নানা শ্লোক দেখাইলা বহুত ॥

পঢ়িলন্ত আৰো শ্লোক তাৰাকে শুনাই।
দ্বিজবন্ধু (১) সবে বেদ পঢ়িবে নপাই॥
হেন শুনি তাৰা বোলে দ্বিজ বন্ধুগণ।
নপাৰে পঢ়িব বেদ স্বৰূপ বচন॥
শঙ্কৰে বোলন্ত দ্বিজ বন্ধু বুলি কাক
শুনি যেন জানে তাৰা কহিলেক তাক॥৫৩॥
শঙ্কৰে বোলন্ত দ্বিজ বন্ধু ইয়ো হয়।
আৰো কিছু আছে তাৰ কহিয়ো নির্ণয়॥
আৰ দ্বিজ বন্ধু কোন কৈবে নপাৰিল।
শঙ্কৰদেৱত পুনু তাৰায়ে পুছিল॥৫৪॥
আৰ কাক বোলে দ্বিজ বন্ধু কোঁৱা তুমি।
বিচাৰ কৰিয়া আৰ নপাইলাহোঁ আমি॥
শঙ্কৰে বোলন্ত মই কহিবোঁ কিসক।
আসি আছা তোৰা জিনিবাক পণ্ডিতক॥৫৫॥
আকে যে না জানা চিনিবাহা কেন মত।
ভঙ্গ মানা বোলা মই কহোঁ স্বৰূপত॥
হেন শুনি তাৰা সবে বচন বোলয়।
গুৰুত পুছিয়া কালি কহিবো নিশ্চয়॥৫৬॥
এক কথা পুছোঁ কহিয়োক মহাশয়।
তুমি বা শঙ্কৰ ৰাজা কহিয়া আছয়॥
শঙ্কৰে বোলন্ত মই নুহিকো শঙ্কৰ।
ৰাজাৰ সেৱক মই এজন লস্কৰ॥৫৭॥

---

(১) দ্বিজবন্ধু—তলথাপৰ ব্ৰাহ্মণ

শঙ্কৰ সহিতে মই একে সমে সৱ।
সেৱক জানিবা মই সঙ্গী শঙ্কৰৰ ॥
কিন্তু মোৰ বন্দনী শঙ্কৰ যাক বুলি।
কোনে জানে শঙ্কৰৰ মহিমা সমূলি ॥৫৮॥
শুনি পণ্ডিতৰ শিষ্য সব ভয় ভৈল।
গুৰুৰ আগত গৈয়া সবে কথা কৈল ॥
ইদেশৰ পণ্ডিত জিনিবে নপাৰিবা।
যদি বাদ কৰা তেবে লঘু মাত্ৰ হৈবা ॥৫৯॥

## —পণ্ডিতৰ পলায়ন—

যেই সেই সভাখন উঠো আমি যাই।
সমস্তে পণ্ডিত জানা অপণ্ডিত নাই ॥
সংস্কৃত বিনে আন মাত নমাতয়।
সামান্য কথাকো সবে সংস্কৃতে কয় ॥৬০॥
হেন শুনি শিষ্যক পণ্ডিতে বোলে বাণী।
ডৰাইলি তোমৰা জানো সংস্কৃত শুনি ॥
শঙ্কৰদেৱৰ লগে যেন কথা ভৈল।
সেহি কথা সমস্তে গুৰুত তাৰা কৈল ॥৬১॥
শুনি পণ্ডিতৰ মনে খলক লাগিল।
শিষ্যগণ সমে বহু ৰাত্ৰি আলোচিল ॥
কি কৰিব গুণিয়া উপায় ন পাইলেক।
কতো ৰাত্ৰি গৈলে সবে পলায়া গৈলেক ॥৬২॥
প্ৰভাতে শুনিলা ৰাজা পণ্ডিত পলাইলা।

কিসক পলাইলা বুলি বিচাৰ কৰিলা ॥
শুনিলেক ৰাজা কালি দেৱানৰ ঠাই।
ভৈল কথা তাৰা শঙ্কৰক লাগ পাই ॥৬৩॥
দ্বিজবন্ধু বুলি কাক শঙ্কৰে পুছিল।
শুনি তাৰা সবে কহিবাক নপাৰিল ॥
বোলে কালি কহিবোহোঁ গুৰুত পুছিয়া।
নজানো কিসক ৰাত্ৰি গৈলন্ত গুছিয়া ॥৬৪॥
শুনি ৰাজা চাপৰ মাৰিয়া বালিশত।
খলখলি হাসিলন্ত হৰিষে মনত ॥
দেখা কেন শঙ্কৰৰ তেজৰ মহত।
দেখিয়া নিষ্প্ৰভ হুই বিপক্ষ সমস্ত ॥৬৫॥
এহিমতে ৰাজা প্ৰশংসিল শঙ্কৰক।
তাত পাছে যেন ভৈল কহোঁ শুনিয়োক ॥
বোলো কাকু বাণী শুনা সাধু সমস্তয়।
শঙ্কৰ মাধৱ বোলা পাপ হৌক ক্ষয় ॥ ৬৬

# পঞ্চচত্বাৰিংশ অধ্যায়

—বৰপেটা গমন—

বৰপেটা থানে আছে ৰঙ্গমনে
শঙ্কৰ দেৱ সৰ্ব্বথা।
হৰিষে মনত ভকত সবত
কহন্ত কৃষ্ণৰ কথা ॥১॥
হালধীয়া হন্তে নাৰাণ ঠাকুৰ
প্ৰমুখ্যে ভকত যত।
শঙ্কৰ দেৱক দেখিবাক প্ৰতি
আসিয়া আছা সমস্ত ॥২॥

—ভৱানীপুৰীয়া গোপাল আতা—

আষাঢ় মাহত কৃষ্ণ কথা যত
শঙ্কৰদেৱে কহন্ত।
সমস্তে ভকত হৰিষে মনত
অমৃত যেন পীৱন্ত ॥৩॥
পাছে এক দিনা শঙ্কৰে বোলন্ত
শুনিয়ো ভকত যত।
কোনে পাৰা আম পাৰিয়োক, ৰাম
বুলিয়ো আন ভকত ॥৪॥

সবে বোলে আতা গাছত উঠিবে
আমাৰ নাহি শকতি।
সুন্দৰী দিয়াৰ গোপাল সিজন (১)
বসি আছা তেহোঁ তৈতি ॥৫॥

তেঁহে বুলিলন্ত মই পাৰোঁ আতা
শঙ্কৰে বোলন্ত ভাল।
ভাল পাৰিয়োক আম ভুঞ্জায়োক
ভকত সবে গোপাল ॥৬॥

তেঁহে অল্প কৰি হাসি বুলিলন্ত
কুঠাৰ লাগৈ খানেক।
তলক চাহিয়া নমাতি ৰহিলা
শঙ্কৰে শুনি এতেক ॥৭॥

পাছে কতোক্ষণে বুলিলন্ত হাসি
এতেক মোহৰ আগে।
মোক এতমান কি কহিবো, আন-
-জন আৰ কৈত লাগে ॥৮॥

---

(১) সুন্দৰী দিয়াৰ গোপাল = ভৱানী পুৰীয়া গোপাল আতা। গোপাল আতাৰ পিতৃৰ নাম কামদেৱ আৰু মাতৃৰ নাম ৰত্নাঙ্গী। গড়গাওঁ নাজিৰাৰ খোকোৰা গ্ৰামত, ১৪৬৩ শকত জন্ম হয়। মাতামহৰ নাম শঙ্কৰ আৰু মোমায়েকৰ নাম মনপুৰ। কোঁচ আহোমৰ যুদ্ধৰ পিচত, এওঁ গৈ ভৱাণীপুৰত বাস কৰে। এবাৰ এওঁ ভবাণীপুৰৰ পৰা মাতামহক চাবলৈ বৰপেটালৈ গৈছিল। আৰু ককাকৰ সৈতে শঙ্কৰদেৱক চাবলৈ গৈছিল (দ্বিজ ৰমানন্দ) তাত এজোপা ডাঙৰ আম গছৰ পৰা আম পাৰি ভকতৰ সৈতে শঙ্কৰ দেৱক খুৱাই তৃপ্তি দিছিল। ভবানীপুৰীয়া গোপাল চৰিত (১৪ পৃঃ) ত আম পাৰাৰ কথা লিখা আছে।

শুনিয়ো গোপাল যেন চিৰকাল
তোমাক নেৰিব ইটো।
এতেক বচন শুনিয়া যেহেন
সম্যকে সাৰিল সিটো ॥৯॥ (১)
কি কৰিলন্ত বুলিয়া সমস্ত
ভকতে খেদ কৰিল।
সমস্ত ভকত বিৰস মনত
নমাতি সবে ৰহিল ॥১০॥

— পুত্ৰ **কমললোচনৰ দেহ কান্তি** —

শুনা সাধুজন পাছে আউৰ দিন
বেলি ভৈল দণ্ড দুই
কমল লোচন ঠাকুৰ উঠিল
আম পাৰিবাক গই ॥১১॥
গৌৰবৰ্ণ কায় অগ্নি শিখা প্ৰায়
আৰো সূৰ্য্য ৰশ্মি লাগে।
সূৰ্য্যৰ সমান প্ৰকাশ কৰন্ত
চৰিয়া বৃক্ষৰ আগে ॥১২॥
ভকত সকল সহিতে শঙ্কৰ
চালিত আছন্ত বসি।

---

(১) দ্বিজ ৰামানন্দ ৰচিত গুৰু চৰিত্ৰ মতে গোপালদেৱে আম পাড়ি দিছিল, আৰু শঙ্কৰদেৱে এই আম সকলো ভকতক ভগাই দিছিল।

গাছৰ ভিতিক চাই তাঙ্ক দেখি
পুছিলা শঙ্কৰে হাসি ॥১৩॥
কিবা ভৈল আজি দুই গোটা সূৰ্য্য
দেখি চাহিয়োক সবে।
শঙ্কৰ দেৱৰ বচন শুনিয়া
কহিলা ভকতে তেবে ॥১৪॥
নুহিকয় আতা উঠিছা গাছত
কমল লোচন যাই।
সূৰ্য্যৰ প্ৰভাৱ লাগি তান গাৱ
জ্বলন্ত সূৰ্য্য পৰায় ॥১৫॥
শঙ্কৰে শুনিয়া বিস্ময় মানিয়া
বুলিলন্ত তাঙ্ক পাছে।
শুনিয়ো কমল— —লোচন নুঠিবা
আনো বেলা আৰো গাছে ॥১৬॥

—ৰামনাম মাহাত্ম্য—

আৰো একদিনে সবে ভক্তগণে
বেলি সাতঘটি ভৈলে।
শঙ্কৰ দেৱৰ আগত সবেও
বিনয় বচন বোলে ॥১৭॥
তোমাঠৈৰ ঘৰে ৰহে যিটো নৰে
ভাগ্যৰ তাৰ মহিমা।
কাহাৰ শকতি কহিয়া সম্প্ৰতি
কৰিবেক তাৰ সীমা ॥১৮॥

শুনিয়া শঙ্কৰ দিলন্ত উত্তৰ
ন জানাহা তোৰা সবে।
আখৰেক ৰাম তভো নুবুলিব
প্ৰাণে মৰয় যেবে ॥১৯॥
শঙ্কৰৰ বাণী ভক্তগণে শুনি
বোলে তামাঠৈৰ কথা।
শঙ্কৰে বোলন্ত তোমাসাক তেবে
প্ৰমাণ দেখাও সৰ্ব্বথা ॥২০॥

## —ৰামনাম বিমুখ বনুৰা—

গুৱাবাৰী চাঙ্গি— —বাক লাগি আছে
পথৰুৱা বুঢ়া এক।
নামধৰি ডাকি মাতিলন্ত তাকে
শঙ্কৰ দেৱে প্ৰত্যেকে ॥২১॥
টৈৰ কৰি চাই নাসিয়া তুনাই
গুৱাৰ বাৰী চাঙ্গয়।
পুনু আস বুলি ডাকিল শুনিয়া
নাসিয়া চাহি আছয় ॥২২॥
পুনু ছাঙ্গিৰাক লৈল, দিল ডাক
আস বুলি নাম কাঢ়ি।
শুনি ক্ৰোধ মনে আসিলা তেখনে
কান্ধত কোদাল পাৰি ॥২৩॥

কিয়নো মাতিলা গা ডেকা-গিৰি
কোৱা কথা বেলি যায়।
শঙ্কৰে বোলন্ত একবাৰ ৰাম
বোল, আৰ কাম নায় ॥২৪॥
সিয়ো বোলে অঃ! কুটনি এৰিয়া
কোৱা কিবা আছে কাম।
শঙ্কৰে বোলন্ত আন কাম নাই
আখৰেক বোলা ৰাম ॥২৫॥
এইটো তোমাৰ সকলে কালৰ
কুটনি কৰন্তে গৈল।
হেৰ ডেকাগিৰি কোৱা শীঘ্ৰ কৰি
মাতিলা কিয় কি ভৈল ॥২৬॥
শুনিয়া শঙ্কৰে বোলে আৰবাৰ
ৰাম বোল একবাৰ।
আন কাম নাই ক্ৰোধে আছে চাই
নমাতয় সিটো আৰ ॥২৭॥
একোমতে ৰাম বোলাইবে নপাৰি
পাছে হাসি তুলিলন্ত।
আন কাম নাই পাত এক তাৰ
কাটি আনা বুলিলন্ত ॥২৮॥
শুনি সিটোজনে কাটিয়া তেখনে
আনি দিল পাত তাৰ।

শুন হেৰ ৰাম বোল একবাৰ
বুলিলন্ত পুনৰ্ব্বাৰ ॥২৯॥
শুনি চক্ষু পকাই মুণ্ড ওলোমাই
কান্ধে কোৰখান লৈয়া।
কুটনিত বিনে আন কাম নাই
এহি বুলি পাছে গৈয়া ॥৩০॥
ঘছ ঘছ্ কৰি চাঞ্ছে গুৱাবাৰী
শঙ্কৰে চাই আছন্ত।
দেখিয়ো আমাৰ ভাগ্য বনুৱাৰ
ভকতক বুলিলন্ত ॥৩১॥
ভক্ত সবে বোলে হৌক তভো আতা
তোমাৰ সেৱা কৰয়।
ইহাৰা সবৰ মহিমা ভাগ্যৰ
কহিবে কোনে পাৰয় ॥৩২॥
এহিমতে ভক্ত সকল সহিতে
শঙ্কৰ দেৱ সৰ্ব্বথা।
থাকন্ত আনন্দে শুনা সাধুজনে
কহোঁ ই যুগুতি কথা ॥৩৩॥
আনো নানা মত আছয় অনন্ত
কথা দেৱ শঙ্কৰৰ।
সমস্ত কহিত নপাৰি নিশ্চিত
আমি মতি অল্পতৰ ॥৩৪॥

তথাপি যিমান পাৰি সেহিমান
শুনিব ভণিব মাত্ৰ ।
এতেকতে অনা- -য়াসে নিস্তৰিবা
হৈবা ভকতিৰ পাত্ৰ ॥৩৫॥
কহয় দৈত্যাৰি মোৰ নিষ্ঠ কৰি
এহি মানে মাত্ৰ ধন ।
কৰিয়া উৎসৱ শঙ্কৰ মাধৱ
বুলিয়োক সৰ্ব্বজন ॥৩৬॥

---

# ষট্‌চত্বাৰিংশ অধ্যায়

—চিলাৰায়ৰ শাস্ত্ৰপ্ৰীতি—

আৰো অনন্তৰে শুনিয়োক সৰ্ব্বজন ।
শঙ্কৰদেৱৰ পুত্ৰ কমল-লোচন ॥
শঙ্কৰ দেৱৰ ৰূপ যিমত সুন্দৰ ।
তান ৰূপ সমভাৱ শঙ্কৰ দেৱৰ ॥১॥

—কমললোচনৰ চেহাৰা—

হঠাতে দেখিয়া দুইকো চিনন ন যাই ।
দৰ্পণত প্ৰতিবিম্ব বিলক্ষণ নাই ॥
এক দিনা কমললোচনে পুথি লিখি ।
আছন্ত চালিত ৰতিকান্তে তাঙ্ক দেখি ॥২॥
মানিয়া শঙ্কৰ মনে প্ৰণমিবে যান্ত ।

দেখি তাঙ্ক কমললোচনে বুলিলন্ত ॥
কি কৰা খুড়া তুমি ৰাম-ৰাম-ৰাম ।
শুনি ৰতিকান্তে পাছে ভৈলা উপশাম ॥৩॥
বোলন্ত তুমিসি বাপু মই বলো দদা ।
পুথি লিখি চালিত থাকন্ত বসি সদা ॥
সাক্ষাতে দাদা যেন দেখিলো তোমাক ।
এতেকেসে নমস্কাৰ গৈলো কৰিবাক ॥৪॥
দাদাৰে তোমাৰে কিছু নুহি বিলক্ষণ ।
এক সমসৰ বাপু তোৰা দুইজন ॥
এহিমতে কথা কহি দুয়োজন আছে ।
ঘৰ হন্তে আসিলা শঙ্কৰদেৱ পাছে ॥৫॥
চালিত আসিয়া পীৰাখানে বসিলন্ত ।
দেখি ৰতিকান্তে নমস্কাৰ কৰিলন্ত ॥
কি ভৈল বুলিয়া পাছে শঙ্কৰে পুছিলা ।
শঙ্কৰত ৰতিকান্তে সমস্তে কহিলা ॥৬॥
ৰহিলা শঙ্কৰদেৱ হাসি তাঙ্ক চাই ।
ৰতিকান্ত শঙ্কৰদেৱৰ হোন্ত ভাই ॥
শুনিছা মাধৱ দলৈ নাম আছিলন্ত । (১)
তানে পো-নাতি হোন্ত জানা ৰতিকান্ত ॥৭॥
আত অনন্তৰে কথা শুনা সাধুনৰ ।
গৈলা পুনু ৰামানন্দ ঠাকুৰ শঙ্কৰ ॥

---

(১) দ্বিতীয় অধ্যায়—৯—ৰতিকান্ত অদ্বৈতবাদী ব্ৰহ্মজ্ঞানী আছিল ।

বেহাৰক চিলাৰায় দেৱানৰ ঠাই ।
কৃষ্ণৰ চৰিত্ৰ কহি থাকন্ত সদায় ॥৮॥

**—জন্মৰহস্য ৰচনা—**

একদিনা চিলাৰায় দেৱানে বোলয় ।
জন্ম ৰহস্যৰ পদ কৰি মহাশয় ॥
দিয়োক আমাক মহাদই সমস্তয় ।
অতিশয় শ্ৰদ্ধা মনে পঢ়িবে খোজয় ॥৯॥
বোলন্ত শঙ্কৰদেৱে বৰপেটা যাইবো ।
জন্ম ৰহস্যৰ পদ তহিতে কৰিবোঁ ॥
দেৱানে বোলয় বৰপেটা লাগি যায়ো ।
বিলম্ব নকৰি পদ তহিতে কৰিয়ো ॥১০॥
হেন শুনি শঙ্কৰ গৈলন্ত বৰপেটা ।
লগতে আছয় ৰামানন্দ বৰবেটা ॥
তথা যাই মাধৱক বুলিলা শঙ্কৰ ।
কৰিয়ো মাধৱ পদ জন্ম ৰহস্যৰ ॥১১॥
কৰযোৰে মাধৱ বোলন্ত মৃদু বাক ।
কেমনে পাৰিবো পদ মই কৰিবাক ॥
তোমাঠৈৰ ঈশ্বৰৰ শকতি ষি কাৰণ ।
নানা ৰসে পদচয় কৰা সি কাৰণ ॥১২॥
বোলন্ত শঙ্কৰদেৱে মাধৱক চাই ।
ঈশ্বৰ শকতি মোৰ তোমাৰ কি নাই ॥
তোমাৰ আমাৰ কোন খানিক অন্তৰ ।
আপনি পাৰিবা পদ কৰিয়া সত্বৰ ॥১৩॥

ভাগৱত মিলি দিয়া কৰা পদ বন্ধে।
শুনিয়া মাধৱে পদ কৰিলা আনন্দে ॥
দেৱানৰ আগে পদ শঙ্কৰে দিলন্ত।
পদ দেখি দেৱানে প্ৰশংসা কৰিলন্ত ॥১৪॥

---

# সপ্তচত্বাৰিংশ অধ্যায়

—দেৱ দামোদৰৰ বৃত্তান্ত—

আছন্ত শঙ্কৰদেৱ বৰপেটা থানে।
এককালে যেন ভৈল শুনা সাৱধানে ॥
দামোদৰ গুৰু নামে বিপ্ৰ একজন।
গৃহবাসে থাকন্তে মৰিল ভাৰ্য্যা তান ॥১॥
বৌৱেখান দুইখানি ভাতিজ আছয়। (১)
কৰা কৃষি তাসম্বাকে পুষিবে লাগয় ॥

---

(১) দামোদৰ দেৱ :—এখেতৰ পিতৃৰ নাম শতানন্দ আৰু মাকৰ নাম সুশীলা। শতানন্দৰ তিনিজন পুত্ৰ আৰু এজনী জীয়েক আছিল। বৰজন পুতেক সৰ্ব্বেশ্বৰ, মাজুৰ রত্নাকৰ আৰু সৰুজন দামোদৰ। সৰ্ব্বেশ্বৰৰ অপুত্ৰক অৱস্থাত পত্নী বিয়োগ হয়। আৰু সেই কাৰণতেই তীৰ্থলৈ যায়, তাতে মৃত্যু হয়। ৰত্নাকৰৰ দুগৰাকী ভাৰ্য্যা—প্ৰথমা ভাৰ্য্যাৰ পুত্ৰ শ্ৰীকৃষ্ণ, দ্বিতীয়া' ভাৰ্য্যাৰ পুত্ৰ মুকুন্দ আৰু ভীম। ভীম লৰাকালতে কালপ্ৰাপ্ত হয়। দামোদৰ দেৱৰ পত্নীৰ প্ৰসূতা ৰোগত মৃত্যু হয়।

(দামোদৰ দেৱৰ চৰিত্ৰ—১৩৬ পৃঃ কৃষ্ণ মিশ্ৰ)। উল্লিখিত দুইখানি ভাতিজ শ্ৰীকৃষ্ণ ও মুকুন্দ।

—ৰামদাসৰ লগত—

ৰামদাস মাধৱ দেৱৰ বহিনাই ।
পাটবাউসীত থাকা ভাটিবেলা যাই ॥২॥
প্ৰতিদিনে পঢ়া একাদশ পুথিখান ।
দামোদৰ গুৰু যাই বসা তানে থান ॥
কোৰখান পেলাই তাৰ নালত বসন্ত ।
দেখি ৰামদাসে তাঙ্ক পিৰাখান দেন্ত ॥৩॥
পুছন্ত সাদৰ কৰি শুনিয়ো আতাই ।
কহিয়োক কি কামে আসিলা মোৰ ঠাই ॥
তেঁহে কহিলন্ত অন্য একো কাম নাই ।
কৃষ্ণ কথা শুনিতে আসিলো তযু ঠাই ॥৪॥
সজ সজ বুলি তেঁহে পঢ়া পুথিখান
এহি মতে নিতে যান্ত কতো দিনমান ॥
একদিনা তাঙ্ক বুলিলন্ত ৰামদাসে ।
কথা শুনিবাক লাগি আসা মোৰ পাশে ॥৫॥
মই কিবা কৃষ্ণ কথা কহিবো তোমাত -
কিবা বোধ পাইবা বাপু তুমিয়ো আমাত ॥
কথা শুনিবাক যদি তযু মনে আশ ।
যাইবা বাপু তেবে তুমি শঙ্কৰব পাশ ॥৬॥

—শঙ্কৰ দেৱৰ আগত—

হেন শুনি তেঁহে কোৰখান কান্ধে লই ।
ভূই কুৰিবাক যান্ত প্ৰতিদিনে গই ॥

ভক্ত সব সঙ্গে দেৱ শঙ্কৰ যথাত।
কহন্ত কৃষ্ণৰ কথা আনন্দে সাক্ষাত ॥৭॥
দামোদৰ গুৰু গৈয়া ধেৰৰ আৱত।
থিয় হুয়া আৰজিয়া কোৰৰ নালত ॥
থাকন্ত দণ্ডেক দুই কৃষ্ণ কথা শুনি।
এহিমতে মাসেকো যাহান্ত প্ৰতিদিনি ॥৮॥
এক দিন শঙ্কৰৰ পাশক গৈলন্ত।
কোৰখান পেলাই তাৰ নালে বসিলন্ত ॥
দেখিয়া শঙ্কৰে কোন বুলি পুছিলন্ত।
দামোদৰ আসিছন্ত ভক্তে কহিলন্ত ॥৯॥
শুনিয়া শঙ্কৰদেৱে পুছন্ত বোপাই।
কিবা কামে আজি তুমি আসিলা ইঠাই ॥
তেঁহে কহিলন্ত আতা কৃষ্ণ-কথা তুমি।
কোৱা যেন অমৃত বৰিষে শুনো আমি ॥১০॥
তাক শুনিবাক প্ৰীতি আসিলো ইঠাই।
কহিলোহোঁ আন একো প্ৰয়োজন নাই ॥
শুনিয়া শঙ্কৰদেৱে বুলিলন্ত হাসি।
কৃষ্ণ-কথা শুনিবাক বোপাই আছা আসি ॥১১॥
সজ সজ কৃষ্ণ কথা শুনিবে লাগয়।
হৰিৰ সেৱাৰ যোগ্য ব্ৰাহ্মণ নিশ্চয় ॥
কিন্তু বোলো কিবিধি কৰিয়া দামোৰ।
কৃষ্ণ-কথা শুনিবাক পাইবা অৱসৰ ॥১২॥
তেহেঁ বোলে ভাগ্য যেবে আছয় আমাৰ।

পাইবো আতা ; হেন শুনি বুলিলা শঙ্কৰ ॥
তেবে এক শৰণ কৃষ্ণৰ চৰণত ।
হৈবাক লাগয় বোপা জানা সাৰতত্ব ॥১৩॥

—শৰণ—

শুনি দামোদৰ গুৰু বুলিলন্ত পাছে ।
মোৰো এক শৰণ হৈবাক মন আছে ॥
শঙ্কৰে বোলন্ত ৰামৰাম শুনিয়োক ।
তুমি দামোদৰক শৰণ কৰায়োক ॥১৪॥
শুনি দামোদৰ গুৰু বুলিলা বচন ।
আসি আছো আতা মই তোমাঠৈক মন ॥
আনৰ খানক মোক ঠেলি নপঠাবা ।
আপুনি তোমৰা মোক উপদেশ দিবা ॥১৫॥
বোলন্ত শঙ্কৰদেৱে তুমিয়ো ব্ৰাহ্মণ ।
ব্ৰাহ্মণক গুৰু মানি লৈয়োক শৰণ ॥
হেন শুনি বুলিলন্ত দামোদৰ গুৰু ।
সাক্ষাতে তোমৰা ভকতৰ কল্পতৰু ॥১৬॥
কত ভাগ্যে পাইলো আসি তোমাঠৈৰ সঙ্গ ।
উচ্ছুক মনক মোৰ নকৰিয়ো ভঙ্গ ॥
তোমাঠৈত বিনে আন গুৰু নমানিবো ।
তোমাঠৈৰ সঙ্গে কৃষ্ণ কথাক শুনিবোঁ ॥১৭॥
এহি বুলি দামোদৰ গুৰু ৰঙ্গ মন ।

কৃষ্ণৰ অভয় পদে লৈলন্ত শৰণ ॥ [১]
শঙ্কৰে তাহাত পুনু কথা পুছিলন্ত ।
কয়জন পোন্য—শুনি তেহেঁ কহিলন্ত ॥১৮॥

---

(১) দামোদৰ দেৱৰ শৰণ গ্ৰহণ :—

(ক) দ্বিজ ৰামানন্দৰ গুৰু চৰিতত আছে যে শঙ্কৰদেৱৰ অনুমতিক্ৰমে ৰামৰাম গুৰুৱে দামোদৰ দেৱক শৰণ দিয়ে--"ৰাম ৰাম গুৰু শুনি হৰিমন্দিৰত ।
কৰাইলা শৰণ পুনু হৰি চৰণত ॥
উপদেশ কথা যত শঙ্কৰে কহিলা ।
এহিমতে দামোদৰ আনন্দে ৰহিলা ॥

(খ) ৰামচৰণ ঠাকুৰ কৃত শঙ্কৰ চৰিতত এই বিষয়ে বিশেষ নাই, দামোদৰে ভাৰ্য্যা বিয়োগৰ পাচত এমহা বিত নি শঙ্কৰক দিছিল । শঙ্কৰে আকৌ বিবাহৰ কথা উল্লেখ কৰাত, বিবাহত মোৰ ইচ্ছা নাই বুলি অসন্মতি জনায় । আৰু—"তযু ভকতৰ সঙ্গে গাব গুণ মহাৰঙ্গে
আতপৰে কোন লাভ আছে ।
কৰা বাপ দয়া মোক পুৰুষ উদ্ধাৰ হোক
এহি বুলি প্ৰণামিলা পাছে ॥"

(গ) ভূষণ দ্বিজৰ শঙ্কৰদেৱত (৬৪৯—৫৬) আছে যে দামোদৰে এমহা বিত দি শঙ্কৰ দেৱৰ ওচৰত ভাৰ্য্যা বিয়োগৰ অন্তত হৰি কথা শুনিছিল ।

(ঘ) বংশীগোপাল দেৱৰ চৰিত্ৰ মতে (৬ষ্ঠ অঃ) দামোদৰৰ গুৰু ওৰেষা-দেশৰ বাসুদেৱ মিশ্ৰ । এই মিশ্ৰ সন্ন্যাসীবেশী নাৰদ । তেওঁৰ পৰা ভক্তিৰ উপদেশ পোৱাৰ পাচত শঙ্কৰৰ পৰা শ্ৰৱণ কীৰ্ত্তনৰ উপদেশ পায় । "বুলিলা অঞ্জসা গুৰু শঙ্কৰে আমাক"—বংশী গোপাল ৬।৪১

(ঙ) দেৱ দামোদৰ চৰিত্ৰ মতে (৪৮পৃঃ) দামোদৰৰ পিতৃয়ে শঙ্কৰক কৈছিল—"আমিও সাধিবো গতি তোমাৰ সকাশে
দামোদৰ আসিয়া মিলিল তযু পাশে ॥
× × ×
চৈতন্যৰ শুদ্ধি মত আমি আছো ধৰি ॥

আৰু আছে, ৰামৰাম গুৰুৰ হাতত চৈতন্য দেৱে, থানত ভৰাই, শৰণ ভজন শিক্ষা চাৰিনাম দামোদৰ দেৱলৈ পঠিয়াই দিছিল ।

—কৃষিকৰ্ম্ম—

বউ আৰো দুইখানি ভাতিজ আছয়।
মই সমে চাৰিজন আন নাহিকয় ॥
শঙ্কৰে পুছিলা বোৱা কতি পুৰাধান।
তেহেঁ কহিলন্ত বওঁ চাৰি পুৰা মান ॥১৯॥
আৰে ধানে কুলাই বুলি শঙ্কৰে পুছন্ত।
কতো কুলাই কতো নুকুলাই তেহেঁ কন্ত ॥
পুনৰপি শঙ্কৰে বোলন্ত দামোদৰ।
চাৰি পুৰা ধান বোৱা দিনৰ চাৰিপৰ ॥২০॥
একপৰ বেলা কৃষ্ণ-কথা শুনিয়োক।
তিনিপৰ বেলা তিনি পুৰাক বয়োক ॥
যদি নাটে মোহোৰ ঘৰৰ পৰা ধান।
নিবা আসি বোপা লাগৈ যেতি পুৰা মান ॥২১॥
শুনি দামোদৰ গুৰু গৃহক গৈলন্ত।
তিনি পুৰা ধান মাত্ৰ বছৰে বৈলন্ত ॥
দুয়ো বেলা কথা প্ৰতি দিবসে শুনন্ত।
বৎসৰেক অন্তৰে শঙ্কৰে পূছিলন্ত ॥২২॥

(চ) কৃষ্ণমিশ্ৰ ৰচিত দেৱদামোদৰ চৰিত্ৰ মতে সন্ন্যাসীবেশী নাৰদে মণিকূটত (হাজোত) দামোদৰক দিব্যজ্ঞান দিয়ে। পিচত দামোদৰ দেৱ পাটবাউসীলৈ গৈ পত্নীবিহীন অৱস্থাত শঙ্কৰদেৱৰ আগত কৃষ্ণ কথা শুনি থাকে। কোনো কোনো দেৱদামোদৰ-চৰিত্ৰমতে দামোদৰদেৱে মণিকূটত চৈতন্যদেৱৰ সাক্ষাৎ পাইছিল। চৈতন্যদেৱ হেন আহি সন্ন্যাসীবেশে বৰাহকুণ্ডত আছিল। অনুমান হয় ওৰেষাৰ সন্ন্যাসীক চৈতন্য বোলা হৈছে।

ইবাৰ কিৰিষি অল্প কুলাই নুকুলাই।
কৈয়ো বোপা কিছু ধান নিবা মোৰ ঠাই॥
তেহেঁ কৈলা ইবাৰ অধিক কিছু ভৈল।
পুৰা আঠ দশমান আৰো ঘৰে ৰৈল ॥২৩॥
হাসি তুলি শঙ্কৰে বোলন্ত ভাল ভাল।
আৰো এক পুৰা ধান নবৈবা ইকাল॥
দুই পুৰা ধান মাত্র বোঁৱা দুই পৰে।
দুইপৰে কৃষ্ণ-কথা শুনা অৱসৰে ॥২৪॥
শঙ্কৰদেৱৰ বাক্যে দুই পুৰা বৈল।
সি বৎসৰ সেই দুই পুৰায়ে আতিল॥
বৎসৰ অন্তৰে পুনু পুছিলা শঙ্কৰ।
ইবাৰ কুলাই নুকুলাই দামোদৰ ॥২৫॥

**—কৃষিকৰ্ম্ম ত্যাগ—**

তেহেঁ কহিলন্ত আতা কুলাই যতমান।
অধিকাও ভৈল কুৰি ত্ৰিশ পুৰা ধান॥
হাসি হাসি শঙ্কৰে বোলন্ত দামোদৰ।
এৰা খেতি আপুনি পুষিবন্ত ঈশ্বৰ ॥২৬॥
শঙ্কৰদেৱৰ বচনক সাদৰিয়া।
ভৈলা মহাসুখী পাছে কিৰিষি এৰিয়া॥
অনায়াসে তান অন্ন বস্ত্ৰ মিলি যাই।
এহিমতে শঙ্কৰ দেৱৰ সঙ্গ পাই॥২৭॥
দুখচয় এৰাই মহা আনন্দ মনত।
বোলা সুখী ভৈলো শঙ্কৰৰ প্ৰসাদত॥

শঙ্কৰদেৱৰ বাক্য যিমান কৰয় ।
ইহ পৰকালে তাৰ দুঃখ নষ্ট হয় ॥২৮॥
কোৰ পাৰি ভাত আতি খাবে নপাৰিল ।
দামোদৰ গুৰু কেন ঐশ্বৰ্য্য লভিল ॥
জানি সাধুজন তান বচন কৰিয়ো ।
দুখচয় এৰাই সুখে সংসাৰ তৰিয়ো ॥২৯॥
বোলো কাকু বাণী শুনা সভাসদ জন ।
কথা আগ পাছ দেখি নেদিবা দুষণ ॥
মই শিশুমতি জানি দোষ পৰিহৰি ।
শঙ্কৰ মাধৱ সবে বোলা উচ্চ কৰি ॥৩০॥

# অষ্টচত্বাৰিংশ অধ্যায়

—শঙ্কৰদেৱৰ বেহাৰ গমন—

আত অনন্তৰে　　শুনা নিৰন্তৰে
পাছে যেন কথা ভৈল ।
বেহাৰক যাইবে　　প্ৰতি ৰামানন্দ
ঠাকুৰক লগে লৈল ॥১॥
যাত্ৰা কৰিলন্ত　　বৰিয়া খেলত
ৰহিলা শঙ্কৰদেৱ ।
দেখিয়া মাধৱে　　পিৰা দিয়া ভৰি
ধুৱাই কৰিলন্ত সেৱ ॥২॥

**—মাধৱেৰ-ন্ধা অন্ন ভোজন—**

ভোজনক লাগি সাজ সুজ দিল
ঠাই ঠুই আৰতাই।
পাছে মাধৱক বুলিলা বচন
শঙ্কৰদেৱে মতাই ॥৩॥
শুনিয়ো মাধৱ মনৱ উচ্ছৱ
মোৰ বহুদিন ধৰি।
তোমাৰ থানত ভুঞ্জিবোহোঁ অন্ন
আসি আছো শ্ৰদ্ধা কৰি ॥৪॥
সবে সাজ মোৰ লগতে আছয়
ভোগ চাউল আদি কৰি।
ৰান্ধি দিয়া তুমি ভুঞ্জিবোহোঁ আমি
আজি বাপু মন পুৰি ॥৫॥
মাধৱে বোলন্ত নোৱাৰিবো আক
বাপ ক্ষমা কৰিয়োক।
ইকামৰ পাত্ৰ নুহিকওঁ আমি
আন কাম বুলিয়োক ॥৬॥
শঙ্কৰে বোলন্ত ৰান্ধিয়োক অন্ন
মাধৱ বান্ধৱ তুমি।
বহুদিন হন্তে তয়ু হাতে অন্ন
ভুঞ্জিবাক ইচ্ছো আমি ॥৭॥
মাধৱে বোলন্ত ক্ষেমিয়োক আতা
দুইখানি পাৱত ধৰোঁ।

আন কাম মোক          সবে বুলিয়োঁক
অন্ন ৰান্ধিব নোৱাৰোঁ ॥৮॥
শঙ্কৰে বোলন্ত          তেহে ন ৰান্ধন্ত
অন্যাঅন্যি কৰা দুই।
পাছে কতোক্ষণে          মাধৱে বোলন্ত
আগে কৃতাঞ্জলি হুই ॥৯॥
মোৰ ঠাই অন্ন          খালে বিলক্ষণ
কথা হুবে দেখো এবে।
ৰামৰায় আদি          গিয়াতি সবত
খাবাক লাগিব তেবে ॥১০॥
তাৰা বুলিবেক          আমাত কৰিয়া
মাধব কি কুলে চাব।
তান হাতে অন্ন          ভুঞ্জিলে, ভুঞ্জিবে
গৃহত লাগে আমাৰ ॥১১॥
মাধৱৰ বাণী          শঙ্কৰেও শুনি
মনত হৰিষ ভৈলা।
ভুঞ্জিলোহোঁ অন্ন          ভাল স্বাদ ইটো
মাধৱ ৰান্ধিয়া দিলা ॥১২॥
প্ৰশংসি বোলন্ত          বোপা ৰামানন্দ
অন্ন ৰান্ধাগই তই।
মাধৱৰ হাতে          মনৰ সন্তোষে
অন্ন ভুঞ্জিলোহোঁ মই ॥১৩॥

ৰামানন্দে ৰান্ধিলা তিনিয়ো ভুঞ্জিলা
পাছে গৈয়া শুতিলন্ত।
প্ৰভাত ৰজনী উঠিলন্ত তিনি
অনন্তৰে স্নানিলন্ত ॥১৪॥
চলিবাক মন কৰিয়া ভোজন
শঙ্কৰদেৱ বসিলা।
আধ টকী গোট দিয়া নমস্কাৰ
মাধৱদেৱে কৰিলা ॥১৫॥
চৰণত ধৰি বোলন্ত বিনয়
আতা কহোঁ শুনিয়োক।
তোমাঠৈৰ তিনি বেটাৰ একৰ
সমান মানিবা মোক ॥১৬॥

—শঙ্কৰ মাধৱ একাত্মা—

শুনিয়া শঙ্কৰ- -দেৱে খঙ্গিলন্ত
কি বোলা মাধৱ তুমি।
তিনিও বেটাৰ এক বেটাৰ সমান
মানিবো তোমাক আমি ॥১৭॥
আছা ভাল বুজি আছা এহিমান
শুনা কহোঁ সাবোত্তৰ।
তিনিয়ো বেটায় ইটো কলেৱৰে
নুহি তযু সমসৰ ॥১৮॥
বুকে হাত দিয়া শঙ্কৰে বোলন্ত
শুনিয়ো মাধৱ তুমি।

ইটো প্ৰাণ এৰে সমান তোমাক
মানি আছোঁ মনে আমি ॥১৯॥
সবাতো অধিক তুমি প্ৰিয়তম
নিশ্চয় জানিবা তাক
তুমি আমি ভিন নুহিকো জানিবা
কহিলোহোঁ সত্য বাক ॥২০॥
পাছক লাগিয়া তোমাতেসে হন্তে
জীৱ সব নিস্তৰিবা।
হৰি ভক্তি ধৰ্ম্ম লোকক কেৱলে
তুমি উপদেশ দিবা ॥২১॥
এহি বুলি চক্ষু চলল কৰিয়া
আলিঙ্গিয়া ধৰিলন্ত।
সলোতক নেত্ৰে মাধৱে প্ৰণাম
শঙ্কৰক কৰিলন্ত ॥২২॥
দুই হন্তকো দুই প্ৰবোধ বচনে
শঙ্কৰ চলি গৈলন্ত।
তাহাঙ্ক নিৰিখি লোতকক মচি
মাধৱে কান্দি ৰৈলন্ত ॥২৩॥
আত অনন্তৰে বেহাৰ নগৰে
পাইলন্ত শঙ্কৰ গই।
ৰামানন্দ বৰ- -ঠাকুৰে সহিত
কতোদিন আছা ৰই ॥২৪॥

# ঊনপঞ্চাশৎ অধ্যায়

**—শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণ—**

প্ৰতিদিনে আগ বেলা তেহেঁ যান্ত
ৰাজাৰ পাশক প্ৰতি।
পাছ বেলা দেৱা- -নৰ আগে থাকে
মনত হৰিষ আতি ॥১॥

**—ফোঁহাৰ জ্বৰ—**

এহিমতে কতো দিন আছা, জাঙ্গ-
-গান্টিত ফোঁহোৰা গোটেক। (১)
ভৈল আসি তান বিষ বৰ টান
বেদনাতে জ্বৰাইলেক ॥২॥
যাইবাৰো নেদেখি ৰাজায়ো বোলয়
শঙ্কৰ নাসিলা আজি।
কিবা ভৈল গৈয়া আস বাৰ্ত্তা লৈয়া
পাঞ্চিলেক এক কাৰ্য্যী ॥৩॥
কাৰ্য্যী গৈয়া বোলে ৰাজায়ে পঠাইলে
যাইবাৰ নেদেখি পাছে।
বোলন্ত শঙ্কৰে নপাৰো যাইবাৰে
গাৰ মন্দ কৰি আছে ॥৪॥

---

বামাচৰণ ঠাকুৰৰ মতে গুপ্ত অঙ্গত, দ্বিজ ৰামানন্দৰ মতে সোঁহাতৰ গান্টিত।

কার্য্যীয়ে কহিল　　শঙ্কৰ নাহিল
গাৱখানি মন্দ কৰে।
অসন্তোষে ৰাজা　　ৰহিল শুনিয়া
যেন কথা তাত পৰে ॥৫॥
তিন দিন ভৈলে　　ৰামানন্দে বোলে
আতাৰ নাপৰা টান।
ন জানি কি হয়　　বুলি মহাশয়
পুছিলন্ত বিদ্যমান ॥৬॥

## —ৰামানন্দৰ প্ৰাৰ্থনা—

আতা শুনিয়োক　　সুখী ভৈল লোক
তোমাত বস্তুক পাই।
মই একো বস্তু　　নপালো তোমাত
কহিয়ো মোত বুজাই ॥৭॥
শুনিয়া শঙ্কৰে　　খঙ্গি বুলিলন্ত
কি পুছ তই মোত।
যিবা আছে ঘৰে　　মোৰ, তোৰাৰে
আৰ কিবা দিবো তোত ॥৮॥
হেন বুলিলন্ত　　আৱে আছে মোত,
তাক নো খোজোহোঁ আমি।
সংসাৰ তৰিবে　　বস্তু খোজোঁ এবে
তাক দিয়ো মোক তুমি ॥৯॥

শুনিয়া শঙ্কৰে পাছে বুলিলন্ত
আস বোপা ৰামানন্দ।
মেলি দুয়ো হাত সাৰটি গলত
ধৰিলা পায়া আনন্দ ॥১০॥

## —পুত্ৰক উপদেশ দান—

বোলা পুত্ৰ বুলি নাহি স্নেহ তোক
সামান্য যেন মনত।
আজি তোক প্ৰতি স্নেহ ভৈল আতি
ঘটিল সম্বন্ধ যত ॥১১॥

মোৰ প্ৰসাদত সংসাৰ তৰিত
চিন্তা কিবা আছে তোৰ।
আতি অপ্ৰয়াসে সংসাৰ তৰিবি
যদি বাক্য কৰ মোৰ ॥১২॥

যিহেতু সংসাৰ তৰিবাৰ বস্তু
আমাত তই পুছিলি।
এতেকে আমাক পৰম আনন্দ
ৰামানন্দ তই দিলি ॥১৩॥

আৰো এক বাৰ্ত্তা কহহো তোমাত
মোৰ গুণ যশ যত।
বল পৰাক্ৰম শক্তি ভক্তি পন্থ
সবে আছে মাধৱত ॥১৪॥

## —মাধৱ ভক্তিপন্থৰ অধিকাৰী—

মাধৱৰ লগে পিৰীতি কৰিয়া
কৰিয়া আতি আহ্লাদ।
যুগুতি বচন পুছিবাহাঁ তান্ত
ন কৰিবা তাঙ্ক বাদ ॥১৫॥
তান মোৰ কিছু নাইকে অন্তৰ
জানিবা নিশ্চয় কৰি।
মাধৱ আমাৰ পৰম বান্ধৱ
মোৰপ্ৰাণ-এৰে সৰি ॥১৬॥
তান্ত হস্তে জীৱ বিস্তৰ তৰিব
ভক্তিৰ হৈব আচাৰ্য্য।
মই চলি যাওঁ তাহান্তে লাগিল
ইঠাৱৰ যত কাৰ্য্য ॥১৭॥
মাধৱৰ ঠাই কহিবি বোপাই
আমাৰ কথা সমস্ত।
স্মৰি মোৰ গুণ মাধৱে আপোন
কহিবা ভক্তিৰ তত্ব ॥১৮॥

## —প্ৰয়াণ—

এহি বুলি ৰামা- -নন্দক সম্বোধি
ৰাম কৃষ্ণ উচ্চৰিলা।
কৃষ্ণৰ চৰণ হৃদয়ত ধৰি
বৈকুণ্ঠক চলি গৈলা ॥১৯॥ (১)

---

(১) দৈত্যাৰি ঠাকুৰে ইয়াত শক, তাৰিখ, মাহ, বাৰ, তিথি আদি একো দিয়া নাই। ১৯৪০ শক, ৭ ভাদ, শুক্লা দ্বিতীয়া, বৃহস্পতিবাৰ বেলি এপ্ৰহৰ সময়ত শঙ্কৰদেৱৰ স্বৰ্গী হয়।

ৰাজায় শুনিল কাৰ্যীক পাঙ্খিল
ঘৃত আগৰ কাষ্ঠ দিয়া
অনেক বিলাপ কৰি ঘৃত আদি
দেৱানো দিল পঠায়া ॥২০॥

—অন্ত্যেষ্টি ক্রিয়া—

পাছে ৰামানন্দে কাষ্ঠ সংস্কাৰ
কৰিলন্ত বেহাৰতে ।
দেৱানে দিলেক বাচৰি খানেক
আসিলন্ত চৰি তাতে ॥২১॥
দুইদিন ভৈল এতেকতে পাইল
মাধৱদেৱে বার্ত্তাক ।
সমস্তে সন্তাৰ কৰিলা যতেক
লাগৈ দশা কৰিবাক ॥২২॥

—দশা কাৰ্য্য—

দশা দিনা আসি পাইলা ৰামানন্দ
সবে সাজ হুই আছে ।
একো চাহিবাক নলাগিলা দশা
কৰিলন্ত মাত্র পাছে ॥২৩॥

—শ্রাদ্ধ—

শুদ্ধি শ্রাদ্ধ কৰি পাছে ৰামানন্দ
মাধৱৰ থানে গৈলা ।
যি বোল শঙ্কৰ- -দেৱে কহিলন্ত

সবে মাধৱত কৈলা ॥২৪॥

মাধৱে শুনিয়া　　সাৰটি ধৰিয়া

গলত ৰামানন্দক ।

কান্দিলা বিস্তৰ　　শঙ্কৰদেৱৰ

সুমৰি মনে গুণক ॥২৫॥

শুনা সাধুজন　　থিৰ কৰি মন

ইকথা মহা আনন্দ ।

শঙ্কৰ মাধৱ　　বোলা নিৰন্তৰ

লভিবা পৰমানন্দ ॥২৬॥

---

# পঞ্চাশৎ অধ্যায়

**— মাধৱৰ-ধৰ্ম্ম প্ৰচাৰ —**

এহিমতে কান্দিয়া মাধৱদেৱ ৰৈলা ।
মাধৱক সম্বোধিয়া ৰামানন্দো গৈলা ॥
আঠে চাৰি মাধৱৰ থানক আসন্ত ।
মাধৱো তাহাঙ্ক বহু আদৰ কৰন্ত ॥১॥
শঙ্কৰদেৱৰ পত্নী আছন্ত গোসানী ।
তৈকে যান্ত আঠে পক্ষে মাধৱ আপুনি ॥
এহিমতে বৰিষেক আছন্ত আনন্দে
শঙ্কৰৰ সপিণ্ডি কৰিলা ৰামানন্দে ॥২॥

—ৰামানন্দৰ মৃত্যু—

ভক্তবৰ্গ সমে তথা গৈলন্ত মাধৱ।
ভৈল মহা আনন্দ কীৰ্ত্তন মহোৎসৱ॥
ৰামানন্দ ঠাকুৰে সপিণ্ডি কৰি আছে।
গৈলন্ত বৈকুণ্ঠ আঠ দশ দিন পাছে॥৩॥
দেখিয়া সবাৰো মনে বিষাদ মিলিল।
ৰাম-ৰাম গুৰু আদি সমস্তে কান্দিল॥
মাধৱো বিষাদ আতি কৰিলা মনত।
শুনা যেন কথা ভৈল তাহাৰ পাছত॥৪॥

—ৰামচৰণ ঠাকুৰৰ বিদ্যাভ্যাস—

মাধৱ দেৱৰ বহিনাই ৰামদাস।
আছা এক চতালে দুই হস্ত কৰি বাস॥
ৰামদাস সুত ৰামচৰণ নিশ্চয়।
মাধৱদেৱৰ তেন্তে ভাগিন হোৱয়॥৫॥
পঢ়ান্ত মাধৱদেৱে মহা ৰঙ্গ মনে।
ফলা সমস্তক পঢ়িলন্ত অল্প দিনে॥
পঢ়াইলন্ত নাম খড়ি সমস্তে পঢ়িলা।
অনন্তৰে সন্ধি শব্দ পাঠ বৃত্তি দিলা॥৬॥
পঢ়িলন্ত সন্ধিবৃত্তি ন্যায় দুই থান।
দিনেক মাধৱ গৈলা পাটবাউসী থান॥
গৈলা ৰামচৰণ নপঢ়ি উমলিবে
নাসিলন্ত ঘৰক গধূলি ভৈল যেবে॥৭॥

ৰাত্ৰি দণ্ড চাৰি যাই তভো নাসিলন্ত ।
পিতৃ মাতৃ তান দুয়ো বিচাৰি ফুৰন্ত ॥
হাতে জোৰ কুৰা ধৰি বিচাৰি নপাই ।
বাপু বুলি মাতৃ তান ফুৰা গেৰিয়াই ॥৮॥
সেহি বেলা মাধৱদেৱ পাইলন্ত আসি ।
কি ভৈল বুলিয়া পুছিলন্ত হাসি হাসি ॥
বোলা তাৰা কিবা ভৈল ৰামাই নাই ঘৰে
বোলন্ত মাধৱদেৱ মাৰণৰ ডৰে ॥৯॥
নপঢ়িল নিমিত্তে পলাই যাইবে কৈত ।
জোৰ দে মোক মই জান আছ যৈত ॥
এহি বুলি মাধৱে হাতত জোৰ লই ।
ঘৰৰ কোণায় দিয়া চম্ চম্ গই ॥১০॥
দেখিল কুঁহিয়াৰ গাছ তলে আছে বসি ।
হাতে ধৰি আনন্ত মাধৱদেৱে হাসি ॥
কি বোল আক কেহ বিচাৰি নোপোৱা ।
ৰামাই কিবা ভৈল বুলি কান্দি কান্দি কোৱা ॥১১॥
মই জানো সবে যি যথাত থাকয় ।
মোহোৰ হাতৰ আৰ হৈবাক পাৰয় ॥
আৰো একদিনা পঢ়িবাক হেতু আক্ষ ।
আগ চালিখানৰ খুটাত বান্ধিলেক ॥১২॥
মাৰিলা মাধৱদেৱে ঠেলামুৰি এক ।
লাগিয়া খুটাৰ গাঠি তেজ বহিলেক ॥
কপালৰ পাঞ্জৰৰ সেহি দিনে আৰ ।

নমাৰিবো বুলি কৰিলন্ত অঙ্গীকাৰ ॥১৩॥
যদ্যপি ভাগিন মাৰিবাক যোগ্য নয় ।
মাৰোঁ পঢ়িবাৰ হেতু দোষে নপাৱয় ॥
পঢ়াইলা মাধৱদেৱে ৰামচৰণক ।
পাৰিলা পঢ়িবে ভাল পদ পয়াৰক ॥১৪॥
ৰত্নাৱলী ৰত্নাকৰ আদি গ্ৰন্থ যত ।
উন্নীকৃতা ভৈল আনো শাস্ত্ৰত পাৰ্গত ॥
শিখাইলন্ত কায়স্থিকা বৃত্তি সমস্তয় ।
অদ্ভূত লেখক ভৈলন্ত মহাশয় ॥১৫॥

## —স্থানত্যাগ—

আছন্ত মাধৱদেৱ এহিমতে তথা ।
আত অনন্তৰে শুনা যেন ভৈল কথা ॥
আসে ছোট দেৱানৰ বৰপেটা থানে ।
মস্তককা কানাই বৰদেৱলীয়া সনে ॥১৬॥
দেখি হৰিগুৰু ৰামদাস সমে দুই ।
ভুগুংৰীক লাগি গুছি গৈলা ভয় হুই ॥
সুন্দৰী দিয়াক লাগি সোহি সময়ত ।
আইলা বৰপেটা হন্তে মাধৱে পাছত ॥১৭॥
আছন্ত মাধৱদেৱ সুন্দৰী দিয়াত ।
শুনা যেন ভৈল তথা সোহি সময়ত ॥
শঙ্কৰদেৱৰ ছোট বেটা হৰিচৰণ ।
বায়ুধিক ভৈল যেন বিশ্ৰুতি লক্ষণ ॥১৮॥

—হৰিচৰণ ঠাকুৰৰ বায়ুৰোগ—

কতো বোধ পান্ত কতো বোধ নপাৱন্ত ।
কতো বাতুলৰ চিহ্ন বচন বোলন্ত ॥
কাকো ধৰি মাৰন্ত বাটত যাক পান্ত ।
ৰাখিবে নপাৰি কতো যৈকে মন যান্ত ॥১৯॥
আসিয়া মাধৱদেৱে জুৰ বস্তু দেন্ত ।
তেল পানী দিয়া আৰ ফুৰিবে নেদেন্ত ॥
অতিশয় চণ্ড ভৈলে বান্ধিয়া ৰাখন্ত ।
কাক বান্ধি আছো বুলি কতোহোঁ কান্দন্ত ॥২০॥
হৰি হৰি বোলো দেৱ শঙ্কৰ গৈলন্ত ।
তান প্ৰতিনিধি হৰিচৰণ আছন্ত ॥
এহি মনে দুঃখে নানা ঔষক দিয়া ।
চাহিলা মাধৱদেৱে যতন কৰিয়া ॥২১॥
ৰাত্ৰি দিনে একতিলো সঙ্গ নছাৰন্ত ।
বৎসৰেক অনন্তৰে সকাশ পাইলন্ত ॥
পূৰ্ব্বৱত ভৈলা যেবে হৰি যে চৰণ ॥
তেবেসে মাধৱদেৱ ভৈলা সুস্থ মন ॥২২॥

—ৰামদাসৰ জোঁৱাই হৰিচৰণ—

বেটী ৰামদাসৰ ভাগিন মাধৱৰ ।
হৰিচৰণক বিহা কৰাইছা শঙ্কৰ ॥ (১)

(১) হৰিচৰণ ঠাকুৰে দ্বিতীয় বাৰ—বগুলাগ্ৰামৰ গোপাল জমিদাৰৰ কন্যা বিষ্ণুমতীক বিয়া কৰায়। একপুত্ৰ দুই কন্যা জন্মে। ( আই কনকলতা চৰিত্ৰ —১১ পিঠি )

মাধৱদেৱৰ আনন্দৰ নাহি অন্ত।
শুনা আবে যেন ৰামচৰণ কৰন্ত ॥২৩॥

## —গৃহস্থ ৰামচৰণ—

ভূশুংৰিক গৈয়া ছয় বৎসৰ আছন্ত।
হাল গৰু খেতি ভূঁই বাৰী কৰিলন্ত ॥
টকা কৰি আৰ্জ্জিবে মনত ভৈল আশ।
নিতে নিতে তাঙ্ক বুজাই কহে ৰামদাস ॥২৪॥
তই যিটো কৰা মই নামানোহোঁ ভাল।
তেন্তে খঙ্গি বোলে তেবে তুমি কিবা বোল ॥
হাল গৰু ভূই বাৰী যেবে নোহে ভাল।
তুমি কাক ভাল মানা কহিয়ো সকল ॥২৫॥
তেঁহে বোলে মমা তোৰ পৰম ভকত।
ৰত্নাৱলী ৰত্নাকৰ তাহান সঙ্গত ॥
বুজিলি দুইখানি গ্ৰন্থৰ অৰ্থ যেবে।
জান বাপু মোৰ মনে ভাল দেখোঁ তেবে ॥২৬॥
এহিমতে বৎসৰেক বোলে বাপ ঘনে।
পাছে শ্ৰদ্ধা ভৈল ৰামচৰণৰ মনে।
মায়ে খনে পাছে তাঙ্ক বুলিলন্ত বাক।
যায়ো বাপু ৰামচৰণ সুন্দৰী দিয়াক ॥২৭॥

## —সুন্দৰী দিয়াত ৰামচৰণ—

ভৈল ছয় বৰ্ষ বাৰ্ত্তা দাদাৰ নপাই।
আস গৈ বাপু বহিনীয়েৰক চাই ॥

জমায়ো পাগল হুয়া বোলয় আসিলা।
শুনিলওঁ আবে কিছু সকাশক পাইলা ॥২৮॥
শুনি ৰামচৰণে মনত আলোচন্ত।
মমাৰ পাশক যাইবে আতাও বোলন্ত ॥
আয়ো যাইবে বোলা মোক বহিনীৰ ঠাই।
একেলগে আসো গৈয়া দুইহান্তকো চাই ॥২৯॥
এহিবুলি পাছে ৰামচৰণ গৈলন্ত।
হৰিচৰণৰ গৈয়া গৃহে ৰহিলন্ত ॥
দুইদিন আছি তান্ক বুলিলন্ত বাণী।
সুন্দৰীক যাওঁ দিয়ো মানুষ এখানি ॥৩০॥
দেখোঁ গৈয়া মামাক আসিবো এহিক্ষণে।
হেন শুনি বুলিলন্ত হৰি যে চৰণে ॥
মানুষত কিবা কাম চলা মই যাওঁ।
গধূলিয়ো একেলগে আসিবাক পাওঁ ॥৩১॥
এহি বুলি দুই শাল বৈনাই গৈলন্ত।
নৰা-তলি খনে ভক্ত সমে বসিছন্ত ॥
দেখি দুয়োজনে নমস্কাৰ কৰিলন্ত।
পাছে দেৱ মাধৱে তাৰাক সুধিলন্ত ॥৩২॥
ইটো গোট কোন নমস্কাৰ কৰিলন্ত।
ৰামচৰণ নুহি কেন মুনিয ভৈলন্ত ॥
যৈসানি ইহাক কোলা লৈবাক লাগিল।
তৈসানি ইহাৰ আমি কুটুম্ব আছিল ॥৩৩॥
এবে আৰ আমাত শুধিয়ো নপাৰয়।

কৈত আছে বুলিয়া বাৰ্ত্তাও নলৱয় ॥
নানান বচন আৰো বুলি এহিমত ।
পুছিলন্ত গৃহৰ কুশল কথা যত ॥৩৪॥
অনন্তৰে বেলি গৈল দেখি দুয়োজন ।
উঠিলন্ত গৃহক যাইবাক ভৈল মন ॥
দেখি দেৱ মাধৱে বোলন্ত হৰিচৰণ ।
তুমি ঘৰে যাইবা কৈক যাইবে ৰামচৰণ ॥৩৫
কিভাল মন্দ মোৰ চাহিলেক আসি ।
দেখিলেক নৰাতলি খনে আছো ৰসি ॥
তুমি সি কুটুম্ব তাৰ মই নুহিকওঁ ।
ন মানে আপোন মোক আশয় পাই লওঁ ॥৩৬॥
তুমি যায়ো বোপা ৰামচৰণ থাকোক ।
কেন ভাল মন্দে আছোঁ আমাক দেখোক ॥
এহি বুলি ৰামচৰণক ৰাখিলন্ত ।
গৃহক লাগিয়া হৰিচৰণ গৈলন্ত ॥৩৭॥
ঘৰক আসিয়া অন্ন ভোজন কৰাই ।
অনেক প্ৰকাৰে তাঙ্ক বুলিলা বুজাই ॥
বুঢ়া ভৈলো আমি আবে সঙ্গ ন ছাৰিবি ।
নাপৰা পৰিলে মোক পানী ভাত দিবি ॥৩৮॥
তোৰ পিতৃ ৰামদাস মহা উপকাৰী ।
তাৰ গুণ জানা আমি শুজিবে নপাৰি ॥
তাহান প্ৰসাদে শঙ্কৰৰ পাইলো সঙ্গ ।
তান লগে থাকিবাক মনে মহাৰঙ্গ ॥৩৯॥

তাঙ্কে আনাগই বাপু একেলগে থাকি।
আমাৰ লগত থাকি দুখ পাবিনিকি॥
কোন দুঃখ নপাইবি আহগৈ ওচৰ।
কোলায়ে বুকুৰে তুলি কৰিলো ডাঙৰ ॥৪০॥
আবে বৰ ভৈলে আৰ ওচৰ নাসিস।
বছৰ ছয় মানে আসি পাকটো নেদিস॥
এহিমতে অনেক প্ৰবোধ বুলিলন্ত।
শুনি ৰামচৰণে নমাতি আছিলন্ত ॥৪১॥

**—আধলীয়া যদুমণি দেৱ—**

যদুমণি নামে এক ব্ৰাহ্মণ আছিল।
ৰত্নাৱলী ৰত্নাকৰ পাঠ কৰিছিল॥
সেহি দিনে আসাম ৰাজ্যক তেহোঁ গৈল।
আৰো দিন কেহোঁ পাঠ কৰন্ত নভৈল॥ [১]

**—পাঠক ৰামচৰণ—**

সবে বোলে কি হৈব নাহিকে পাঠক।
শ্ৰীৰামে বোলন্ত যিবা পাঠ কৰিবেক॥
মই জানো এহি বুলি কাঠ খানি আনি।
বাপু ৰামচৰণ কৰা তুমি পাঠ খানি ॥৪৩॥
তাৰে পৰা পাঠ ৰামচৰণে কৰন্ত।

---

(২) আধলীয়া যদুমণি দেৱ-দামোদৰদেৱ আৰু মাধৱ দেৱৰ আজ্ঞাত বংশী গোপালদেৱৰ লগত ভজনি অসমলৈ যায়। তেওঁৰ পৰা মাহুৰা আদি সত্ৰ হয়।

দিনেক মাধৱদেৱে তাঙ্ক বুলিলন্ত ॥
শুনা ৰামচৰণ আখৰ ভাল তোৰ।
পুথি বলিছলন লেখিয়া দেহ মোৰ ॥৪৪॥

—বলিছলন পুথি—

শুনি ৰামচৰণে লেখিয়া পুথি দিলা।
মাধৱে আখৰ দেখি প্ৰশংসা কৰিলা ॥
অনন্তৰে আসি ফাগু সময় মিলিল।
কলিয়াদলৈ মাধৱক আসি নিল ॥৪৫॥
ৰামচৰণক দেৱ মাধৱে লগত।
নিল মামা বুলি বসাই তানে আসনত ॥
দেখিলেক এহেঁ কোন বুলিয়া পুছয়।
আতাৰ ভাগিন এহেঁ সকলকে কয় ॥৪৬॥
যিটোজনে মাধৱক টকা গোট দেয়।
শিকা গোট দেয় ৰামচৰণক সেই ॥
এহি মতে দুই চাৰি অৰ্থক পাইলন্ত
পাছে ৰামচৰণে মনত আলোচন্ত ॥৪৭॥
মমাৰ লগত আসি থাকিলে নিশ্চয়।
ইহ পৰলোক সুখ সমস্তে মিলয় ॥
এহি বুলি কয়জন মানুষ নিলন্ত।
ভুগুংৰীৰ পৰা সুন্দৰীক আসিলন্ত ॥৪৮॥

—মথুৰাদাসৰ শৰণ—

ভুগুংৰীত আছা ৰামচৰণ যৈসানি।
জানিবা মথুৰাদাস আসিয়া তৈসানি ॥

মাধৱদেৱৰ সঙ্গ পায়া মহাশয় ।
আছে তান মহাভাগ্য ভৈলা সি উদয় ॥৪৯॥
মাধৱদেৱৰ মুখে শুনি কথাচয় ।
দূৰ ভৈল তান যত মনৰ সংশয় ॥
তেবে বঙ্গদেশীয় মতক এৰিলন্ত ।
মাধৱক গুৰু মানি শৰণ লৈলন্ত ॥৫০॥
তেবেসে ঈশ্বৰ বুলি মানি শঙ্কৰক ।
ধিক বুলি খেদ কৰিলন্ত আপোনাক ॥
মথুৰাদাসৰ সঙ্গে আনো তান্তি যত ।
গুৰু মানি উপদেশ লৈলা শঙ্কৰত ॥৫১॥
লক্ষ্মণ ওজা নামে সেহি তান্তিৰ লগত ।
অমৃত বৰিষে যেন কীৰ্ত্তন কৰন্ত ।
লক্ৰাৰ ছৱালি মাধৱ ডাইন পালি ।
গান্ত লগে তাৰ মথুৰাদাস ওজা পালি ॥৫২॥
তান্তিকুঞ্জি হন্তে কীৰ্ত্তনীয়া দল আসি ।
কৰন্ত কীৰ্ত্তন সবে আমাসি দোমাসি ॥
বুলিলা মাধৱদেৱে মথুৰাদাসক ।
তোৰা নিয়া ঠাই দিয়া ৰামচৰণক ॥৫৩॥
শুনি তাৰা সাদৰ কৰিয়া তাঙ্ক নিল ।
তান্তিকুঞ্জিতে তাঙ্ক ঘৰ বান্ধি দিল ॥
যেবে মাধৱৰ ভাত ৰান্ধিবে লাগিল ।
সুন্দৰীক তেবে ৰামচৰণ আসিল ॥৫৪॥
ৰামচৰণৰ ঘৰ আছিল যথাত ॥

পোৱাভিঠা সত্ৰ জানা হুই আছে তথাত ॥
এহিমানে আবে ইটো প্ৰসঙ্গ ৰহোক ।
শঙ্কৰ মাধৱ ঘনে ঘনে বুলিয়োক ॥৫৫॥

— — — —

# একপঞ্চাশৎ অধ্যায়

—শ্ৰীৰাম আতৈৰ বৃত্তান্ত—

এহিমতে গৈয়া সুন্দৰী দিয়াত
মাধৱদেৱ আছন্ত ।
ভকত সকল সমে কৌতূহলে
কৃষ্ণৰ কথা চৰ্চ্চন্ত ॥১॥
শ্ৰীৰাম আতৈৰ কথা কহোঁ আবে
শুনা সাধু নিৰন্তৰে ।
আন বস্ত্ৰ তান নাহি কন্থা খান
দুইখান ধৰাত পৰে ॥২॥
লোকে দেই আনি কোনো বস্ত্ৰখানি
তাহাক থন্ত ৰাখিয়া ।
ভক্তৰ নেদেখি দুঃখী যাক দেখি
মাতি আনি তাকে দিয়া ॥৩॥
মাগিবে নযান্ত ঘৰে বসি পান্ত
চাউল যত লাগে মানে ।

দিয়া ভকতক ৰাখে সাজেকক
অধিক নলাগে তানে ॥৪॥

—লোটা বিঘিনি—

একদিন এক গুটি লোটা তাঙ্ক
মাধৱদেৱে দিলন্ত।
শ্ৰীৰাম আতৈ একো নুবুলিয়া
বাসাক তাঙ্ক নিলন্ত ॥৫॥
মাধৱে পাছত পঠাইলা ভকত
দেখা নেদি শ্ৰীৰামক।
বেৰ আৰে গৈয়া চায়ি থাকা গৈয়া
বাসা যাই কান্দিবেক ॥৬॥
ভক্ত জনে যাই আঁৰে আছা চাই
লোটাটো আগত থই
কান্দন্ত বসিয়া লোটাক চাহিয়া
আনে মোক ন জানই ॥৭॥
আতাতো জানন্ত কিয় দুঃখ দেন্ত
এই মোৰ ভৈল বিঘিনি।
কৃষ্ণ-কথা শুনা তেয়ো মোৰ মনে
ঘৰে আছে লোটা খানি ॥৮॥
লাও গোট এৰি যাওঁ তাকে পৰি
নথাকয় চিন্তা মনে।
আতায়ো দুঃখক দেই এহি বুলি
কান্দিলন্ত কতোক্ষণে ॥৯॥

পাছে বুলিলন্ত আতা দিয়াছন্ত
আতাৰ প্ৰসাদ আক ।
দুঃখ যদি পাই তথাপি লাগয়
আক ভোগ কৰিবাক ॥১০॥
এহি বুলি দিন দুই তিনি মানে
লোটাত খাইলন্ত পানী ।
এগুটি ভক্তক মাতিয়া ঘৰক
তান্ক দিলা লোটা খানি ॥১১॥
মাধৱদেৱৰ ভক্ত সব সনে
মনে হৰিষিত ভৈল ।
শুনা আতপৰ সাধু নিৰন্তৰ
দামোদৰে যেন কৈল ॥১২॥

---

# দ্বিপঞ্চাশৎ অধ্যায়

## —ভোবৰা দামোদৰ আদিৰ বৃত্তান্ত—

নামত ভোবৰা দামোদৰ আৰো
এক ভক্ত আছিলন্ত ।
নিতে কৃষ্ণ-কথা শুনি আইলে অন্ত
মাধৱ দেৱে পুছন্ত ॥১॥
আজি কোন কথা ভৈল দামোদৰ

শুনি কহে দামোদৰে।
আন কোন কথা হুইবে বাপু মোৰ
বান্ধৱৰ কথা পৰে ॥২॥

—একান্ত বিশ্বাস—

কৈলে সেহি মোৰ বান্ধৱ কৃষ্ণৰ
কথা যে শুনি মাধৱে।
পুছিলন্ত পুনু কোন পুথি বুলি
মনত মহা উৎসৱে ॥৩॥
দামোদৰে শুনি একাদশ বুলি
প্ৰতি দিনে দিনে কয়।
দশম দ্বাদশ ৰামায়ণ আদি
যেহি কি পুথি নোহয় ॥৪॥
মাধৱে শুনিয়া বোলন্ত হাসিয়া
দশম দেখো পঢ়িলা।
শুনি দামোদৰে কলে হুই বাপু
তোমৰা যিটো কহিলা ॥৫॥
আগ দুৱাৰতে দুই গছ আছে
তাৰ গোটা চাৰি পাত।
তাকে চাউল দিয়া ছেকা পানী ফুটি
প্ৰতিদিনে খান্ত ভাত ॥৬॥
মাধৱে পুছন্ত কিসে সমে ভাত
খাইলা দামোদৰ তুমি।

তেহেঁ কহিলন্ত পঞ্চামৃত সমে
ভাত খাইলো বাপু আমি ॥৭॥
তোমাৰ প্ৰসাদে দুৰ্ল্লভ কি বস্তু
এহি বুলি ৰৈলা তথা।
দুয়ো নয়নৰ নীৰ বহে ধাৰে
শুনন্তে কৃষ্ণৰ কথা ॥৮॥
কঠাল জোহনি শৰীৰ শিহৰে
লোম উপৰক তুলি।
এতেকে ভোবৰা দামোদৰ তাঙ্ক
সমস্ত ভকতে বুলি ॥৯॥

**—বৃদ্ধ ব্ৰাহ্মণৰ মিথ্যাচৰণ—**

আসাম ৰাজীয়া আসিলন্ত এক
অত্যন্ত বৃদ্ধ ব্ৰাহ্মণ।
মাঘ মাস পুৰা কৃষ্ণ-কথা শুনা
ধৰিলে ঘুমটি তান ॥১০॥
মাধৱে দেখিয়া আছন্ত চাহিয়া
পাছে মাতি বুলিলন্ত।
হেৰ দেখ টোপ- -নিয়াৱে ব্ৰাহ্মণে
শুনি তেহে ডৰিলন্ত ॥১১॥
পথালি মুণ্ডক ঝঙ্কাৰিলা দেখি
মাধৱে পুনু বুলিল।
গোঁসাইৰ ঘৰত আমাৰ আগত
প্ৰভাতে মিছা মাতিল ॥১২॥

ব্ৰাহ্মণে বুলিল গিছা ন মাতিল
টোপনিয়াইলো আমি।
মাধৱে বোলন্ত পথালি মুণ্ডক
কিয় ঝঙ্কাৰিলা তুমি ॥১৩॥
শুনি দ্বিজে কৈল মাখিক খেদাইলো
বুলিলা মাধৱে হাসি।
পুৱা বেলা মাঘ- -মাস এহু জাৰ
কৈৰ মাখি পাইলে আসি ॥১৪॥
সমস্ত ভক্তক চাহি বুলিলন্ত
তোৰা দেখা মাখি আছে।
তিনিবাৰ মিছা ভৈল বুলি তথা
কহিলা মাধৱে পাছে ॥১৫॥

—কমল লোচনৰ মিথ্যাচৰণ—

আৰো এক বুঢ়া কমল লোচন
নাম তৈতে আছিলন্ত।
তেহেঁ আসি ধৰি বসিলে সন্তোষে
মাধৱ-দেৱ পাৱত ॥১৬॥
তেহেঁ সেহি মত পুৱা সময়ত
মাঘ মাস দিনা তথা।
টোপনিয়াৱে বসি মাধৱে হৰিষি
কহন্ত কৃষ্ণৰ কথা ॥১৭॥
চেতন পাইলন্ত চমকি চাইলন্ত
মাধৱদেৱৰ ভিতি।

দেখিলন্ত বুলি ভয়ে বিয়াকুলি
থিয় ভৈলা পাছে তৈতি ॥১৮॥
হৰিজীক চাই মাতিলা বজাই
থোৱা দে পানী খাই।
মাধৱে শুনিয়া বোলন্ত হাসিয়া
ভকত সবক চাই ॥১৯॥
মাঘ মাস পুৰা বেলা জাৱে মৰি
লাগিল আৰ' পিয়াস।
মই দেখি আছো টোপনি লাগিল
তুলিল সমস্তে হাস ॥২০॥
চেতনক পাই মোৰ ভিতি চাই
দেখিয়া মোক' ডৰিল।
একোকো নপাৰি পানী খাওঁ বুলি
হৰিৰ জীক মাতিল ॥২১॥
কৃষ্ণৰ ভৃত্যৰ ভৃত্যৰ কিঙ্কৰ
শিশুমতি মোক জানি।
কহয় দৈত্যাৰি বোলা উচ্চ কৰি
শঙ্কৰ মাধৱ বাণী ॥২২॥

———————

# ত্ৰিপঞ্চাশৎ অধ্যায়

**দৈৰ আবিৰ্ভাব**

আত অনন্তৰে আৰো সুন্দৰী দিয়াত।
শুনা যেন ভৈল সাধু সমস্ত সাক্ষাত ॥
সুন্দৰীৰ পূব ভাগে বিলখান আছে।
জানা দুই গোট ঘাট তাৰ দুই পাশে ॥১॥
দক্ষিণৰ ঘাটে গাঁয়া গিৰি সব যাই।
উত্তৰৰ ঘাটে যাই ভকত সদাই ॥
উত্তৰৰ ঘাটে স্ত্ৰী নপাৰে যাইবাক।
দক্ষিণৰ ঘাটে ভক্তে নপাৰে নাইবাক ॥২॥
কৰিছে মাধৱদেৱে নিৰ্ব্বন্ধ এইটো।
নেদা ঠাই নিৰ্বন্ধ লড়ায়া যাই যিটো ॥
একদিনা শ্ৰীৰাম গধূলি সময়ত।
মুখ হাত ধুইবে গৈলা বিলৰ জলত ॥৩॥

**—যক্ষৰ সভা—**

বন সোমাই বসিলন্ত বতাৰ গুৰিত।
সেহি বেলা দেখিলন্ত বৰ বিপৰীত ॥
উঠিলা অনেক যক্ষ বিলৰ পৰাই।
ভেঙ্গুৰা চৰণ সবে পুড়া বন কায় ॥৪॥
ভেঙ্গুটা ভেঙ্গুট সবে মোটা মোট গাৱ।

দামো যেন পেট, চুটি চুটি হাত পাৱ ॥
কুৰুকুটা কেশ সবে আৰো মুখ বেঙ্কা ।
কতো স্ত্ৰী ছৱা কতো বুঢ়া কতো ডেকা ॥৫॥
কতোহো দূৰক জুৰি সবহি বসিল ।
অন্যো অন্যে সবে কথা কহিবে লাগিল ॥
সাত সাত পুৰুষৰ এহি নিজ ঠাই ।
কৈক যাইবো আত আৰ ৰহন ন যাই ॥৬॥

**—যক্ষৰ কীৰ্ত্তন ভীতি—**

মাধৱ দাসে বা কিবা আটাস পাৰয় ।
কাণ যেন ফুটে বুকে টাঙন মাৰয় ॥
বিষাদ কৰয় সবে কৈক যাইবো বুলি ।
হৰি নাম শুনি যেন মৰয় সমূলি ॥৭॥
কৰিল নিশ্চয় ছাগমৰাক যাইবাক ।
শ্ৰীৰামে দিলন্ত পাছে ৰাম বুলি ডাক ॥
শুনি গিৰগিৰ কৰি বিলত পৰিল ।
সবে ৰিলখান যেন পাক্ষ উথলিল ॥৮॥
ন কৰিয়া স্নান তৈত তৈৰ পৰা যাই ।
আসিলন্ত গৈয়া বুঢ়া লৌহিত্যত নাই ॥
এহি কথা কৈলা যাই মাধৱ দেৱত ।
শুনা যেন কৰিলন্ত মাধৱে পাছত ॥৯॥
কথা শুনি অনুৰাগ মনত মিলিল ।
হৰিয়ে কৃষ্ণৰ কথা কহিবে লাগিল ॥
কৃষ্ণ কথা ৰসে আতি প্ৰেম উপজিল ।

সমস্তে লোকৰ মহা আনন্দ মিলিল ॥১০॥
আনন্দে আকুল নাম গাইবাক লাগিল।
নামৰ আনন্দে দশো দিশক পুৰিল ॥
নামৰ কীৰ্ত্তন ধ্বনি শুনিলেক মানে
সমস্তে আসিলা নাম কীৰ্ত্তনৰ থানে ॥১১॥
ৰৰপেটা হন্তে ৰাম-ৰায় শুনিলেক।
অনেক মনুষ্য সমে ৰাত্ৰি আসিলেক ॥
প্ৰমুখ্যে মথুৰাদাস যত তান্তি লোক।
সমস্তে আসিল পাছে যেন শুনিয়োক ॥১২॥

## —বিষ্ণুৰ আবিৰ্ভাব—

সব লোক পৰম আনন্দে নাম লয়।
নামৰ আনন্দ বৰ মিলিয়া আছয় ॥
নামৰ আনন্দ বৈকুণ্ঠৰ পৰা শুনি।
গৰুড়ত চৰি প্ৰভু আসিলা আপুনি ॥১৩॥
যদ্যপি সদায় কৃষ্ণ থাকন্ত লগত।
নামৰ আনন্দে ভৈলা সাক্ষাতে বেকত ॥
একে চন্দ্ৰাৱতী ৰাতি আৰো ঈশ্বৰৰ।
কান্তি প্ৰকাশিল যেন কোটি দিনকৰ ॥১৪॥
ভকত সকলে নাম যথান্তে গাৱয়।
গৰুড়ে সহিতে তথা পশিবে খোঁজয় ॥
ভকতৰ নিমিত্তে পশিবে ন পাৰন্ত।
চতুপাৰ্শ্বে আকুলে ফুৰন্ত ভগৱন্ত ॥১৫॥

আমোদ কৰিল গন্ধে চোৱা চন্দনৰ।
গন্ধ পায়া তেখনে জানিলা নিৰন্তৰ॥
নামৰ আনন্দ শুনি আসিলন্ত হৰি।
কতোভক্তে প্ৰত্যেকে ডাকন্ত নাম ধৰি॥১৬॥
অশ্বত্থ বৃক্ষকে গ্ৰাম উত্তৰে আছয়।
তাতে গৈয়া পৰিলা আনন্দে মহাশয়॥
গৰুড়ৰ ভৰ সহিবাক ন পাৰিয়া।
পৰিল দক্ষিণ ভাগে বৃক্ষ উভৰিয়া॥১৭॥
কৃষ্ণক কান্ধত লই উৰাৱ কৰিল।
গৰুড়ৰ পাখা ছোট সবেয়ো শুনিল॥
যেখন গৰুড় যান্ত লোকে আছা চাই।
পূব দিশ লাগি যেন সূৰ্য্য গোটা যাই॥১৮॥
নামৰ আনন্দ পাছে ভৈলা সমাপত।
গৈল ঘৰাঘৰি ভক্ত সব লোক যত॥
এহি মানে আবে ইটো প্ৰসঙ্গ ৰহোক।
আৰো যেন কথা ভৈল তাঙ্ক শুনিয়োক॥১৯॥

---

# চতুঃপঞ্চাশৎ অধ্যায়

**—কলিৰ বুঢ়া আদিৰ বৃত্তান্ত—**

ভৈল মাস শ্ৰাৱণ নাৱত চৰিলন্ত।
ভৱানীপুৰক দেৱ মাধৱ গৈলন্ত॥

কলিৰ বুঢ়া নামে জনেক আছয় ।
মাধৱদেৱৰ থানে ন যাই দুৰাশয় ॥১॥
নতু কৰে নমস্কাৰ মাধৱদেৱক ।
নতু ভজে সিটোজনে ঈশ্বৰ কৃষ্ণক ॥
গৈলন্ত মাধৱদেৱ ভৱানী পুৰক ।
পড়িল নাপৰা সিটো সেহি সময়ত ॥২॥
দিন আঠ দশমান অন্তৰ ভৈলেক ।
ভাটি বেলা ভৈলে সিটো জন মৰিলেক ॥
দেখি ইষ্ট বন্ধু সৱে পাল্টি মেহ্লাইলেক ।
বুকে বাঁশ দিয়া তিনি ঠাই বান্ধিলেক ॥৩॥
পুড়িবেক নিবে লাগি কান্ধত তুলিল ।
পাল্টিৰ ভিতৰ হন্তে বচন বুলিল ॥
আসিল মাধৱদেৱ লৈয়া চলা মোক ।
মৰা শৱে মাতয় বিশ্ময় ভৈল লোক ॥৪॥
আথবেথ কৰি বান্ধ মেলি পুছে তাত ।
আতা আসিলন্ত তই শুনিলি কাহাঁত ॥
লৈয়া চলা মোক শীঘ্ৰে আতাৰ তথাত ।
কহিবোহোঁ শুনিবাহা শুনিলো যথাত ॥৫॥
সেহি বেলা আসি দেৱ মাধৱ পাইলন্ত ।
নতু উঠা ঘাটে মাত্ৰ নাৱ চপাইলন্ত ॥
নাৱ আগে চড়িলন্ত তীৰ উঠিবাক ।
চৰণৰ আগে নিয়া পেহ্লাইলন্ত তাক ॥৬॥

—যমদূতৰ ভয়—

কি ভৈল বুলিয়া দেৱ মাধৱে পুছিল।
সাৰশেষ কথা সিটো সমস্তে কহিল ॥
দক্ষিণৰ পৰা আসি যমদূত তিনি।
বান্ধিলেক মোক চাম জৰি গছ আনি।৭॥
দক্ষিণ দিশক লাগি টানি লৈয়া যাই।
এৰি গৈলা আতা আসিবাৰ বাৰ্ত্তা পাই ॥
বোলয় মাধৱ দেৱ আসিয়া পাইলেক।
ইগ্ৰামৰ লোক আৰ নপাৰি নিবাক ॥৮॥
এহি বুলি লৰড় দিলেক মহাত্ৰাসে।
কাঢ়ে খৰ শ্বাস বৰ পাইলেক প্ৰয়াসে ॥
বান্ধ সমন্ধিতে মোক এৰিয়া গৈলেক।
কতোদূৰ গৈয়া পাছে তিনি ৰহিলেক ॥৯॥
বোলে চাম জৰি গছ আমাৰ ৰহিল।
নিবে লাগি জৰি তিনি তিনিকো পাঞ্চিল ॥
তিনিয়ো নাসয় ভয়ে পাছে একজনে।
লৰৰিয়া জৰি আসি নিলা ভয় মনে ॥১০॥
আজুৰি পিজুৰি জৰি কাঢ়ি নিল বলে।
দেখা হাতে গলে সাঞ্চ সকলে বান্ধিলে ॥
উঠি উঠি সাঞ্চ চাৱে লোক সমস্তয়।
সাঞ্চ দেখি সবে ভৈল পৰম বিস্ময় ॥১১॥
মাধৱে বোলন্ত মোক ভয়ে এৰি গৈলা।
আজি ধৰি তুমি মোৰ অধিকাৰ ভৈলা ॥

খেতি বাতি কাম আৰ কৰিতে নোপোৱা।
হৰি কথা শুনা আৰে হৰি নাম গোৱাঁ॥
মোহোৰ সঙ্গত থাকিবাহা সৰ্ব্বক্ষণে।
হেন শুনি কৌতুক কৰয় সৰ্ব্বজনে॥
এহিমতে মাধৱদেৱৰ সুন্দৰী দিয়াত।
আছন্ত শুনিয়ো পাছে যেন ভৈল তাত॥১৩॥

—গয়াঠাকুৰৰ শৰণ—

আছে গ্ৰাম নামত ভাঙ্গুৰীকুঞ্জি এক।
সবে লোকে তৈৰ আসি শৰণ লৈলেক॥
নামে গয়াঠাকুৰ আছিল একজন।
সেহি মাত্ৰ নতু লোৱে হৰিত শৰণ॥১৪॥
বুলিলা মাধৱদেৱে শৰণ লৈবেক।
তথাপিতো সিজনে শৰণ ন লৈলেক।
মাধৱদেৱৰ ঠাই লোক সব যত॥
দেখিবে আসিল সিয়ো আসিল লগত॥১৫॥
তাকে দেখি মাধৱে মনত আলোচিল।
আপুনিয়ো গৈয়া নাম লগাইবে বসিল॥
কতো বেলি মান নাম গাৱন্তে আছয়।
নামৰ আনন্দ অতিশয় মিলিছয়॥১৬॥
"এ ৰাম-চৰণে শৰণ লৈলো" বুলি।
এহি ঘোষা গান্ত হাত উপৰক তুলি॥
সিয়ো তাসম্বাৰ লগে উপৰক হাত।

তুলি নাম লোৱে দেখি মাধৱে তথাত ॥১৭॥
বোলন্ত কিবোলা ওবা কহিয়োক তুমি।
উৰ্দ্ধবাহু কৰি হৰি বুলিলোহোঁ আমি ॥
যাতো ৰামচৰণে শৰণ আছোঁ লই।
তুমি কিয় বুলিলাহা উৰ্দ্ধবাহু হুই ॥১৮॥
শুনি মাত বোল নাই গয়া ঠাকুৰৰ।
কৰে কাউ বাউ বাপ কি দিবোঁ উত্তৰ ॥
মাধৱদেৱক গুৰু মানি সেহিক্ষণে
কৃষ্ণৰ অভয়পদে পশিল শৰণে ॥১৯॥
আনতো কৰিয়া পাছে বৰ কাষ্ঠা তাৰ।
আনহন্তে সিটো বৰ বুদ্ধিত উদাৰ ॥
আৰো এক টকৰা শৰণ আছে লই।
মাধৱদেৱক তই সহজে বোলয় ॥২০॥

—টকৰাৰ সজ আচৰণ—

সমস্তে ভকতে তাঙ্ক বুলিলা চচন।
আতাক বোলস তই শুনি সিটোজন ॥
বোলে তেবে কি কহিবো তোৰা কহিয়োক।
তুমি বোল বুলিবি বোলয় ভক্ত লোক ॥২১॥
সিটো বোলে ভাল তুমি বুলিবাক যাইবো।
আজি হন্তে তেবে আৰ তই নু বুলিবো ॥
এহি বুলি খান দুই ভাৰ কৰিলেক।
মাধৱদেৱক তুমি বুলিবে গৈলেক ॥২২॥

দেখিয়া মাধৱদেৱে বুলিলা বচন।
তিথি বিষু নুহি নাহি হৰিৰ কীৰ্ত্তন ॥
কিসক আসিলা বুলি বুলিলন্ত তাক।
সিটো বোলে আতা তোক তুমি বুলিবাক ॥২৩॥
আসি আছো শুনি দেৱ মাধৱে হাসন্ত।
পুনৰপি কোৱা কিয় আসিয়া আছন্ত।
তেহে তুমি বুলিবে আসিছো বুলিলেক।
হাসন্ত মাধবদেৱে শুনিয়া এতেক ॥২৪॥
যিমান বুলিলা তুমি কুলাই এহি মানে।
আৰ তুমি বুলিবে ন লাগে আবে মানে ॥
তই বোলনতে মই সন্তুষ্ট তোমাত।
শুনি ভক্ত সবে হাসে আনন্দে তথাত ॥২৫॥
শুনা সাধুজন গুৰু গুণ সুমঙ্গল।
শুনন্তে কহন্তে নষ্ট হোৱে অমঙ্গল ॥
মহাপুণ্য সম্পদে নজানি নিৰন্তৰ।
ঘনে ঘনে ডাকি বোলা মাধৱ শঙ্কৰ ॥২৬॥

---

# পঞ্চপঞ্চাশৎ অধ্যায়

...তৰাম আলধৰা—

একদিনা আতি        প্ৰভাতে গৈলন্ত
    মাধৱ বৰপেটাক।
আই গোঁসানীক        চাহিবে পাছত

যেন ভৈল শুনা তাক ॥১॥

মাধৱদেৱৰ আলধৰা এক
ভকতৰাম নামত।
কৃষ্ণক চিন্তিবে লাগিলন্ত সাঙ্গ
কৰি নৃত্য কৰ্ম্ম যত ॥২॥

—মানস মূৰ্ত্তি পূজা—

তাহান মনত ভৈলহি বেকত
ভগৱন্ত কৃপাময়।
কৃষ্ণক পূজিবে আৰম্ভিল তেবে
দিয়া দ্ৰব্য মনোময় ॥৩॥

মনতে আসন দিলন্ত বসিবে
মনতে পাদ্য দিলন্ত।
মনতে সুগন্ধ তৈল কৰি দিল
সুগন্ধ জল দিলন্ত ॥৪

স্নান কৰিবাক দিলা পিন্ধিবাক
ত্ৰিপট্ট পীত বসন।
একখন আনি খৰম দিলন্ত
নতু দেন্ত আৰ খন ॥৫॥

হেন সময়ত মাধৱ আসিয়া
উকাশি দিলা চোতালে।
বামে দেখি হাতে পিৰা খন লই
উঠি গৈলা তত কালে ॥৬॥

ভৰি ধুইবে পানী          দিল দিয়া আনি
তৈল গাৰে ঘসিবাক।
স্নান কৰিবাক          পানী দিলা আনি
ধূতি বস্ত্ৰ পিন্ধিবাক ॥৭॥
খৰি লগাই দিল          অন্ন ৰান্ধিবাক
মাধৱদেৱ গৈলন্ত।
চাউল আঞ্জা পাত          লোণ তেল যত
আগতে সব দিলন্ত ॥৮॥

## —মূৰ্ত্তিৰ অভিমান—

পিৰাত বসিয়া          হৰিক চিন্তিয়া
মাধৱদেৱে ৰান্ধন্ত।
তাহান্তে তেখন          প্ৰভু নাৰায়ণ
বেকত আসি ভৈলন্ত ॥৯॥
দেখা কৰি স্নান          পিন্ধিয়া বসন
খৰমত এক পাৰে।
দিয়া তচ্ছা হৰি          দিবে আউৰ ভৰি
খৰম দিলা মাধৱে ॥১০॥
খৰমত ভৰি          নেদা দেৱ হৰি
মাধৱে দেখি অনেক।
কৰিলা কাতৰ          কাকুতি বিস্তৰ
শুনিয়া প্ৰভু প্ৰত্যেক ॥১১॥
বোলন্ত মাধৱ          মনৰ উৎসৱ

হুয়া আছে মোৰ এতেক।
ইপাত খৰম যেহি দিলে মোক
সিপাটো সেহি দিবেক ॥১২॥
তান্ত বিনা আনে আনি দেয় মানে
খৰম আমি ন লৈবো।
দিলে সেহি জনে দেখিবা তেখনে
খৰম আমি পিন্ধিবো ॥১৩॥
শুনিয়া মাধৱ দিলা দীৰ্ঘ ৰাৱ
সবে ভক্ত আসিয়োক।
ঈশ্বৰক কোনে এহু বিড়ম্বন
কৰি আছা কহিয়োক ॥১৪॥
শুনি সমস্তয় ভৈলন্ত বিস্ময়
কি বোল আতা বোলন্ত।
একোটো আশয় ন পায়া নিশ্চয়
নমাতি সবে ৰৈলন্ত ॥১৫॥
পাছে কতোক্ষণে বুলিলা বচন
নম্র ভাৱে বুঢ়া ৰাম।
কৰক মুচৰি মৃদু মৃদু কৰি
মই পাপিষ্ঠৰ কাম ॥১৬॥

—দেৱতাতকৈ ভক্ত শ্ৰেষ্ঠ—

শুনিয়োক ৰাম কিয় এহু কাম
কৰিলা মাধৱে বোলা।

ৰাম বুলিলন্ত ইকথা পূৰ্ব্বত
তোমৰা বাপ কহিলা ॥১৭॥
হৰিৰ সেৱাক এৰিয়া যাইবাক
ভক্তৰ সেৱা কৰিত।
হৰিৰ সেৱাত কৰিয়া অধিক
ভক্তৰ সেৱা নিশ্চিত ॥১৮॥

—পূজাত বিঘিনি—

এহিসে কাৰণে আইলো তোমাঠৈৰ
আসিবাৰ সৰি পাই।
ক্ষমিয়োক বাপ মোৰ সম পাপ
কৰন্তা আৰৰ নাই ॥১৯॥
মাধৱে বোলন্ত আৰবাৰ এহু
নকৰিবা আৰ তুমি।
খৰম লৈবাক লাগি ঈশ্বৰক
কাতৰ কৰিলো আমি ॥২০॥
তথাপি খৰম কৃষ্ণে নলৱন্ত
বোলে আগে দিলে যিটো।
তেবেসে খৰম লৈবো এভো আমি
যদি আনি দেই সিটো ॥২১॥
এতেকে খৰম দিয়োক কৃষ্ণক
পুনৰপি ৰাম তুমি।
অনেক কাকূতি কৰিয়া খৰম

দিবে নপাৰিলো আমি ॥২২॥

## —মূৰ্ত্তিক খৰম দান—

হেন শুনি ৰামে চিন্তি অনুপামে
তেখনি খৰম দিলা।
পৰম হৰিষে দেৱ হৃষীকেশে
খৰম তেবে পিন্ধিলা ॥২৩॥
লোকে শুনিলেক বিস্ময় ভৈলেক
ঘৰাঘৰি সবে গৈলা।
মনোময় দ্ৰব্যে পাছত মাধৱ
দেৱে পুজিবাক লৈলা ॥২৪॥
শুনা সাধুচয় কথাৰ আশয়
আপুনি লৈবা মনত।
সেৱায়ে সন্তৰ সন্তুষ্ট ঈশ্বৰ
প্ৰমাণ লৈয়ো ৰামত ॥২৫॥
ন লৈলন্ত কৃষ্ণে খৰম মাধৱ
-দেৱৰো হাতে ভাৰত।
অনেক কাকুতি কৰিলা তথাপি
নেদিলা ৰামে যাৱত ॥২৬॥
সন্ত সেৱা বিনে আন একো গুণে
ঈশ্বৰৰ তুষ্ট নাই।
হৰি সন্তোষৰ হেতু সন্ত সেৱা
কৰিয়ো মাত্ৰ সদায় ॥২৭॥

যি হেতু সন্তৱ　　সেৱা　বিনা তুষ্ট
নাহিকয়　ঈশ্বৰ।
সন্ত সেৱা কৰা　　ভৱ নদী　তৰা
মাধৱ বুলি　শঙ্কৰ ॥

---

# ষট্ পঞ্চাশৎ অধ্যায়

—গোবৰ্দ্ধন যাত্ৰা—

শুনা সাধু সৱ কথা যত অনন্তৰ।
চৈত্ৰ মাসা বৃষ্টি নাহি দেৱে দিলা খৰ ॥
সবে লোকে আলোচিয়া মাধৱ দেৱক।
বোলে আতা গোবৰ্দ্ধন যাত্ৰা কৰিয়োক ॥১॥
যিলাগে বস্তু যাত সবে দিবো আমি।
অধিষ্ঠান হুয়া মাত্ৰ কৰিয়োক তুমি ॥
লোকৰ বচন শুনি যাত্ৰা কৰাইলন্ত।
পটুৱাৰ উপায় পৰ্ব্বত অকাইলন্ত ॥২॥
ধেনু বৎস গোপ গোপী সহিতে আপুনি।
নানান নৈবেদ্য বঢ়াই ফুৰা প্ৰদক্ষিণি ॥

—বিপ্ৰৰ বিলাই—

এক বিপ্ৰ ভয়ঙ্কৰ ৰূপ কাছিলন্ত।
উপৰত চৰি মই পৰ্ব্বত বোলন্ত ॥৩॥

পূজা পাই ইন্দ্ৰ বৰিষিবাৰ সময়।
আনিলেক মহাবৃষ্টি মেঘ সমস্তয় ॥
সভা ভাঙ্গি লোকসব দশোদিশে গৈল।
উপৰে ব্ৰাহ্মণে দিয়া জখলা ন ভৈল ॥৪॥
ভিজি বুৰি বিপ্ৰজন উপৰে ৰহিল।
ভিজৈ দ্বিজ বুলিয়া মাধৱো পাসৰিল ॥
আটাস পাৰন্তে গল বিপ্ৰৰ ভাগিল।
বৃষ্টিৰ কাৰণে কেহোঁ জনে নুশুনিল ॥৫॥
অনন্তৰে আসি যেবে বৃষ্টি এৰিলেক।
তেবে মাত শুনি লোক জখলা দিলেক ॥
তিন্তিবুৰি জলাকলা হুয়া সি নামিল।
কাম্পন্তে জাম্পাতে গৈয়া গৃহত পশিল ॥৬॥
আত অনন্তৰে আৰু কথা শুনিয়োক।
মাধৱ মনুষ্য নুহি নিষ্ঠে জানিয়োক ॥
ঈশ্বৰ শক্তিৰ বলে সমস্তে দেখন্ত।
শুনা কহোঁ মাজে মাজে যেন দেখাৱন্ত ॥৭॥

## —হৰিণাৰ মঙহ—

একদিন। ভক্তবৰ্গ সহিতে মাধৱে।
নৰাতলি থনে বসি পৰম উৎসৱে ॥
কৃষ্ণৰ কহন্ত কথা ভকত সবত।
একপৰ বেলা আছে হেন সময়ত ॥৮॥
অল্প অল্প কৰি দেৱ মাধৱে হাসন্ত।

ভকত সবক চাহি বচন বোলন্ত ॥
হৰিণাৰ মাংস আজি ভোজন কৰিবে ।
লাগিবেক অৱশ্য জানিবা ভক্ত সবে ॥৯॥
এহিবুলি দণ্ড ডুই কৃষ্ণ কথা কন্ত ।
আসিল হৰিণ গোট সবে দেখিলন্ত ॥
কতোহোঁ দূৰত চৰে আগপাছ চাই ।
মুৰা শিঙ্গা হুয়া আছে হৃষ্টপুষ্ট কায়ি ॥১০॥
কুৰি পুৰা মান ভূঁইতো বনগছ নাই ।
সমস্তে ভকতে তাৰ ৰঙ্গ আছা চাই ॥
কহিতৰ পৰা আসি বাঘেক মিলিল ।
কেহোঁ নমলিল তাক হৰিণ ধৰিল ॥১১॥
পিলেক শোণিত তাৰ টেটুত ধৰিয়া ।
কান্দিবে লাগিলা তাক শ্ৰীৰামে দেখিয়া ॥
হৰি হৰি হৰিৰ সেৱাক ন কৰিয়া ।
ফুৰো আমি জীৱ এহু নিকাৰ ভুগিয়া ॥১২॥
অনন্তৰে গয়া গিৰি সব খেদি গৈলা ।
হৰিণক লৈয়া পুনৰপি আসি ভৈলা ॥
মাধৱে বোলন্ত আক গ্ৰামক নিয়োক ।
চেলায়োক নিয়া চালখান দিবা মোক ॥১৩॥
পাছে তাৰা সবে নিয়া হৰিণ কাটিল ।
ভক্ত গৃহী ৰাণ্ডী বান্দী সমস্তকে দিল ॥
এহি মতে মাধৱৰ চৰিত্ৰ অনন্ত ।
সাৰশেষে কহি তাঙ্ক কোনে পাৰে অন্ত ॥১৪॥

তথাপিতো কিছু কিছু কৰি কহোঁ শুনা।
যি মত বৃত্তান্ত ভৈল আৰো এক দিনা॥

**—কাতল মাছ—**

সুন্দৰীৰ পূবে যিবা বিলখন আছে।
কৈৱৰ্ত্ত সকলে তাত মাছ মাৰি আছে ॥১৫॥
বৰপেটা বিলে তাৰা মাৰিবাক যাই।
বিদায় কৰিবে গৈল মাধৱৰ ঠাই॥
গোটা চাৰি পাঁচ মান ৰৌ মাছ দিল।
বৰপেটা যাওঁ বুলি বিদায় কৰিল ॥১৬॥
মাধৱে বোলন্ত সবে বৰপেটা যাইবা।
দুইগোটা ডাঙ্গৰ কাতল মাছ পাইবা॥
কোনো বেলা এহু মাছ নপাইছা নপাইবা।
আমাক এৰিয়া সিটো মাছক ন খাইবা ॥১৭॥
তাৰা বোলে আতা যদি এহু মাছ পাওঁ।
তোমাক দিবোহোঁ আবে বিদায় দিয়া যাওঁ॥
মাধৱে বোলন্ত আনি দেওক গুৱা পান।
ৰহিয়োক সবে আৰু একতিল মান ॥১৮॥
এহিবুলি চিৰা কল গুৱা পান দিল।
দিলন্ত বিদায় তাৰা আনন্দে চলিল॥
সিটো দিন গৈয়া তাৰা পালান্দিত ৰৈল।
আউৰ দিন পুৱা জাল বিলত মেলিল ॥১৯॥
দুই গোটা মাছ আসি জালত বাজিল।
জাল ফালি পলাইল ৰাখিবে নপাৰিল॥

বাৰখন জাল মেলি আছয় বিলত ।
ইজাল এৰায়া পৰৈ আউৰ গৈ জালত ॥২০॥
তাকো ফালি পলাই আৰ জালে গৈয়া পৰে ।
এহি মতে ফুৰে মাছ দণ্ড ছয় পৰে ॥
পাছে যেনে তেনে বাৰ জালোৱায়ে মিলি ।
জালে মেহ্রায় মাছক তীৰক নিয়া তুলি ॥২১॥
ধৰিলে কাতলা দুয়ো মাছ বিপৰীত ।
দেখি সৰ্ব্বলোক ভৈল মনত বিস্মিত ॥
একে ভাৰে দুই গোটা মাছক নিবেক ।
নোৱাৰিয়া দুয়োলোকে সাঙ্গি কৰিলেক ॥২২॥
তভো দুইজনে মাছ সাঙ্গ বান্ধি লই ।
মাধৱদেৱৰ ঠাই মাছ দিলা গই ॥
বোলন্ত মাধৱদেৱে হাসি তাসাত ।
কালি বোলো দুই গোটা মাছ পাইবা তাত ॥২৩॥
তাৰা সবে বোলে তোমাঠৈৰ বেদ বাক ।
ন হৈবাক পাৰয় মাধৱে শুনি তাক ॥
বোলা ইটো মাছ এক আনিলা কিসক ।
আমি কি কৰিবো আক তোৰায়ে নিয়োক ॥২৪॥
আমি কি কৰিবো তাৰা সবে কহিলন্ত ।
ইটো মাছ তোমাঠৈক যোগ্য জানিবন্ত ॥
ভক্তবৰ্গ সহিতে তোমৰা ভুঞ্জিবন্ত ॥
কি কহিবো আমাৰ ভাগ্যৰ তেবে অন্ত ॥২৫॥

## —মাছ ভাগ—

এহি বুলি মাধৱদেৱক মাছ দিল।
কাটি নিয়া মাছ দেৱ মাধৱে বুলিল ॥
দুইজনে মাছ কাটি কাটি দমাৰন্ত।
সমস্তকে বান্টি বান্টি মাছ দিয়াইলন্ত ॥২৬॥
উদাসীন গৃহস্থ ভকত ষাঠি জন।
গ্ৰামিক ভকত গিৰি আঠাইশ প্ৰমাণ ॥
বাৰজন জালোৱা সবাকো আটিলন্ত।
মনত সন্তোষে মাছ সমস্তে নিলন্ত ॥২৭॥
শঙ্কৰদেৱৰ নাতি পুত্ৰ আছিলন্ত।
তাসম্বাকো লাগি মাছ দিয়া পঠাইলন্ত ॥
ৰাম-ৰাম গুৰুকো পঠাইলা মাছ দিয়া।
আনকো দিলন্ত যাক আগত দেখিয়া ॥২৮॥
মাছ ছয় ডোখৰ মাধৱে ৰাখিলন্ত।
ৰান্ধি বাঢ়ি মাছ সবে ভক্তে ভুঞ্জিলন্ত ॥
খাচিতো অধিক মাছ স্বাদ সুকোমল।
প্ৰশংসিল ভাল মাছ বুলিয়া সকল ॥২৯॥

# সপ্ত পঞ্চাশৎ অধ্যায়

## —মাধৱদেৱৰ হাজো গমন—

কি কহিবো মাধৱদেৱৰ মহিমাক।
আত অনন্তৱে যেন কথা শুনা তাক॥
পয়োনিধি উজীৰে বৎসৰ দুইৰ পৰা।
দক্ষিণ কুলীয়া লোক সমন্বিতে তাৰা॥১॥

## —হয়গ্ৰীৱ সেৱা—

মাধৱদেৱক তথা নিবাক খোজন্ত।
এক কালে তথা দেৱ মাধৱ গৈলন্ত॥
আছিলন্ত বৰ ভূইত মাস দুই মান।
গোঁসাইক দেখিবে লাগি গৈলা হাজোথান॥২॥
সি দিনা মাধৱদেৱ হাজোত ৰহিলা।
আউৰ দিন প্ৰভাততে গোঁসাইক দেখিলা॥
হয়গ্ৰীৱ ৰূপক বৰ্ণায়া কৰি সেৱ।
পঢ়িলন্ত অনেক শ্লোকক মাধৱ দেৱ॥৩॥
দুৱৰী পুজাৰী আদি ব্ৰাহ্মণ সৱক
গোটা ষোল মান টকা দিলা সমস্তক॥
তৈৰ পৰা গৈলা কণ্ঠভূষণৰ ঠাই।
কণ্ঠভূষণত দ্বাৰী কহিলা বুজাই॥৪॥

## —ৰবদলৈ কণ্ঠভূষণৰ আদৰ—

এখন ৰহোক এহিমানে ইটো কথা।
কণ্ঠভূষণৰ কহোঁ শুনিয়ো ব্যৱস্থা ॥
গোঁসাঞিৰ পূজা কৰ্ম্ম কৰন্ত নিশ্চয়।
কুৰি পোৰা পাইক ৰাজায়ে দিয়াছয় ॥৫॥
তাৰে আঠজন নিতে তোলে ফুল জল।
বাৰজনে অন্য কৰ্ম্ম কৰন্ত সকল ॥
শালগ্ৰাম প্ৰমুখ্যে প্ৰতিমা কুৰি ছয়।
জলফুল দিয়া প্ৰতি দিবসে পূজয় ॥৬॥
চাৰি পাছি ফুল জল চাৰি কুম্ভ মান।
পুৰা হন্তে পূজা দুই প্ৰহৰ প্ৰমাণ।
সিদিনা প্ৰতিমা সব মাত্ৰ ধূৱাইছন্ত।
সেহিবেলা মাধৱৰ কথা শুনিলন্ত ॥৭॥
পিৰাতে উলটি দুৱৰীৰ মুখ চাই।
পুছিলন্ত বুলি কোন মাধৱ দুনাই ॥
দ্বাৰী বোলে সুন্দৰী দিয়াৰ মাধৱ।
শুনিয়া মনত বৰ মিলিল উৎসৱ ॥৮॥
আথেশেথে উঠি ফুল পাছি পাছি তুলি।
প্ৰতিমা উপৰে বাকে নমো কৃষ্ণ বুলি ॥
নমো কৃষ্ণ বুলি সবে ঢালিলন্ত জল।
ৰজাইলন্ত বেগে মনে মহা কৌতূহল ॥৯॥
দেখিয়া মাধৱদেৱে প্ৰণামিবে যান্ত।*

*পাৰ ঢালিলন্ত।

সলোতক নেত্ৰে আগবাঢ়ি ধৰিলন্ত ॥
দুই দুইৰো প্ৰেমত আকুল সমুদাই।
পিৰা অনাই বসিলন্ত দুয়োজন যাই ॥১০॥
কৈৰ পৰা আইলা কণ্ঠভূষণে বোলন্ত।
কি নো কৃপা কৰিলন্ত আজি ভগৱন্ত ॥
কি নো সুপ্ৰভাত আজি দেখিলো তোমাক।
হেন শুনি বুলিলা মাধৱদেৱে বাক ॥১১॥
আমাৰে সে শুভদিন তোমাক দেখিলো।
দক্ষিণকুল গৈয়াছিলো তৈৰ পৰা আইলো ॥
পাছে মৃদু কৰিয়া মাধৱে বোলা চাই।
গোঁসাই পুজিবাৰ আতৈ বেলা দেখো যাই ॥১২॥
মাধৱৰ বাণী শুনি বুলিলন্ত পাছে।
তুমিয়ো জানিলা আৰু পূজিবাক আছে ॥
যেতিক্ষণ আমি আসি তোমাক দেখিলো।
তেখনে গোঁসাইৰ পূজা সমস্তে সিজিল ॥১৩॥
একান্ত ভক্তৰ সঙ্গ নপাৱয় যেবে।
পূজা আদি হৰি সেৱা আচৰিবে তেবে॥
যেবে জানা মহা ভকতৰ সঙ্গ পাই।
তেবে পূজা আদি কৰি কাতো কাৰ্য্য নাই ॥১৪॥
যেখন তোমৰা আসিবাৰ বাৰ্ত্তা পাইলো।
নমো কৃষ্ণ বুলি ফুল ঢালিয়া আসিলো ॥
কতোক্ষণ দুইজন কৃষ্ণ কথা কই।
বসিয়া আছন্ত অতি আনন্দিত হুই ॥১৫॥

পাছে দেৱ মাধৱে বিদায় কৰিলন্ত।
আজি ৰহিয়োক কণ্ঠভূষণে বোলন্ত॥
মাধৱে বোলন্ত নোৱাৰিবো ৰহিবাক।
বহুদিন ভৈল আতৈ লাগয় যাইবাক ॥১৬॥
সজ সজ বুলি কণ্ঠভূষণে আপুনি।
উঠি গৈয়া দুধ চিৰা কল চুৰা আনি॥
দুই ভাৰ সাজ তেহেঁ বান্ধিয়া দিলন্ত।
ভকতে নিবেক বুলি ভাৰিয়ো দিলন্ত ॥১৭॥
ভক্ত সমে চিৰা ৰাখা বোলন্ত যথাত।
তোৰা সব ফিৰি পুনু আসিবা এথাত॥
এহি বুলি মাধৱদেৱক পঠাইলন্ত।
দুইকো দুয়ো এৰন্তে পৰম দুঃখ পান্ত ॥১৮॥
সলোতক নয়নে মাধৱ চলি গৈলা।
মাধৱক চাহি কণ্ঠ ভূষণ ৰহিলা॥
অনন্তৰে আসি এক নদী তীৰ পাইলা।
স্নান কৰি ভক্ত সমে চিৰা কল খাইলা ॥১৯॥
পৰম হৰিষে চলি যান্ত ভক্ত সনে।
কৃষ্ণৰ চৰিত্ৰ কহি মহা ৰঙ্গ মনে॥
পাছে আসি সুন্দৰী দিয়াত ৰহিলন্ত।
কতোদিন ভক্ত সমে আনন্দে আছন্ত ॥২০॥
শুনিয়োক সাধু সভাসদ নিৰন্তৰ
গুৰুৰ চৰিত্ৰ ইটো মহা মনোহৰ॥
কলিত ভাৰতে আছে যাহাৰ প্ৰবন্ধ।
গুৰুৰ চৰিত্ৰ শুনি ছিঙ্গা কৰ্ম্ম বন্ধ॥ ২১॥

# অষ্ট পঞ্চাশৎ অধ্যায়

—সুন্দৰী দিয়ালৈ প্ৰত্যাগমন—

আত অনন্তৰে শুনা যেন ভৈল একদিনা
ছয় মাসৰো পৰা মানে।
জিজ্ঞাসা কৰিয়া আতি ছিদ্ৰ ধৰিবাক প্ৰতি
মাধৱক বিপ্ৰ একজনে ॥১॥
একদিনা ভাত বাঢ়ি আসন খন আৱতাই
হাত ভৰি ধুই বসিলন্ত।
কৰিলন্ত আচমন হেন শুনি বিপ্ৰজন
আসিয়া আগত ৰহিলন্ত ॥২॥

—শূদ্ৰৰ সিদ্ধান্ত—

ৰহতো মাধৱদাস ভাত খাইবে ন পাৱস
তই শূদ্ৰ গোঁসাইক সিদ্ধান্ত।
দিবেক নপাস সাৰ ভুঞ্জিবে নপাস আৰ
অদেয় বস্তুক ভক্ত জন ॥৩॥
ইহাৰ সিদ্ধান্ত কহ দেখি তান মহাগ্ৰহ
মাধৱে মনত হাসিলন্ত।
এখন কহওঁ যেবে নুহিবন্ত লাজ তেবে
এহি বুলি ভক্ত মাতিলন্ত ॥৪॥
আসিল ভকত যত কহিলন্ত তাসম্বাত
এহে দায় ধৰিছা আমাক।

সিদ্ধ অন্ন ঈশ্বৰক দিবে নপাই শূদ্ৰ তই
অদেয় নপাস ভুঞ্জিবাক ॥৫॥
দিয়োক সিদ্ধান্ত আৰ মুহি অন্ন এৰিবাৰ
জানিবা নিশ্চয় লাগিলেক।
শুনিয়া সবাৰো মনে সংশয় মিলিল, কেহোঁ
ন পাৰিলা উত্তৰ দিবাক ॥৬॥
পাছে কতোক্ষণে আছি পুছিলা মাধৱ দেৱে
মৃদু মৃদু কৰি ব্ৰাহ্মণক।
তোমাঠৰ দাস দাসী আছে নাই কিছু মান
নিষ্ঠ কৰি আতে কহিয়োক ॥৭॥
ব্ৰাহ্মণে বোলন্ত কেনে মুহিবেক দাস দাসী
দুই চাৰি আছয় আমাত।
মাধৱে বোলন্ত কিছু তোমাঠৈক আগে দেই
তাৰাক তোমৰা দিলে ভাত ॥৮॥
দ্বিজে বোলে তাৰা কেন আমাক দিবাক অন্ন
আমাৰ নফৰ তাৰা সবে।
শুনিয়া মাধৱে হাসি বোলন্ত আমাক কেনে
ঈশ্বৰক দিবে বোলা তেবে ॥৯॥
কায় বাক্য মনে আমি কৃষ্ণত বিক্ৰয় গৈলো
এতেকেসে কৃষ্ণৰ সেৱক।
ভক্ষ্য ভোজ্য বস্তু যত এতেকে কেমনে আৰ
দিবো আমি ঈশ্বৰ কৃষ্ণক ॥১০॥
শুনিয়া ব্ৰাহ্মণে উঠি মাধৱদেৱক পিঠি

দিয়া বোলে হোস হৰিভক্ত।
গৈল তৰ তৰ কৰি ন চাইলেক আৰ ফিৰি
দেখি ৰঙ্গ ভৈলা ভক্ত যত ॥১১॥
ভুঞ্জিলন্ত অনন্তৰে অন্নক মাধৱদেৱে
পৰম আনন্দ হুয়া মন।
ভক্ত সব গৈলা ঘৰ শুনা কথা সব নৰ
আত অনন্তৰে ভৈলা যেন ॥১২॥

—ভক্ত গুৰুৰ প্ৰভেদ—

ভৱানী পুৰৰ গোপাল আতাই
মাধৱ দেৱৰ ঠাই
আসন্তে পথত কঙ্কিলাৰ গুৰু
থানে ৰহিলন্ত যাই ॥১৩॥
মাধৱ দেৱৰ থান আউৰ দিনা
দুয়োজন চলি গৈলা।
এক চড়া ভাল মালভোগ কল
কঙ্কিলা গুৰুৱে লৈলা ॥১৪॥
কথা মাতে আতি হৰষিত মতি
দুয়োজন চলি যান্ত।
কতো দূৰ যান্তে চাৰিজন ভক্তে
আসিয়া লাগ পাইলন্ত ॥১৫॥
দেখি দুয়োজন হৰষিত মন
বাৰ্ত্তা কথা পুছিলন্ত।

আগে তাসম্বাৰ কথা আপোনাৰ
চাৰি ভক্তে কহিলন্ত ॥১৬॥
কৈক যাহা বুলি পুছিলন্ত পুনু
তাৰা দুই তাসম্বাত।
মাধৱদেৱক দেখিবাক যাওঁ
চাৰিয়ো কৈলা তাহাত ॥১৭॥
পাছে পুছিলন্ত কৈত ৰহিলাহা
তাৰা বোলে এক ঠাই।
ৰহিছিলো কালি উপবাসে শুতি
বঞ্চিলোহোঁ এক ঠাই ॥১৮॥
আজি তাৰ ভোখে লৰিবে নপাৰি
কিছু লগে আছে নাই।
কম্বিলাৰ গুৰু বুলিলন্ত বাপু
গোপাল আতৈক চাই ॥১৯॥
মোৰ লগে কিছু নাহি হেন শুনি
বোলন্ত গোপাল আতাই।
পোষা দুই মান মাত্ৰ চাউল আছে
কিসক ইটো কুলাই ॥২০॥
গণ্ডা পাঞ্চ কল দিয়া আক সমে
স্নান কৰি ভুঞ্জিবেক।
কম্বিলাৰ গুৰু বুলিলন্ত বাপু
ই কল দিবো কিসক ॥২১॥
আতাক লাগিয়া আনি আছোঁ আক

কমনে দিবো আনক।
গোপালে বোলন্ত তৈকে নিলে কল
আতায়ো দিবে ভক্তক ॥২২॥
এতেকে ভক্তক দিয়া কল তুমি
নাই তাত কিছু দোষ।
ভক্ত দুঃখ পাৱে কল দিলে বোপা
আতাৰো হৈবে সন্তোষ ॥২৩॥
গুৰুৱে নে দেন্ত গোপালে বোলন্ত
দিয়ো কল ভকতক।
গোপাল আতৈৰ বচনে ভক্তক
গুৰুৱে দিলা কলক ॥২৪॥
মাধবদেৱৰ থানক সবেয়ো
পৰম আনন্দে গৈলা।
আঢ়া ভৈল বুলি কঙ্কিলাৰ গুৰু
আৰ কৰি কল থৈলা ॥২৫॥
আউৰ দিন দেৱ— —মাধৱে প্ৰভাতে
কঙ্কিলা গুৰুক আনি।
এক চৰ কল আনি কি কৰিলা
হাসি বুলিলন্ত বাণী ॥২৬॥
ঈশ্বৰে বোলন্ত ৰাৰ গুটি কল
মোক মাত্ৰ তাৰা দিলা।
আৰ নেদিলেক শুনিয়া এতেক
গুৰুৱে পাছে কহিলা ॥২৭॥

গোপাল আতাই বাৰ গুটি কল
দিয়াইলন্ত ভকতক ।
আঢ়া ভৈল বুলি তোমাঠেক নিদি
থৈয়াছো কল চৰক ॥২৮॥
মাধৱে বোলন্ত ভাল কৰিলন্ত
দিলন্ত কল ভক্তক ।
ভকতে ভোখত দুঃখ পাইলে ঐক
আনিলা কল কিসক ॥২৯॥
যিমান আছয় তাকে আনি দিয়া
সিটো আঢ়া নুহিকয় ।
ভকতক দিলে হৰিৰ সন্তোষ
জানিবা আক নিশ্চয় ॥৩০॥
শুনি হেন বাণী গুৰু কল আনি
দিলা মাধৱৰ আগে ।
ভকত সকল সমে পাছে কল
ভুঞ্জিলন্ত অনুৰাগে ॥৩১॥
ভক্তৰ সন্তোষে হৰিয়ো সন্তোষ
জানা আক সাধু নৰ ।
ভক্ত তুষ্ট কৰা ভৱ নদী তৰা
মাধৱ বুলি শঙ্কৰ ॥৩২॥

———

# উনষষ্ঠি অধ্যায়

—ধৰ্ম্মপ্ৰচাৰ—

আত অনন্তৰে ক্ষেত্ৰি বিলাইতৰ লোক।
অনেক দিনৰ পৰা মাধৱ সেৱক॥
কৰি কাৰো কাকুতি ক্ষেত্ৰিক লাগি নিল।
চৰাৰ বৰিত দেৱ মাধৱ ৰহিল ॥১॥

—ক্ষেত্ৰি বিলাইত—

দিন দুই মান তৈত আনন্দে আছন্ত।
সবাকো হৰিষ কৰাই কৃষ্ণ-কথা কন্ত॥
বিদ্যাধৰ গণক আৰৱ কতোজনে।
শুনিলন্ত তাৰা লোকে ভজাৱে আপোনে।২॥
আউৰ দিনা আইল লোক মাধৱৰ ঠাই।
খঙ্গিয়া মাধৱদেৱে বুলিলা শুনাই॥
পূৰ্ব্বে নৰনাৰায়ণ ৰাজাত দেখিল।
বাৰ হাজাৰি লোক শাস্ত্ৰক শুনিলা ॥৩॥
বাৰ জনে হৰিনাম মহিমা জানয়।
বাৰ ৰাশি জ্যোতিষৰ শাস্ত্ৰত কহয়॥
বাৰ স্কন্ধ ভাগৱত কহে সাৰোত্তৰ।
বাৰ মাসে তাঙ্ক দেখা হয় বৎসৰৰ ॥৪॥
বাৰ মাজিৰ খেল বৰপেটা থানে।

আৰে বাৰ গুৰুৱা দেখাইল ক্ষত্ৰিয়ানে ॥
আনো নানা এমনে বুলিলা ক্ৰোধপৰে।
নথাকোঁ ইঠাই আমি আসা যাওঁ ঘৰে ॥৫॥
শুনি কিছু মাত বোল নাহিকে লোকৰ।
মাধৱত বুলিলন্ত কৰিয়া কাতৰ ॥
ক্ষমিয়োক বাপ আমি কৰিলোহোঁ দোষ।
শুনিয়া মাধৱদেৱ ভৈলন্ত সন্তোষ ॥৬॥
দিন তিনি চাৰি মান তৈতে আছি ৰহি।
তাসম্বাক কৃপায়ে শাস্ত্ৰৰ কথা কহি ॥
শঙ্কা দূৰ কৰিলন্ত সবাৰো মনৰ।
মিলিল সন্তোষ জানা সমস্ত লোকৰ ॥৭॥
গুৰু মানি মাধৱদেৱক লোক যত।
শৈলেক শৰণ সবে কৃষ্ণ চৰণত ॥
সবাকো সম্বোধি ভক্ত সহিতে চলিলা।
তৈৰ পৰা গৈয়া জাবেৰি কুঞ্চিত ৰহিলা ॥৮॥

## —জাবেৰি কুঁচিত—

বেলা দণ্ড ছয় আছে মাধৱে দেখিয়া।
বোলন্ত ব্যৰ্থসে সবে আছিয় বসিয়া ॥
কাত আছে পুথি পঢ়া সবে বোলে নাই।
কোচেক মুৰাৰী বোলে আছে মোৰ ঠাই ॥৯॥
পুনু পুছিলন্ত তাত কিবা পুথি বুলি।
সিয়ো কহিলন্ত বোলে আছে ৰত্নাৱলী ॥

বোলা পুথি পঢ়া ৰামচৰণ মাধৱে।
শুনি পঢ়িবাক তেবে লাগিলা উৎসৱে ॥১০॥

—অশুদ্ধ পুথি—

লাঠিকাটা 'জ' দিবে লাগয় যথাত।
পুখুৰীয়া "য" দি আছন্ত তথাত ॥
পুখুৰীয়া লাগে যথা লাঠিকাটা তাত।
বৰ 'ও' দিলে 'ঞ' লাগে জানা যাত ॥১১॥
'ইয়' দিলে 'উৱ' যত লাগয় দিবাক।
'ৱ'ৰ ঠাইত বৰ 'ও' যে দিলেক ॥
যেন মতে লিখি আছে তেমনে পঢ়ন্ত।
কি পঢ়স বুলি খঙ্গি মাধৱে মাতন্ত ॥১২॥
তেহেঁ বুলিলন্ত যি আছে পঢ়ো তাকে।
পুনৰপি বোলা চাওঁ আছে নিকি আকে ॥
তেহেঁ বোলা এই আছে মাধৱে বোলন্ত।
চাহিয়ো অচ্যুত গুৰু, অচ্যুতে চাহন্ত ॥১৩॥
অচ্যুতে বোলন্ত আত দুই এহি আছে।
কোনে লিখি দিল বুলি পুছিলন্ত পাছে ॥
কহিল মুৰাৰী মই লেখিলোঁ আপুনি।
খঙ্গিলা মাধৱদেৱে হেন কথা শুনি ॥১৪॥
হায়ৰে পাপীৰ পাপী কি তই কৰিলি।
ক ফলাক পঢ়িয়া তই লিখ ৰত্নাৱলী ॥
পূৰ্ব্বত ৰাক্ষস তই আছিলি পাপিষ্ঠ।

বেদ লুপ্ত কৰি ধৰ্ম্ম কৰিলি বিনষ্ট ॥১৫॥
এখনো মনুষ্য হুয়া ধৰ্ম্মক হৰস ।
কত শ্ৰমে কৰি আছোঁ তাক ন জানস ॥
দূৰ গুছ পাপিষ্ঠ বোলন্ত বাৰম্বাৰ ।
পুনৰপি মুখ যেন নেদেখোঁ ইহাৰ ॥১৬॥
মদাহী কোঁচ তই শিখিলি পঢ়িবে ।
পঢ়িবাক লাগি তোক পুথি লাগে যেবে ॥
জানন্তাৰ হাতে লেখাও বেচ খানি দিয়া ।
মুছি জানন্তাৰ পুথি আনিবি কিনিয়া ॥১৭॥

**—ভৱানীপুৰ কালজাৰত—**

এহি বুলি সিটো দিন তথাতে ৰহিলা ।
অপমান পায়া কোচ মুৰাৰী গুছিলা ॥
তৈৰ পৰা সুন্দৰীত আসিয়া আছন্ত ।
কতোদিন পাছে ভৱানীপুৰক গৈলন্ত ॥১৮॥
দিন আঠ দশ মান তৈতে আছিলন্ত ।
পাছে কালজাৰত আসিয়া ৰহিলন্ত ॥
আউৰ দিন প্ৰভাতে পঢ়িক দিবে প্ৰতি ।
বোলা মনপুৰক (১) দিয়োক টকা ছুটি ॥১৯॥
মনপুৰে বোলে টকা নাহিকে লগত ।
কৈতবা এৰিলো কিম্বা ৰহিল ঘৰত ॥
মাধৱে বোলন্ত তাৰ লগে সোণ আছে ।
নপাইলিয়ো মোত প্ৰায়শ্চিত্ত লাগি আছে ॥২০॥

---

মনপুৰ—ভৱানীপুৰুয়া গোপালদেৱৰ মোমায়েক ।

—সুন্দৰীদিয়ালৈ—

ঐত আৰ স্নান নকৰওঁ বুলিলন্ত।
এহি বুলি সুন্দৰী দিয়াক আসিলন্ত ॥
সুন্দৰীক আসি সবে ভকত পুছিলা
নপাওঁ আমি আতা ভক্ত সমস্তে কহিলা ॥২১॥

—সোণৰ কড়িয়া—

পাছে বোলা ৰামচৰণক মাতি আন।
নাহিকন্ত তেহেঁ গৈছা বৰপেটা থান ॥
মাধৱে বোলন্ত ৰামচৰণ আসিলে।
একথিত ছুই তেবে তাহাত পুছিলে ॥২২॥
ৰামচৰণে যদি নপাওঁ বোলয়।
তেবে প্ৰায়শ্চিত্ত মোৰ হৈবাক লাগয় ॥
এহি বুলি মাধৱ অস্নানে ৰহিলন্ত।
ভাটি বেলা ভৈলে ৰামচৰণ আসিলন্ত ॥২৩॥
বাৰ্ত্তা পাই মাধৱে মাতিয়া আনিলন্ত।
পাই আছ কড়িয়াখানি বুলি পুছিলন্ত ॥
তেহো সেহি আখাৰে বোলন্ত আছো পাই।
বুলিল মাধৱদেৱে তান মুখ চাই ॥২৪॥
সাধু সাধু সাধু আমাৰ ভাগিন নাম ভৈলা
মিছা ন মাতিলা তিনি তত্ত্ব ৰক্ষা গৈলা ॥
পৰিহাসো নপাওঁ বুলিলি হন্তে যেবে।
প্ৰায়শ্চিত্ত তোত লাগিলেক হন্তে তেবে ॥২৫॥

## —সোণ হেৰোৱাৰ প্ৰায়শ্চিত্ত—

তাতে এক কথা কহিলন্ত পুৰাতন।
চতালত বসি আছে বিপ্ৰ একজন॥
হাতৰ আঙ্গঠি খহাই পিৰাত থৈলন্ত।
গাৱে তৈল ঘহি স্নান কৰিবে গৈলন্ত॥২৬॥
স্নান কৰি গায়ত্ৰীক পঢ়িবাক চান্ত।
সোণৰ আঙ্গঠি হাতে নাহি দেখিলন্ত॥
পুনু আসি পিৰাত নেদেখি পুছিলন্ত।
ব্ৰাহ্মণত ব্ৰাহ্মণী নপাওঁ বুলিলন্ত॥২৭॥
শুনিয়া ব্ৰাহ্মণী মৌন কৰি ৰহিলন্ত।
আলা অন্ন খাইবাক ব্ৰাহ্মণী মাতিলন্ত॥
ব্ৰাহ্মণ বোলয় হইবে লাগে প্ৰায়শ্চিত্ত।
সোণৰ আঙঠি হৰাই আছয় নিশ্চিত॥২৮॥
ব্ৰাহ্মণী বোলন্ত তাকো বিচাৰিবো পাছে।
খায়ো আসি ভাত ভালে খানি হুই আছে॥
ব্ৰাহ্মণে বোলয় তই কি বোল বুলিলি।
সুবৰ্ণক পাই পৰিহাসক কৰিলি॥২৯॥
আজি অহোৰাত্ৰ উপবাসে যে ৰহিবি।
কালি এক চান্দ্ৰায়ণ প্ৰায়শ্চিত্ত হইবি॥
পৰিহাসে যদি আৰ সুবৰ্ণ হৰয়।
তথাপিতো প্ৰায়শ্চিত্ত হুইবাক লাগয়॥৩০॥
এহি কহি মাধৱে যে ৰামচৰণক।
সাধু সাধু বুলি কৈলা প্ৰশংসা অনেক॥

তেবে স্নান কৰি অন্ন ভোজন কৰিলা ।
নমস্কাৰ কৰি ৰামচৰণ ৰহিলা ॥৩১॥

---

# ষষ্ঠি অধ্যায়

—উদাসীন আৰু গৃহী ভকত—

শুনা সাধু জন আত অনন্তৰে তথা ।
এক কালে মাধৱ দেবৰ যেন কথা ॥
দুই পৰ সময়ে ভোজন কৰিলন্ত
আসি কঠ খানে বসি গুৱা পান খান্ত ॥১॥
তৈতে বসি আছন্ত ঠাকুৰ নাৰায়ণ ।
মাধৱদেৱৰ সঙ্গে হৰষিত মন ॥
আনো ভক্ত সব বসি তথাত আছন্ত ।
ফোকাৰ তেজিয়া দেৱ মাধৱে বোলন্ত ॥২॥

—ভাত ৰন্ধাত কষ্ট—

ভাত দুটি ৰান্ধনো আমাৰ বৰ দুঃখ ।
গ্ৰীষ্ম কালে ৰৌদ্ৰে অগ্নি সমস্তে অসুখ ॥
মাধৱৰ বাণী শুনি ঠাকুৰ নাৰায়ণ ।
বোলা ৰামচৰণে ৰান্ধোক তযু অন্ন ॥৩॥
স্থিৰ গম্ভীৰ সুচৰিত আতিশয় ।
মহাশুদ্ধ ছৱালি যেহেন জলাশয় ॥

মাধৱে বোলন্ত বোলা উদাসীন হোক।
যদি ৰাম চৰণে ৰান্ধিয়া দিব মোক ॥৪॥

**—উদাসীন হোৱাত ৰামচৰণৰ আপত্তি—**

শুনি ৰামচৰণক বোলে নাৰায়ণ।
উদাসীন হুয়া ৰান্ধা ঠাকুৰৰ অন্ন ॥
শুনি ৰাম চৰণে বোলন্ত ন পাৰিবো।
সুহিকো ৰান্ধিবে যোগ্য অন্য সেৱা কৰিবো ॥৫॥
নাৰায়ণ ঠাকুৰে বোলা দুঃখ পাৱনিকি।
গৃহ বাসে থাকি সুখাধিক পাইবা কি ॥
তথাপি বোলন্ত ন পাৰিবো ৰান্ধিবাক।
কৈলা নাৰায়ণে মাধৱৰ আগে আক ॥৬॥
শুনি দেৱ মাধৱে বোলন্ত বোলা সবে।
ৰামচৰণে বান্ধোক কি বোলা দেখা আবে ॥
গৃহ বাস এৰিবে ভাৰসা ন কৰিল।
এতেকে ন জানি অন্ন যিমান ৰান্ধিল ॥৭॥
আৰো বাৰ বোলা ঘৰ দুৱাৰ এৰোক।
মোহোৰ লগত সিটো উদাসীন হৌক ॥
শুনি নাৰায়ণে পৈয়া বুলিলন্ত তাঙ্ক।
বোলা ৰামচৰণে নোৱাৰো মই আক ॥৮॥
গৃহ বাস এৰিবাক ন পাৰিবো মনে।
এহি মতে বোলাবুলি মাস দিন মানে ॥
দক্ষিণ কুলীয়া বিষ্ণু আতৈ বুলিলন্ত।

ভৱানীপুৰৰ গোপাল আতৈয়ো বোলন্ত ॥৯॥
আনো যত ভক্ত মানে সবে বোলে মাতি।
এহি মতে দুই মাসো বোলৱন্ত আতি ॥
তভো উদাসীন হৈবো বোল নু বুলিল।
ভাত ৰান্ধিবাক প্ৰতি সাহ ন কৰিল ॥১০॥
মাধৱ দেৱত সবে ভকতে কহিলা।
এতেক শুনিয়া দেৱ মাধৱে বুলিলা ॥
সবে বোল ভাত ৰামচৰণে ৰান্ধোক।
তোৰা জানা সিটো ভাত ৰান্ধি দিবে মোক ॥১১॥

**গৃহী ৰান্ধনীত আপত্তি—**

না লাগে ৰান্ধিবে তাৰ হৈবে উদাসীন।
আপুনি ৰান্ধিবে পাৰো মানে যতদিন ॥
যেখন নপাৰোঁ তেবে জানো কিবা কৰোঁ।
ন লাগে ৰান্ধিব কিবা হঠাতে যে মৰোঁ ॥১২॥
এহি বুলি তথা দেৱ মাধৱ ৰহিলা।
নেদিলা ৰান্ধিবে অন্ন সবহি জানিলা ॥
দিনা চাৰি পাঞ্চ মান আনন্দে আছন্ত।
ভাটি বেলা সমস্ত ভক্তক মাতিলন্ত ॥১৩॥

**—মত পৰিবৰ্ত্তন—**

দুই টকা আপোনাৰ আনিয়া দিলন্ত।
জানা ৰামচৰণে সে দেই বুলিলান্ত ॥
সমস্ত ভক্তক দিলা চাউল ভোজনি ;

এতিক্ষণে চাউল মাছ লোণ তেল কিনি ॥১৪॥
গোধূলি সমস্ত ভক্তে কৰিবা ভোজন ।
এবে ৰামচৰণে ৰান্ধোক মোৰ অন্ন ॥
এহি মতে তাঙ্ক অন্ন ৰান্ধিবাক দিলা ।
শুনি সমস্তৰে মনে বিস্ময় মিলিলা ॥১৫॥
এত দিন কেন বোল বুলি আছিলন্ত ।
নুবুজিলো আজি আমি কেন কৰিলন্ত ।
নাৰায়ণ ঠাকুৰে পুছিলন্ত অনন্তৰে ।
আজি কেন কৰিলন্ত কহিয়ো সত্বৰে ॥১৬॥

—উদাসীন আৰু গৃহীৰ প্ৰভেদ—

সবে দিন বোলা উদাসীন হুই যেবে ।
ৰামচৰণৰ হাতে অন্ন খাইবো তেবে ॥
কেন আছি আজি কেন ভৈলেক দেখিলো ।
কহিয়ো বুজাই আমি কিছু নুবুজিলো ॥১৭॥
বোলন্ত মাধৱদেবে শুনিয়োক সখি ।
যি বুলিলো ৰামচৰণৰ চিত্ত লখি ॥
গৃহবাস এৰোঁ বুলিলেক হন্তে যেবে ।
লগতো থাকিব নেদিলোহোঁ হন্তে তেবে ॥১৮॥
যাতো ইটো গৃহবাস এৰোঁ নু বুলিল ।
শুদ্ধ চিত্ত জানি অন্ন ৰান্ধিবাক দিল ॥
গৃহবাসে কিবা ভক্তি কৰিবে বাধয় ।
গৃহে থাকি ভকতি কৰিবে শুভানয় ॥১৯॥

**—অবিৰক্ত উদাসীন শূকৰ প্ৰায়—**

এৰে গৃহবাস নতু হোৱয়ে তৃপিতি।
পাছত ধৰয় সিটো শূকৰৰ বৃত্তি॥
হেন শুনি পুছিলন্ত নাৰায়ণ ঠাকুৰে।
কোন শূকৰৰ বৃত্তি কহিয়ো সত্বৰে॥২০॥
যেন আপোনাৰ বিষ্ঠা শূকৰে এৰয়।
পৰৰ বিষ্ঠাক পাছে ভোজন কৰয়।
সেহি বেলা এক কথা লগাই আপোনাতে;
দৃষ্টান্ত দেখায়া কন্ত ভকত সবাতে॥২১॥

**—ভূলিঙ্গ পক্ষীৰ দৃষ্টান্ত— (১)**

এক পক্ষী ভূলিঙ্গ মাসেসে ৰাৱ ডাকে।
আন পক্ষী সমস্তকে দেখ সিটো হাকে॥
মই যেন ৰাৱ কৰোঁ আনে ন কৰিবা।
এহু সাহ কৰা যদি পৰাণে মৰিবা॥২২॥
সিংহে অৰণ্যত সব পশু মাৰি খাই।
আগ ৰোদে থাকে পৰি দান্ত নিকটাই॥
দান্তৰ মাজত মাংস সব সোমাই থাকে।
সোতা সোতে ঠোঠে সিটো কাঢ়ি খাই তাকে॥২৩॥

**—গৃহাশ্ৰম এৰিবলৈ বাধা—**

তোৰা সবে যদি হৰি ভকতি কৰিবা।
তেবে গৃহবাস পুনু কেহোঁ না ছাৰিবা॥

---

(১) মহাভাৰত, উদ্যোগপৰ্ব্ব, ৰাজসূয়।

আমাৰ দেখিয়া গৃহবাস নাহিকায়।
ইটো সাহ নকৰিবা তোৰা সমস্তয় ॥২৪॥
কহিলো দৃষ্টান্ত আকে ভূলিঙ্গ পক্ষীৰ।
গৃহবাসে থাকি কৰা ভকতি হৰিৰ ॥
আৰু এক দৃষ্টান্ত শুনিয়ো সাধু যত।
অপ্ৰয়াসে যুজে থাকি গড় ভিতৰত ॥২৫॥

গড়ৰ যুজাৰু—

গড় বাজ ভৈলে যুদ্ধে প্ৰাণৰ সংশয়।
এতেকে গৃহক এৰিবাক যোগ্য নয় ॥
এহি কহি মাধৱ ৰহিলা হৰষিতে।
শুনি আনন্দিত ভৈল সমস্ত ভকতে ॥২৬॥
ৰামচৰণক যথাযোগ্য সাদৰিল।
উঠি ৰামচৰণে মাধৱক প্ৰণামিল ॥
বুলিলা বিনয় বাক্য ভকত সবাক।
সেহি হন্তে মাধৱৰ বান্ধন্ত অন্নক ॥২৭॥
যদি গৃহবাস এৰিবাক অশকত।
কিন্তু আক ন কৰিবা তথাপি মনত ॥
বিনাশি জানিয়া মনে তেজিবা বিশ্বাস।
শঙ্কৰ মাধৱ বুলি ছিঙ্গা ভৱ পাশ ॥২৮॥

---

# একষষ্টি অধ্যায়

—শিষ্য পৰীক্ষা—

গোমাৰ গোবিন্দ নাম আছিলন্ত একজন
তেহেঁ দেৱ মাধৱ-সেৱক।

তিনি খান নাৱ ভৰা দিয়া লোক সমন্বিতে
আসিলা দেখিবে মাধৱক ॥১॥
দিনা পাঞ্চ মান তাঙ্ক ন মাতন্ত বৰ তাঙ্ক
ন চান্ত মাধৱে খঙ্গে জানি।
তাৰ হাত এৰাইবাক ন পাৰি কৰিলা আগ
নাৰাণ ঠাকূৰে পাছে আনি ॥২॥

**—শিষ্য এজন মাথোন—**

খঙ্গিয়া মাধৱে বোলা অন্যায় কৰস তই
নাম কহ শিষ্য মাধৱৰ।
কৈসানিৰ শিষ্য তই কেনে তোৰ গুৰু মই
যত গুটি দেখস লগৰ ॥৩॥
নুহি কেহোঁ শিষ্য মোৰ সমস্তে জানিবা সঙ্গী
আছে শিষ্য এগুটি আমাৰ।
নাম তাৰ ৰামচৰণ সম্বন্ধে ভাগিন জানা
সেহি মাত্ৰ শিষ্য মোৰ সাৰ ॥৪॥

**—অন্যায়কাৰী শিষ্য—**

অনাচাৰ কৰ তই অপযশ পাওঁ মই
তোৰ মোৰ দেখাদেখি নাই।
লোকে বোলে সিটো জন আৰ যিটো গুৰুজন
মাধৱো জানিবা সেহি প্ৰায় ॥৫॥
এতেকতে তই আৰ গুৰু নু বুলিবি মোক
শুনি সিটো বোলয় বচন।

তোমাঠৈৰ বিনে গুৰু আনক বোলওঁ যেবে
তেবে মই জানা বেশ্যা যেন ॥৬॥
ই ভৰ্ত্তাক এৰিবেক আউৰ পুনু ভজিবেক
মই পুনু নুহিকো সিমত।
কায়বাক্য মনে সাৰ তোমাঠৈৰ পৰে আৰ
গুৰু পদে ন ঘটে আনত ॥৭॥

এতেকে তোমাক গুৰু মানি আছো সাৰত্তৰ
কায় বাক্য মনে এক মতি।
দোষ দেখা শিখাইবা মাৰিবা পাৰিবা গালি
এৰিবাক নোপোৱা সম্প্ৰতি ॥৮॥

তাৰ বাণী শুনি বৰ মাধৱদেৱৰ থঙ্গ
কণ্ঠ তেজে হেন উফৰন্ত।
ৰাজাৰ শৰণ তই মোক গুৰু বোল যদি
এহি বুলি শৰণ দিলন্ত ॥৯॥

সিও শুনি বোলে ৰাজা শৰণ আনক গুৰু
বোলো মই কৰিলো নিশ্চয়।
শুনিয়া মাধৱদেৱে অল্প কৰি হাসিলন্ত
ভৈল মন কিঞ্চিত সদয় ॥১০॥

তাৰ মন ডাঠ জানি পুনু বুলিলন্ত বাণী
যেই লাগে বোলা নেদোঁ হাক।
কিন্তু তই অনাচাৰ ন কৰিবি জানা আৰ
এহি বুলি প্ৰবোধিলা তাক ॥১১॥

—শিষ্যৰ পাপে গুৰুক ছোৱে—

শিষ্য বোলাই ফুৰ মোৰ অনাচাৰ কৰ ঘোৰ
তোৰ অপযশে মোক পাৱে।
মোক গুৰু বোল যেবে অনাচাৰ আৰ তেবে
ন কৰিবি বুলিলা মাধৱে ॥১২॥
দিলন্ত বিদায় তাঙ্ক সিয়ো নিজ থানে গৈলা
পাছে ৰামচৰণ আসিলি।
কহিলা মাধৱে কথা শিষ্য বুলিলন্ত যথা
শুনি তেহেঁ কৰি কৃতাঞ্জলি ॥১৩॥
বোলন্ত বিনয় ভাৱে মই যোগ্য নোহো আৰ
কৃপা গুণে তোমৰা বুলিলা।
বোলন্ত মাধৱে শিষ্য দায় দিলো তোক মই
তাই লাগি গুৰু নু বুলিলা ॥১৪॥

# দ্বিষষ্টি অধ্যায়

—অম্বুৰাৰি ভট্টাচাৰ্য্যৰ বৃত্তান্ত—

এহি মানে ইটো কথা ৰহোক শুনিয়ো তথা
যেন ভৈল আত অনন্তৰ।
বাৰাণসী হন্তে পঢ়ি আসিলন্ত অম্বুৰাৰি
ভট্টাচাৰ্য্য নামে দ্বিজবৰ ॥১॥

নৰসিকিয়াৰো পো ৰামক বুলিলা তেহেঁ
উত্তম শ্ৰৱণী এক জন।
পাইবো তান আগে গীতা, ভাগৱত, সহস্ৰ নাম
তিনি শাস্ত্ৰ পঢ়িবাক মন ॥২॥

**—মাধৱদেৱৰ লগত শাস্ত্ৰালাপ—**

আৰো শুনো মাধৱৰ পণ্ডিত গুণক বৰ
তান লগে আলাপ কৰিত।
বহুদিন ধৰি চিত্ত আছে জানা মজি তাঙ্ক
আনি দিয়ো কৰা মোৰ হিত ॥৩॥
শুনি ৰামে আসি পাছে মাধৱদেৱত কৈলা
শুনিয়া মাধৱে হাসিলন্ত।
ন যাও বুলিল আগে নাৰায়ণ ঠাকুৰ বাক্য
শুনি পাছে কৌতূকে গৈলন্ত ॥৪॥
দেখি তেহেঁ সাদৰিলা বসিবে দলিছা দিলা
ন বসি কঠত বসিলন্ত।
অসুৰাৰি ভট্টাচাৰ্য্যে কোন দেশে জন্ম তযু
বুলিয়া সাদৰে পুছিলন্ত ॥৫॥
কহিলা মাধৱদেৱে আপোনাৰ জন্মস্থান
আৰো যিবা যিবা পুছিলন্ত।
কহিলা সমস্ত কথা শুনি ভট্টাচাৰ্য্য তথা
মাধৱদেৱক বুলিলন্ত ॥৬॥
শুনিয়ো মাধৱ তোৰা এখানি অকাৰ্য্য কৰা
ভেদ কৰি কোৰো হৰি হৰ।

যেন মতে ভেদ হুই নানা শাস্ত্ৰ মত কই
দিলা তাৰ মাধৱে উত্তৰ ॥৭॥
শুনি মাধৱৰ কথা ভট্টাচাৰ্য্য পৰি তথা
আছা মাধৱৰ মুখ চাই।
মনত বোলন্ত কি পণ্ডিত মাধৱ আঙ্ক
সমতো পণ্ডিত আন নাই ॥৮॥

**—ব্ৰহ্ম পৰমব্ৰহ্ম ভেদবাদ—**

হৰি হৰ ভেদ এৰি পূৰ্ণৰ বিচাৰ ধৰি
পুছিলন্ত মাধৱত কথা।
দৈৱকী নন্দন পূৰ্ণ কহিলা মাধৱদেৱে
শুনি তেহেঁ বোলন্ত ইটো নুই।
পৰ ব্ৰহ্ম ভগৱন্ত নিৰাকাৰ ব্ৰহ্ম মাত্ৰ
এহি অন্যাঅন্যি কৰা তুই ॥১০॥

**—মুগ্ধ ভট্টাচাৰ্য্য—**

পাছে ভট্টাচাৰ্য্যে শুনি মাধৱদেৱৰ কথা
জলখল ভৈলা সমুদাই।
আনন্দত আতিশয় আঙ্কোৱালি মহাশয়
মাধৱক ধৰিলা নিশ্চয় ॥১১॥
বোলন্ত মাধৱ বাপু তুমি যিটো কোৱা ইটো
জানা সত্য হুই স্বৰূপত।
তুমি কোৱা ধৰ্ম্ম ইটো আমিয়ো ন জানো সিটো
আক সম নাই সংসাৰত ॥১২॥
কন্ত আমি মাংসাসী অনৰ্থ বস্তুত আশা
কৰি নষ্ট ভৈলো সমুদাই।

বিচাৰ কৰিয়া যেবে নিষ্ঠ কৰি কহোঁ তেবে
আমাৰ জাতিৰো থিত নাই ॥১৩॥
পৰম পতিত আমি আমাক অন্যত্ৰ ধৰ্ম্মে
পবিত্ৰ কৰিতে ন পাৰয় ।
তুমি যিটো ধৰ্ম্ম কোৱা পতিতৰো গতি জানা
এহি ধৰ্ম্ম মাধৱ নিশ্চয় ॥১৪॥
এহি বুলি ভট্টাচাৰ্য্য মাধৱক সাদৰিয়া
গৃহক লাগিয়া পঠাই দিলা ।
মনত বিস্ময় হুই মাধৱ মনুষ্য নুই
এহি বুলি আনন্দে ৰহিলা ॥১৫॥
বিজয় পুৰক যান্তে আসন্তে বুঢ়ী লোহিতৰ
ঘাটে বৈয়া সুন্দৰী দিয়াৰ ।
মাধৱ সহিতে যাই হুয়া পাছে এক ঠাই
নানা শাস্ত্ৰ কৰন্ত বিচাৰ ॥১৬॥
থাকন্ত আনন্দে আতি প্ৰভাতে জাগিয়া ৰাত্ৰি
চলি যান্ত মহাৰঙ্গ মনে ।
শুনা সভাসদ লোক নিন্দা নকৰিবা মোক
জানা মই মুৰ্খ সৰ্ব্বজনে ॥১৭॥
কবিত্ব গুণক নাই ন কৰিলো পদ মই
কিন্তু বাক্য পালি মহন্তৰ ।
দুয়ো মহা পুৰুষৰ কথাৰ কৰিলো পদ
জানি বোলা মাধৱ শঙ্কৰ ॥১৮॥

# ত্ৰিষষ্টি অধ্যায়

—কামাখ্যা আৰু হাজোত—

বিজয়পুৰৰ পৰা আসি এক বেলা।
অম্বুবাৰি ভট্টাচাৰ্য্য সুন্দৰীত বৈলা ॥
মাধৱদেৱক বুলিলন্ত বিদ্যমান।
যায়ো বাপু তুমি হাজো নীলাচল থান ॥১॥

—নীলাচল যাত্ৰা—

আত কিবা দোষ কহিয়োক তুমি সাৰ।
তেবে জানা দুৰ্জ্জনৰ মুখে পৰে চাৰ।
কহয় মাধৱে ব্ৰাহ্মণক ন মানয়।
দেৱীক নমানে তুলসীক নিপিন্ধয় ॥২॥
তুমি নীলাচল গৈলে তযু কিছু নাই।
তাৰাকেসে পবিত্ৰ কৰিবা তুমি যাই ॥
কিন্তু দুষ্ট সব তেবে হৈব শান্ত মন।
মোৰো যাইবে লাগৈ জানা নীলাচল থান ॥৩॥
বুঢ়া পূজা পুজিবে ৰাজাই বুলিছয়।
এহি সময়ত তুমি গৈলে ভাল হয় ॥
শুনি দেৱ মাধৱে বোলে ভাল যাইবো।
তোমৰা বোলন্ত যিটো তাহাক কৰিবো ॥৪॥
অনন্তৰে ভট্টাচাৰ্য্য গৈলা নীলাচল।
পূজাইলন্ত বুঢ়া পুজা কৰি কৌতূহল ॥
কয়দিন মানে পাছে মাধৱ গৈলন্ত।
নাৱে যাই লৌহিত্যৰ বালিত ৰৈলন্ত ॥৫॥

## —তুলসী মালাৰ মাহাত্ম্য—

একদিনা উঠিলন্ত নীলাচল গই ।
তুলসীৰ খান চাৰি পাঞ্চ মালা লই ॥
দেখি নীলকণ্ঠ নামে ব্ৰাহ্মণ জনেক ।
মাধৱ দেৱক নিন্দা কৰিলা অনেক ॥৬॥
ভাল মন্দ মাধৱে একোৱে নুবুলিলা ।
কতোক্ষণ মান শুনি ন মাতি আছিলা ॥
তুলসীৰ মালাৰ ধৰিলা দোষ পাছে ।
বোলা ইটো মালাত কমন ফল আছে ॥৭॥
মালতীৰ মালাৰ নানান ফল কৈল ।
শুনিয়া মাধৱদেৱে বুলিবাক লৈল ॥
ন মাতিবে দেখি তুমি বৰ লাই পাইলা ।
শুনিয়া আছিলো যত লাগয় বুলিল ॥৮॥
ফল খুজিবাক আসি আছো তয়ু ঠাই ।
মালতী মালাৰ গুণ কোৱা পট্‌পটাই ॥
তুলসীৰ মালাৰ ফলক বিচাৰাহাঁ ।
কোঁৱা তুমি তুলসীৰ কি গুণ জানাহাঁ ॥৯॥
এহি বুলি নানান পুৰাণ শ্লোক তুলি ।
দেখাইলন্ত তুলসীৰ মহিমা সমূলি ॥
শ্লোক পঢ়িবাৰ দেখি মাধৱদেৱৰ ।
মনে মহা বিস্ময় মিলিল ব্ৰাহ্মণৰ ॥১০॥
পাছে নীলকণ্ঠক বুলিলা বৰদেউৰী ।
মাধৱক কিয় তুমি কোঁৱা এহু কৰি ।

আসি আছা তেহেঁ ভগৱন্তী দেখিবাক।
আদৰিবে আমাৰ লাগয় জানা তাক ॥১১॥

—দেৱী দৰ্শনত আপত্তি—

এহি বুলি বৰদেউৰী মাধৱক চাই।
বোলন্ত মাধৱ দেৱী দেখিয়োক যাই ॥
মাধৱে বোলন্ত ইটো কোন ব্যৱহাৰ।
চাৱে কোন পাপিষ্ঠে মাতৃৰ যোনি দ্বাৰ ॥১২॥

—বৰদেউৰী কৰ্ত্তৃক প্ৰশংসা—

যিমত দোষণ শ্লোক পঢ়ি শুনাইলন্ত।
শুনি বৰদেউৰী মাধৱক বুলিলন্ত ॥
আক বৰ জিতাক্ষৰী মাধৱ পণ্ডিত।
অম্বুৰাৰি ভট্টাচাৰ্য্যে বুলিলা তহিত ॥১৩॥
কি বোলা মাধৱক জিতাক্ষৰী মাত্ৰ।
আমি যদি পঢ়ো দশবৰ্ষ হুয়া ছাত্ৰ ॥
তাকো পঢ়াইবাক লাগি মাধৱে পাৰয়।
মাধৱক পণ্ডিত বুলিবে ন পাৰয় ॥১৪॥
ঈশ্বৰৰ অংশ জানিবাহা মাধৱক।
তান লাগে তুমি নতু কৰা আলাপক ॥
মই কৰি আছোহোঁ আলাপ লগে তান।
কামৰূপে নাহি আন্ধ পণ্ডিত সমান ॥১৫॥

—পূজাৰীক দান—

এহি মতে মাধৱক প্ৰশংসা কৰিলা।
মাধৱো সবাকে ছয়ত্ৰিশ টকা দিলা ॥

বৰদেউৰীক এক তোলা সোণ দিলা ।
পাছে নীলকণ্ঠ ৰামচৰণক বুলিলা ॥১৬॥
কৈয়ো ৰামচৰণ গৈ মাধৱৰ ঠাই ।
নীলকণ্ঠে বোলয় আমিও কিছু পাই ॥
তেহেঁ বোলা আপুনি বুলিয়ো যাই তুমি ।
এখন কহিবে আৰ নপাৰোহোঁ আমি ॥১৭॥
কৃপাময় তুমি গৈলে মাত্ৰকে দিবন্ত ।
ন পাৰো খুজিবে নীলকণ্ঠে বুলিলন্ত ॥
আগে মনে দুঃখ লগাইলোহোঁ তান গই ।
আবে কোন লাজত খুজিবো আগ হই ॥১৮॥

**—হাজোলৈ গমন—**

এহি বুলি নীলকণ্ঠ মন দুঃখে ৰৈলা ।
সম্বোধিয়া সবাকো মাধৱ চলি গৈলা ॥
তৈৰ পৰা গৈয়া পাছে হাজোত ৰহিলা ।
যথাযোগ্য হয়গ্ৰীৱ গোসাঁইক দেখিলা ॥১৯॥
অনন্তৰে ভটিয়াই নদীত আসন্ত ।
একখন বালিত নাৱ চপাই উঠিলন্ত ॥
ভক্ত সমে মাধৱ গৈ নাৱত চৰিলা ।
তবে ৰামচৰণ মথুৰাদাস গৈলা ॥২০॥

**—ৰামচৰণ, মথুৰাদাস—**

কতোক্ষণে বালি ভাঙ্গি দুয়োজন যান্ত ।
দুঃখ পাই নাৱ ৰাখা বুলি গেড়িয়ান্ত ॥
মাধৱে বোলন্ত নৰাখিবা তাৰা যাউক ।

লগ এৰি যাইবাৰ খানিক ফল পাউক ॥২৯॥
আনো বেলা যেন লগ এৰিয়া ন যাই।
এহি বুলি হাসি যান্ত তাসম্বাকে চাই ॥
আৰো কতো দূৰ যাই পুনু গেড়িয়ান্ত।
নুশুনিলা ভাৱে হাসি ভাটিয়াই যান্ত ॥২২॥
বুজি দুয়োজন পাছে বসিলা বালিত।
গাইবে লৈলা ৰুক্মিণীৰ বিলাপৰ গীত ॥
"ভায়া-কেৰি দুঃখ দেখিয়ে ভীৰ যাই।"
এহি ফাকি শুনি বোলা মাধৱে দুনাই ॥২৩॥

—সুন্দৰীদিয়াত—

ৰাখিয়োক নাৱ দুঃখ পাৱে আবে মানে।
অনন্তৰে নাৱত চৰিলা দুয়োজনে ॥
পাছে গৈয়া সুন্দৰীদিয়াত ৰহিলন্ত।
শুনা তৈত আৰো যেন কৰ্ম্ম কৰিলন্ত ॥২৪॥

—দেৱ-উচ্ছিষ্ট দুধ—

কঙ্কিলাৰ গুৰু নামে বিপ্ৰ এক জন।
মাধৱদেৱৰ থানে গৈলা ৰঙ্গমন ॥
হাতে কৰি ঘন দুধ এক ভাণ্ড লই।
পাইলন্ত ব্ৰাহ্মণ মাত্ৰ ৰেতিক্ষণে গই ॥২৫॥
তেখনে মাধৱদেৱে বুলিলা বিপ্ৰক।
আঢ়া দুধ ভাণ্ড ওঁবা আনিলা কিসক ॥
ব্ৰাহ্মণে বোলন্ত বাপ আঢ়া নুহিকয়।
আৱটিলো কালি আক আপুনি নিশ্চয় ॥২৬॥

মুখ বান্ধি আগুৰিয়া থৈলো ভাল কৰি।
আসিলো প্ৰভাতে ঐক হাতে আক ধৰি॥
মাধৱে বোলন্ত দুই ভাগ আছে আৰ।
এক ভাগ দুধ খাই আছে জানা সাৰ॥২৭॥
ব্ৰাহ্মণে বোলন্ত আক খাইবে কোন জনে।
আপুনি থৈছিলো আক আনিলো আপোনে॥
নাই বান্দী গোবৰ্থ ছৱালি মোৰ ঘৰে
নাই আন মনুষ্যেক ব্ৰাহ্মণীত পৰে॥২৮॥
মাধৱে বোলন্ত যদি প্ৰত্যয় নোযোৱা।
খোৱা দুই নুই তেবে বান্ধ মেলি চোৱা।
হেন শুনি বান্ধ মেলি বিপ্ৰে চাহিলন্ত।
দুইতো এক ভাগ খাই আছে দেখিলন্ত॥২৯॥
আঙ্কোচি আঙ্কোচি খাইল জানিবা নিশ্চয়।
পাঞ্চ আঙ্গুলিৰ সাঞ্চ বহিয়া আছয়॥
দেখিয়া সমস্ত লোক ভৈলন্ত বিস্ময়।
ব্ৰাহ্মণৰ মনে মহা মিলিল সংশয়॥৩০॥
থুকুৰ বুকুৰ বিপ্ৰে কৰন্ত মনত।
দেখিয়া মাধৱ দেৱে বুলিলা পাছত॥
আপুনিয়ো জানা তুমি খাইলে যিটো জনে।
পৰিল স্বপ্নৰ কথা ব্ৰাহ্মণৰ মনে॥৩১॥
মাধৱদেৱৰ আগে কহন্ত ব্ৰাহ্মণ।
আন কিছু নাই আতা দেখিলো স্বপন॥
স্বপনত এগুটি ছৱালি ব্ৰাহ্মণৰ।

হৈবেক বৎসৰ পাঞ্চ পৰম সুন্দৰ ॥৩২॥
ভাণ্ডহন্তে মাখামাখি আনি ভৰাই হাত।
খান্ত স্বপনত মই দেখিলো সাক্ষাত ॥
বোলন্ত মাধৱদেৱে ব্ৰাহ্মণক চাই।
কি বোল বোলা পুনু কেহোঁৰে ন খাই ॥৩৩॥
মই জানি আছো খাইলে লৱনুক চোৰা।
এখন বিদিত ভৈল জানিলাহা তোৰা ॥
আনো নানাবিধ বাক্য মাধৱে বুলিলা।
পৰম হৰিষে দুধ ভোজন কৰিলা ॥৩৪॥
ঈশ্বৰ অনন্ত শক্তি নিজ অংশে আসি।
জীৱক নিস্তাৰ কৰে ভকতি প্ৰকাশি ॥
গুৰু শিষ্য ভাৱ দেখাই তাৰিলা লোকক ॥
ভক্তিক দান দিয়া নিলা বৈকুণ্ঠক ॥৩৫॥
ব্ৰহ্মা হৰে নপাৰন্ত যাহাৰ মহিমা।
পাপীয়ে বৰ্ণিবো কেনে গুণৰ মহিমা ॥
এহি বুলি দ্বিজবৰ দণ্ডৱতে পৰি।
বিস্তৰ কৰিলা তুতি চৰণত ধৰি ॥৩৬॥
শুনা সভাসদ কথা থিৰ কৰি মতি।
ইটো খানি দেখাইলন্ত ঈশ্বৰ শকতি ॥
মুহি দুধ খাইবাৰ জানিছা কেন মত।
শুনা যেন কৰিলন্ত তাহাৰ পাছত ॥৩৭॥

—মিতা মাধৱ—

খীৰা-মাধৱৰ পো মাধৱ নামত।
মিতা বুলি মাতা দেৱ মাধৱ সতত ॥

প্ৰধান গৃহস্থ হাল চাৰি পাঞ্চ খান।
ধেনু গাই আছে গোটা বাৰ ষোল মান ॥৩৬॥
তথাপিতো ভাত আন্টি খাইবে নপাৰয়।
আৰো টকা আশী মান পৰৰ ধাৰয় ॥
দিনেক মাধৱদেৱে পুছিলন্ত তান্ত।
কহিয়োক মিতা তুমি ইহাৰ বৃত্তান্ত ॥৩৯॥
কিবা হেতু ভাত আন্টি খাইবে নপাৰিয়।
আৰো বোলা ভালে গুটি টকায়ো ধাৰিয় ॥
দেখিয়ো আশ্চৰ্য্য বৰ তভো কি কাৰণ।
আটিব নোৱাৰো তেঁহে বুলিলা বচন ॥৪০॥
আৰ্জ্জনো আছয় বৰ তথাপি কিসক।
ন জানোহোঁ বাপ নপাৰিয় আন্টিবাক ॥
তোমৰা ঈশ্বৰ কহিয়োক কি কাৰণ।
শুনি তাঙ্ক বুলিলন্ত মাধৱে বচন ॥৪১॥

—খেতিয়কৰ অধৰ্ম্মাচৰণ—

অধৰ্ম্ম কৰাহা তোৰা মনে গুণি চোৱা।
বোলে তিনি প্ৰহৰক লাগি হাল বোঁৱা ॥
দুপৰত বিনে দোষ হাল চহিবাক।
বাসি গাৱে ভাত খোঁৱা গুণি চোৱা তাক ॥৪২॥
কিছু ৰাত্ৰি থাকন্তে ৰান্ধনী গাৱ ধুই।
ৰান্ধিবাক যাই পাছে পৰভাত হুই ॥
সেহিতো ৰান্ধনী আনি দেই বাঢ়ি ভাত।
বাসি গাৱ হুই নুই কহিয়ো সাক্ষাত ॥৪৩॥

তিনি প্ৰহৰক থাকে দামুৰী বান্ধি থই।
গাই মেলি পথোৱাগৈ বিষ্ঠা মূত্ৰ খাই ॥
সি কি দুগ্ধ মূত্ৰ মাত্ৰ দামুৰী ভোখত।
ৰাতি হাল বোৱা ইটো কাঁহাৰ সম্মত ॥৪৪॥
এহি চাৰি গোটা মহা অধৰ্ম্ম সিজয়।
এহি পাপ ফলে মিতা জানিবা নাটয় ॥
মই এক বোলো বোল তাহাক কৰিয়ো।
চমু দুপৰক লাগি মাত্ৰ হাল বায়ো ॥৪৫॥
ধেনু সব দুহিবাহা প্ৰভাত সময়।
ৰান্ধনী ধুইবেক গাৱ ৰবিৰ উদয় ॥
গৰুৰ কান্ধত ৰাতি নেদিবা জুঁৱলী।
জুঁৱলী দিবাক দোষ সূৰ্য্য অস্ত গৈলি ॥৪৬॥
আটে নাটে বৎসৰেক এহু কৰি চোৱা।
পাছে আপোনাৰ ৰীতি কৰিবাক পোৱা ॥
মাধৱদেৱৰ বাক্য শুনি মনে ৰঙ্গ।
তাৰা প্ৰবৰ্ত্তিবে লাগিলেক সেহি থানে ॥৪৭॥
প্ৰথম দিনতে তাৰা পাইলে পৰমাণ।
পুৱা দোই গাই দুধ পাইলা সেহি মান ॥
যিমান পাৱয় তিনি প্ৰহৰত বই।
হালতো প্ৰমাণ পাইল সেই ধান হুই ॥৪৮॥
এহিমতে প্ৰবৰ্ত্তন্তে বৎসৰেক ভৈল।
সেহি বৎসৰতে সবে ধাৰ শুজা গৈল ॥

**— তাঁতিৰ অধৰ্ম্মাচৰণ—**

আৰো এক তান্তি আছে গোবিন্দ নামত।

বনাছ বোৰয় বেচ পোণেকো হাতত ॥৪৯॥
স্ত্ৰী গোটে বাটি ব' সগস্তে কৰয় ।
কেৱল মৰদ গোটে বসি মাত্ৰ বয় ॥
দহতি খানেক নিতে দুইজন বৰে ।
দশপোণ কড়ি সিটো প্ৰতিদিনে পাৰে ॥৫০॥
খাৱন্তাৰো দুইজন ছৱা পোৱা নাই ।
বৎসৰেত পাইকে দুই টাকা লৈয়া যাই ॥
আন কিছু ব্যয় আৰ নাহিকে তাহাব ।
তথাপিতো মোহৰ চল্লিশ টকা ধাৰ ॥৫১॥
মাধৱৰ পিতৃৰ গোবিন্দ নাম জানি ।
মাতন্ত মাধৱে আঙ্ক বুলি ওঁৰা বাণী ॥
একদিনা পুছিলন্ত তাহান্ত মাধৱে ।
বোলা ওঁৰা তোমাত কতবা ধাৰ হোৱে ॥৫২॥
কি কৰাহাঁ এতেক আজহি দুই জনে ।
খাৱন্তাৰো আন নাই দুইজন বিনে ॥
কিসক তোমাতে তেবে এতে ভৈল ধাৰ ।
কোৱা ওঁৰা হৰিৰ পো কাৰণ ইহাৰ ॥৫৩॥
শুনি সিটো বোলে ধাপ ন জানো এতেক ।
কিসক বা ধাৰ মোত ভৈল পৰ্‌তেক ॥
মোহৰ চল্লিশ টকা ধাৰোহোঁ পৰৰ ।
হেন শুনি দিলা তাঙ্ক মাধৱে উত্তৰ ॥৫৪॥
কৰাহাঁ অধৰ্ম্ম মিছা ন মাতিবা তুমি ।
কৈবা সাৰোত্তৰ যিবা কথা পুছো আমি ॥

সিয়ো বোলে বাপ মিছা মাতিবো কিসক।
বোলন্ত মাধৱদেৱে নিষ্ঠ কহিয়োক ॥৫৫॥
বনাছ বোৱা যে তাৰ সুতা কিছুমান।
ৰাখা কি ন ৰাখা কহিয়োক বিদ্যমান॥
সিটো বোলো বাপ আৰে লাগে পুছিবাক।
যিমান পাৰোহোঁ মানে ৰাখোহোঁ সুতাক ॥৫৬॥
মাধৱে বোলন্ত এহি কাৰণে নাটয়।
উলটায়া দিয়া সুতা যিমান ৰহয়।
বছৰেক মানে মাত্ৰ উলটায়া দিবা।
চোঁৱা তেবে আটে নাটে বোলক বুজিবা ॥৫৭॥
সিটো বোলে ভালে বাপ উলটায়া দিম।
আজি হন্তে সুতা এক তিল ন ৰাখিম॥
মাধৱদেৱৰ বাক্যে সুতা ন ৰাখিল।
সেহি বৎসৰতে ধাৰ সমস্তে সুজিল ॥৫৮॥
দেখা দেখা সাধুজন থিৰ কৰি মন।
মাধৱদেৱৰ বাক্য কৰে যিবা জন॥
ইহলোকে দুঃখ তাৰ সাম্প্ৰতে গুছয়।
অনায়াসে পৰলোকে মুকুতি পাৱয় ॥৫৯॥
জানি বুদ্ধলোক তান বচন কৰিয়ো।
হৰিত ভকতি কৰি সংসাৰ তৰিয়ো॥
কৃষ্ণৰ ভৃত্যৰো ভৃত্য কহয় দৈত্যাৰি।
শঙ্কৰ মাধৱ সবে বোলা উচ্চ কৰি ॥৬০॥

———

# চতুঃ-ষষ্টি অধ্যায়

—সৰ্ব্বদৰ্শী মাধৱ—

এহি মতে যেবে সুন্দৰী দিয়াত
মাধৱ দেৱ আছন্ত।
একগিৰি মাল- -ভোগ কল চৰ
দিনেক আনি দিলন্ত ॥১॥
ভাটি বেলা ভৈলে হৰি কথা হৈলে
সেহি কল বিলাইলন্ত।
আট গুটি কল বিলনীয়া জনে
আৰ কৰি ৰাখিলন্ত ॥২॥

—কলচোৰ—

সমস্ত ভকত গৈলন্ত ঘৰক
ৰাতি হৰি কথা শুনি।
পাছে নিশা ভৈলে স্বপোন দেখিলা
মাধৱদেৱে আপুনি ॥৩॥
উঠিয়া প্ৰভাতে ভকত সবাতে
মাধৱদেৱে কহিলা।
বোলন্ত ঈশ্বৰ ই কল, চোৰ
সব কল মোক দিলা ॥৪॥
আট গুটি কল নেদিলা আমাক

আপুনি ঈশ্বৰে কৈলা।

এহি বুলি দেৱ মাধৱে পাছত

পুনু বুলিবাক লৈলা ॥৫॥

কি বোল অল্পতে থাকি দেখা ভৈল

ঈশ্বৰৰ অসন্তোষ।

আন আছো বঢ়া টুটা কৰি দিবা

প্ৰসাদক বৰ দোষ ॥৬॥

আজি হন্তে আন জনে বিলাইবেক

নালাগে বিলাইবে আৰ ॥

এহি কহি দেৱ— —মাধৱ ৰহিলা

শুনা কথা আতপৰ ॥৭॥

—ভোজনৰ ব্যঞ্জন ক্ষুধা—

একদিন বেলি ভটিয়াই গৈলি

ভোজন তভো ন কৰি।

আছন্ত বসিয়া ভকতে দেখিয়া

বোলা বাক্য মৃদু কৰি ॥৮॥

বেলি গৈলে বাপ এখনো ভোজন

নতু কৰি উঠিয়োক।

কৰিয়োক গৈয়া ভোজন মাধৱে

বোলন্ত ব্যঞ্জন হৌক ॥৯॥

শুনি ভক্তচয় ভৈলন্ত বিস্ময়

কি বোল আতা বোলন্ত।

বাজত বসিয়া আছন্ত ব্যঞ্জন
হৌক বোল বুলিলন্ত ॥১০॥
একোতো আশয় নপায় নিশ্চয়
মাধৱদেৱত তথা।
বিস্ময় মনত সমস্তে ভকত
পুছিলন্ত পাছে কথা ॥১১॥
তোমৰা বাজত আছন্ত ব্যঞ্জন
হৌক কিয় বুলিলন্ত।
নুবুজিলো আমি কহিয়োক তুমি
মাধৱদেৱে কহন্ত ॥১২॥
ব্যঞ্জন ন ভৈলে অন্ন স্বাদ নুহি
জানিবা নিষ্ঠে বচন।
ব্যঞ্জন ভৈলেসে অন্ন স্বাদ লাগে
এতেকে হৌক ব্যঞ্জন ॥১৩॥
শুনি ভক্ত যত পুনু পুছিলন্ত
ব্যঞ্জন বুলিয় কাক।
হাসিয়া উৎসৱে কহন্ত মাধৱে
ব্যঞ্জন বুলিয় যাক ॥১৪॥
আজি জানা ক্ষুধা নতু ধৰে আসি
ক্ষুধাসে ব্যঞ্জন হুই।
ক্ষুদা যেবে নাই পঞ্চামৃত খাই
সিয়ো তেবে স্বাদ নুই ॥১৫॥
এতেকে লাগোক ক্ষুধা আসি পুনু

কৰিবো তেবে ভোজন।
মাধৱদেৱৰ　বচন শুনিয়া
সবাৰো হৰিষ মন ॥১৬॥

**—কণ্ঠভূষণৰ ঘৰত আলহী—**

কণ্ঠভূষণ নাম　দ্বিজবৰ অনুপাম
মাগুৰি গ্ৰামত আছিলন্ত।
সদাচাৰী শুদ্ধ মন্ত　কৃষ্ণত ভকতি মন্ত
ৰাজগুৰু নাম বোলাইলন্ত ॥১৭॥
কৰিলন্ত ৰামৰাম-　-গুৰুৰ বেটিক বিহা
জানা তেহে পৰম পণ্ডিত।
এক বাৰ কাতি মাস　গৈলন্ত তাহান পাশ
তাঙ্ক দেৱ মাধৱে দেখিত ॥১৮॥
আছিলন্ত তান সঙ্গে　কৃষ্ণ কথা চৰ্চ্চি ৰঙ্গে
একমাস ভকতে সহিত।
তাহান ঘৰতে অন্ন　কৰত ভোজন নিতে
শুনা আবে ভোজনৰ ৰীত ॥১৯॥
ভাত কাসি পাৰিষন্তে　গ্ৰাস দুইগান পাৰে
পুনৰপি নাসয় যাৱত।
ব্যঞ্জন আমৰা গোট　মান তাক লাৰি চাৰি
থাকিবাক লাগয় তাৱত ॥২০॥
খান নৱ দশ মান　ব্যঞ্জন ৰান্ধয় নিতে
ভোজন কৰয় নিত্যাগত।

প্ৰহৰেক মান হুই উঠিবে নপাই শীঘ্ৰে
অসন্তোষ সবাৰে মনত ॥২১॥
দিন আঠ দশমান ভোজন কৰিয়া তৈত
পাছে দেৱ মাধৱে দিনেক।
কহিলন্ত তান আগে ৰান্ধিবাক মোৰ লাগে
ৰামচৰণক জৰাইলেক ॥২২॥
জৰীয়া শৰীৰে আৰ ভোজন কৰিবে ঐত
নপাৰয় থাকিবেক বসি।
মাধৱ দেৱৰ বাণী শুনি তেঁহে ৰঙ্গমনে
চাউল চৰু দিলন্ত হৰিষি ॥২৩॥
একমাস থাকি তৈতি কণ্ঠভূষণ সমন্বিতি
পাছে মাধৱৰ ভৈল মন।
সুন্দৰী যাইবেক প্ৰতি লৈয়া তান অনুমতি
ভক্তসমে কৰিলা গমন ॥২৪॥
সুন্দৰী দিয়াত আসি আছা কতোদিন যেবে
সাম্প্ৰতিক ইটো কথা থওঁ।
শুনা যেন মতে বৰ- -পেটোক গৈলন্ত চলি
ইদানীক এহি কথা কওঁ ॥২৫॥
শুনা সাধু সভাসদ গুৰুৰ চৰিত পদ
পাতকৰ সম্যকে অন্তক।
শঙ্কৰ মাধৱ বুলি পাপৰ ভাণ্ডাৰ পুৰি
অনায়াসে তৰা সংসাৰক ॥২৬॥

---

# পঞ্চষষ্ঠি অধ্যায়

**নবপেটাত যাত্রা উৎসৱ**

আত অনন্তৰে সাধু সব শুনা তথা।
মাধৱদেৱৰ যেন মত ভৈলা কথা ॥
ৰঘুদেৱ ৰাজা চৰিয়া পাঞ্চিলেক।
হৰি ভকতক সবে ধৰিয়া নিবেক ॥১॥

**—ৰাজভয়ত অজ্ঞাতবাস—**

কৃষ্ণদাস নামে সুন্দৰীৰ ঠাকুৰিয়া।
মাধৱদেৱক বোলে এহি বাৰ্ত্তা পায়া- ॥
কিছু আৰ মাজ হুয়া বাপ থাকিবন্ত
এক কথা শুনি আছি বোল বুজিবন্ত ॥২॥
শুনি দেৱ মাধৱ উত্তৰ পথাৰত
থাকন্ত ভকত সব তহিতে সতত ॥
বাহৰা থানত বসি কৃষ্ণ কথা কন্ত।
আসাম ৰাজীয়া এক ভকত অত্যন্ত ॥৩॥

**—ব্ৰাহ্মণ ভকতক অত্যাচাৰ—**

বৃদ্ধ তেঁহে ভিক্ষা মাগিবাক লাগি যান্ত।
গোপাল মুকুন্দ দুই ভাই দেখিলন্ত ॥ (১)

---

(১) গোপাল মুকুন্দ এই দুয়োজন ভাই ককাইৰ সবিশেষ বৃত্তান্ত পোৱা না যায়।

কৈক যাস ব্ৰাহ্মণ বুলিয়া পুছিলন্ত।
ভিক্ষা মাগিবাক যাওঁ তেঁহে কহিলন্ত ॥৪॥
হেন শুনি বোলে সিটো নপাস যাইবাক।
ব্ৰাহ্মণ বোলন্ত চাউল নাহিকে খাইবাক ॥
ভিক্ষা কৰি আসো যাই এহি বুলি যান্ত।
দেখিয়া গোপালে তাঙ্ক গালি পাৰিলন্ত ॥৫॥
উভতে পাভতে নানা মন্দ ছন্দ বাক।
শুনিয়া ব্ৰাহ্মণে বোলা মৃদু মৃদু বাক ॥
কিসক গোপাল বাপু গালি পাৰা তুমি।
এতিক্ষণে ভিক্ষা কৰি আসিবোহোঁ আমি ॥৬॥
এহিবুলি দ্বিজবৰ যান্ত পুনৰপি।
সিটো বোলে ব্ৰাহ্মণ যাস দেখো তথাপি ॥
যাওঁ তভো ব্ৰাহ্মণ এখনো আসো বুলি।
খেদি যাই সিটো দলি বাড়ি গোট তুলি ॥৭॥
দুয়ো ভাই দলি ভাঙ্গিবাক লাগি আছে।
ব্ৰাহ্মণৰ গাৱ দলি মাৰি দিয়া পাছে ॥
দিল পাঙ্ক ব্ৰাহ্মণ পৰিল লুটি খাই।
আঠু মুণ্ড হন্তে তেজ ধাৰে বহি যাই ॥৮॥
কান্দন্তে ব্ৰাহ্মণ পাছে উলটি গৈলন্ত।
মাধৱদেৱত গৈয়া সবে কহিলন্ত ॥
শুনিয়া মাধৱদেৱে ক্ৰোধত জ্বলিল।
ভক্তক মাৰিল আৰ কি মোৰ ৰহিল ॥৯॥

## —পুনৰ বৰপেটাত—

আৰ ঐত নথাকো বুলিয়া দুঃখ মনে।
মথুৰা দাসক মাতি পঠাইলা তেখনে॥
কীৰ্ত্তনীয়া ফৌদ সমে সত্বৰে আসোক।
নেউক বৰপেটাক লাগিয়া শীঘ্ৰে মোক ॥১০॥
শুনিয়া মথুৰাদাস তেখনে আসিলা।
মাধৱদেৱক বৰপেটা লাগি নিলা॥
ভক্তবৰ্গ সমে তথা ৰহিলা মাধৱ।
তান্তিকুঞ্জি লোকৰ মিলিল মহোৎসৱ ॥১১॥
বৰপেটা গৈয়া দেৱ মাধৱ আছন্ত।
নিতে নিতে তেবে আনন্দৰ নাহি অন্ত॥
নটুৱা পাতিয়া নাট কৰিলা বিস্তৰ।
নাট দেখি লোকৰ আনন্দ বহুতৰ ॥১২॥

## —ৰঙ্গিলীঘৰ নিৰ্ম্মাণ—

কৰিলা ঝুমুৰা দধিমথন তহিত। (১)
নানা ৰসে কৰিলন্ত আৰ নানা গীত॥
পাতিলা গোঁসাইৰ ঘৰ মহা মনোৰম।
কামৰূপে আন ঘৰ নাই তাক সম ॥১৩॥
দেখন্তে লোকৰ মনে আনন্দ পৰম।
চাৰে নৰনাৰী সবে ঘৰ নিৰূপম॥

(১) ৰাস ঝুমুৰা, দধিমথন—অঙ্কীয়া নাট। ৰামচৰণ ঠাকুৰে (শঙ্কৰ-চৰিত-৩৯৮৭ পদ) ৰাস ঝুমুৰাৰ বিশদ বিৱৰণ লিখিছে।

দশোদিশে লোকে সবে চাহিবে আসিল।
গৃহৰ কথাক সিটো ৰাজায়ে শুনিল ॥১৪॥
শুনা সাধুজন ঘৰ যেখনে পাতন্ত।
তেখনে ঈশ্বৰ শক্তি এক দেখাইলন্ত ॥
একগোটা চতি চাঞ্চি জোখা কৰিলেক।
লগাইবাক নিলা দুই হাত নাটিলেক ॥১৫॥
সমস্ত ভকত মনে দুঃখ কৰি ৰৈল ॥
শুনা তাত পাছে আৰো যেন কথা ভৈল ॥
প্ৰভাতে মাধৱদেৱে বোলন্ত শ্ৰীৰাম।
আসা যাওঁ আৰু বাঢ়ি আছে এক কাম ॥১৬॥
এহি বুলি শ্ৰীৰাম সহিতে চলি গৈলা।
আটে নাটে জুখি চোঁৱা মাধৱে বুলিলা ॥
হেন শুনি বোলন্ত মথুৰাদাসে বাক।
দুই হাতে নাটে কিয় লাগৈ জুখিবাক ॥১৭॥
সবে ভক্ত বোলে আক জুখি আছোঁ কালি।
দুই হাতে নাটে আক কি হৈবে জুখিলি ॥
আন এক চতি আনো সবে যাই চলা।
জুখিয়ো মাধৱদেৱে পুনৰপি বোলা ॥১৮॥
বোলন্ত মথুৰা দাসে কিসক জুখিব।
কালি যে নাটিল সিটো আজি কি আটিব ॥
বোলন্ত শ্ৰীৰাম আতৈ জুখি চাহিয়োক।
আটিব বাপুৰ বাক্য কিয় নুহিবেক ॥১৯॥
তথাপি নোজোখে কেহোঁ মাধৱে দেখিয়া।

কি বোলা নাটে ধৰ বোলন্ত খঙ্গিয়া ॥
ধৰিলন্ত চৌতিত আপুনি এহি বুলি।
চৌতিক ভকত সবে ওপৰক তুলি ॥২০॥
দেখন্ত আটিল চৌতি অধিকাও ভৈল।
দেখিয়া মাধৱদেৱে বুলিবাক লৈল ॥
কিবোলা মথুৰাদাসে বোলা পুনু নাটে।
সমস্ত বিস্ময় ভৈল কিয় আজি আটে ॥২১॥
শ্ৰীৰাম আতাই লাসে লাসে বোলা বাণী।
ইহাত বিস্ময় ন মানিবা একো প্ৰাণী ॥
দেখা দেখা দেখাইলন্ত ঈশ্বৰ শকতি।
ছুটিয়ো দীঘল ভৈল দেখাইল সম্প্ৰতি ॥২২॥

**—ভীম যদুমণি—**

ন খাইলেক কাপ কতখানি মান চৌতি।
দক্ষিণ কূলৰ যদুমণি আছা তৈতি ॥ (১)
বুলিলা মাধৱদেৱে পাছে তাঙ্ক মাতি।
ধৰিয়ো চৌতিক যদুমণি কান্ধ পাতি ॥২৩॥
শুনি কান্ধপাতি যদুমণি ধৰিলন্ত।
কৰতে কাটিয়া চৌতি কাপ খুৱাইলন্ত ॥
বোলা যদুমণিক মাধৱদেৱে চাই।
জানো বৰ দুখ তুমি লভিলা বোপাই ॥২৪॥
যদুমণি বোলে দুঃখ নপাওঁ বিস্তৰ।
হেনশুনি দিলা তাঙ্ক মাধৱে উত্তৰ ॥

(১) দক্ষিণ কূলৰ ব্ৰাহ্মণ বিষ্ণুআতৈৰ মধ্যম পুত্ৰ।

ভীমৰেসে বল জানো তোহোঁৰ গাৰত।
ভীম নাম হৌক তোৰ প্ৰসিদ্ধ লোকত ॥২৫॥

—ৰামবিজয় যাত্ৰা—

এহিমানে আবে ইটো প্ৰসঙ্গ ৰহোক।
আত অনন্তৰে যেন ভৈল শুনিয়োক ॥
এক কালে ৰাম যাত্ৰা কৰাইবাক প্ৰতি।
সবে তান্তিকুঞ্জিয়া লোকৰ ভৈল মতি ॥২৬॥
মাধৱদেৱৰ আগে বুলিলেক লোক।
বাপ ৰাম-বিজয় যাত্ৰা কৰায়োক ॥(১)
বোলন্ত মাধৱদেৱে মই বোলো যিটো।
যাক যাক সমস্তে আনিয়া দিবো সিটো ॥২৭॥
লোকে বোলে বোলন্তক দিবো আমি সবে।
আশী টকা মঙ্গিলা মাধৱদেৱে তেবে ॥
কতো এক দুই তিনি টকা বৰগিলা।
ন কৰি ওজৰ সবে তাক আনি দিলা ॥২৮॥

—ৰাম সীতাৰ প্ৰতিমা—

আশী টকা উঠিল মাধৱে বোলা আৰ।
কিনিয়োক চাউল চৰু লোণ তেল খাৰ ॥

(১) সীতা স্বয়ম্বৰ বা ৰামবিজয়-যাত্ৰা অঙ্কীয়ানাট শঙ্কৰদেৱ ৰচিত। দ্বিজ ৰামানন্দ ৰচিত গুৰু চৰিত্ৰ মতে (৫৭ অধ্যায়) মাধৱদেৱে মাগুৰি গ্ৰামত কণ্ঠভূষণৰ ঘৰত প্ৰথমতে সীতা স্বয়ম্বৰ নাট ভাৱনা কৰে আৰু নিজে পৰশুৰামৰ ভাও লয়। পিচত আকৌ উত্তৰাকাণ্ডলৈকে গোটেই ৰামায়ণৰ কাহিনী ভাৱনা কৰে।

বুলিলন্ত পাছত সুন্দৰা নটুৱাক।
দিব্য কৰি ৰামৰ প্ৰতিমা সাজিয়োক ॥২৯॥
সাজিবো কিমতে বোলা সুন্দৰা নটুৱা।
মাধৱে বোলন্ত মোক চাই আৱতাৱা ॥
মোৰ ৰূপ যেন দেখা তেহুয় কৰিয়ো।
সীতাৰো প্ৰতিমা তাৰ লগতে সাজিয়ো ॥৩০॥
এহি বুলি পাঞ্চিলা সুন্দৰা নটুৱাক।
কতো সকলক দিলা ৰথ সাজিবাক ॥
কাহাকো নানান চো' সাজিবাক দিলা।
ৰাম যাত্ৰাৰ গীত(২) আপুনি কৰিলা ॥৩১॥
ৰাম যাত্ৰা কথা শুনি লোক সমস্তয়।
আসিল সমস্তে তান্তিকুঞ্জি ন ধৰয় ॥
সাতদিন মানে যাত্ৰা কৰোৱা ন যাই।
লোকৰ নিমিত্তে পাছে লোকে দুঃখ পাই ॥৩২॥
বোলে আমি ঘৰে যাওঁ ৰথখান দেখি।
সীতা সমে প্ৰতিমাক ৰামৰ নিৰেখি ॥
ৰামৰ সীতাৰ মূৰ্ত্তি ৰথত তুলিলা।
দণ্ড ছত্ৰ চামৰ চিৰল তূলি দিলা ॥৩৩॥
হৰিধ্বনি কৰি ৰথ বাজ কৰিলন্ত।
হনুমন্ত বিভীষণ ৰথতে আছন্ত ॥

---

(২) মূলনাটত শ্ৰীৰাম চন্দ্ৰই সীতাক লৈ অযোধ্যালৈ অহাৰ পিচত কোনো গীত নাই। মাধৱদেৱে 'জয়-জয়-ৰাম-ৰাঘৱ···(বৰগীত-২) গীতটো ৰচনা কৰি গাইছিল।

ৰথ দেখি লোকৰ মিলিল মহোৎসৱ।
ঘৰাঘৰি গৈল সবে কৰি হৰিৱাৱ ॥৩৪॥
পাছে ৰামযাত্ৰা কৰাইলন্ত আনন্দিত।
যাত্ৰা দেখি সমস্তৰে হৰিষ মনত ॥
আত অনন্তৰে কথা শুনা সাধু নৰ।
হৰিচৰণ ছোট বেটা শঙ্কৰদেৱৰ ॥৩৫॥
দক্ষিণ কূলক গৈলা সৰু গুৰু ঠাই।(১)
ধানে কোড়ে গুড়ে নাৱ পঞ্চখান ভৰাই ॥
মাতি বুলি লোক সমস্তকে যাইবে চান্ত।
সেই ৰেলা তৈতে এক কথা শুনিলন্ত ॥৩৬॥

**—সৰুগুৰুৰ অহঙ্কাৰ—**

তোমাঠৈৰ শৰণত কৰি বিলক্ষণ।
সৰু গুৰু বুলিলন্ত আমাৰ শৰণ ॥
হেন শুনি তেখনে সকলে বস্তু এৰি।
কাহাকো ন মাতি শীঘ্ৰে আসিলন্ত লৰি ॥৩৭॥
এহি কথা পাছে দেৱ মাধৱে শুনিলা।
হৰিচৰণ ঠাকুৰক প্ৰশংসা কৰিলা ॥
মোৰ বোপা ভাল কৰিলন্ত বুলি আতি।
নিয়াইলন্ত পাছে হৰিচৰণক মাতি ॥৩৮॥
দক্ষিণ কূলৰ কথা হাসি পুছিলন্ত।
সমস্ত বৃত্তান্ত হৰিচৰণে কহিলন্ত ॥

(১) সৰুগুৰু—দামোদৰদেৱ।

শঙ্কৰদেৱৰ শৰণত কৰি তোৰা।
বিলক্ষণ শৰণ আনিলা কৈৰ পৰা ॥৩৯॥
এহিমানে পৰিচ্ছেদ তোমাৰ আমাৰ।
চাৱ কি বুলিবেক ৰহিল আন আৰ॥
এহি বুলি হৰিচৰণক প্ৰশংসিয়া।
গুৱা পান কাপোৰ চন্দন মালা দিয়া ॥৪০॥
ধান গুড় আপোনাৰ ঘৰৰ দিলন্ত।
পৰম আনন্দ মনে গৃহে পঠাইলন্ত॥
শুনা যেন কথা আৰো আত অনন্তৰ।
কৈল মহোৎসৱ তিথি শঙ্কৰদেৱৰ ॥৪১॥

**—শঙ্কৰদেৱৰ শ্ৰাদ্ধত দামোদৰৰ অনুপস্থিতি—**

সব লোক গৈল হৰি কীৰ্ত্তন চাহিত।
গৈলন্ত মাধৱদেৱ আনন্দিত চিত্ত॥
দামোদৰ গুৰুক নেদেখি সভা মাজে।
পুছিলা মাধৱে হৰিচৰণত পাছে ॥৪২॥
ন মাতিলা কিয় দামোদৰক সভাক।
শুনি কহিলন্ত হৰিচৰণে কথাক॥
প্ৰভাতে ভকত পঠাইছিলো মাতিবাক ।[২]
তেহেঁ বুলিলন্ত মই নপাৰো যাইবাক ॥৪৩॥

---

(২) (ক) দামোদৰদেৱৰ শ্ৰাদ্ধত অনুপস্থিতিৰ কথা ৰামচৰণ ঠাকুৰৰ শঙ্কৰ চৰিতত ( ৭ম খঃ ৩৮৮৫-৩৯২২ ) পোৱা যায় যে হৰিচৰণৰ সজনি ৰামানন্দ দামোদৰ দেৱক মাতিবলৈ গৈছিল।

(খ) নীলকণ্ঠ দাস ৰচিত ' দেৱদামোদৰচৰিত্ৰত ' ( ৪৫৮—৪৬৪ ) লিখা কথা সম্পূৰ্ণ বেলেগ।

পাছে গৈয়া আপুনি বুলিলো আসিবাক ।
ন যাইবো বুলিয়া তেহে পঠাইলা আমাক ॥
পুছিলোহোঁ কি কাৰণে ন যাইবন্ত এবে ।
তেহেঁ বোলা তোমাৰ গৃহক যাওঁ যেবে ॥৪৪॥
তেবে আনো বুলিবেক যাইবাক আমাক ।
সবাৰো গৃহক মই লাগিব যাইবাক ॥
এতেকে ন যাইবো বাপু গৃহক যায়োক ।
এহি বুলি প্ৰবোধিয়া পঠাইলন্ত মোক ॥৪৫॥
শুনিয়া মাধৱদেৱে বুলিলন্ত হাসি ।
আনৰে তোমাৰে ঘৰ সম ভৈল আসি ॥
ন মাতিলে আসিবাক লাগে আপোনাৰ ।
মাতিলে নাসন্ত ভাল বুজিলন্ত সাৰ ॥৪৬॥
আৰ আন বেলা পুনু ন মাতিবা আহ্ম ।
এহি বুলি হৰিচৰণক দিলা হাক ॥
এহি মতে অনন্ত চৰিত্ৰ মাধৱৰ ।
সাৰশেষে কহিবে পাৰয় কোন নৰ ॥৪৭॥
অলপতে সন্তুষ্ট হৈবা শুনি সাধুজন ।
মই মহা মূৰ্খ মতি পৰম অজ্ঞান ॥
তেবেসে সংসাৰ তাপ তৰিবা হৰিষে ।
শঙ্কৰ মাধৱ বাণী বোলা অহৰ্নিশে ॥৪৮॥

———

# ষট্‌ষষ্টি অধ্যায়

**—দামোদৰদেৱৰ লগত বিবাদ—**

আৰো একদিনা বৈল কথা যেন
কহোঁ তাক শুনিয়োক।
দামোদৰ গুৰুক মাধৱদেৱে
আনি বুলিলন্ত বাক ॥১॥

আমি যাক দূৰ কৰো, তাক কেনে
দিয়া ঠাই দামোদৰ।
তেহেঁ বোলা মই কাহাক খেদিম
কেহোঁ নুহি মোৰ পৰ ॥২॥

**—বিতাড়িত ভক্তক আশ্রয় দান—**

মাধৱে বোলন্ত সত্র কৰি আছা
আচাৰ্য্য স্বৰূপ হুই।
বিধৰ্ম্মী দেখিয়া শিক্ষা নেদিবাক
তোমাৰ দূষণ হুই ॥৩॥

তেহেঁ বুলিলন্ত যি যত কৰে
কৰে সিটো আপোনাক।
তাৰ দোষ চয় আমাৰ লাগয়
কিবা হেতু দেখিবাক ॥৪॥

**—শঙ্কৰদেৱক অমান্য—**

তোমাক শঙ্কৰ- দেৱে থাপিছন্ত
তুমি সি পাৱা দেখিবে।

দোষ গুণ যত তুমি সি শকত
বাখিবে জানা খেদিবে ॥৫॥
আমাক শঙ্কৰ- -দেৱে থাপা নাই
এতেকে জানা আমাৰ।
ৰাখিবে খেদিবে দোষক দেখিবে
নাহিকয় অধিকাৰ ॥৬॥
আতে শতধনু (১) ৰাজা কথা তুলি
মাধৱদেৱে কহিলা।
পুৰাণৰ কথা বুলি দামোদৰ
—দেৱে তাক ন মানিলা ॥৭॥
মাধৱে বোলন্ত শ্ৰীধৰ স্বামীয়ো
পুৰাণৰ উক্তি তুলি।
টীকা কৰিলন্ত এহে ন মানন্ত
পুৰাণৰ কথা বুলি ॥৮॥

---

(১) শতধনু বধ :—শতধনু যাদৱ বংশীয় এজন ৰাজকুমাৰ। জতুগৃহত পাণ্ডৱৰ মৃত্যুৰ সংবাদ শুনি, বাতৰি লবলৈ কুৰু প্ৰদেশলৈ যাওঁতে, অক্ৰুৰ আৰু কৃতবৰ্ম্মাই শতধনুৰ হতুৱাই সত্ৰাজিতক হত্যা কৰায়। সত্ৰাজিতক মাৰি, স্যমন্তক মণি লৈ পলাই যায়। কুৰুপ্ৰদেশৰ পৰা উলটি আহি এই বাৰ্ত্তা পাই শ্ৰীকৃষ্ণই শতধনুক বধ কৰিলে, কিন্তু স্যমন্তক মণি নাপালে। মৃত্যুৰ আগতে শতধনুৱে অক্ৰুৰৰ হাতত মণি দি গৈছিল। এতিয়া শ্ৰীকৃষ্ণই সকলোৰে সন্দেহ দূৰ কৰিবলৈ বুলি অক্ৰুৰক মণি দেখুৱাবলৈ বুলি কলে। অক্ৰূৰে তাকে কৰাত শ্ৰীকৃষ্ণই পুনৰায় স্যমন্তক মণি অক্ৰুৰকে দি দিয়ে।

**—শ্ৰীধৰ স্বামীক অমান্য—**

দামোদৰ গুৰু বুলিলন্ত টীকা
কৰন্তা শ্ৰীধৰ স্বামী।
শ্ৰীভাগৱতৰ বিনে পুৰাণৰ
কথাক ন মানো আমি ॥৯॥
অনন্তৰে দেৱ- -মাধৱে বোলন্ত
ৰত্নাকৰ গ্ৰন্থখান।
পুৰাণৰ শ্লোক তুলি কৰিলন্ত
শঙ্কৰ-দেৱে নিৰ্ম্মাণ ॥১০॥

**—ৰত্নাকৰ গ্ৰন্থ অমান্য—**

তুমি বোলা ইটো পুৰাণৰ কথা
আবে আক কি কৰিবা।
কহিয়ো সত্বৰ গ্ৰন্থ ৰত্নাকৰ
মানিবা কি ন মানিবা ॥১১॥
শুনি দামোদৰ গুৰু বুলিলন্ত
চতুৰ্ভুজ ৰূপে যেবে।
আসি ভগৱন্ত আপুনি কহন্ত
ন মানিবো আমি তেবে ॥১২॥

**—চিৰ বিচ্ছেদ—**

শুনিয়া মাধৱে সজ সজ বুলি
আৰো কিছু নু বুলিলা।
চিৰা খুৱাই, ভুনি- -পাট জোৰা দিয়া

প্ৰবোধি বিদায় দিলা ॥১৩॥
বোলন্ত তোমাৰ আমাৰ জানিবা
পৰিচ্ছেদ এহি মানে।
পূৰ্ব্বে এহেঁ এত খানিকো কথাক
পুছিলা আমাৰ থানে ॥১৪॥
আবে চতুৰ্ভুজ— ৰূপৰো কথাক
নমানোঁ এহেঁ বুলিলা।
আনো নানা মত বুলি এহি মত
মাধৱদেৱ ৰহিলা ॥১৫॥

—ৰামচৰণৰ লগত তৰ্ক—

আৰো শুনা তৈত যেন কথা ভৈল
বৈশাখ বিষু শুক্ৰাত।
ভকত সকল সহিতে মাধৱ
কন্ত কৃষ্ণ কথা যত ॥১৬॥
ভিতৰ চালিত মনত হৰিষি
গোসাঁইৰ ঘৰত পাছে।
কৰন্ত কীৰ্ত্তন কীৰ্ত্তনীয়া জনে
বৰ সভা হুই আছে ॥১৭॥
পাটৰ পাছোড়া গাৱত উৰিয়া
ৰামচৰণ গৈলা তথা।
ভক্ত সমে গই কৃষ্ণ কথা কই
আছন্ত মাধৱ তথা ॥১৮॥

আঠু জানু পাৰি নমস্কাৰ কৰি
বসিলা ৰামচৰণ।
ৰামচৰণত পুছিলা মাধৱ
দেৱে হৰষিত মন ॥১৯॥
কৈত পাইলা বাপ ইটো বস্ত্ৰ খান
শুনিয়া ৰামচৰণ।
তোমৰা দিছন্ত কৈত পাইবো মই
বুলিলা মৃদু বচন ॥২০॥
শুনিয়া মাধৱ কৃষ্ণ কথা কন্ত
গুণন্ত মনত হাসি।
এহু বস্ত্ৰ দিবে ৰামচৰণক
মনত নপৰে আসি ॥২১॥
এহি গুণি দণ্ড— —চাৰি মান পাছে
পুনৰপি পুছিলন্ত।
কৈয়ো কোনে দিল— —তোমৰা দিছন্ত
ৰামচৰণে বুলিলন্ত ॥২২॥
পুনু দণ্ড দুই কৃষ্ণ কথা কই
মনে মনে গুণিলন্ত।
নেদো মই আক কোনে দিলা কৈয়ো
শুনি তেহেঁ কহিলন্ত ॥ঘৰা॥
তোমাঠৈত বিনে দিবে মোক কোনে
তোমৰা দিয়া আছন্ত।
হেন শুনি পাছে ৰামচৰণক

শিৱবৰে বুলিলন্ত ॥২৪॥
বঙ্গদেশী মত লৈলে এহেঁ আতা
শুনিয়া ৰামচৰণ।
খঙ্গিয়া বোলন্ত পৰিহাস মোক
নোবোলা ইটো বচন ॥২৫॥
আনো বেলা পৰি— —হাস বচনক
তুমিয়ো সহা আমাৰ।
আমিয়ো তোমাৰ সহোঁ, ইটো বাক্য
ন পাৰিবো সহিবাৰ ॥২৬॥
তুমি জানা প্ৰাণ যান্তো বঙ্গদেশী
মতক নুধৰিবো আমি।
তেহেঁ বোলা আতা নেদেওঁ বোলন্ত
কিয় দিলা বোলা তুমি ॥২৭॥
কোনখানি বঙ্গ— —দেশী মত কোৰোঁ
বোলন্ত ৰামচৰণ।
তেহে বোলে বঙ্গ— —দেশীয়ো বোলয়
পুছিলি এহু বচন ॥২৮॥
তুমি যৈছা যৈত তৈতে আছি আমি
দি আছা যি তাকে খাওঁ।
যিটো আজ্ঞা দি আছা তাকে কৰোঁ
যৈকে পঠা তৈকে যাওঁ ॥২৯॥
হেন শুনি ৰাম— —চৰণে বোলন্ত
বঙ্গদেশী মত কোন।

তাকো ন জানিলা মিছাতে বুঢ়াইলা
তুমি মহা মূঢ় জন ॥৩০॥
বঙ্গদেশী ভৈলে তুমিয়ো পুছিলা
বুলিবেক এন্তে এহু ।
আনো পুছিলাতে কৈল হন্তে তাকে
তুমি কৈলা হান্ত তেহু ॥৩১॥
আনে পুছে যেবে প্ৰাণ যাই তেবে
বুলিলো দি আছা তুমি ।
যাত ঘটে তাঙ্ক বুলিবো নিতান্ত
কহিলো নিশ্চয় আমি ॥৩২॥
তেঁহে নে দিলতে আমি পাইবো কৈত
বুলিলো কৰি নিৰ্শ্চয় ।
শিৱবৰক ৰাম— —চৰণে বুলিলা
নানা পৰিহাস চয় ॥৩৩॥
শুনিয়া মাধৱে বোলা গিৰিসাপুত
শিৱবৰ গিৰিক চাই ।
ৰামচৰণক উত্তৰ দিয়োক
শুনি মাত বোল নাই ॥৩৪॥
কতোক্ষণে পাছে ন মাতিয়া আছে
বুলিলা মনত গুণি ।
কি দিবো উত্তৰ ঘাটিলোহোঁ বাপ
মাধৱে এতেক শুনি ॥৩৫॥
বোলন্ত ঘাটিলা তেবে দণ্ড দিয়া

এহি মতে তথা ভৈল, কৃষ্ণ-কথা
কহন্ত ভক্ত সবত।
ৰামচৰণৰ বচনে মাধৱ
হৰিষ ভৈল মনত ॥৩৭॥
চাৰি দণ্ড মান কৃষ্ণ-কথা কই
আছন্ত আনন্দে আতি।
বুলিল মাধৱ- -দেৱে অনন্তৰে
ৰামচৰণক মাতি ॥৩৮॥
আনো কথা সাৰ দোপাটি চাদৰি
দিয়া আছো জানা মই।
তোকে দেওঁ পিন্ধা -উড়া বুঢ়া বস্ত্ৰ
মনত মানিবি তই ॥৩৯॥
আন সেৱা কৰে মমাকো আমিয়ো
সেবা কৰো সৰ্ব্বক্ষণে ॥
ভাল বস্ত্ৰখানি নেদেন্ত শুনিয়া
বোলন্ত ৰামচৰণে ॥৪০॥

—ৰামচৰণক আশ্বাস—

ভাল বুজি আছোঁ মই এহি মান
বস্ত্ৰ আশা কৰি মনে।
তোমাঠৈৰ সঙ্গ লৈয়া আছো শুনি
মাধৱে বোলা তেখনে ॥৪১॥
জানা সিটো বস্তু বিনাশী সমস্তে
যিটো বস্তু দিবো তোক।

ইহ পৰলোকে　　এৰিবাৰ নুহি
যি বস্তু শঙ্কৰে মোক ॥৪২॥
দিলা সেহি বস্তু　　মোৰ আশীৰ্ব্বাদ
ৰহোক দিলো তোমাত।
হেন শুনি ৰাম-　　চৰণে উঠিয়া
কৰিলন্ত প্ৰণিপাত ॥৪৩॥
দুই হাতে শিৰ　　পৰশি মাধৱ-
-দেৱে যে তাঙ্ক তুলিলা।
আন ভক্ত সবে　　ৰাম চৰণক
যথাযোগ্য সাদৰিলা ॥৪৪॥
শুনিয়োক লোক　　নু দুষিবা মোক
কথা আগ পাছ দেখি।
যেখন যি কথা　　মনত পৰয়
তেখনে তাহাক লেখি ॥৪৫॥
আৰো কত কত　　ন পৰে মনত
ন ধৰিবা ইটো দোষ।
কহয় দৈত্যাৰি　　কৰা উচ্চ কৰি
শঙ্কৰ মাধৱ ঘোষ ॥৪৬॥

---

# সপ্ত ষষ্টি অধ্যায়

—শিষ্যক উপদেশ দান—

আত অনন্তৰে আৰো সাধুসব যত।
শুনা কহোঁ একদিনা ভৈল যেন মত ॥

—হঠযোগীক নিন্দা—

আসিল আসনধৰা গোটেক মানুষ।
নানা ছন্দ বন্ধ ধৰৈ দেখায়া পৌৰুষ ॥১॥
কতো কতো ভক্তে তাক চাহিবাক গৈল।
দেখি দেৱ মাধৱে মাতিবে খঙ্গ ভৈল ॥
আকে দেখি মন ৰাখিবাক ন পাৰিলা।
ছৱালৰ মতে সবে উঠি লৰ দিলা ॥২॥
যি সব খিড়ালি জন্ম দেখা আছে শুই।
আপোনাৰ মাৰ্গক চেলেকে নিজ মুই ॥
অভ্যাসৰ কৰ্ম্ম ই আশ্চৰ্য্য আত কিবা।
কৰিলি অভ্যাস আতো অধিক পাৰিবা ॥৩॥
যিটো যিটো ভক্ত সব গৈলন্ত চাহিবে।
গোঁসাইৰ ঘৰক তাৰ নলাগে আসিবে ॥
এহি বুলি ভকত সবক খঙ্গিলন্ত।
আট আট দিন মানে নাম ধৰাইলন্ত ॥৪॥
আটদিন অন্তৰে লঘোন উপবাস।
দিয়াই তেবে দিলা ঠাই কৰিয়া আশ্বাস ॥

বুজিলাহা সাধুসব কথাৰ আশয়।
আসন ধৰাক চাহিলেক ভক্তচয় ॥৫॥
তাকে ন সহিলন্ত মাধৱদেৱে দেখা।
আমি যি কৰোহোঁ দোষৰ কোন লেখা ॥
এহি জানি আপোনাক হৈবা সাৱধান।
শুনা আতপৰে কথা ভৈল যেন ঠান ॥৬॥

## —মুক্তিৰ উপায়—

সমস্ত ভকত সবে আলোচি দিনেক।
এক কথা মাধৱদেৱত পুছিলেক ॥
ব্ৰহ্মাৰ আগত শ্ৰীপুৰুষোত্তমে যিটো।
ধৰ্ম্ম কৈল যদুকুলে অৱতৰি সিটো ॥৭॥
ধৰ্ম্ম কহিলন্ত উদ্ধৱত ভগৱন্ত।
সেহি পূৰ্ণ কৃষ্ণ ৰূপ শঙ্কৰ ভৈলন্ত ॥
সেহি মহা শুদ্ধধৰ্ম্ম বিদিত কৰিল।
সেহি দেৱ ধৰ্ম্মগুৰু সমস্তে মিলিল ॥৮॥
তেখনে মুকুত দুই দণ্ডতো হোৱয়।
এবে যদি ভক্তি কুড়ি বৎসৰো কৰয়।
তথাপি মুকুত কিয় নে দেখি হৈবাৰ।
কহিয়োক বাপ তুমি কাৰণ ইহাৰ ॥৯॥
শুনি দেৱ মাধৱে তাৰাক প্ৰশংসিলা।
সাধু সাধু তোৰা ভাল কথাক পুছিলা ॥
মই আৰ সিদ্ধান্ত দিবোহোঁ তোমাসাক।

পুছো এক কথা তোৰা সব কৈয়ো তাক ॥১১
কৰা ভক্তি শাস্ত্ৰৰ গুৰুৰ কিবা তলে।
কৈয়ো কিবা কৰা তলে মনৰ কেৱলে ॥
নাৰায়ণ ঠাকুৰে হেন শুনিয়া বুলিল।
নলাগয় আৰ লাজ কৰিবে বুজিল ॥১১॥
জোণ্ডা পশবাই লাজ হৈবে ন লাগয়।
হেন শুনি বুলিলন্ত ভক্ত সমস্তয় ॥
এহেঁ বুজিলন্ত বাপ নতু বুজো আমি।
আমাক বুজাই আবে কহিয়োক তুমি ॥১২॥

**—মনৰ অৱস্থা—**

বোলন্ত মাধৱদেৱে গুৰুৰ শাস্ত্ৰৰ।
তলত কৰিয়ো ভক্তি তেবেসে সত্বৰ ॥
মুকুত হোৱয় যদি মনৰ তলত।
কৰে ভক্তি, নুহি মুক্তি বিস্তৰ কালত ॥১৩॥
তুমি সব কৰা ভক্তি মনৰ তলত।
কেন মতে মুক্ত হৈবা অচিৰ কালত ॥
মনতেসে হন্তে হোৱে জীৱৰ সংহাৰ।
সেহিতো মনৰ সঙ্গ লোৱা পুনৰ্ব্বাৰ ॥১৪॥
মহা শত্ৰু মন সবে তাৰ সঙ্গ লোৱা।
কেন মতে মুকুত হৈবাক আবে চোৱা ॥
দুৰ্জ্জন মনৰ সঙ্গ এৰি পুনু যেবে।
কৰা ভক্তি দুয়োমু দণ্ডে ক্তহৈবা তেবে ॥১৫॥

**—স্থান এৰিলে দুঃখ নেৰে—**

অনৰ্থৰ কাৰণ মনৰ সঙ্গ যাৰে।
নেৰা মানে জানিবা নপাইবা মোক্ষ তাৰে॥
শুনা আতপৰে যেন সম্বাদ মিলিল।
মেঘ ছৰালিয়া নামে জনেক আছিল॥১৬॥
মাধৱদেৱক নমস্কাৰ কৰি যাই।
দক্ষিণ কূলক যাই কৈলন্ত বিদায়॥
মাধৱে বোলন্ত কিয় যাইবা দক্ষিণ কূলে।
আবে ঐত বৰ দুঃখ পাইবো সিটো বোলে॥১৭॥
বোলন্ত মাধৱদেৱে সজ সজ যাইবে।
লাগয় পাৰিত যৈত দুঃখক এৰাৱে॥
কিন্তু লোহিতৰ পাৰ যেতিক্ষণে হৈবা।
সেহি পাৰে শৰীৰ ছায়াক এৰি যাইবা॥১৮॥
সিটো বোলে ছায়া এৰি যাইবোঁ কেনমতে।
শৰীৰৰ ছায়া যাই আপুনি লগতে॥
মাধৱে বোলন্ত ছায়া এৰণ ন যায়
সেহি মতে দুঃখ সুখ এৰাএৰি নায়॥১৯॥
ঐৰ পৰা তৈকে যাইবা দুঃখ এৰাইবাক।
প্ৰাৰব্ধ ভোগক তুমি দিয়া যাইবা কাক॥
আপোনাৰ সুখ দুঃখ ভুঞ্জিলেসে ক্ষয়।
আন মতে তাঙ্ক এৰাইবাক ন পাৰয়॥২০॥
তথাপিতো যায়ো কিবা পাৰি এৰাইবে।
দক্ষিণ কূলক গৈলা প্ৰণামিয়া তেবে॥

শুনা সাধুজন কথা আত অনন্তৰ।
বৰ দেৱানীয়া নামে এক দামোদৰ ॥২১॥

## —নিৰ্ব্বিকল্প দামোদৰ—

ভাৰ্য্যা সমে আইল তিন শত টকা লই।
শুনে কৃষ্ণ-কথা মাধৱৰ সঙ্গে ৰই॥
মাধৱদেৱক গুৰু মানি সিটো জন।
কৃষ্ণৰ অভয় পদে লৈয়াছে শৰণ ॥২২॥
খাসাৰ কাপৰ বিনে আন নিপিন্ধয়।
গুৱা পান দধি দুধ খাই অভ্যুদয়॥
লোণ তেল অন্ন বস্ত্ৰে একৈক মাসতে।
সাত সাত টকা তাৰ যাই খৰছাতে ॥২৩॥
বছৰ তিনি চাৰি শুনে কৃষ্ণ কথা।
পুছন্ত মাধৱদেৱে একদিন তথা॥
বহুত ভগন তযু দেখোঁ দামোদৰ।
কতগুটি টকা আছে কহিয়ো সত্বৰ ॥২৪॥
সিয়ো বোলে তিনিশত টকা লৈয়া আইলো।
সাতখানি টকা আছে আৰ সব খাইলোঁ॥
বোলন্ত মাধৱে কতদিন কুলাই ঝাণ্টে।
কৈয়ো সিটো বোলে এক মাস মাত্ৰ আণ্টে ॥২৫॥
মাধৱে বোলন্ত এক মাস আকে খাইবা।
একমাস অন্তৰে পাছত কি কৰিবা॥
সিটো বোলে আকে খাইবো আয়ু আটে যেবে।

পাছ কালে জীবাৰ উপায় পাইবো তেবে ॥২৬॥
যদি আয়ু নাটয় আকে বা খাইবে কোনে।
এহি বুলি ন মাতি ৰহিল সিটো জনে ॥
তিনি গুটি টকা তাৰে ভাঙ্গিয়া খাইলেক।
শুনা তাত পাছে সিটো যেন কৰিলেক ॥২৭॥
ভাৰ্য্যাৰ ভ্ৰাতৃক তাৰ মাতিয়া আনিল।
লোক বিদ্যমানে ভাৰ্য্যা তাকে এৰি দিল ॥
গুৱা পান খাইবে বুলি মাধৱদেৱক।
দিলা দুই টকা পাছে দুই ভকতক ॥২৮॥
বোলন্ত মাধৱে দামোদৰ কি কৰিলা।
সাতগুটি টকাৰে চাৰিটি আনি দিলা ॥
দামোদৰে বোলে তিনি টকা ভাঙ্গি খাইলো।
চাৰি টকা ভক্ত সমে তোমাঠৈক দিলো ॥২৯॥

—মৰণৰ আগ-জাননী—

পৰশুই দেড়পৰ বেলি ভৈলে জান।
পৰিবে শৰীৰ আতা পাইল পৰমাণ ॥
তাৰ বচনক সবে আপেক্ষি আছয়।
আউৰ দিনা মাধৱক প্ৰণামি কহয় ॥৩০॥
তেজিবো শৰীৰ আতা দিয়োক বিদায়।
ভক্তক প্ৰণাম কৰিলেক পাছে যায়।
স্নান কৰি সিটো পাটি পাৰিয়া বসিল।
ডাক ছাড়ি ৰামকৃষ্ণ বুলিবে লাগিল ॥৩১॥

শিহৰি শৰীৰ বহে নয়নৰ নীৰ ।
ৰামকৃষ্ণ নাম স্মৰি তেজিলা শৰীৰ ॥
সমস্তে বিস্ময় মনে মানিল দেখিয়া ।
কৰিলা হৰিষ দেৱ মাধৱে শুনিয়া ॥৩২॥

—হৰিচৰণৰ খড়িমাটি—

আত অনন্তৰে কথা শুনা সাধুজন ।
গৈল হৰিচৰণ ঠাকুৰ এক দিন ।
মাধৱদেৱৰ তৈকে আনন্দিত মন ।
কৃষ্ণ-কথা ৰসে আছিলন্ত কতোক্ষণ ॥৩৩॥
অনন্তৰে গৃহ যাইবে মনে লৰি গৈলা ।
মাধৱদেৱৰ গৈয়া ঘৰে প্ৰবেশিলা ॥
আনাইলন্ত খড়িমাটি অনেক যতনে ।
গোঁসাইৰ ঘৰক চিত্ৰ কৰাইবাক মনে ॥৩৪॥
দেখি হৰিচৰণ ঠাকুৰে হাতে লৈলা ।
ভাল এক ডোখৰ ঘৰক লৈয়া গৈলা ॥
মনপুৰে দেখি হাক বিস্তৰ দিলন্ত ।
আতা খঙ্গিবন্ত বুলি, তথাপি নিলন্ত ॥৩৫॥
মাধৱদেৱত পাছে কৈলা মনপুৰে ।
খাড় মাটি নিলা হৰিচৰণ ঠাকুৰে ॥
তাসম্বাৰ চিত্ত দেখি মাধৱে খঙ্গিয়া ।
বোলন্ত এখন কহ আগে মাটি দিয়া ॥৩৬॥
মনপুৰে বোলে নেদো' আমি কিয় দিম ।

হাক দিলো তভো নেন্ত আমি কি কৰিম ॥
বোলন্ত মাধৱদেৱে নিদিলে তোমৰা।
আপুনিয়ে খড়ি মাটি নিবে তেহেঁ পাৰা ॥৩৭॥
মনপুৰে বোলে ন পতিয়ান্ত তোমৰা।
নেনা বুলি হাক দিলো কতবা আমৰা ॥
তথাপি নিলন্ত তাঙ্ক কি কৰিম কৈয়ো।
খঙ্গিয়া মাধৱদেৱে বোলন্ত শুনিয়ো ॥৩৮॥
আক লাগি আসি আছে আন কাম নাই।
খড়িমাটি নিয়া তেঁহে উৰুৱাইবে ছাই ॥
এহিমতে মাধৱদেৱে বিস্তৰ বুলিল।
মনৰ কথাক তান কেহোঁ নু বুজিল ॥৩৯॥
খঙ্গিলন্ত আত মাটী নিবাৰ কাৰণে।
সমস্ত ভকতে এহি মানিলন্ত মনে ॥
পাছে কতোক্ষণে দেৱ মাধৱ বোলন্ত।
আকো কহ মাটী হৰিচৰণে নিলন্ত ॥৪০॥
বৰ বস্তু নিলা খড়িমাটী ডোখৰেক।
আকো ন সহিল আৰ কিবা সহিবেক ॥
আৰো বোলে হাক দিলো তথাপিতো নিল।
আৰো বুলিবাক লাগি কি চাই ৰহিল ॥৪১॥
যদি হৰিচৰণে সৰ্ব্বস্ব নেই সবে।
আছে তাঙ্ক আমাৰ উত্তৰ কিবা দিবে ॥
আমাকে যদ্যপি নেন্ত মনে ন লাগয়।
তেবে বা আমাৰ কিবা উত্তৰ আছয় ॥৪২॥

## —গুৰুপুত্ৰৰ প্ৰতি ভক্তি—

অধিকাৰী নুহিকন্ত তেঁহে কি আমাৰ ।
আমি কি অধীন তান নুহিকহোঁ আৰ ॥
কিন্তু আমি যিবা কৰো তাৰাৰেসে কাম ।
কৰ্ত্তা মাত্ৰ আমি সবে তাৰাৰ সকাম ॥৪৩॥
নিলন্ত নিতান্ত তানে বস্তু সমস্তয় ।
হৰিচৰণক হাক দিবে যোগ্য নয় ॥
শুনিয়া বিস্ময় ভৈল লোক সমস্তয় ।
বোলো কৰ জোৰে শুনা যত সাধু চয় ॥৪৪॥
মোক সম সংসাৰত নাহি মূঢ়মতি ।
কাকুতি মিনতি তুতি না জানো ভকতি ॥
কিন্তু এহিমান প্ৰাৰ্থো মহন্ত সবত ।
শঙ্কৰ মাধৱ মাত্ৰ সুমৰোঁ সতত ॥৪৫॥
তাৰা দুইৰ পদ পাম হৃদয়ত ধৰি ।
তাৰা দুইৰ চৰিত্ৰ কীৰ্ত্তন সদা কৰি ॥
শুনন্তে তাৰাৰ কথা যাউক মোৰ প্ৰাণ ।
এহিমানে প্ৰাৰ্থো মোক ন লাগয় আন ॥৪৬॥
পৰম গোপনী ইটো কথা স্বৰূপত ।
মহন্তৰ বাক্য কৰোঁ ইহাতে বেকত ॥
জানি মোৰ দোষ চয় কৰি পৰিহাৰ ।
শঙ্কৰ মাধৱ বুলি তৰিয়ো সংসাৰ ॥৪৭॥

———

# অষ্টষষ্টি অধ্যায়

—সৰ্ব্বজ্ঞ মাধৱদেৱ—

আত অনন্তৰ কথা মনোহৰ
শুনিয়োক সাধুজন।
সুন্দৰী দিয়াত আছিলন্ত ৰাম-
-দাস ভক্ত একজন ॥১॥
তাহানে বাৰীত আছিলা আঠিয়া-
-কল, ভাল বাছি নিয়া।
প্ৰতি একাদশী মাধৱদেৱক
একো আখা দেন্ত নিয়া ॥২॥

—পকাকল—

একবাৰ একা- -দশী আগ দিনা
সবে বাৰী বিচাৰিলা।
আছয় পূৰঠ কল পকা নাই
বাৰীত সবে দেখিলা ॥৩॥
আউৰ দিন শুদা হাতে গৈলা তেহেঁ
মাধৱদেৱৰ ঠাই।
কল নিবে দেৱে মাধৱে নে দেখি
পুছিলন্ত তাঙ্ক চাই ॥৪॥
কিবা বোল ওবা পানবাৰীৰ-পো

আঠিয়া কল নানিলা।
পকা কল নাই বুলি ৰামদাসে
মাধৱ দেৱত কৈলা ॥৫॥
শুনিয়া মাধৱে বোলন্ত উৎসৱে
বাৰীত চাহিয়ো গৈয়া।
তেহে বোলা বাপ নতু পকে কল
আছোহোঁ কালি চাগিয়া ॥৬॥
মাধৱে শুনিয়া বোলন্ত হাসিয়া
পানবাৰীৰ পো যায়ো।
ঘৰৰ পাছত চাল ওপৰত
পকি আছে কল চায়ো ॥৭॥
শুনি ৰামদাস- -বুঢ়া লাসে লাসে
গৈয়া দেখিলন্ত পাছে।
পাছে চাল উপ- -ৰত একচৰ
বৰ কল পকি আছে ॥৮॥
ৰামদাসে পাৰি এক আখা ধৰি
মাধৱৰ থানে গৈলা,
আগে কল থৈয়া প্ৰণাম কৰিয়া
একপাশে বসি ৰৈলা ॥৯॥
দেখিয়া মাধৱ- -দেৱে বুলিলন্ত
কি বোলা পকি আছয়।
কল নাহি পকা বুলিয়া আমাক
ভাণ্ডিলা আগে নিশ্চয় ॥১০॥

শুনি ৰামদাসে বুলিলা উৎসৱে
তোমৰা যাতো ঈশ্বৰ।
বাজে অভ্যন্তৰে অন্তৰ্য্যামী ৰূপে
জানি আছা নিৰন্তৰ ॥
কোন বস্তু ইটো আক দেখিবাহা
শ্ৰীবাস আতৈ শুনিয়া
থাক থাক আতা আশ্চৰ্য্য নাহিক
ৰহিলা এহি বুলিয়া ॥১২॥

—চেনিৰ শূন্য ভাণ্ড—

ইকি মনুষ্যৰ কৰ্ম্ম জানা বাপু
আশ্চৰ্য্য মানিবা মনে।
আৰো মাধৱৰ সৰ্ব্বজ্ঞ গুণক
শুনিয়োক সৰ্ব্বজনে ॥১৩॥
একদিনা চিনি পাগি দিল আনি
মাধৱদেৱৰ ঠাই।
চেনিয়া বলাই পাতিলা ভৰাই
বুলিলা মাধৱে চাই ॥১৪॥
ভিতৰত আৰ জানিবাহা সাৰ
এক গোটা ঔৰ মান।
শূন্য হৈয়া আছে ভক্ত বোলে পাছে
কমনে পাইলা প্ৰমাণ ॥১৫॥
মাধৱে বোলন্ত চিনি গুছাই চোঁৱা
তেবে পাইবা হুই নুই।

চিনি গুছাই পাছে দেখে শূন্য আছে
ঔ গোট মান হুই ॥১৬॥
মাধৱদেৱত পূজিলা ভকতে
কি মতে আক জানিল।
পাগিলা যেখন চিনিক তেখন
প্ৰচণ্ড বায়ু বহিল ॥১৭॥
হুই নুই বলাই কহ মোৰ ঠাই
কহিল বলাই পাছে।
চিনি পাগিবাৰ বেলা হুই বাপ
প্ৰচণ্ড বায়ু বহিছে ॥১৮॥
মাধৱে বোলন্ত তাৰে পাক লাগি
ভিতৰে বায়ু বহিল।
সেহিসে কাৰণে ঔৰ গোট মানে
ভিতৰে শূন্য ৰহিল ॥১৯॥
শুনিয়া সমস্ত বিস্ময় মনত
আচৰিত ইটো কথা।
আত অনন্তৰ শুনা সাধু নৰ
আৰো বিপৰীত তথা ॥২০॥

—চেনি পাগত ৰিঘিনি—

একদিন চিনি পাগিবাক দিলা
চেনিয়া বলাইক মাতি।
মাধৱদেৱৰ বচনে বলাই

চিনি পাগিলন্ত ৰাতি ॥২১॥
খৰি এক কুৰা বঢ়া গৈল পোৰা
এতেকে চিনি দহিল।
দৃষ্টি দিব্য গুণে তেতিক্ষণ মনে
মাধৱদেৱে দেখিল ॥২২॥
দুইজন ভকত পাঞ্চিয়া পঠাইল
প্ৰভাতে বলাইৰ ঠাই।
ডহাইলন্ত চিনি গৈলন্ত পেলানি
কহিয়োক কথা যাই ॥২৩॥
আসয় বলাই দুই ভক্ত যাই
পথে একথান ভৈল।
কৈক যাহা বুলি বলাই পুছিল
পাছে তাৰা দুয়ো কৈল ॥২৪॥
পঠাইলা মাধব -দেৱে তযু ঠাই
বোলন্ত চিনি দহিল।
কহিয়োক যাই শুনিয়া বলাই
ভয়ে তধা দিয়া ৰৈল ॥২৫॥
পাছে বলাই যাই মাধৱৰ ঠাই
সকলো কথা কহিল।
খৰি এক কুৰা বঢ়া গৈল পোৰা
অন্য ভিতি মন দিল ॥২৬॥
নপাৰিলো পাগ থিত কৰিবাক
এতেকে চিনি দহিল।

দহিল দহিল কি কৰিবা বুলি
মাধৱদেৱ ৰহিল ॥২৭॥
আৰো বাৰ চিনি পাগিবে দিলন্ত
চেনিয়া বলাইক মাতি।
সমস্ত ভকত আনন্দ মনত
আশ্চৰ্য্য শুনিয়া আতি ॥২৮॥(১)
শুনা সাধুজন নেদিবা দূষণ
কথা বঢ়া টুটা দেখি।

(১) শ্ৰীৰাম আতৈ আৰু কক্কিলাৰ গুৰুৱে এদিন বৰপেটালৈ আহোঁতে মলিবাৰী নামৰ ঠাইত এজন মানুহে কুহিঁয়াৰ পেৰাইছে দেখা পাই গুৰুৰ কাৰণে গুড় নিবলৈ ইচ্ছা প্ৰকাশ কৰাত সেই মানুহজনে তেতিয়াই ৰস জ্বাল দি গুড় পঠিয়াই দিলে। মাধৱদেৱৰ আগত গুড় দি বুঢ়া শ্ৰীৰাম আতাই গুড় পওৱা সম্পৰ্কে তলতলিখা তত্ত্বগীতটো গালে—

দেহাই বোলে ভাই, শুনা মন ভাই
কহোঁ পৰমাৰ্থ সাৰ।
দেহা গান্ধীৰলী, ভীম মহাবলী
গুৰুসে বাঢ়ে আৰ ॥
ধৈৰ্য্য, ক্ষমা, তুষ্টি, কাটবি মাতৰি
জানিবা ডাঙৰি ভৈগা।
দশ ইন্দ্ৰিয়গণ, হৰি পৰায়ণ
পাক ফুৰাইবাক লৈলা ॥
বেদ শাস্ত্ৰ আৰ, বুলি কুহিঁয়াৰ
বিশ্বাসে ডাঙৰী ভাঙ্গে।
ৰাম-নাম ৰশি, বিশ্বাসে কলসী
গুৰু সেৱা থালি সঙ্গে ॥
হোৱয়ে বৈৰাগ্য, ইতো জ্বালি-গাত
কৃপায়ে অগণি ধাই।
দীৰ্ঘে থৰি মাৰে, শিখা জাকি ধৰে
থাকা সাৱধানে চাই ॥
কৰ্ম্ম মল নাই, মলক গুচাই
মুকুতি উতল দোল।
শ্ৰদ্ধা পুৰুষাৰ্থ, লাওখোলা অৰ্থ
ঘোলনি সন্তোষ পুৰ ॥
ছাতমাৰি বুলি, পিৰা পাৰা ঘালি
ঘোলনি সন্তোষ মতি।
চেনি চোৰা মিঠৈ, নানান ৰসৰ
কহিলো সবে যুগুতি ॥
ভকতক ভক্তি, ঈশ্বৰত ৰতি
ৰোমে অনুৰাগ চড়ি।
নিৰ্ম্মল হৃদয়, কলসী ভৰাই
থৈয়োক আনন্দ কৰি।
মোক বুলি ধৰা, পুৰুষ উদ্ধাৰা
ছাড়া ভাষ ভূষ কাম।
মুখ ভৰি ভৰি,—বোলা হৰি-হৰি
কহিলো মূঢ় শ্ৰীৰাম ॥

যিমান মনত পৰে স্বৰূপত
সেহি মান আসি লেখি ॥২৯॥
আৰো আত ভ্ৰান্তি আশয় আশক্তি
প্ৰমাদ এচাৰি দোষ।
আতো থাকি আন আসে মহাজন
ন কৰিবা অসন্তোষ ॥৩০॥
আৰো মই অল্প— —মতি শিশু প্ৰায়
জানিয়া মহন্ত সবে।
মাধৱ শঙ্কৰ বোলা নিৰন্তৰ
বৈকুণ্ঠক যাইবা যেবে ॥

# উনসপ্ততি অধ্যায়

## —ৰঘূদেৱ ৰজাৰ নিগ্ৰহ (১)—

আছন্ত মাধৱদেৱ বৰপেটা থানে।
এককালে যেন ভৈল শুনা সাৱধানে ॥
দিনেক মাধৱদেৱ বসিয়া আছন্ত।

(১) ৰঘুদেৱ ৰজাই মাধৱদেৱক ধৰি আনা সম্পৰ্কে ৰামচৰণ ঠাকুৰৰ শঙ্কৰচৰিতত (ষষ্ঠ খণ্ড—৩৯৭৬—৯৮২ পদত) বহলাই লিখা আছে। ৰঘূদেৱ— চিলাৰায় দেৱানৰ পুত্ৰ। পিতাৰ মৃত্যুৰ পিচত সঙ্কোষ নৈৰ পূব অঞ্চলৈ আহি বেলেগ ভাৱেৰে থাকে আৰু ১৫৮৭ খৃষ্টাব্দত নৰনাৰায়ণৰ মৃত্যুৰ পিচত স্বাধীনতা ঘোষণা কৰি নিজৰ নামত মুদ্ৰা প্ৰচলন কৰে। ১৬০৩ খৃষ্টাব্দত ঘাতকৰ হাতত তেওঁ নিহত হয়।

প্ৰভাত সময়ে সৱে ভক্তক কহন্ত ॥১॥
আজি বাম অঙ্গ সব আমাৰ ফন্দয় ।
কিছুমান উতপাত হৈবাক লাগয় ॥
সেহি দিনা সুৰানন্দ আসিয়া পাইলেক ।
সি সব সকলে কথা কহিবো প্ৰত্যেক ॥২॥

## —ব্ৰাহ্মণৰ গোচৰ—

অনেক ব্ৰাহ্মণ সবে কৰি আলোচন ।
ৰঘুদেৱ ৰাজাত লগাইল বিপ্ৰগণ ॥
শূদ্ৰ এক গোট আছে মাধৱ নামত ।
অনাচাৰ কৰি নষ্ট কৰিলে জগত ॥৩॥
শুনি ৰঘুদেৱ ৰাজা ক্ৰোধত জ্বলিল ।
নিবে মাধৱক সুৰানন্দক পাঞ্চিল ॥
বাচড়ি খানত সুৰানন্দ চড়ি আসি ।
চপাইলেক নাৱ সিটো ঘাটত হৰিষি ॥৪॥
এক দুই কৰি লোক ভালে গুটি ভৈল ।
ৰূপাবৰ লস্কৰ তৈকে লাগি গৈল ॥
তাঙ্ক দেখি সিটো আৱ আৱ ভায়া বুলি ।
কহিলেক কথা তাঙ্ক আসনত তুলি ॥ ॥
হাজোক পাণ্ডুক লাগি কৰিলো বিদায় ।
এহিমানে মহাজন সব খেদি যায় ॥
ৰহিবাক নুহোঁ ভায়া শীঘ্ৰ কৰি যাই ।
মহন্তক দেখি ঝাণ্টে চলিবাক চাই ॥৬॥

শুনিয়া লস্কৰ মাধৱত কহিলেক।
অসিছে ৰাজাৰ ছাৱলিয়া দেখিবাক।
মাধৱে বোলন্ত ফুল চন্দন কৰিয়ো।
কল চিৰা গুৱা পান সকালে সাজিয়ো ॥৭॥
একজোৰা ভূনি ফোটা দিবোহোঁ পাৰৈ।
গোসাঞিঁৰ ঘৰক মাতি আনিয়ো সত্বৰ ॥
ৰূপাবৰ লস্কৰে মাতিয়া আনিলেক।
সুৰানন্দ আসি গোসাঁই ঘৰে বসিলেক ॥৮॥
অনন্তৰে তৈকে লাগি মাধৱ আসিলা।
মাধৱদেৱক দেখি তেখনে উঠিলা ॥
গলে বস্ত্ৰ দিয়া দূৰে থাকি প্ৰণমিলা ॥
তাকো আশীৰ্ব্বাদ দেৱ মাধৱে কৰিলা ॥৯॥
মাধৱে বসিলে সিটো পুনুহোঁ বসিল।
ছদ্ম ৰূপে কথা কৈল পূৰ্ব্বে যে কহিল ॥
নাম লৈয়োক ভকত সকলে সিটো বোলে।
দেখি থাকি আমৰা পৰম কৌতুহলে ॥১০॥
শুনি ভক্ত সবে নাম গাইবাক লাগিল।
বাসা এৰি এৰি ভক্ত সমস্তে আসিল ॥
সবে ভক্ত আসি যেবে নাম গাইবে লৈল।
শুনা সুৰানন্দে পাছে যেন কৰ্ম্ম কৈল ॥১১॥

—ভকতৰ ঘৰ লুট—

আগে বুলি পাছে সিটো সমস্ত লোকক।
নাম লৈতে লুৰি নিবে ভক্তৰ ঘৰক ॥

দুয়ো দুৱাৰত কড়া পাটক মাৰিল।
গলে বস্ত্ৰ দিয়া সিটো তেখনে উঠিল ॥১২॥
বুলিবে লাগিল বাক্য নিৰেখি তলক।
নপাৰে সমুখে চাহিবাক মাধৱক ॥
বোলে ৰাজ-আজ্ঞা আতা লাগৈ উঠিবাক।
আৰো ৰাজ-আজ্ঞা হুয়া আছে বান্ধিবাক ॥১৩॥

—ভকত বন্দী—

এহি বুলি মনুষ্যক চক্ষু ঠাৰ দিল।
পিঠি হাত কৰি ভক্ত সবক বান্ধিল ॥
মাধৱদেৱক বোলে দোষ ন ধৰিয়ো।
ৰাজ-আজ্ঞা মানি হাত এঠাই কৰিয়ো ॥১৪॥

—বন্দী মাধৱদেৱ—

শুনি হাত একঠাই মাধৱে কৰিলা।
মাথা বান্ধাখান হাত উপৰত দিলা ॥
থিৰ হুয়া বোলে এক হাজাৰ ৰাজাই।
টকা খুজি আছে বাপ তোমাঠৈৰ ঠাই ॥১৫॥
উদাসীন সবে এক হাজাৰ দিবেক।
বুলিলা মাধৱদেৱে শুনিয়া এতেক ॥
একোটা মোহৰ ৰাজা দিয়া নাহিকয়।
সাউদ হৈয়া কোঠ বন্দী নাৱক বাৱয় ॥১৬॥
যদ্যপি ৰাজাক জানা ধনেসে নাটয় ॥
তভো মাগি যাচি দিবো ৰাজাক লাগয়।

মই হো বান্দৰ তই বন্দিয়াৰ হুয়োক
গলে ডোল লগাই ঘৰে ঘৰে ফুৰাও মোক ॥১৭॥
হাতৰ কাপৰ গুচাই বসিবে বুলিল।
মাধৱে বসিল সিটো আপুনো বুসিল ॥
মনুষ্যক বোলে বান্ধ মেল ভকতৰ।
মেলিলেক বান্ধ পাছে ভকত সবৰ ॥১৮॥
কতোক্ষণে গোসাইৰ ঘৰক বাহিৰায়।
মাধৱ সহিতে চতালক বসি যায় ॥
ভকত সবক গোসাই ঘৰত ৰাখিল।
ৰাখিবাক লাগি চাৰি মুনিষক দিল ॥১৯॥
দণ্ড চাৰি নিশা যাই দেখি সিটো জন।
মাধৱদেৱক বোলে কৰিয়ো ভোজন ॥
বোলন্ত মাধৱে মোৰ ৰান্ধনী আছয়।
বন্দীত ভোজন মোৰ কেন মতে হয় ॥৩০॥
লোটা আছে মুদত ভোজন কেনে হৈবে।
সিটো বোলে ৰান্ধনীৰ নাম কোৱা তেবে ॥
লোটা দেউক বাজ কৰি ৰান্ধনী সহিত।
শুনিয়া মাধৱদেৱে বলিলা তহিত ॥২১॥
নাম ৰামচৰণ ভাগিন সম্বন্ধত।
দিল বাজ কৰি তাঙ্ক শুনি হেন মত ॥
পঠাইলন্ত ৰান্ধিবাক ৰামচৰণক।
গৈলন্ত ৰান্ধিবে এক তান্তিৰ ঘৰক ॥২২॥
মাধৱ দেৱৰ ঘৰে মুদ দিয়া আছে।

মুৰাৰী দাসৰ ঘৰে ৰাখিলন্ত পাছে ॥
ভাত ভৈলে মাধৱদেৱক মাতি নিল।
চাৰি মেচ ৰথীয়া লগত তান দিল ॥২৩॥
চাৰি মেচ চতালত বসিয়া ৰহিল।
ভিতৰে মাধৱদেৱে ভোজন কৰিল ॥
কৰিবে ভোজনৰ ৰামচৰণে ন পাৰিল।
দেখা দিবে ন লাগয় মাধৱে বুলিল ॥২৪॥
মনে তোৰ ভয় ভৈল জানিলোহোঁ মই।
মই যাওঁ মেচ সমে ঘৰে চল তই ॥
মেচ সমে এহিমতে মাধৱদেৱ গৈলা।
সুৰানন্দ যৈতে আছে তৈতে গৈয়া ৰৈলা ॥২৫॥
মাধৱদেৱক ভাত খাইবাক পঠাই।
আপুনি গোসাইৰ ঘৰে ৰৈলা সিটো যাই ॥
ৰজনী প্ৰভাতে উঠি বাচড়িত চড়ি।
মাধৱদেৱক লৈয়া গৈলা শীঘ্ৰ কৰি ॥২৬॥

—ৰজাৰ আগত—

বিজয়পুৰক পায়া ৰজাত কহিলা।
বাখৰ ভাণ্ডাৰে ৰাখ ৰাজায়ে বুলিলা ॥
বাখৰ ভাণ্ডাৰে ৰাখিলন্ত মাধৱক।
সুৰানন্দ চলি গৈলা আপোন ঘৰক ॥২৭॥
কতোদিন তহিতে মাধৱদেৱ আছা।
শুনা সাধুজন যেন কথা ভৈল পাছা ॥

ব্ৰাহ্মণ সকলে বাদ কৰিবে ইচ্ছায়।
নানা শাস্ত্ৰ চয় তাৰা বিচাৰে সদায় ॥২৮॥

### —কাৰাগাৰত পাশাখেলা—

মহাৰঙ্গে খেলাইলা গোপালে সহিতে।
পাশাখেলাই থাকন্ত মাধৱদেৱে নিতে ॥
যদুমণি ভাণ্ডাৰী বোলন্ত আতাইস।
দিন গোট্ কিবা পাশা খেলাই থাকস ॥২৯॥
ব্ৰাহ্মণ সকলে বোলে বসি ঠাই ঠাই।
ই শাস্তৰ সি শাস্তৰ বিচাৰে সদাই ॥
খানেক শাস্তৰ তই না চায় বসিয়া।
শুনিয়া মাধৱদেৱে বোলন্ত হাসিয়া ॥৩০॥
ব্ৰাহ্মণ সকলে কি চাই যদুমণি।
আৰো বাৰ চাঞ কৰা আমি থাকো শুনি ॥
যদুমণি বাক্য শুনি মনত উৎসৱ।
নাহি চিন্তা হাসি হাসি বোলন্ত মাধৱ ॥৩১॥
বিচাৰোক শাস্ত্ৰক ব্ৰাহ্মণ নিৰন্তৰে।
ভাল কৰে ন জানাসা মোৰ কাম কৰে ॥
তাসম্বাৰে উত্তৰ মোৰ মুখতে বজাইবে।
তাৰা শাস্ত্ৰ চাউক মোৰন ন লাগে চাহিবে ॥৩২॥

### —বাগীশ ভট্টাচাৰ্য্যৰ সতৰ্কবাণী—

এহি বুলি হাসিয়া মাধৱদেৱে বৈলা।
শুনা পাছে ব্ৰাহ্মণ সকলে যেন কৈলা ॥

বাগীশ ভট্টাচাৰ্য্য নামে জনেক ব্ৰাহ্মণ ।
সবে ব্ৰাহ্মনক চাই বুলিলা বচন ॥৩৩॥
আৰ পাপী সব কি কৰিবাক চোৱা ।
মাধৱক জোকাবাহা আছো নতু পোৱা ॥
হাণ্ডিৰোল বৰলক ডাণ্ডি দি জোঙ্কোহা ।
জ্বলন্ত অগ্নিক হাতে ধৰিবাক চাহা ॥৩৪॥
যত কৰোঁ সমস্তে মাৰ্গৰ যাইবে তলে ।
যাৰে নতু লাজ পোৱা গুছিয়ো সকালে ॥
এহি বুলি লাঠি ধৰি লাসে লাসে যাই ।
বুলিলন্ত ৰঘুদেৱ নৃপতিক চাই ॥৩৫॥
কৰোঁ পৰদেশ মোক দিয়োক বিদায় ।
কিসক ইবোল বোলা পুছিলা ৰাজাই ॥
তেঁহে বোলা বাদ কৰাইবাঁহা শূদ্ৰ সমে ।
জিনিলিয়ো যশ নাই দেখিয়ো প্ৰথমে ॥৩৬॥
হাৰিলিয়ো মহা লাজ শূদ্ৰৰ লগত ।
এতেকে প্ৰদেশঃ কৰোঁ কৈলো স্বৰূপত ॥
ৰাজা বোলে তোৰাৰ শিঙ্গায়ে ধৰধৰ ।
তোৰাৰ শিঙ্গায়ে পুনু বোলে এৰ এৰ ॥৩৭॥
অনাচাৰী মাধৱক তোৰায়ে বুলিলা ।
তোৰায়ে আমাত কৈয়া আগে অনাইলা ॥
এলা তোৰা বিদায় কৰিলস মোৰ ঠাই ।
শুনি বাগীশ ভট্টাচাৰ্য্য বুলিলা ভুনাই ॥৩৮॥
এহেঁ নুহি অনাচাৰী মাধৱ আনাৰ ।

শুনি আছোঁ তেহেঁ বৰ কৰে অনাচাৰে ॥
এহে মহা শুদ্ধ আহ্ম ন জানি আনিল।
শুনি ৰাজা পুনু সুৰানন্দক পাঞ্চিল ॥৩৯॥

—মুক্ত মাধৱদেৱ—

থৈয়ো নিয়া পুনু বৰপেটাত মাধৱ।
আনন্দে থাকোক কৰি হৰি মহোৎসৱ ॥
এহি কথা মাধৱদেৱে যে শুনিলন্ত।
উৰুত চাপড় মাৰি খেদ কৰিলন্ত ॥৪০॥
ছিঃ! মুৰ্খ ৰাজা ইটো একো ন জানয়।
ইহাৰ ৰাজ্যত জানা বঞ্চিবে লাগয় ॥
শূদ্ৰ সমে বাদ দোষ কোন শাস্ত্ৰে কয়।
এত মান ৰাজা ইটো আক ন জানয় ॥৪১॥
শঙ্কৰদেৱৰ পদ সেৱাৰ মহত।
নপাইলো নপাইলো মই কৰিবে বেকত ॥
ৰাজা বুজিলেক হন্তে ব্ৰাহ্মণ সবক।
তুলা যেন ধুনিলোহোঁ দেখায়া চমক ॥৪২॥
এহি বুলি ন মাতি মাধৱ ৰহিলন্ত।
অনন্তৰে ভাঙ্গামোথা থানক গৈলন্ত ॥
বসিয়া মাধৱ দুই দণ্ড আছিলন্ত।
কিছুমান ভোজন তহিত কৰিলন্ত ॥৪৩॥
অনন্তৰে সুৰানন্দ ডাকুয়া আসিল।
মাধৱদেৱক আপোনাৰ ঘৰে নিল ॥

তুতি ভক্তি কাকুতি কৰিল বহুতৰ ।
তাৰ বাপে মায়ে কৈলা কাকুতি বিস্তৰ ॥৪৪॥
বাপ মোৰ বেটাৰ দোষক মৰষিবা ।
তোমাৰ চৰণে বাপ আশীৰ্ব্বাদ দিবা ॥
মাধৱে বোলন্ত দোষ কৰি আছে কি ।
ৰাজা মোক যি বুলিল ন কৰিল নিকি ॥৪৫॥
এতেকে ইহাক মই কৰোঁ আশীৰ্ব্বাদ ।
চিৰকাল সুখে থাউক ন পাউক প্ৰমাদ ॥
শুনি সবান্ধৱে ভৈলা মহা ৰঙ্গ মন ।
সিটো বোলে বাপু কিছু কৰিয়ো ভোজন ॥৪৬॥
মাধৱে বোলন্ত আজি একাদশী দিনে ।
কৰিবো ভোজন আমি কিসক এখনে ॥
কৰয় কাকুতি সিটো এৰাইতে ন পাইল ।
ডোখৰ দুই মান তেবে কাঞ্চাকলা খাইল ॥৪৭॥

**—বৰপেটালৈ আগমন—**

থৈবাক লাগিয়া সিটো বাছড়ি আনিল ।
বাছড়িত নুঠি ছোট নাৱত উঠিল ॥
নিয়াছিলা ৰামচৰণে নাৱ একখানি ।
তাতে চড়ি বৰপেটা পাইল দিনা তিনি ॥৪৮॥
বৰপেটা পায়া মহা আনন্দে ৰহিল ।
সমস্ত লোকৰ বৰ হৰিষ মিলিল ॥
নিয়াছিল ভকতৰ লুটি বস্তু যত ।
সুৰানন্দে বিচাৰিয়া দিলন্ত সমস্ত ॥৪৯॥

## —সুন্দৰী দিয়ালৈ গমন—

ডেৰ মাস মাত্ৰ বৰপেটাত আছন্ত ।
এতেকতে আৰো এক কুবাৰ্ত্তা পাইলন্ত ॥
সেহি শিষ্য সমন্বিতে ধৰিয়া নিবেক ।
পুনৰপি ৰাজা সুৰানন্দে পাঞ্চিলেক ॥৫০॥
এহি কথা শুনি ভক্ত সমে আলোচিল ।
কাতি মাস ৰাতি সবে পলায়া আসিল ॥
সুন্দৰী দিয়াত ৰামচৰণৰ ঠাই ।
বাৰ ভক্ত সমে ৰাতি ৰহিলন্ত যাই ॥৫১॥
দেখি ৰামচৰণে পুছিলা মাধৱত ।
কিনো ভৈল কিয় নো কৰিলা হেন মত ॥
মাধৱে বোলন্ত নিন্দা পীড়া কৰে মোক ।
পাইবা সবে কথা ঠাই খানিক দিয়োক ॥৫২॥
বোলা ৰামচৰণে শুয়ো গোসাঁই ঘৰত ।
পাছে ঠাই দিবো নিৰ্জ্জন থানত ॥
গোসাঁইৰ ঘৰত দেৱ মাধৱ শুইলন্ত ।
পাছে ঘৰ ৰাতি ৰামচৰণে পতাইলন্ত ॥৫৩
লিপি পুছি অনেক পৱিত্ৰ কৰিলন্ত ।
প্ৰভাতে মাধৱদেৱ তহিক গৈলন্ত ॥
কহিলন্ত সবে কথা ৰামচৰণত ।
আছিলন্ত একমাস তাহাৰ ঘৰত ॥৫৪॥
বিজয়পুৰৰ হন্তে পাছে ভকত আইল ।
কিছু নাই মিছা কথা নিশ্চয় জানিল ॥

সুন্দৰী দিয়াত ৰৈবে নিশ্চয় কৰিলা।
ভকত সবক ঠাই জুখি জুখি দিলা ॥৫৫॥

**—সুন্দৰীদিয়া ত্যাগ—**

সেহি বেলা একজনে বচন বুলিল।
আৰবাৰ ঐত আসি বিঘিনি পৰিল ॥
বাহিৰ ভূমিক লাগি মাধৱ গৈছিলা।
বেৰ আৰে থাকি তাক আপুনি শুনিলা ॥৫৬॥
আসিয়া সমস্ত ভকতত পুছিলন্ত।
পুনু বৰপেটাক লাগিয়া সাজিলন্ত ॥
সেহি বেলা আসি পাইলা কাকত ৰাজাৰ।
বোলয় মাধৱ লাগে হাজোক যাইবাৰ ॥৫৭॥

**—ৰজাৰ নিমন্ত্ৰণত হাজো যাত্ৰা—**

মাধৱ যেমন শুদ্ধ ৰাজাই বোলয়।
মাধৱত শুদ্ধ থান তেমনে লাগয় ॥
এতেকে হাজোক যাউক ঐৰ পৰা উঠি।
হৰি সেৱা কৰিয়া থাকোক মহা তুষ্টি ॥৫৮॥
শুনিয়া মাধৱদেৱ হাজো লাগি যাই।
তিনি মাস নদীৰ বালিত আছা ৰই ॥
আঘোণ মাসত গৈলা ফাগুণ পাইলেক।
শুনা তাত পাছে কথা যিমত ভৈলেক ॥৫৯॥
হাজো গৈয়া আছন্ত মাধৱদেৱ যেবে।
তান থানে বহু লোক গই যাই তেবে ॥

হয়গ্ৰীব মাধৱৰ থানক ন যাই।
আসে যাই সদা লোক মাধৱৰ ঠাই ॥৬০॥
জীয়া-মাধৱ মৰা-মাধৱ নাম তুলিলেক।
দেখিয়া মাধৱদেৱে বুলিলা প্ৰত্যেক ॥
হাক দিবে লোকক নপাৰি আসিবাক।
আৰবাৰ জগৰেহে পাইলন্ত আমাক ॥৬১

---

# সপ্ততিতম অধ্যায়

**—মাধৱদেৱৰ বেহাৰ গমন—**

ব্ৰাহ্মণ সকলে ছিদ্ৰ চাৱৈ বাৰম্বাৰ।
ইদেশত জানা আমি ন থাকোহোঁ আৰ ॥
এহি বুলি বেহাৰক যাইবে সাজিলন্ত
নাৱে চৰি লৌহিতাত ভটিয়াই যান্ত ॥১॥

**—ৰামচৰণক বিদায়—**

অনন্তৰে মনদিয়াৰ ঘাটে ৰহিলন্ত।
পাছে ৰামচৰণক মাত পঠাইলন্ত ॥
তিন দিন পাছে ৰামচৰণ আসিলা।
দেখিয়া মাধৱে তাঙ্ক বচন বুলিলা ॥২॥
ভকতক দ্বেষ বোপা কৰে যি দেশত।

জানিবা না থাকি পাৰে মানে সিদেশত।
এতেকে আমৰা আৰো ন থাকোঁ ই ঠাই।
ৰেহাৰক যাওঁ তই থাকিবি বোপাই ॥৩॥
হেন শুনি ৰামচৰণে কান্দি বুলিলন্ত।
এতিখন আৰো একো কথা ন কৈলন্ত ॥
থানত থাকিয়া কহিলন্ত হন্তে যেবে।
দুই চাৰি যুগুতি কৰিলো হন্তে তেবে ॥৪॥
এখন আসিলা লৰি চাইবাক ইচ্ছাই।
আৰো এক যুগুতি বুলিবে আবে নাই ॥
কিন্তু মহাভাগ্য মিলি আছে বেহাৰৰ।
মিলিলা দুৰ্ভাগ্য কামৰূপীয়া লোকৰ ॥৫॥
এহি বুলি কান্দি ৰামচৰণ ৰহিল।
শুনা তাত পৰে যেন বৃত্তান্ত মিলিল ॥
মনপুৰ (১) নামে এক ভক্ত আছিলন্ত।
মাধৱদেৱক বহু সেৱা কৰিলন্ত ॥৬॥
হাজোক মাধবদেৱ গৈলন্ত যি বেলা।
মনপুৰা মাধৱদেৱৰ লগে গৈলা ॥
ভটিয়াই আসন্তেয়ো আসিল লগত।
শুনা কহোঁ তেঁহে যেন কৰিলা পাছত ॥৭॥

---

(১) মনপুৰ :—ভৱানীপুৰীয়া গোপাল দেৱৰ আপোন মোমায়েক। এওঁৰ পিতৃৰ নাম শঙ্কৰ। শ্ৰীশঙ্কৰদেৱে এওঁক পিতা শঙ্কৰ বুলি মাতিছিল। এই শঙ্কৰৰ ঘৰ বৰপেটাত আছিল।

**— মনপুৰক বিদায়—**

দিলা ৰামচৰণক মাধৱে বিদায় ।
মনপুৰো বিদায় কৰিলা পাছে যাই ॥
মই ৰহিবাক চাওঁ বাপ এহি বুলি ।
মাধৱক প্ৰণমি পাৱৰ লৈলা ধূলি ॥৮॥
শুনি দেৱ মাধৱ মনত গুণিলন্ত ।
যথাযোগ্য তাঙ্ক টকা কাপোৰ দিলন্ত ॥
বুলিয়া মধুৰ বাণী দিলন্ত বিদায় ।
মনপুৰো বোলা দেৱ-মাধৱক চাই ।

**—গাৰ পৰী কাসৰ দান—**

আতা মোক দিয়োক শিশিৰ পৰীখান ।
শুনিয়া মাধৱে বোলে শীঘ্ৰে তাক আন ॥
পৰী খান দুই দিয়ো তভো ইটো খানি ।
দিবে নপাৰিবো শুনি সিটো বোলে বাণী ॥১০॥
এইখন লাগে আন ন লাগয় মোক ।
মাধৱে বোলন্ত দুই পৰী দিয়ো তোক ॥
আৰো দশটকা দিওঁ তথাপি ইখন ।
নুখুজিবি মনপুৰে বোলয় বচন ॥১১॥
একশত টকা দিয়া খান দশ পৰী ।
আক ন লাগয় মোক ইটো খান এৰি ॥
মাধৱে বোলন্ত মই পৰদেশ যাওঁ ।
জাৰে শীতে পৰীখান উৰিবাক পাওঁ ॥১২॥

শুনি মনপুৰে লৈলা নিষ্ঠুৰ বুলিবে।
মোক পৰীখান দেন্তে দুঃখ পাইবা এবে॥
বৰ বস্তু খুজিলোহোঁ শিশিৰ পৰীখান।
আক দেন্তে এতিয়া পোৱা যে বৰ টান ॥১৩॥
মাধৱে বোলন্ত সেৱা বিস্তৰ কৰিলি।
এৰি যাইবে বেলা বোপা নিদাৰুণ ভৈলি॥
গাৱৰ চালক কাড়ি খোজস লৈবাক।
আনো ভক্তে মানা কৰি বুজাৱন্ত তাক ॥১৪॥
তথাপিতো সিটো আৰ ক্ষমা ন কৰিল।
গাৱ হন্তে খসায়া মাধৱদেৱে দিল॥
পৰী পায়া মনপুৰ হৰিষে চলিল।
সমস্ত ভকত সবে বিষাদ কৰিল ॥১৫॥
পৰীৰ মহিমা শুনা সভাসদ চয়।
পাটৰ পাছৰিখান যেন সেহি নয়॥
জাৰ কালে তাক উৰি থাকিবে পাৰয়।
তাৰ লগে আন আৰ বস্ত্ৰ ন লাগয় ॥১৬॥
বিষাদিত মনে ৰামচৰণ ৰৈলন্ত।
তাহাঙ্ক প্ৰবোধি চলি মাধৱ গৈলন্ত॥
অনন্তৰে ৰৈলা গৈয়া কুমাৰ-গাছিত।
কয়দিন মানে আতে আছিলা তহিত ॥১৭॥
ইগাৰ সিপাৰ লোক হুইবে ন পাৰয়।
ৰাজাই দুৱাৰ মানা কৰিয়া আছয়॥

**— ভৃগুগুৰুৰ সদাশয়তা—**

ভৃগুগুৰু নামে বিপ্ৰ জনেক আছিলা।
ইপাৰৰ পৰা পূব পাৰক আসিলা ॥১৮॥
আছন্ত মাধৱদেৱ কুমাৰ-গাছিত।
তেঁহে গৈয়া কথাবাৰ্ত্তা ভৈলন্ত তহিত ॥
মাধৱদেৱক নিবে কৰিয়া উপায়।
কহিলন্ত কথা গৈয়া চকিয়াৰ ঠাই ॥১৯॥
,আছে বুঢ়া শ্বশুৰ আমাৰ ঐত তাঙ্ক।
সি পাৰক নিবে চাওঁ কহিলোহোঁ আক ॥
চকিয়ানো বোলে কয়জন লাগে যাইবে।
ভৃগুগুৰু কহিলন্ত জনা পাঞ্চ হুইবে ॥২০॥
মই আৰ শ্বশুৰ এখানি ভাৰী জান।
দুইখানি দুলীয়া আৰৰ নাহি আন ॥
লোকে যেন ন জানয় বোলয় চকিয়া।
সকালে আসিয়া তেবে পাৰ কৰি নিয়া ॥২০॥
হেন শুনি ভৃগুগুৰু পাৰ হুয়া গৈলা।
দুজন দুলীয়া লৈয়া শীঘ্ৰে আসি ভৈলা।
কোন লগে যাইবা দেৱ মাধৱে পুছিলা।
মই যাইবোঁ যদুমণি প্ৰথমে বুলিলা ॥২২॥
মাধৱে বোলন্ত তই ডেকা যে ছৱালি।
ভাল মন্দ আছে কোন জনে লাগ পাইলি ॥
হেন শুনি যদুমণি বুলিলা বচন।
যদি তোমাঠৈৰ সঙ্গে য়াইবাৰ কাৰণ ॥২৩॥

কটা যাওঁ তথাপিতো সফল জীৱন।
লোকে বুলিবেক মোক প্ৰশংসা বচন ॥
মাধৱদেৱৰ ভাৰী যান্তে গৈল কাটা।
যদুমণি সাৰ্থক বিষ্ণুৰ মাজু বেটা ॥২৪॥
হেন শুনি মাধৱ হৰিষ মন ভৈলা।
লোৱা ভাৰ যদুমণি বুলিয়া চলিলা ॥
আতি ৰাতি গৈয়া সোন কোষ পাৰ ভৈলা।
প্ৰভাত সময়ে ভৃগুগুৰু থান পাইলা ॥২৫॥

## —ভেলা দুৱাৰত—

অনন্তৰে পাইলা যাই বেহাৰ মাধৱে।
ভেলা দুৱাৰত গৈয়া ৰহিলা উৎসৱে ॥
কান্দি ৰামচৰণ গৃহক আসিলন্ত।
সমস্ত লোকত এহি কথা কহিলন্ত ॥২৬॥
শুনি ভক্ত সব যত বিষাদ কৰিল।
আতি মন দুঃখ কৰি সমস্তে ৰহিল ॥
থিৰ মন কৰি শুনা সাধু সব যত।
কামৰূপৰ কথা আবে ভৈল সমাপত ॥২৭॥
আগপাছ দেখি ন কৰিবা অসন্তোষ।
যি কিছু ৰহিল তাতো ন ধৰিবা দোষ ॥
জানা শিশুমতি মই বুদ্ধিতো চঞ্চল।
বঢ়া টুটা দোষ আত ক্ষমিবা সকল ॥২৮॥

কিন্তু মহন্তৰ বাক্য পালি সাধু জন ।
কৰো তুয়ো ঈশ্বৰৰ চৰিত্ৰ বৰ্ণন ॥
ন কৰিবা নিন্দা বোলো কাৰ্পণ্য বচন ।
শঙ্কৰ মাধৱ বুলিয়োক সৰ্ব্ব জন ॥২৯॥

---

# একসপ্ততিতম অধ্যায়

—বেহাৰত অৱস্থান—

শুনা আতপৰে বেহাৰ নগৰে
মাধৱদেৱ আছন্ত ।
আসিলা বৈষ্ণৱ শুনিয়া উৎসৱ
ৰাজা প্ৰজা কৰিলন্ত ॥১॥
চাহিবাক প্ৰতি আসিলা উলটি
নগৰস্থ যত জন ।
মাধৱদেৱক দেখিল মাত্ৰকে
হৰষিত ভৈল মন ॥২॥
কৰয় প্ৰণাম আনন্দ পৰম
চৰণৰ ধূলি লৱে ।
সমস্ত লোকক সন্তোষি মনক
কহন্ত কথা মাধৱে ॥৩॥
শুনি লোক যত হৰিষ মনত
অমৃত যেন পীৱয় ।

এক চিত্ত মনে সাৱধানে শুনে
আনত চিত্ত নেদয় ॥৪॥

—মাধৱদেৱৰ ৰূপ—

প্ৰসন্ন বদন মধুৰ বচন
মুকুতা পান্তি দশন।
নাসা তিলফুল ভ্ৰুৱ ধনু তুল
আয়ত পদ্ম নয়ন ॥৫॥
হৃদয় বহল দীৰ্ঘ কম্বু গল
বাহু যুগ সুবলিত।
শিৰ ছত্ৰ প্ৰায় গৌৰবৰ্ণ কায়
পৰম কৰুণা চিত ॥৬॥
গমন গম্ভীৰ গজ গতি ধীৰ
পাৱ দুই সুকোমল।
শুক্ল বস্ত্ৰ গায় জ্বলয় সদায়
সুন্দৰ উৰু যুগল ॥৭॥
গহীন গম্ভীৰ গুণৰ মন্দিৰ
কহিবো মহিমা কত।
তান সঙ্গ পায়া শুদ্ধ ভৈল কায়া
আসি আছে লোক যত ॥৮॥
কোমল বচন শীতল লক্ষণ
মহা দয়াৱন্ত সন্ত।
বসিয়া হৰিষি কৰি অল্প হাসি
কৃষ্ণৰ কথা কহন্ত ॥৯॥

## —ৰাজপুৰুষ আৰু বিষয়াসকলৰ—

### —শৰণ গ্ৰহণ—

বীৰ নাৰায়ণ ৰাজাৰ কুমাৰ
ৰাজ মাৱ আই ধাই।
ৰাজাৰ মহিষী কুমৰ কুমাৰী
আন কতো কতো যাই ॥১০॥
মাধৱদেৱক গুৰু মানি সবে
কৃষ্ণত লৈলা শৰণ।
কহিবো কতেক শৰণ লৈলেক
আনো নগৰস্থ জন ॥১১॥
ডাক ডাকুৱা বৰ বৰুৱা
বিলাইতৰ লোক জন।
নাহি আদি অন্ত আসি অপৰ্য্যন্ত
কৃষ্ণত লৈল শৰণ ॥১২॥
কোচ মেচ লোক সবে এৰিলেক
পূৰ্ব্বৰ যত আচাৰ।
মাধৱদেৱৰ উপদেশ পায়া
ভৈল সবে সদাচাৰ ॥১৩॥
বীৰু কাৰ্য্যী নামে আছে একজন
ৰাজাৰ মূখ্য সেৱক।
ৰাজাৰ আগত প্ৰশংসা অনেক
কৰৈ সিটো মাধৱক ॥১৪॥
বোলয় মাধৱ মানুষ নোহয়

মাধৱ সেহি মাধৱ।
আনো নানা মত প্ৰশংসা কৰত
মনত মহা উৎসৱ ॥১৫॥
মাধৱদেৱৰো লগে বৰ প্ৰীতি
নম্ৰভাৱে কথা কয় ॥
কতোহোঁ দূৰত দেখিল মাত্ৰকে
ঘোৰাৰ পৰা নাময় ॥১৬॥
একদিন আই -ধাই বোলে আতা
কৰাওঁ আগ ৰাজাৰ।
বোলা বীৰুকাৰ্য্যী সহায় ন মাগৈ
ৰাজাৰ আগ হৈবাৰ ॥১৭॥
শুনি আই ধাই বুলিলা দুনাই
মাধৱদেৱৰ আগে।
কিয় বোলা বাপ ৰাজাৰ আগ যে
হুয়া থাকিবাক লাগে ॥১৮॥
মাধৱে বোলন্ত ন লাগৈ আমাৰ
কি কাম ৰাজাৰ ঠাই।
মাধৱদেৱৰ বাক্য শুনি আৰ
ন মাতিলা আই ধাই ॥১৯॥
এহিমতে কৃষ্ণ কথাক চৰ্চ্চিয়া
ৰহিলা মাধৱে তথা।
সাধু নিৰন্তৰ শুনা অনন্তৰ
আৰো ভৈল যেন কথা ॥২০॥

# দ্বিসপ্ততিতম অধ্যায়

—নাম মালিকাৰ পদ ৰচনা—

বীৰুকাৰ্য্যী এক দিন　　পাইলা পুথি একখানি
তাৰ নাম　নামমালিকা। [১]
এক ব্ৰাহ্মণক আৰ　　এক কায়স্থক বোলে
আৰ পদ কৰি দুয়ো লেখা॥১॥
মাধৱ দেৱক বোলে　　তুমিয়ো কৰিয়ো পদ
হেন শুনি তিনিয়ো গৈলন্ত।
পৰম যতনে মনে　　পাছে তাৰা তিনি জনে
পদ　কৰিবাক　লাগিলন্ত॥২॥
কৰিলা মাধৱদেৱে　　একপক্ষে পদ সাঙ্গ
তিন মাসে কায়স্থ কৰিলা।
ব্ৰাহ্মণে কৰিলা পদ　　ছয় মাসে সাঙ্গ ভৈল
বীৰুপাক্ষ কাৰ্য্যীয়ে দেখিলা॥৩॥
চাহিলা তিনিওখান　　পূৰ্ব্বাপৰ কৰি মন
সিটো দুইখানক এৰিলা।
নিৰ্দ্দোষ সুস্থ শুদ্ধ　　সুৰস দেখিয়া দেৱ-
-মাধৱৰ খনক ৰাখিলা॥৪॥

---

(১) নাম মালিকা—উড়িষ্যাৰ ৰজা পুৰুষোত্তম গজপতিয়ে সংস্কৃত ভাষাত লিখিছিল।

মনত সন্তোষে আতি বুলিলন্ত পাছে মাতি
পোৱাতীসে জানিবা নিশ্চয় ।
ছৱাল কোলে লৈবে জানে ন জানয় আন জনে
আতে এহি দৃষ্টান্ত হোৱয় ॥৫॥
এহি মতে মাধৱক প্ৰশংসিলা বহুতৰ
বীৰুকাৰ্য্যী মহাতুষ্ট মনে ।
নাম-মালিকাৰ পদ কৰিলা মাধৱদেৱে
জানা বীৰুকাৰ্য্যীৰ বচনে ॥৬॥

—ঘোষাৰ পটল বিভাগ—

তাৰে পৰা জানা আৰো অধিক আদৰ কৰে
বীৰুকাৰ্য্যী মাধৱদেৱক ।
ইটো কথা এহিমানে ৰৌক আবে সাৱধানে
পাছ কথা কহোঁ শুনিয়োক ॥৭॥
আছন্ত আনন্দ মনে বেহাৰত কতো দিনে
মাধৱদেৱৰ ভৈল মন ।
আউল ভাঙ্গি ঘোষা খান কৰো জানি একথান
এহি বুলি শৰণ ভজন ।৮॥
নিন্দা-তুতি উপদেশ প্ৰাৰ্থনা কাকুতি খেদ
বহুবিধ পটল কৰিল ।
লোকক কৃপায় আতি পৰম কুশল চিন্তি
যেন অন্ধলাক চক্ষু দিল ॥৯॥

—শ্ৰীৰাম আতাৰ কামৰূপ ভ্ৰমণ—

শুনা আৰো একদিন ভক্তক দেখিবে মন

কৰিলন্ত শ্ৰীৰামে বিদায়।
কামৰূপ লাগি যাই  আসিবো ভক্তক চাই
বুলিলন্ত মাধৱে ফুনাই ॥১০॥
কত দিন অনন্তৰে  আসিবা কহিয়ো কথা
তেহেঁ বোলা যত দিনে পাৰি ॥
মাধৱে বোলন্ত নুই  ভকত সবক চাই
এক মাসে আসিবাহা ফুৰি ॥১১॥
এক মাস ভৈলে যাই  নাসিলে নেদিবো ঠাই
এহি বুলি মাধৱ ৰহিল।
ভাল বাপ এহি বুলি  শ্ৰীৰাম গৈলন্ত চলি
ভকতক চাহিয়া ফুৰিল ॥১২॥
চাৰি মাস বহি গৈল  মনত নভৈল তান
অনন্তৰে গৈলা বেহাৰক।
মাধৱে ভকত সঙ্গে  কৃষ্ণ-কথা কন্ত ৰঙ্গে
পিঠি দিলা দেখি শ্ৰীৰামক ॥১৩॥
তিনি দিন মানে তাঙ্ক  ন মাতিলা বৰতঙ্কে
চাৰি মাস কহিত ফুৰিলি।
এক মাসে আহোঁ বুলি  বিদায় কৰিয়া গৈলি
এতদিন বিলম্ব কৰিলি ॥১৪॥
তেহেঁ লাস লাস কৰি  কহিলন্ত বাপ এক
মাসে ফুৰিলোহোঁ ভক্ত চাই।
গৈল তিনি মাস কাল—  —জাৰত জানিবা বাপ
গোপাল আতৈৰ সঙ্গ পাই ॥১৫॥

—কথা-সাগৰ গোপাল দেৱ—

বোলন্ত মাধৱদেৱে মই জানো আগধৰি
গোপালৰ কথাই আমাক।
বশ্য কৰে সমুদাই তান কথা ৰস পাই
আনে পাৱে এৰাই আসিবাক ॥ ৬॥

ক্ৰোধ এৰি স্নেহ ভাৱে বোলন্ত মাধৱদেৱে
বৰ দুঃখ লভিলো শ্ৰীৰাম।
তোমাক নাহিবে দেখি চলল কৰিল আখি
তেহেঁ উঠি কৰিলা প্ৰণাম ॥১৭॥

গুৰুৰ চৰিত্ৰ চয় শুনন্তে অমৃত ময়
মিলয় মনত মহোচ্ছৱ।
পাপ শত্ৰু সংহৰণ মহাপুণ্য উপাৰ্জ্জন
জানি বোলা শঙ্কৰ মাধৱ ॥১৮॥

---

# ত্ৰিসপ্ততিতম অধ্যায়

—মাধৱদেৱৰ উত্তৰাধিকাৰী—

আত অনন্তৰে সাধুজন শুনা কথা।
গৈলন্ত মথুৰাদাস মাধৱৰ তথা ॥
পুছিলা মাধৱদেৱে মথুৰাদাসত।

ভালে আছে কামৰূপে  ভকত সমস্ত ॥১॥
কহিলা মথুৰাদাসে  মাধৱদেৱত ।
আছয় কুশলে বাপ  সমস্ত ভকত ॥
তাহান্ত মাধৱদেৱে  পুনু পুছিলন্ত ।
বৰপেটা থানে কত  ভকত আছন্ত ॥২॥
তিনিয়ো প্ৰসঙ্গে কৃষ্ণ-কথা হুই নুই ।
কহিলা মথুৰাদাসে কৃষ্ণ-কথা হুই ॥
জন কুৰি ত্ৰিশ মান ভকত আছয় ।
বোলন্ত মাধৱদেৱে তাহাঙ্ক কৃপায় ॥৩॥
সজ সজ সিটো থান মথুৰা নেৰিবা ।
মোহোৰ প্ৰসাদে তুমি ভয় ন কৰিবা ॥
আছন্ত মথুৰাদাস বেহাৰ থানত ।
মাধৱদেৱৰ সঙ্গে হৰিষে মনত ॥৪॥

## —মথুৰাদাসক উপদেশ—

পুনৰপি বৰপেটা যাইবাক ইচ্ছায় ।
দিনেক মথুৰাদাসে কৰিলা বিদায় ॥
গুৱাপান এখানি কাপোৰ দিয়া আতি ।
দিলা দেৱ মাধৱে বিদায় বুলি মাতি ॥৫॥
পৌৰা-ভিঠা সত্ৰত থাকিবে বুলিলন্ত ।
পুনৰপি মথুৰাদাসে যে পুছিলন্ত ॥
কোনো দিনে হৰিৰ কীৰ্ত্তন খানি ভৈলে ।
কৈয়ো কাকে আগে থৈবো আমি তৈকে গৈলে ॥৬॥

—শঙ্কৰ মাধৱৰ প্ৰতিনিধি—

মাধৱে বোলন্ত কিয় নেদেখাহা তুমি।
আগত থৈবাৰ মানুষক দেখাও আমি ॥
আছা হৰিচৰণ শঙ্কৰ-দেৱ-সুত।
তেঁহেঁ নুহিকন্ত আগে থৈবাৰ যুগুত ॥৭॥
শঙ্কৰদেৱৰ তান কিবা বিলক্ষণ।
মই নুহিকয় আছে ৰামচৰণ ॥
তাসম্বাক আগে লৈয়া কীৰ্ত্তনক গোৱা
ন কৰি বিলম্ব বাপু শীঘ্ৰে চলি যোৱা ॥৮॥

—মনপুৰৰ প্ৰতি চেনেহ—

শুনিয়া মথুৰাদাস চলিবাক চান্ত।
পুনু দেৱ মাধৱে তাহাঙ্ক বুলিলন্ত ॥
কহিবাহা তুমি মনপুৰত আসোক।
আমিয়ো দেখোহোঁ সিটো আমাক দেখোক॥৯॥
যত সেৱা মনপুৰে কৰিলে আমাক।
সিটো কি জানয় আমি পাসৰিবো তাক ॥
কি বস্ত্ৰ গাৱৰ কাপোৰখান লৈল।
মনপুৰ এতেকে অপ্ৰিয় মোৰ ভৈল ॥১০॥
প্ৰাকৃত অৱস্থা আছে সি কি কৰিলেক।
নাই মন দুঃখ মোৰ লৈলেক লৈলেক ॥
সকলে ক্ষমিলো তুমি বুলিবা আসোক।
বিস্তৰ কৰিছে সেৱা মনপুৰে মোক ॥১১॥

গৈলন্ত মথুৰাদাস বৰপেটা লাগে।
কহিলন্ত কথা গৈয়া মনপুৰ আগে॥
শুনি মনপুৰে ভাল যাইবো বুলি ৰৈল।
মাধৱক লাজে ভয়ে পুনুহো ন গৈল ॥১৩॥
বোলো কাকু বাক্য সাধু সব শুনিয়োক।
মাধৱৰ কৃপালু গুণক দেখিয়োক ॥
গাৱৰ কাপোৰ কাঢ়ি লৈল মনপুৰে।
তথাপি তাহাঙ্ক মাতি পঠাইলা ঈশ্বৰে ॥১৩॥
বোলা মনপুৰে আসি আমাক দেখোক।
আমিয়ো দেখোহোঁ তেহেঁ সত্বৰে আসোক ॥
আৰো কহি আছে সেৱা মনপুৰে যত।
সি কি কথা গুছৈ জানা আমাৰ মনত ॥১৪॥

**—ৰাজমাতাৰ কাপোৰ দানত—**
**—বৈষম্য—**

এতেকে কৃপালু গুণ দেখা মাধৱৰ।
শুনা সাধুসব কথা আত অনন্তৰ ॥
এককালে বৈশাখ বিষুত আই ধাই।
সমস্ত ভক্তক দিলা কাপোৰ পঠাই ॥১৫॥
মাথা বান্ধা দোপাটি পাছড়া টাট বন্ধ,
দিয়া পঠাই আছা আই মনত আনন্দ ॥
বস্ত্র দিয়া মাধৱৰ আগত কহিল।
সমস্ত ভক্তক আই দিবাক বুলিল ॥১৬॥

কাপোৰ মাধৱদেৱে মেলি দেখিলন্ত।
মই দিবে ন পাৰো খঙ্গিয়া বুলিলন্ত ॥
কোন ভক্ত বৰ কোন ভক্ত ছোট তাক।
মই নিচিলে আই চিনি আছে আক ॥১৭॥
আপুনি বস্ত্ৰক আই বাণ্টি বাণ্টি দেউক।
নুহি ফিৰাই আপোনাৰ গৃহক নেউক ॥
ভকতক ছোট বৰ তেহেঁসে চিনিল।
ছোট বৰ ভকতৰ আমি নেদেখিল ॥১৮॥
যাত থাকে টকা কড়ি বিস্তৰ নিশ্চয়।
চতুৰালি কৰি কথা কহিবে জানয় ॥
সেহি বৰ ভকত মানিল তান মনে।
নাই টকা কৰি যিটো মাতিবে ন জানে ॥১৯॥
সি জানিবা ছোট ভক্ত হয় তান মান।
ৰাম ৰাম ইটো কি বচন বৰ টান ॥
এহি কথা পাছে আইধাই শুনিলন্ত।
সমস্তকে একে সমে কাপড় দিলন্ত ॥২০॥
দেখিয়া হৰিষ ভৈল মাধৱদেৱৰ।
শুনা সাধু সব কথা আত অনন্তৰ ॥
ভক্ত সবে কথা শুনে গোঁসাইৰ ঘৰত
দিনেক মাধৱদেৱে হৰিষে মনত ॥২১॥

**—ভকতক গাৰ কাপোৰ দান—**

গাৰৰ কাপোৰ খসাই হাতত লৈলন্ত।
যদুমণি ভাণ্ডাৰীক মাতি লুলিলন্ত ॥

ভকতৰ থানে মোৰ কাপোৰ নিয়োক।
আগে থৈয়া সমস্ততে কথা কহিয়োক ॥২২॥
আতা বুলিলন্ত শুনা সমস্ত ভকত।
এক প্ৰীতি হৌক মহা হৰিষে মনত॥
যদুমণি ভাণ্ডাৰী বোলন্ত ন পাৰিবো।
তোমাঠৈৰ বস্ত্ৰ বাপ কোন মতে নিবো ॥২৩॥
পুনৰপি আক আৰ নুবুলিবা বাপ।
তোমাঠৈৰ বাক্য ন কৰিলে মহাপাপ॥
কৰিলে ভকত সব মহাদুঃখ পাইব।
উভয় প্ৰকাৰে বাপ আমি তল যাইব ॥২৪॥
এহিমতে তিনি দিন মাধৱে বোলন্ত।
তিনি দিন দুমণি কাপোৰ নেনেন্ত॥
তিনি দিন অন্তৰে ভাণ্ডাৰী যদুমণি।
এৰাইতে ন পাৰি হাতে লৈয়া বস্ত্ৰখানি ॥২৫॥
মনে খেদ কৰি ভকতৰ আগে যাই।
মাথে বস্ত্ৰ লৈয়া বোলা ভকতক চাই॥
বাপু সব আতা বস্ত্ৰ দিয়া পঠাইলন্ত।
সমস্তকে একপ্ৰীতি হৈবে বুলিলন্ত ॥২৬॥
শুনি ভক্ত সমে মনে দুঃখ মানিলন্ত।
ভাণ্ডাৰীক চাই সবে খঙ্গিয়া বোলন্ত॥
কি কাম কৰিলা তুমি ওবা যদুমণি।
কদৰ্থিলা আমাক আতাৰ বস্ত্ৰ আনি ॥২৭॥
বোলা যদুমণি মই তেখনে জানিলো।

উভয় প্ৰকাৰে মই পাপী তল গৈলো ৷৷
আতাৰ বচন ন কৰিলে দোষ হয় ৷
কৰিলো পাইলেক দুঃখ ভক্ত সমস্তয় ৷৷২৮৷৷
তিন দিনো নাসো বান্ধি বচন আতাৰ ৷
তথাপি বোলন্ত কত বান্ধিবোহো আৰ ৷৷
হেন শুনি ভক্ত সব কৰি হৰি ৰাৱ ৷
গৈলন্ত সমস্তে যৈত আছন্ত মাধৱ ৷৷২৯৷৷

—একপ্ৰীতি হবলৈ উপদেশ—

নমস্কাৰ কৰি সবে বুলিলন্ত আগে ৷
এত মান নিগ্ৰহ কৰিবে বাপ লাগে ৷৷
আমি ক্ষুদ্ৰ জীৱ বস্ত্ৰ পঠোৱা আমাক ৷
শুনিয়া মাধৱদেৱে বুলিলন্ত বাক ৷৷৩০৷৷
একপ্ৰীতি হুয়োক সমস্ত বাপু সবে ৷
কৃষ্ণক, ভক্তিক জানা দুইকো পাইবা তেবে ৷৷
একপ্ৰীতি হৈবাক নপাৰা মানা যাৱে ৷
ঈশ্বৰ ভক্তিক নপাইবা দুইকো তাৱে ৷৷৩১৷৷
শুনিয়া ভকত সব হৰষিত ভৈলা ৷
মাধৱদেৱক নমস্কাৰ কৰি গৈলা ৷৷
আৰো এক কথা সাধু সব শুনিয়োক ৷
ভক্ত সব সমে দেৱ মাধৱ দিনেক ৷৷৩২৷৷

—জীৱন্মুক্ত কোন্?—

পৰম হৰিষে বসি গোঁসাইৰ ঘৰত ৷

কহন্ত কৃষ্ণৰ কথা ভকত সবত॥
কৃষ্ণ কথা কহন্তে মনৰ আনন্দত।
জীৱন মুক্তৰ কথা সেহি সময়ত ॥৩৩॥
উঠিল হৰিষে কন্ত জীৱন্মুক্ত কথা।
একভক্তে বচন বুলিল পাছে তথা ॥
এখন জীৱন্মুক্ত এমন পাইবাক।
নাহি শুনি ন সহিল মাধৱে তাহাক ॥৩৪॥
উঃ ! কি বুলিলা নাহি জীৱন-মুকুত।
কোন দুঃখ জীৱন্মুক্ত আছয় বহুত॥
জীৱন্মুক্ত ন ভৈলে পৃথিবী অধোগতি।
ন গৈলে কহন্তে যেবে জানিবা সম্প্রতি ॥৩৫॥
জীৱন্মুক্ত পৃথিবীত আছে যি কাৰণে।
অধোগতি ন যান্ত পৃথিবী সি কাৰণে ॥
সিটো জনে যিবা অৱস্থাকো পায়া থাকে।
সিজনে দেখয় মাত্ৰ সেহি অৱস্থাকে ॥৩৬॥
জীৱন মুক্তেসে চিনে জীৱন মুক্তক।
আন জনে কেন মতে তাঙ্ক চিনিবেক ॥
তোমৰা বোলা জীৱন মুকুত আবে নাই।
লগতে দেখাওঁ মই আছো আন ঠাই ॥৩৭॥
পুনু পুনু বোলন্ত দেখাওঁ আতে আতে।
শুনিয়া শ্ৰীৰামে বোলা লাসে লাসে মাতে ॥
ন লাগে ন লাগে যি আছয় আছোক।
কিসক তাহাঙ্ক দুঃখ দিবন্ত থাকোক ॥৩৮॥

শুনিয়া মাধৱদেৱ ন মাতি ৰহিল ।
সাগৰৰ ঢৌক যেন কাথৰে ৰাখিল ॥
শ্ৰীৰামকে আতা দেখাইলন্ত হেন জানি ।
তেহেঁ হাক দিলন্ত মনত অনুমাণি ॥৩৯॥
এহি বুলি ভক্ত সব তথা ৰহিলন্ত ।
পুনু দেৱ মাধৱে বচন বুলিলন্ত ॥
জীৱন মুক্তক বিচাৰাহা তোঁৰা সবে ।
সাৱধানে মোহোৰ বচন কৰা যেবে ॥৪০॥
দুই দণ্ডে পাৰোহোঁ মুকুত কৰিবাক ।
ন কৰিলে বচন কৰিবো কিবা কাক ॥
এহি বুলি ৰহিলা মাধৱদেৱ তথা ।
আত অনন্তৰে আৰো শুনা এক কথা ॥৪১॥

## —উত্তৰাধিকাৰী কোন্?—

একদিনা আলোচিলা সবে ভক্ত মিলি ।
পুছিলন্ত মাধৱক কৰি কৃতাঞ্জলি ॥
আবিৰ্ভাৱ তিৰোভাৱ ঈশ্বৰ সবৰ ।
আছে বাপ সৰ্ব্বকাল জানি সাৰতৰ ॥৪২॥
তোমৰা সাক্ষাতে আছা সমস্ত সংশয় ।
তোমাঠৈত পুছিলে সংশয় দূৰ হয় ॥
যেতিক্ষণ তিৰোভাৱ তোমৰা কৰিব ।
কোনো কথা খানি লোকে কাঁহাত পুছিব ॥৪৩॥
শুনিয়া মাধৱদেৱে ন মাতি ৰহিলা ।

আৰো একো ভক্তে পুছিবাক ন পাৰিলা ॥
তিন দিন মনে মনে পৰামৰশিলা ॥
তিন দিন পাছে পুনু মাধৱে বুলিলা ॥৪৪॥

**—উপযুক্ত উত্তৰাধিকাৰী নাই—**

কাঁহাত পুছিবো কথা তোমৰা পাছত।
বুলিয়া পুছিলা মোত সমস্তে ভকত ॥
তিন দিন মানে আমি গুণি মনে চাইলো।
কাহাক বুলিবো আমি বিচাৰি না পাইলো ॥৪৫॥
সবে লোভাবিষ্ট তুমি সবে চাহিয়োক।
বিচাৰি মনুষ্য একগুটি দিয়া মোক ॥
পঞ্চ কোটি প্ৰহৰ ব্ৰহ্মাণ্ড গুটি সাৰ।
আৰো মাত্ৰ বহিবাক পাৰে যেন ভাৰ ॥৪৬॥
অধিক ন লাগৈ সেহি জনে পাৰিবেক।
গুৰুপদ লৈবে হেন দিয়োক জনেক ॥
শুনি ভক্ত সবে বোলে ন পাইলা তোমৰা।
আমি এহু জন বাপ দিবো কৈৰ পৰা ॥৪৭॥
তোমৰায়ে থিত কৰি দিয়া বাপ যেবে।
আমাৰ মনৰ আনন্দক হুইবে তেৰে ॥
শুনিয়া মাধৱদেৱে বোলা পুনৰ্ব্বাৰ।
লোভাবিষ্ট সকলে বুলিবো কাক আৰ ॥৪৮॥

**—ঘোষাত মই আছোঁ—**

দেখা ঘোষা পুথিখান আমাৰ আছয়।

সবে কহি আছো যিবা কহিবে লাগয় ॥
তাহাৰ অৰ্থকে যিবা জন বুজিবেক।
সেহি জনে জানা লাগ আমাক পাইবেক ॥৪৯॥
ঘোষাতে সমস্তে মোৰ বল বুদ্ধি যত।
যাৰ ভাগ্য অছে আতে ৰজিবে সঁমস্ত ॥
এহি কহি আছন্ত মাধৱদেৱ তথা।
শুনা আত পৰে আৰো ভৈল যেন কথা ॥৫০॥

—শিষ্যৰ লক্ষণ—

বোলন্ত কৰিবে গুৰু সেৱা কোন জনে।
মোহোৰ আগত আসি বোলোক এখনে ॥
গুৰু সেৱা কৰিলন্ত মাৰ্কণ্ডেয় ঋষি।
প্ৰহ্লাদেয়ো গুৰুসেৱা কৰিলা হৰিষি ॥৫১॥
লক্ষণে কৰিলা সেৱা গুৰু সাৱধানে।
ময়ো গুৰুসেৱা কৰি আছো কিছুমানে ॥
এহু মতে আন কোন জনে কৰিবেক।
গুৰু সেৱা আমি চাওঁ বোলোক প্ৰত্যেক ॥৫২॥
যি সব লক্ষণে গুৰু পাইবাক লাগয়।
যি সব লক্ষণে গুৰু পাইবে নাহিকয় ॥
শিষ্যৰ লক্ষণ যেবে থাকয় যদ্যপি।
তাহাকে বুলিলো হন্তে জানিবা তথাপি ॥৫৩॥
শিষ্যৰ লক্ষণ যত তাকো নাহি পাইবে।
এতেকে কাহাক বুলিবোহোঁ মই এবে ॥

যেই সেই জনে গুৰু বোলাইবাক পাৰে।
অল্প জনক যেন জানা পীড়ে বৰ ভাৱে ॥৫৪॥
এহি কহি মাধৱ হৰিষ মনে ভৈলা।
শুনা আতপৰে আৰো যেন কথা ভৈলা ॥
বুজিবাহা সাধুজন কথাৰ আসয়।
আপুনি মনত আকো কৰিবা নিৰ্ণয় ॥৫৫॥
গুৰু ভাৱ বোৱা যেন মাধৱে নপাইল।
তিন দিন অবিৰতে মনে গুণি চাইল ॥
আৰো বুলিলন্ত মোৰ বাক্য যদি কৰা।
দণ্ড দুই মানে তেবে মুক্ত হৈবে পাৰা ॥৫৬॥
এতেকে জানিয়া তান বচন ন কৰি।
হৰি ভক্তি আমি সবে পাইবো কেন কৰি ॥
শঙ্কৰ মাধৱ দুইত পৰে গুৰু পদ।
আনত ন ঘটে এহি জানা সভাসদ ॥৫৭॥

# চতুঃসপ্ততিতম অধ্যায়

—কীৰ্ত্তন পুথি সঙ্কলন—

গৈলন্ত মাধৱ- -দেৱ বেহাৰক
ফাল্গুন মাসত চলি।
বেহাৰক ৰাম- -চৰণ গৈলন্ত

চৈত মাস আসি ভৈলি ॥১॥
দিন আঠে দশ মাত্ৰ আছিলন্ত
মাধৱদেৱৰ ঠাই।
পুনৰপি ৰাম- -চৰণ গৈলন্ত
ঘৰক কৰি বিদায় ॥২॥

**—সঙ্কলম্বিতা ৰামচৰণ—**

পাছে কতোদিনে শ্ৰদ্ধা ভৈল মনে
ৰামচৰণৰ জান
ঠাই ঠাই ঘোষা- -কীৰ্ত্তন আছয়
কৰো আনি এক থান ॥৩॥
কতো আছে হাজো দক্ষিণ কূলত
কতো বৰ-নগৰত।
কতো বৰপেটা আসাম ৰাজ্যত
কতোহোঁ কালজাৰত ॥৪॥
বছৰেক মান ফুৰি এক থান
কৰিলা ঘোষা-কীৰ্ত্তন।
মাধৱদেৱক পুনু দেখিবাক
গৈলন্ত ৰামচৰণ ॥৫॥
মাধৱদেৱত কহিলা ভকত
আসিলা ৰামচৰণ।
কথা শুনি তান মাধৱদেৱৰ
সহৰিষ ভৈলু মন ॥৬॥

পাছে কতোক্ষণে　　ৰামচৰণে
মাধৱক প্ৰণামিলা
আস আস বুলি　　দুই বাহু মেলি
মাধৱদেৱ ধৰিলা ॥৭॥
হৰিষ লোতকে　　শৰীৰ ভিজাইলা
মাধৱে তান প্ৰেমত।
লোতকক মছি　　কুশলক পুছি
বসিলা পাছে কঠত।৮॥
শঙ্কৰদেৱৰ　　পত্নী আই আৰো
ঠাকুৰ হৰিচৰণ।
কুশলে আছন্ত　　আনো ভক্ত যত
কহিয়ো ৰামচৰণ ॥৯॥
বহিনী বৈনাই　　কুশলে আছন্ত
তোৰ পিতৃ মাতৃ দুই।
কহিলন্ত ৰাম-　　চৰণ সমস্ত
সবাৰো কুশল হুই ॥১০॥

**—মাধৱৰ আগত সঙ্কলিত পুথি—**

পুনু পুছিলন্ত　　ৰামচৰণত
এক বাৰ্ত্তা আছোঁ পাই।
হুই নুই বোপা　　কৈয়ো শুনি তেহেঁ
বোলা মাধৱক চাই ॥১১॥
কিবা বাৰ্ত্তা পাই　　আছন্ত দুনাই
মাধৱে বোঁলা বচন।

একঠাই বোলে কৰিলা কীৰ্ত্তন
-ঘোষা সিটো পুথিখন ॥১২॥
হেন শুনি তেহেঁ বুলিলন্ত এক-
-থান কৰা গই আছে।
হেন শুনি দেৱ -মাধৱে আনন্দে
পুছিলন্ত তান্ত পাছে ॥১৩॥
লগত সি পুথি আসিছে কি নাহি
আসয় ৰামচৰণ।
শুনি তেহেঁ কহি- -লন্ত ঘৰ হন্তে
আনি আছো পুথিখন ॥১৪॥
কিন্তু ভাঙ্গা-মূৰ এৰি আইলো শুনি
মাধৱে বোলা তখন।
চাৰি দিনে পুথি আনি দিবা বুলি
পাঞ্চি দিলা চাৰিজন ॥১৫॥
এতিক্ষণে যায়ো ভাণ্ডাৰৰ লৈয়ো
গুৱা পান চাউল চিৰা।
দিলোহোঁ বিদায় অন্নক ন খাই
প্ৰভাততে উঠি লড়া ॥১৬॥
এহি বুলি দেৱ মাধৱ ৰহিলা
চাৰিয়ো ভকত গই
সমস্ত ভকত বোলান কৰিয়া
ভাণ্ডাৰৰ সাজ লই ॥১৭॥
ফিঙ্গ জ্বালি দিল নিদ্ৰাৰ জাগিল

প্ৰভাততে চলি গৈলা।
ভাঙ্গামূৰ গই পুথিখান লই
চাৰি দিনে আসি পাইলা ॥১৮॥
দণ্ড ছয় মানে আছে সেহি বেলা
ভকত সমে মাধৱ।
আছন্ত হৰিষি কৃষ্ণ-কথা কহি
মনত মহা উৎসৱ ॥১৯॥
দেখি পুথিখন আনন্দিত মন
তাৰক্ষণে উঠিলন্ত।
শিৰৰ উপৰ পুথিখন ধৰি
আনন্দতে নাচিলন্ত ॥২০॥
বোলা উচ্চ কৰি কেন উপকাৰী
আমাৰ ৰামচৰণ।
দেখা দেখা লোক কহোঁ শুনিয়োক
পূৰ্ব্বে এহি পুথিখন ॥২১॥
পায়া সংসাৰক আমি পাসৰিলো
ইটো থানে থানে গৈল।
আৰু একখান কৰিবাক প্ৰতি
পূৰ্ব্বে মোৰ মন ভৈল ॥২২॥

**—সঙ্কলন অনুমোদন—**

এতেকে ইৰাজ্যে আইলো একখান
কৰিবেক ন পাৰিল।
ৰামচৰণে আৰু একঠাই কৰি

মোৰে সে কাম কৰিল ॥২৩॥
এহি বুলি পুথি মেলি চাহিলন্ত
কৈত কোন কথা আছে।
যৈত যিবা কথা থৈবে লাগে থৈছে
বিচাৰি দেখিল পাছে ॥২৪॥
ন লাগে লৰিবে ভালে আছে সবে
এহি বুলি হাসিলন্ত।
চাৰি ভাগ কৰি লিখিবাক চাৰি
জনক মাতি নিলন্ত ॥২৫॥
যাইবে ৰামচৰণ লিখা পুথিখান
শীঘ্ৰে কৰি চাৰি জন
শুনি চাৰি জনে আঠ দিন মানে
লিখিলন্ত পুথিখন ॥২৬॥
দেৱ বাৰে চলি ৰামচৰণ যাইবে
মাধৱদেৱৰ মনে।
সেহি দিন যাই প্ৰভাতে বিদায়
কৰিলা ৰামচৰণে ॥২৭॥
বোলন্ত মাধৱে মনৰ উৎসৱে
আছোঁ কয়দিন মানে।
কথায় বাৰ্ত্তাই থাকোহোঁ সদায়
আৰো মাস দুই মানে ॥২৮॥
থাকিয়ো বোপাই মাধৱক চাই
বোলন্ত ৰামচৰণে।

আন শঙ্কা মনে　　নাই আছা বৃদ্ধ
আতা আই দুইজনে ॥২৯॥
মই বিনে আন　　নাহি পুত্ৰ তান
মনে শঙ্কা এহি মান।
ৰামচৰণৰ　　বচন শুনিয়া
বুলিলন্ত বিদ্যমান ॥৩০॥
দশ বৎসৰ　　তোমাৰ বাপেৰৰ
নাহিকে জানা মৰণ।
আষাঢ় শাৱণ　　দুই মাসে লগে
থাকিয়ো ৰামচৰণ ॥৩১॥
তাসম্বাক প্ৰতি　　নাহি শঙ্কা মতি
শুনিয়া ৰামচৰণ।
বুলিলন্ত ভাল　　তোমাঠৈৰ বাক্য
বাধি যাইবো কি কাৰণ ॥৩২॥
এহি বুলি ৰাম—　　—চৰণ ৰহিলা
মাধৱদেৱৰ সঙ্গে।
ভকতে সহিত　　কৃষ্ণৰ চৰিত
শুনন্ত পৰম ৰঙ্গে ॥৩৩॥
শুনা সাধু জন　　থিৰ কৰি মন
ইটো কথা অনুপাম।
বোলা নিৰন্তৰ　　শঙ্কৰ মাধৱ
দুঃখ হৌক উপশাম ॥৩৪॥

# পঞ্চসপ্ততিতম অধ্যায়

**বীৰু কাৰ্জ্জীৰ ক্ৰোধ—**

শুনা সাৱধানে সাধু সব নিৰন্তৰ।
যেন কথা ভৈল তৈত আত অনন্তৰ॥
এক দিনা বীৰুকাৰ্জ্জী পিতৃৰ শ্ৰাদ্ধত।
ভাত খাইবে বুলিলন্ত জ্ঞাতি সমস্তত॥১॥

**—পিতৃশ্ৰাদ্ধত অপমান—**

মাৰ খোৱা লস্কৰ তাৰ বেটা দুই।
দুই ভাই তাৰাৰ শৰণ আছে লই॥
ন খাইলেক ভাত দুয়ো বীৰুৰ ঘৰত।
দেখিয়া জাগিল ক্ৰোধ বীৰুৰ গাৱত॥২॥
মাধৱ আসিল মানে বাপৰ ঘৰত
পুত্ৰে ন খাই ন খাই বাপেকে পুতেকত॥
এহুখানি মাধৱেসে কৰে জানা সাৰ।
আক আবে মোৰ লাগে কৰিবে বিচাৰ॥৩॥
এহি বুলি বীৰুকাৰ্জ্জী অনেক ব্ৰাহ্মণ।
আনিয়া তেসম্বে সমে কৰে আলোচন॥
বোলয় ৰাজ্যৰ দূৰ কৰোঁ মাধৱক।
কৰিলেক নষ্ট ইটো সমস্তে ৰাজ্যক॥৪॥

## —বঙ্গদেশী মাধৱ—

এহিবুলি এক বঙ্গদেশী মাধৱক।
নিল মাতি সিটোজনে নাচিবে তাৰক॥
বোলাবৈ বৈষ্ণৱ লোকে কৰে সতকাৰ।
নুহি জ্ঞাতা ন জানয় শাস্ত্ৰৰ বিচাৰ॥৫॥
তাকে আগ কৰি নিয়া সভা কৰিলেক।
প্ৰীতি কৰি মাধৱদেৱক নিয়াইলেক॥
বসিলন্ত গৈয়া দেৱ মাধৱ সভাত।
অনেক ব্ৰাহ্মণ সব বসি আছে তাত॥৬॥
সমস্ত ভকত চৌৰা বাহিৰত ৰৈলা।
লগে ৰামচৰণৰ অচ্যুত গুৰু গৈলা॥
সভাতে বসাইলা বঙ্গদেশী মাধৱক।
বুলিলেক বীৰু চাই মাধৱদেৱক॥৭॥
এহি তযু মিতা হুই দেখিয়ো মাধৱ।
শুনিয়া মাধৱদেৱ বোলন্ত উৎসৱ॥
তোমাঠৈৰ প্ৰসাদেসে মিত্ৰলাভ পাই।
বুলিলেক বীৰু পুনু মাধৱক চাই॥৮॥

## —মালাত মেৰু নাই কিয়—

এহেঁ বোলা মেৰু নাই মালাত কিসক।
ইহাৰ উত্তৰ তুমি আপুনি দিয়োক॥
মাধৱে বোলন্ত তিনি শাস্ত্ৰমত ধৰি।
হৰিত ভকতি আমি সৰ্ব্বক্ষণে কৰি॥৯॥
পদ্মীয় সহস্ৰনাম গীতা ভাগৱত।

দেখা এই তিনিখান শাস্ত্ৰৰ মাজত ॥
একগুটি শ্লোকে মেৰু দিবাক যোগায় ।
তেবে আমি মেৰু দিবো বুলিলো নিশ্চয় ॥১০॥
বঙ্গদেশী মাধৱ সি একো ন জানয় ।
ন মাতিয়া ঠম ধৰি বসিয়া আছয় ॥
ব্ৰাহ্মণ সকলে ন সহিয়া মাধৱক ।
অনেক শাস্ত্ৰৰ তুলি দেখায়া শ্লোকক ॥১১॥
লাগয় মালাত মেৰু জানিবা নিশ্চয় ।
মাধৱে বোলন্ত শুনা দ্বিজ সমস্তয় ॥
তোৰা যি কহিলা ইটো মন্ত্ৰসে নিশ্চয় ।
মন্ত্ৰত অৱশ্যে মেৰু দিবাক লাগয় ॥১২॥
ব্ৰাহ্মণ সকলে যিটো শ্লোকক পঢ়ন্ত ।
ইগোটা কালিকা মন্ত্ৰ মাধৱে কহন্ত ॥
ই গোপাল মন্ত্ৰ জানিবা নিশ্চয় ।
শুনি পুনৰপি বোলা দ্বিজ সমস্তয় ॥১৩॥
মন্ত্ৰত লাগয় মেৰু মাধৱে বুলিলা ।
নামতো হোৱয় মন্ত্ৰ কিসক নেদিলা ॥
একে শাস্ত্ৰে দৈৱকীৰ পুত্ৰ ভৈলা যাক ।
মন্ত্ৰো এক তান নাম মাত্ৰ দেখা আক ॥১৪॥
এহি শ্লোক গুটি দ্বিজ গণে পঢ়িলন্ত ।
নামে মন্ত্ৰ হোৱে হেন তাঙ্ক দেখিলন্ত ॥
মাধৱে বোলন্ত দুই নামে মন্ত্ৰ এক ।
নামে মেৰু লাগে একো শাস্ত্ৰে দেখায়োক ॥১৫॥

## —মন্ত্ৰৰ বীজ নাম—

তোৰা বোলা নামে মন্ত্ৰ শাস্ত্ৰে মানিচয়।
সমস্ত মন্ত্ৰৰ বীজ নামেতো হোৱয় ॥
নাই আন মন্ত্ৰ নামত অপৰ।
শ্ৰীৰাম নাম বীজ সমস্ত মন্ত্ৰৰ ॥১৬॥
এহি শ্লোক দেখায়া মাধৱদেৱে পাছে।
দেখাইলন্ত মেৰুত যতেক দোষ আছে ॥
পদ্ম পুৰাণত জানা পাৰ্ব্বতীক প্ৰতি (১)
আপুনি ঈশ্বৰ মহাদেৱ নিগদতি ॥১৭॥
মেৰু যুক্ত মালা জানা আপুনি গুৰুক।
দেখাইবাক দোষ পুনু আছোক আনক ॥
বুলিলেক বীৰুকাৰ্য্যী কথাৰ আনয়।
এখন মালাৰ কথা ৰহিবে লাগয় ॥১৮॥

## —জড় মহেশ—

পাছে পাইবো আক কহিয়োক এতিক্ষণ।
মহেশক বোলা তুমি জড় কি চৈতন্য ॥
গুণৰ ভিতৰ শম্ভূ মাধৱে কহন্ত।
এতেকে জানিবা জড় চৈতন্য নোহন্ত ॥১৯॥
প্ৰকৃতিৰ গুণে সৃষ্টি আদিৰ কাৰণ।
তিনি গুণে তিনি ৰূপ জানিবা লক্ষণ ॥

---

(১) পদ্মপুৰাণৰ স্বৰ্গ উত্তৰ খণ্ডত।

যেবেসে চৈতন্য হোন্ত, স্ত্ৰী ৰূপ ধৰি।
তেবে কিয় মহেশক মুহিলন্ত হৰি ॥২০॥
আৰো বৃকাসুৰক আপুনি বৰ দিলা।
পুনু তাকে ভয়ে পাই ত্ৰৈলোক্য ভ্ৰমিলা ॥
চৈতন্যৰ মোহ নাই জানিবা নিশ্চয়।
জড়ৱেশে মোহ ভ্ৰম জানিবা নিশ্চয় ॥২১॥
শুনি বীৰুকাৰ্য্যী ক্ৰোধ কৰিয়া বোলয়।
মহেশক জড় বোল তোৰা সমস্তয় ॥
কৰিলা সমস্তে ৰাজ্য নষ্ট তুমি সবে।
তোৰাকে ৰাজ্যৰ পৰা লাগে খেদাইবে ॥২২॥
আনো নানা বীৰু ক্ৰোধ কৰিয়া বোলয়।
তোৰাৰ কথায় শম্ভু-ঈশ্বৰ নোহয় ॥
মহেশ ঈশ্বৰ হোন্ত মাধবে কহন্ত।
তথাপিতো স্বতন্ত্ৰ ঈশ্বৰ নুহিকন্ত ॥২৩॥
পুনৰপি বীৰু মাধৱত পুছিলন্ত।
মোক্ষ দিবে মহেশে পাৰন্ত ন পাৰন্ত ॥
মুকুতিৰ অধিকাৰ মহেশে নোহন্ত।
মাধবে বোলন্ত মোক্ষ দিবে ন পাৰন্ত ॥২৪॥
বিষ্ণুৱেসে জানা মোক্ষ দিবে অধিকাৰ।
বিষ্ণু বিনে মোক্ষ দাতা নাহিকয় আৰ ॥
সেহি সময়ত মাতিলন্ত দ্বিজ চয়।
দেখা দেখা আৰো মহেশক ন মানয় ॥২৫॥
বোলন্ত মাধৱদেৱে কিয় মহেশক।

ন মানিবো মানে যিবা লাগে মানিবাক ॥
ব্ৰাহ্মণ সকলে বোলে মানা কেন কৰি ।
বুলিলা মহেশে মোক্ষ দিবাক ন পাৰি ॥২৬॥

—বিষ্ণু মোক্ষদাতা—

মাধৱে বোলন্ত হুই নুই নিকি ইটো ।
এহি কথা তোৰা সবে দেখিয়ো শাস্ত্ৰতো ॥
শ্ৰীভাগৱতে চোৱা দশম স্কন্ধত ।
মুচুকুন্দ ৰাজাক বোলন্ত দেৱ যত ॥২৭॥
কৰিলা নৃপতি কাম আমাৰ দুষ্কৰ ।
যেন লাগে মনৰ বাঞ্ছিত লোৱা বৰ ॥
ৰাজা বোলে মোক্ষ দিয়ো, বোলে দেৱগণ ।
বিষ্ণু বিনে মোক্ষ দিবে ন পাৰয় আন ॥২৮॥
বিষ্ণু মুকুতি দিবে পাৰা জানা সাৰ ।
তান্ত বিনে আনৰ নাহিকে অধিকাৰ ॥
শুনি বীৰুকাৰ্য্যী মুণ্ড ঝঙ্কাৰি ঝঙ্কাৰি ।
বুলিবে লাগিলা মাধৱক ক্ৰোধ কৰি ॥২৯॥
সবে ৰাজ্য নষ্ট তোৰা সকলে কৰিলা ।
যত ধৰ্ম্ম কৰ্ম্ম মানে সবাকে খণ্ডিলা ॥
একে দ্বিজগণে মাধৱক ন সহয় ।
আৰো বল পায়া বীৰুকাৰ্য্যীত নিশ্চয় ॥৩০॥
বুলিবে লাগিলা দ্বেষ ভাৱে মাধৱক ।
উঠ আৰ ঈশ্বৰ ন মানে মহেশক ॥
আৰ কাক মানিবেক ইহাৰা সকলে ।
ব্ৰাহ্মণক নমানে ভালেতো আৰা বোলে ॥৩১॥

—মাধৱদেৱৰ খণ্ড—

ব্ৰাহ্মণ সবৰ বাক্য মাধৱে শুনিয়া।
বুলিবে লাগিলা বীৰুকাৰ্য্যীক চাহিয়া॥
শুনিয়োক কাৰ্য্যী তুমি কৰা যে অন্যায়।
আমি পৰদেশী নাথাকিবো ইটো ঠাই॥৩২॥
নৃপতি থাকন্তে তুমি নপাৰা খেদাইবে।
এহি শ্লোক তুলিলন্ত দেখাই দ্বিজ সবে॥
একে শাস্ত্ৰ কৈলে যিটো দৈৱকী তনয়।
দৈৱকীৰ পুত্ৰকেহে দেৱতা নিশ্চয়॥৩৩॥
এতিক্ষণ কিয় আৰা আক ন মানয়।
হেন শুনি বুলিবে লাগিলা বিপ্ৰচয়॥
নানা শাস্ত্ৰ দেখাই সবে বাদ কৰিলন্ত।
নপাৰোঁ আমৰা বিপ্ৰ সবে বুলিলন্ত॥৩৪॥
একজুঠে কিৰকুচি দিয়া যে উঠিল।
নানাবিধ ছন্দ মন্দ বুলিবে লাগিল॥
মাধৱদেৱৰ বায়ু উঠিবাৰ দেখি।
আগ ভৈলা ৰামচৰণ খানিকো নাপেখি॥৩৫।
মাধৱদেৱক ঢাকি দিলন্ত উত্তৰ।
শুনি মনে বিস্ময় মিলিল ব্ৰাহ্মণৰ॥
অনন্তৰে বিপ্ৰগণ নিজম পৰিলা।
ব্ৰাহ্মণ সবক দেৱ মাধৱ বুলিলা॥৩৬॥
আমাক বুলিয়া মন্দ বৰ যশ পাইলা।
শুনি চোৰা আপোনাৰ ধৰ্ম্ম হৰুৱাইলা॥

এহিবুলি তাসম্বাক মাধৱ ৰহিলা।
অনন্তৰে বিদায় কার্য্যীয়ে তাঙ্ক দিলা ।।৩৭।।
হাতে ধৰি বোলয় মাধৱ শুনিয়োক।
এখানি কার্য্যক বোলো তাক কৰিয়োক ॥
মালাত দিবাক মেৰু বুলিয়ো লোকক।
তেবে বঙ্গদেশী লোকে নাপাৱে ছিদ্রক ।।৩৮।।
এইখানি তাৰা দেখে তোমাৰ দূষণ।
মাধৱে বোলন্ত নুবুলিবা ই বচন ॥
ইমত শাস্তিক তুমি নপাৰা কৰিবে।
গোড় হন্তে মুণ্ড লাগি মোট কাঢ়া যেবে।।৩৯।।
তথাপি জানিবা মেৰু নিদিবো মালাত।
ন কহে মালাত মেৰু শাস্ত্রেয়ো সাক্ষাত॥
গুৰু ন কহিলন্ত মালাত মেৰু দিবে।
তোমাৰ ৰচনে জানা মেৰু দিবো এবে ।।৪০।।
শুনি বীৰুকার্য্যী পাছে অসন্তোষ মনে।
মাধৱক পঠাই গৈল আপোন ভৱনে ॥
ভক্ত সমন্বিতে দেৱ মাধৱ গৈলন্ত।
বাসাক আসিয়া বহু খেদ কৰিলন্ত ।।৪১।।
সি ৰাজ্যক এৰি আইলো দুৰ্জ্জনৰ ডৰে।
সেহিতো দুৰ্জ্জনে এতো উপদ্রৱ কৰে॥
শুনি আনো ভক্তে দুঃখ বিস্তৰ কৰিলা।
মাধৱদেৱক ৰামচৰণে বুলিলা ।।৪২।।
মহেশক চৈতন্য বুলিলা হন্তে যেবে।

তাৰ মন গোট ভাল ভৈল হন্ত তেবে ॥
কিসক তাঁহাৰ মনে দুঃখ লগাইলন্ত ।
হেন শুনি খঙ্গি তাক মাধৱে বোলন্ত ॥৪৩॥

—ৰজাৰ আগত গোচৰ—

কাৰ্য্যীৰ দেখিয়া ক্ৰোধ ভয় তোৰ মনে ।
জড়ক চৈতন্য বুলিবোহোঁ কি কাৰণে ॥
এহি বুলি তথা দেৱ মাধৱে ৰহিলা ।
পাছে বীৰুকাৰ্য্যী গৈয়া ৰাজাত কহিলা ॥৪৪॥
মাধৱে সমস্ত ৰাজ্য নষ্ট কৰিলেক ।
দেৱ ধৰ্ম্ম কৰ্ম্ম লোকে সব এৰিলেক ॥
পুত্ৰক এৰিল বাপে বাপেকক পোৱে ।
সবে ৰাজ্যখান এহু কৰিলা মাধৱে ॥৪৫॥
মনে বোলে ৰাজা আক আছে বুজিবাক ॥
সবে দিনে বীৰু প্ৰশংসয় মাধৱক ॥
এখন কহয় মাত্ৰ দোষ মাধৱৰ ।
হুয়া আছে আব দুঃখ কেনবা মনৰ ॥৪৬॥
বীৰুক সম্বোধি ৰাজা বুলিলন্ত বাণী ।
ভাল মই মাধৱক ঐক লাগি আনি ॥
কৰিব বিচাৰ এহু দুই নুই যেবে ।
ৰাজ্যত থাকিবে তাৰা নলাগয় তেবে ॥৪৭॥
এহি কথা আইধাই পাছত শুনিলা ।
গৈয়া লক্ষ্মী-নাৰায়ণ ৰাজাক বুলিলা ॥

আইধাই বাক্য শুনি ৰাজায়ে বোলয় ।
মাধৱক লাগি আই চিন্তা নাহিকয় ॥৪৮॥

—ৰাজসভাত বিচাৰ—

একদিন ৰাতি ৰাজা টঙ্গিত চড়িল ।
পছিমা পণ্ডিত চাৰি টঙ্গিত তুলিল ॥
মাধৱদেৱক পাছে মাতি নিয়াইলেক ।
কথা তিনি জনাক পঠায়া পুছিলেক ॥৪৯॥
সেমাগলা ব্ৰাহ্মণ আৰৱ দুইজনে ।
সিটো দুইজন নাম পাসৰিলো মনে ॥
মাধৱদেৱত তিনি জনেয়ো কহিলা ।
কোনদেশে জন্ম তযু ৰাজায়ে পুছিলা ॥৫০॥
কহিলা মাধৱে জন্ম কথা আপোনাৰ ।
হেনশুনি ৰাজায়ে পঠাইলা আৰবাৰ ॥
শৰত-কালীক তাৰা পূজে নুপূজয় ।
মাধৱদেৱত তাৰা পুনুহো পুছয় ॥৫১॥

ফলকামীৰ কালী আদি

—পূজা প্ৰশস্ত—

মাধৱে বোলন্ত কেনে শৰত-কালীক ।
পূজিবো আমৰা ৰাজা বোলে পুছ কিক ॥
নুপূজয় শৰত-কালীক আৰা সবে ।
মাধৱে বোলন্ত ভোগ ইচ্ছা কৰি যেবে ॥৫২॥
তেবেসে পুজিবে লাগে শৰত কালীক ।

ভোগ ইচ্ছা ন ভৈলে পূজিবো তাঙ্ক কিক ॥
ভোগক লাগিয়া ইচ্ছা কৰে যিটো লোক।
শৰত কালীক তাৰা সকলে পূজোক ॥৫৩॥
হেন শুনি পছিমা পণ্ডিত চাৰিজন।
ভাল কহে বোল বোলে প্ৰশংসা বচন ॥
শুনিয়া ৰাজাৰ মহা আনন্দ মনত।
পুনৰপি বোলে কথা পুছ মাধৱত ॥৫৪॥
কেন মতে তাৰা হৰি-ভকতি কৰয়।
পুছো আৰো কিমত আচাৰে প্ৰবৰ্ত্তয় ॥
কিমতে লোকক তাৰা দেই উপদেশ।
শুনিয়া মাধৱদেৱে কহিলা নিঃশেষ ॥৫৫॥
পছিমা পণ্ডিতে শুনি প্ৰশংসা কৰয়।
ভালেতো স্বৰূপ কথা মাধৱে কহয় ॥
ৰাজাৰো মনত শুনি মিলিলো উৎসৱ।
সাধু সাধু ভাল কথা কহন্ত মাধৱ ॥৫৬॥
এহি বুলি ৰাজা বীৰুকাৰ্য্যক চাহিয়া।
কি বোলে বীৰু ৰাজা বোলয় হাসিয়া ॥
বীৰুকাৰ্য্যী বোলে ৰাজা মই কিবা জানো।
কোচ ম্লেছ আমি কহোঁ যিবা শুনো ॥৫৭॥
ব্ৰাহ্মণে সকলে বোলে ইকথা ন হয়।
হেন কথা হোৱয় বুলি তাৰা সবে কয় ॥
মোৰ কিবা দোষ আমি যেমনে শুনিলো।
ৰাজাৰ আগত আমি তেমনে কহিলো ॥

— ৰাজধৰ্ম্ম—বৈষ্ণৱধৰ্ম্ম—

হেন শুনি ৰাজা বোলে আমি অধিকাৰী।
লোকক আমৰা কিঁ কৰিতে ন পাৰি ॥
ৰাজা বোলে সবে লোক মোহৰ ৰাজ্যৰ।
আজি হন্তে প্ৰবৰ্ত্তোক মত মাধৱৰ ॥৫৯॥ (১)
আগৰ মতক মানে সবে দূৰ কৰ।
জানিলোহোঁ মহা শুদ্ধ মত মাধৱৰ ॥
এহি বুলি গুৱা পান দিয়া মাধৱক।
প্ৰবোধি বিদায় দিয়া পঠাইলা ঘৰক ॥৬০॥
সমস্ত ভক্তৰ মনে মিলিল উৎসৱ।
ৰাজাৰ আগৰ পৰা কৰি হৰিৰাৱ ॥
ন পাইলেক মাধৱদেৱৰ বাসা যাৰে।
হৰিধ্বনি লোকে আৰ নেৰিলেক তাৰে ॥৬১॥
ৰহিলা মাধৱদেৱ হৰিষে মনত।
গৈলা ঘৰাঘৰি চলি সমস্ত ভকত ॥
পাছে ৰাজা আইধাইক বুলিল চাহিয়া।
ফুল, চন্দন, বস্ত্ৰ, গুৱা পান দিয়া ॥৬২॥

(১) মহাৰাজ লক্ষ্মীনাৰায়ণৰ দিনত (১৫৮৭—১৬২৭) ৰজাই মাধৱদেৱৰ প্ৰচাৰিত ধৰ্ম্মমত ৰাজধৰ্ম্ম বুলি নিজৰ ৰাজ্যত ঘোষণা কৰে আৰু অইন ধৰ্ম্মাৱলম্বী মানুহক অনেক প্ৰকাৰে নিৰ্য্যাতন কৰে। সেই কাৰণে ৰজাঘৰীয়া পূজাৰ সময়ত পশুবলি আদি বন্ধ আছিল। (কোচবিহাৰৰ ইতিহাস—১৫০ পি)

লক্ষ্মীণাৰায়ণ ৰজাই মাধৱদেৱৰ সম্পৰ্কীয়া পৌত্ৰী দময়ন্তীক বিয়া কৰাইছিল। (ঐ—১৫২ পিঠি)।

মাধৱে কৰহোক পাইলে ভাল মতে।
যত সত্ৰ আছে মানে মোহৰ ৰাজ্যতে॥
সবে প্ৰবৰ্ত্তোক মাধৱৰ মত ধৰি।
মাধৱেসে ৰাজা যত ভক্তৰ উপৰি॥৬৩॥
ভক্তৰ উপৰি মোৰ নাহি অধিকাৰ।
শুনি আইধাইৰ আনন্দৰ নাহি পাৰ॥
উল্লসি স্বৰ্গক যেন হাত মেলি পাইলা।
আউৰ দিন প্ৰভাততে মানুষ পঠাইলা॥৬৪॥
মাধৱদেৱত কথা সমস্তে কহিল।
শুনিয়া মাধৱদেৱে হাসিয়া বুলিল॥
আচ্ছা কিনো ৰাজা মোক সম্পত্তি দিলেক।
ভকতৰ উপৰত ৰাজা পাতিলেক॥৬৫॥
এহি বুলি অল্প হাস্য কৰিয়া ৰহিল।
পুনৰপি আইধাই মানুষে বুলিল॥
আই বুলি পঠাইলন্ত ভক্ত সব সমে।
আসন্তোক আতা আজি আমাৰ আশ্ৰমে॥৬৬॥

## —ৰাজ সন্মান—

আতা সমন্বিতে যত ভকত সবক।
ৰাজা বুলি আছে দিবে ফুল চন্দনক॥
গুৱা পান যত বস্তু সমস্তে ৰাজ্যৰ।
প্ৰবৰ্ত্তোক লোক ধৰি মত মাধৱৰ॥৬৭॥
এতেকে আসন্তো আতা ভক্ত সমন্বিতে।

শুনিয়া মাধৱদেৱে বুলিল তহিতে ॥
যায়োক অচ্যুত-গুৰু আনন্দে মনত।
দশজন ভক্ত ৰামচৰণ লগত ॥৬৮॥
মই কিবা কামে আৰ যাইবো তৈক চলি।
যি কহিবাৰ মানে কহিলোহো কালি ॥
আজি আৰ তৈত একো কথা বাৰ্ত্তা নাই।
গুৱা, ফুল, চন্দন, কাপোৰ দিব আই ॥৬৯॥
তাকে গৈয়া লৈয়া আসা তুমি সব আবে।
হেন শুনি ভাত খাইবে গৈলা তাৰা সবে ॥
ভাত পানী খাই পুনু গুৱা পান লই।
গাৱত কাপড় লৈয়া গৈলা বাজ হুই ॥৭০॥
বোলান কৰিবে গৈলা মাধৱদেৱক।
মাধৱে বোলন্ত ৰামচৰণ ৰহোক ॥
তোৰা সব যাও শুনি সমস্তে ভকত।
সঙ্কোচিত ভৈল নাহি হৰিষ মনত ॥৭১॥
মাধৱদেৱক যদুমণি বুলিলন্ত।
ৰামচৰণ ৰৈলে গুৰু দুঃখক পাইবন্ত ॥
ইহাকো পঠায়ো দুয়ো একে লগে যাউক
বোলন্ত মাধৱদেৱে খঙ্গি দুঃখ পাউক ॥৭২

**—ৰাজসম্মানত অনাসক্তি—**

আসিল আমাৰ লগে অচ্যুত যেখন [১]
ৰামচৰণক লগে আনিছে তেখন ॥

(১) অচ্যুতগুৰু—এওঁৰ ঘৰ উজনি অসমত আছিল।

মোক চাহিবাক সিটো আসিয়া আছয় ।
পাৰে যদি দুঃখ সিটো যাইবে ন লাগয় ॥৭৩॥
শুনিয়া অচ্যুত দশ ভক্ত সমে গৈলা ।
অনন্তৰে যাই আইধাইৰ ঠাই পাইলা ॥
নে দেখিয়া আইধাই ৰামচৰণক ।
বোলে আতা আপুনি বা নাসিলা কিসক ॥৭৪॥
কিসক বা ভাগিন-খনক ন পঠাইলা ।
এহি বুলি পুনু মাতি পঠায়া বুলিলা ॥
পূৰ্ব্বতো আমাৰ বাক্য আতা ন কৰিল ।
আমাৰ আগত আগ কৰিবে খুজিল ॥৭৫॥
বীৰুৱে আমাৰ ৰাজা আতা বুলিলেক ।
কি বোলে বীৰুৱে লাই আমাৰ পাইলেক ॥
এখনো আমাৰ বাক্য হেলা ন কৰোক ॥
আমাৰ থানক তাতা আপুনি আসোক ॥৭৬॥
এহি কথা গৈয়া মাধৱত কহিলন্ত ।
ন পাৰো যাইবাক দেৱ মাধৱে বোলন্ত ॥
কলি বুঢ়া মানুষ বোলন্ত দুঃখ পাই ।
আইধাইৰ আগে পুনু কহিলন্ত যাই ॥৭৭॥
পুনু আইধাই পঠাইলেক দোলা দিয়া ।
মই বান্ধী আসোক আতা আকে চৰিয়া ॥
দেখিয়া মাধৱদেৱে হাসি বুলিলন্ত ।
কেনে বৰ মানুষ পাতিবে মোক চান্ত ॥৭৮॥
ভক্তৰ উপৰি ৰাজা পাতিবে খোজয় ।

যাইবো ভালমতে যদি যাইবাক লাগয় ॥
গাৱত কাপোৰ লওঁ আনা যদুমণি ।
শুনি ভুণি দোপাটি দিলন্ত তেঁহে আনি ॥৭৯॥

## ষটসপ্ততিতম অধ্যায়

—মাধৱদেৱৰ বৈকুণ্ঠ প্ৰয়াণ—

পাছে ৰামচৰণে বুলিলা মাধৱক ।
লাগয় ৰাজাৰ অভ্যন্তৰক যাইবাক ॥
বাহিৰ ভুণিক গৈলে তেবে ভাল হোৱে ।
ন লাগে যাইবাক হেন বুলিলা মাধৱে ॥১॥

**—হস্তমুখ প্ৰক্ষালন—**

পুনৰপি বুলিলন্ত মাধৱে বচন ।
লোটা আন ভাল বোলে ৰাম যে চৰণ ॥
এহি বুলি বহিৰ ভুনিক লাগি গৈলা ।
মুখ হাত ধুই আসি পিৰাত বসিলা ॥২॥
মুখ হাত পখালি খৰিকা মুখে দিয়া ।
কঠত বসিলা পিৰা হস্তে লাম্ফ দিয়া ॥
দুই হাতে ভুনি ধৰি পিন্ধিবে লৈলন্ত ।
পায়া গাৱে প্ৰমাণ নতকায় বসিলন্ত ॥৩॥

—দেহা অৱশ—

ডাহিন হাতৰ ভিতি ঢলিবাৰ দেখি।
সাৱটি ধৰিলা ৰামচৰণে নাপেখি ॥
বোলন্ত মাধদেৱে এৰ এৰ তই।
কিয় ধৰ আপুনি সক্ষম হওঁ মই ॥৪॥
শুনি ৰামচৰণে গাৱৰ এৰিলন্ত।
বাম হাত ভিতি পুনৰপি ঢলিলন্ত ॥
পুনু সাৱটিয়া ৰামচৰণে ধৰিল।
ডাকি ৰাম ৰাম মাধৱে বুলিবে লাগিল ॥৫॥

—ক্ষুদ্ৰ শৌচ বন্ধ—

কি ভৈল কি ভৈল বুলি পাছে ভক্তগণে।
শুনি কহিলত কথা ৰামচৰণে ॥
কালি দুপৰৰ পৰা আজি পৰ দুই।
দিনে ৰাতি আটপৰ ক্ষুদ্ৰ শৌচ নাই ॥৬॥
একে ৰাত্ৰি গোটে চাৰি পাঞ্চ বাৰ মান।
ক্ষুদ্ৰ শৌচে যাইবাক লাগয় নিতে তান ॥
তাতে গাৱখানি কিছু অশান্তি কৰয়।
বসিলা কঠত তান আন নাহিকয় ॥৭॥

—শেষ প্ৰয়াণ—

বোলন্ত মাধৱে ৰাম ৰাম উচ্চ কৰি।
বোলা ৰামচৰণে সাৱটি তাঙ্ক ধৰি ॥
বাসা এৰি সমস্ত ভকত আসি ভৈল।
আকুলিত মনে ৰাম বুলিবাক লৈল ॥৮॥

শুনি ৰাম ৰাম বোলে আনো যত আছে।
ৰাম ৰাম ধ্বনি বৰ উথলিল পাছে ॥
আপুনি মাধৱে ৰাম ৰাম ধ্বনি কৰি।
ৰামকৃষ্ণ বুলি গৈলা বৈকুণ্ঠ নগৰী ॥৯॥ [১]
আছন্ত মাধৱদেৱ বসি যেন মতে।
আছা ৰামচৰণে সাৱটি সেহি মতে ॥
মেলি আছা নেত্ৰ যেন কমলৰ পাশি।
আগতো কৰিয়া আছে বদন প্ৰকাশি ॥১০॥
পাছে মুখ লৰিবে নেদেখি মাধৱৰ।
ৰামচৰণে ৰবা ৰবা বোলে তুলি কৰ ॥
ঝিম পৰি দেখা নাই বচন মুখত।
জানিল নিশ্চয় কৰি সমস্তে ভকত ॥১১॥
বৈকুণ্ঠক গৈলা আতা আমাসাক এৰি।
কান্দিবে লাগিলা সবে ভূমিত বাগৰি ॥
লোটালুটি কৰি সবে ভকত কান্দন্ত।
ৰামচৰণে মাধৱক সাৱটি আছন্ত ॥১২॥
বোলা ৰামচৰণে চতালে শয্যা দিয়ো।
ঝাটে আসি ধৰিয়ো বাজক লাগি নিয়ো ॥
শুনি শয্যাখান চতালত পাৰিলন্ত।
চতালক চাৰি জনে ধৰিয়া নিলন্ত ॥১৩॥
নৰহৰি মুকুন্দ তামৰা দুই ভাই।

(১) ভাদ মাহ ৰবিবাৰ কৃষ্ণাপঞ্চমীৰ দিনা মাধৱে এৰিলা শৰীৰক— দ্বিজৰমানন্দ ৬৮ অধ্যায়

এহি চাৰিজন ৰামচৰণ বলাই ॥
অনন্তৰে আই ধাই বাৰ্ত্তা শুনিলন্ত।
আতি মন দুঃখত বিস্তৰ কান্দিলন্ত ॥১৪॥

## —অন্ত্যেষ্টি ক্রিয়া—

কতোক্ষণে লক্ষী নাৰায়ণে বাৰ্ত্তা পাইলা।
মনদুঃখে মৰদলা কাৰ্জ্জীক পঠাইলা ॥
সংস্কাৰ কৰিবে অগৰু কাঠ দিল।
কি আছে মাধৱৰ বিচাৰ বুলিল ॥১৫॥
কাৰ্জ্জী গৈয়া পাতিলা সুগন্ধি চিতাখান।
সেহি বেলা দেৱে আনিলেক বৰিষণ।
সাউদৰ দুয়ো কাৰ্জ্জী কাঁথিয়া আনিল।
চিতাৰ উপৰে বৰ ছই ঘৰ দিল ॥১৬॥
বোলে ৰাজা পুছ মাধৱৰ আছে কোন।
কহিল ভাগিন আছে ৰামচৰণ ॥
ৰাজা বোলে মাধৱৰ পিণ্ড জলাঞ্জলি।
দিবা তেঁহে আন যত কাৰ্য্যক সঙ্কলি ॥১৭॥
চিতাত তুলিয়া সংস্কাৰ কৰিলন্ত।
পিণ্ড জলাঞ্জলি ৰামচৰণে দিলন্ত ॥
পাছে মৰদলা কাৰ্য্যী বিচাৰ কৰিয়া।
ৰাজাৰ আগত সবে কহিলেক গৈয়া ॥১৮॥
পুথি মানে যত সবে সত্ৰত দিলন্ত।
টকা কড়ি কাৰ্য্যত লগাইবে বুলিলন্ত ॥

একড়া মানো তাক ৰাজায়ে নেনিলা।
আৰো টকা শতেক ৰাজায়ে জানা দিলা ॥১৯॥

—শ্ৰাদ্ধ—

দশা গৈলে মাত্রে ৰাজা গঙ্গাক লাগিয়া।
অস্থি দিয়া চাৰিজন দিলন্ত পঠায়া ॥
শুদ্ধি শ্ৰাদ্ধ কৰি ৰামচৰণ পাছত
কামৰূপে আসি কৈলা সমস্তে ভকত ॥২০॥
শুনি লোক সমস্তয় বিষাদ কৰিল।
আসিয়া ঘৰত ৰামচৰণ ৰহিল ॥
জানা দুয়ো মহা পুৰুষৰ কথা যত।
পদবন্ধে এহিমানে ভৈল সমাপত ॥২১॥
বঢ়া টুটা কথা দেখি যত মহাজনে।
মোক শিশুমতি জানি নু দুষিবা মনে ॥
লিখিলো একত্রে বাক্য পালি মহন্তৰ।
তৰিয়ো সংসাৰ বুলি মাধৱ শঙ্কৰ ॥২২॥

---

# সপ্ত সপ্ততিতম অধ্যায়

—শঙ্কৰ মাধৱ অৱতাৰ—

কলি পাপ সাগৰত তল গৈল লোক যত
তল যাইবে জানি আহি হৰি।
তাকে উদ্ধাৰিতে যশ বিস্তাৰিলা
দৈৱকীত অৱতৰি ॥১॥

সবে দেৱগণে আলোচিয়া মনে
গুপুত তাক কৰিলা ।
কৃপায় শঙ্কৰ ৰূপ ধৰি হৰি
পুনু তাঙ্ক প্ৰকাশিলা ॥২॥
হেনয় শঙ্কৰ- -দেৱৰ চৰণে
কৰোঁ মই নমস্কাৰ ।
মাধৱ স্বৰূপে সেহি পূৰ্ণ কৃষ্ণ
ভৈলা পুনু অৱতাৰ ॥৩॥
শঙ্কৰ বৈকুণ্ঠ প্ৰয়াণ কৰিলা
মাধৱ আছিলা ৰহি ।
বিবিধ ঈশ্বৰ- হৰি নাম ধৰ্ম্ম
প্ৰচাৰিলা শাস্ত্ৰ চাহি ॥৪॥
শঙ্কৰে ভকতি প্ৰকাশ কৰিলা
মাধৱেসে প্ৰচাৰিলা ।
মাধৱৰ প্ৰসা- দত ব্যভিচাৰী
অজ্ঞানী সবে বুজিলা ॥৫॥
সমস্ত লোকত কৰিলা বেকত
মাধৱে কৰি প্ৰচাৰ ।
গুৰু ব্যভিচাৰ দেৱ ফল যত
আদি যত ব্যভিচাৰ ॥৬॥
হেনয় মাধৱ- -গুৰু মোৰ নিজ
-গুৰু, তানে চৰণত ।
কৰোঁ নমস্কাৰ সৰ্ব্বদায় আৰু

কহোঁ শুনা সাধু যত ॥৭॥
জানা সাৰতৰ মাধৱ শঙ্কৰ
ৰূপে অৱতাৰ দুই।
দেৱকী নন্দনে ভৈলন্ত আপুনে
দুয়ো এক ভিন্ন নুই ॥৮॥
দুই হান্তৰ পাৱে নমো সৰ্ব্বভাৱে
দুয়ো মোৰ ইষ্টদেৱ।
মাধৱৰ শিক্ষা ধৰি ভজোঁ হৰি
তাসম্বাক কৰোঁ সেৱ ॥৯॥

---

# অষ্ট সপ্ততিতম অধ্যায়

—শঙ্কৰদেৱৰ বংশধৰ—

শুনা সাধু নৰ শঙ্কৰ দেৱৰ
ভৈলা পুত্ৰ তিনি জন।
জ্যেষ্ঠ ৰামানন্দ, কমল লোচন।
কনিষ্ঠ হৰিচৰণ ॥১॥

তাসম্বাৰ গুণ কি কহিবো পুনু
সৰ্ব্বগুণে গুণান্বিত।
ৰূপ নিৰূপম পণ্ডিত উত্তম
পৰম দয়ালু চিত্ত ॥২॥
ৰামানন্দ সুত সৰ্ব্বগুণ যুত
পুৰুষোত্তম নামত। (১)
দয়াৰন্ত চিত্ত শাস্ত্ৰত পণ্ডিত
প্ৰসিদ্ধ সব লোকত ॥৩॥
ধৰ্ম্মত নিপুণ কি কহিবো গুণ
তাহান পুত্ৰ ন ভৈলা।
হৰিত ভকতি কৰি মহামতি
বৈকুণ্ঠক চলি গৈলা ॥৪॥
কমললোচন ঠাকুৰৰ তান
পুত্ৰাদি একো ন ভৈলা।
হৰিচৰণৰ ভৈলা পুত্ৰবৰ

(১) ৰামানন্দে কামেশ্বৰচৌধুৰীৰ কন্যা সিন্ধুমতিক (সুমতী) বিয়া কৰায়। তেওঁৰ এক পুত্ৰ পুৰুষোত্তম। পুৰুষোত্তমৰ এক কন্যা কেশৱপ্ৰিয়া। তেওঁৰ স্ত্ৰীৰ নাম লক্ষ্মীপ্ৰিয়া। পুৰুষোত্তম ১৫৪১ শকৰ পুহমাহ কৃষ্ণাচতুৰ্দ্দশীত স্বৰ্গী হয়। কেশৱপ্ৰিয়াক নিৰঞ্জনচৌধুৰীলৈ দিয়া হয়। কেশৱপ্ৰিয়াৰ কোনো পুত্ৰকন্যা হোৱা নাই; সপত্নীৰ পুত্ৰ (অইন মতে নিজৰ পুত্ৰ) চক্ৰপাণি (চামগুৰিসত্ৰ), সাৰঙ্গপাণি (দীঘলিসত্ৰ), পদ্মপাণি বা গদাপাণি (চৰাইখোলা সত্ৰ)।

চতুৰ্ভুজ নাম থৈলা ॥৫॥ (২)

তেহোঁ বিদ্যমানে　　বিষ্ণুপুর থানে
কৰিয়া সত্ৰ আছন্ত। (৩)

মহা শোভানয়　　যেন জলধৰ
মহা দয়াৱন্ত সন্ত ॥৬॥

শঙ্কৰ দেৱৰ　　শক্তি নিৰন্তৰ
যুক্ত হুয়া মহামতি।

আপুনি কৰন্ত　　আনকো কৰান্ত
একান্তে হৰি ভকতি ॥৭॥

---

(২) হৰিচৰণৰ প্ৰথমা স্ত্ৰী ৰামচৰণ ঠাকুৰৰ ভনীয়েক, দ্বিতীয়া স্ত্ৰী বগুলাৰ জমিদাৰৰ কন্যা বিষ্ণুমতীৰ গৰ্ভত দুই কন্যা, কান্তি, গোবিন্দপ্ৰিয়া আৰু এক পুত্ৰ চতুৰ্ভুজৰ জন্ম হয়। চতুৰ্ভুজ ঠাকুৰে ফুলবাৰী বেহাৰৰ কানু ভূঞাৰ কন্যা কনকলতাক বিয়া কৰায়;—দুই কন্যা সুভদ্ৰা, সুমিত্ৰা জন্মে। চতুৰ্ভুজ ঠাকুৰৰ ভগ্নী গোবিন্দপ্ৰিয়াক বকৰা আতাৰ্লৈ দিয়া হয়, পুত্ৰ দামোদৰক ঠাকুৰে প্ৰতিপাল কৰে। কন্যা সুভদ্ৰাক ৰামগতি চৌধাৰীলৈ দিয়া হয়।

চতুৰ্ভুজ ঠাকুৰ ১৫৪২ শক—পুহ—শুক্লাচতুৰ্থীত স্বৰ্গী হয়। সুভদ্ৰাৰ পুত্ৰ অনন্তই সলগুৰি সত্ৰ আৰু সুভদ্ৰাৰ সপত্নীপুত্ৰেই (অইনমতে নিজপুত্ৰ) কোৱামৰা সত্ৰ স্থাপন কৰে।

চতুৰ্ভুজ ঠাকুৰৰ ভাগিন দামোদৰে শিশুমতিক বিয়া কৰায়। আই-কনকলতা সহ উজান অসমলৈ আহি আকৌ বৰদোৱা সত্ৰ স্থাপন কৰে। দামোদৰৰ পুত্ৰ ৰমাকান্তই নৰোৱা সত্ৰ স্থাপন কৰে।

(৩) পুৰুষোত্তম ঠাকুৰে চতুৰ্ভুজ ঠাকুৰক সত্ৰ দি যায় ১৫৪১ শকত, আৰু চতুৰ্ভুজ ঠাকুৰ ১৫৪২ শকত স্বৰ্গী হয়। গতিকে দৈত্যাৰি ঠাকুৰে ১৫৪২ শকত পুহ মাহৰ আগত চৰিত্ৰ পুথি লিখা সমাপ্ত কৰে।

# নব সপ্ততিতম অধ্যায়

—গ্ৰন্থৰ উপাদান—

ভকত সবক নমস্কাৰ কৰোঁ
হাতে দান্তে তৃণ ধৰি।
কথাত দূষণ দেখি নি নিন্দিবা
বোলো কৰজোৰ কৰি।
একে মই শিশু- -মতি আৰো তাতে
পৰম পামৰ মতি।
দুয়ো ঈশ্বৰৰ চৰিত্ৰ অনন্ত
জানিবো কেনে সম্প্ৰতি ॥২॥
তথাপি মহন্ত সবৰ মুখত
শুনি আছো যেন মতে।
মহন্ত সবৰ বচন আদৰি
লিখিলোহোঁ সেহি মতে ॥৩॥
কত কত মহা— —জন সবে মোক
বুলিলন্ত লগ পাই।
দুয়ো মহা পুৰু— —ষৰ কথা লিখি
কৰি দিয়া এক ঠাই ॥৪॥
এহি কথা আমি বুঢ়ী পো গোবিন্দত
পুছিলো আসি প্ৰৱন্ধে।

গোবিন্দ আতই　　ৰঙ্গ মনে কৈলা
লিখিয়োক পদ বন্ধে ॥৫॥
তেহে পঢ়িবাক　　লাগি সজ হৈব
পুনু পুছিলোহোঁ আমি।
তুয়ো ঈশ্বৰৰ　　শুনো চৰিত্রক
কেন মত কৈয়ো তুমি ॥৬॥
যিমান জানন্ত　　তেহেঁ কহিলন্ত
আনতো যিবা শুনিলো।
ৰামচৰণত　　শুনিছোঁ যিমত
সবকে আমি লিখিলো ॥৭॥
দেখি টুটা বঢ়া　　অপৰাধ এৰা
ই মই পাপীৰ দোষ।
কত পাসৰিলো　　কত বৈল জানি
ন কৰিবা অসন্তোষ ॥৮॥
আৰো আত এক　　যুগুতিক কহোঁ
শুনিয়োক সাধু যত।
নানান প্ৰকাৰে　　ইসব কথাক
চৰ্চ্চন্ত নানা ভকত ॥৯॥
ততেকৰ মত　　লিখিতে নপাৰো
যেমনে জানয় যিটো।
আতে দেখি কথা　　মনত পৰিলে
তেমনে চৰ্চ্চক সিটো ॥১০॥

নাহিকে আৰিহি (১) মুখৰ কথাক
কহন্তে তেখন লৰে।
কতো আন বুলি- -বাক লাগৈ আন
আসে এহিমতে পৰে ॥১১॥
এতেকে আমাৰ দূষণ তেজিবা
বঢ়া টুটা দোষ দেখি।
আগ পাছ দোষ ক্ষমিবা মনত
পৰে যিবা তাকে লেখি ॥১২॥
কিন্তু সুমৰণ মাত্ৰ থৈলো মই
মহন্তৰ বাক্য পালি।
তেজি মোৰ দোষ হুয়োক সন্তোষ
কাকু বোলো কৃতাঞ্জলি ॥১৩॥

---

# অশীতিতম অধ্যায়

## —গ্ৰন্থকাৰৰ পৰিচয়—

আছিলন্ত ৰাম— —দাস নামে ভক্ত
শঙ্কৰদেৱৰ ঠাই।
সমস্তৰে আগে শঙ্কৰদেৱত
তেহেঁ আছা ভক্তি পাই ॥১॥

---

(১) দৈত্যাৰি ঠাকুৰ ৰামচৰণ ঠাকুৰৰ পুত্ৰ। ৰামচৰণ ঠাকুৰে শঙ্কৰদেৱৰ চৰিত পুথি এখন লিখিছিল। পুত্ৰই পিতাৰ পুথি নোপোৱাৰ কাৰণ বুজা টান।

মাধৱদেৱৰকো   তেন্তেসে নিছিলা
শঙ্কৰদেৱৰ পাশ।
শঙ্কৰদেৱে সে   দিলন্ত জানিবা
তান নাম ৰামদাস ।২॥
তাহান তনয়   ভৈলা শোভানয়।
নামত ৰামচৰণ।
ৰাম চৰণত   ৰমন্ত সতত
ৰাম চৰণে মন ॥৩॥
মজিল সমূলি   ৰাম-ৰাম বুলি
সদায় কৰা কীৰ্ত্তন।
মাধৱদেৱৰ   ভাগিন হোৱন্ত
জানিবাহা সৰ্ব্বজন ॥৪॥
তাহান সন্ততি   আতি শিশুমতি
দৈত্যাৰি দিলা নামত।
লিখিলো পয়াৰ   পদ বন্ধে দুয়ো
মহাপুৰুষৰ কথা যত ॥৫॥
বঢ়া টুটা যত   দোষ ভৈল আত
সিটো হৰি সুমৰণে।
শঙ্কৰ মাধৱ   স্মৰন্তে সমস্ত
নষ্ট হৌক তাৱে ক্ষণে ॥৬॥

—নিবেদন—

নমো নমো কৃষ্ণ   ইষ্ট দেৱ মোৰ
তুমি অগতিৰ গতি।

তোমাৰ একান্ত ভকত সবৰ
দিয়োক প্ৰভো সঙ্গতি ॥৭॥
তোমাৰ চৰণে যেন মোৰ মনে
থাকে সৰ্ব্বক্ষণে ৰতি।
কৰ্ণে তযু কথা শুনোক আসোক
মুখত নাম সম্প্ৰতি ॥৮॥
ইতো সংসাৰত নাহি মোক সম
পৰম পতিত জন।
শুনিছো মহন্তে কহে তযু নাম
পতিত-জন-পাবন ॥৯॥
পৰম পতিত- -জন মই মোক
চৰণে কৰা উদ্ধাৰ।
পতিত পাৱন নাম নাৰায়ণ
সাফলিয়ো আপোনাৰ ॥১০॥
যুগুতি বচন শুনা সাধুজন
বোলো কৰজোৰ হুই।
আপুনি মনত গুণি চোঁৱা সবে
ইটো কথা হুই মুই ॥১১॥
গুৰু গুণ গণ কৰিবো বৰ্ণন
কহিবো বচনে মাত্ৰ।
গুৰু পদ সেৱা কৰি অনায়াসে
হৈব ভকতিৰ পাত্ৰ ॥১২॥
গুৰুৰ সেৱকে গুৰুৰ বচনে

পালয় নিশ্চয়ে জানি।

হৰি ভকতিক বাঞ্ছা কৰা যিটো

শঙ্কৰদেৱৰ বাণী ॥১৩॥

ন ছাৰিবা কেহ শুনা আৰো কহোঁ

বাক্য দেৱ শঙ্কৰৰ।

নাড়িলে জানিবা মহা দোষ পাইবা

ইটো কথা সাৰতৰ ॥১৪॥

বঢ়া টুটা এৰি সমুচিত কৰি

চৰ্চ্চিবাহা সাধুজন।

পৰম আনন্দে মনে গোৱা শুনা

ন পাইবে তেবে দূষণ ॥১৫॥

—গুৰুজনাৰ তিৰোধান শক—

চৈধ্যশ নব্বই শকত নিশ্চয়

শঙ্কৰ বৈকুণ্ঠ-গৈলা।

তাতো পাছে আৰো আঠাইশ বছৰ

মাধৱদেৱ আছিলা ॥২৬॥

পঞ্চদশ শত আঠাৰ শকত

বৈকুণ্ঠে গৈলা মাধৱ। [১]

---

(১) মাধৱদেৱৰ জন্ম শক ১৪১১, প্ৰয়াণৰ শক ১৫১৮—বয়স ১০৭ বছৰ। যেতিয়া মাধৱদেৱ কোচবিহাৰলৈ যায়, তেতিয়া লক্ষীনাৰায়ণ ৰজাই তেৰাৰ বয়স কিমান বুলি শুধাত "সত্তৰি বছৰ মোৰ পঞ্চম অধিক" বুলি উত্তৰ দিছিল (দ্বিজ ৰামানন্দ গুৰু চৰিত্ৰ) এই হিচাব মতে মাধৱদেৱ ৩২ বছৰ কোচবিহাৰত আছিল। অৰ্থাৎ ১৪৮৭ শকত মাধৱদেৱ বিহাৰলৈ গৈছিল।

শক গণিলাত জানিবা সংখ্যাত
নিৰ্ণয় সবে বৈষ্ণৱ ।।১৭।।
কহয় দৈত্যাৰি দান্তে তৃণ ধৰি
ন ধৰিবা দোষ মোৰ ।
মাধৱ শঙ্কৰ বুলি নিৰন্তৰ
তৰিয়ো সংসাৰ ঘোৰ ।।১৮।।

---

লক্ষ্মীনাৰায়ণ ১৫০৯ শকত কোচবিহাৰৰ ৰজা হয় গতিকে ১৫০৯ শকত মাধৱদেৱ কোচবিহাৰলৈ গলে, আৰু সেই সময় ৭৫ বছৰ বয়স হলে জন্ম তাৰিখ হয় ১৪৩৪ শক ।

সমাপ্ত